




গুৱাহাটী বুক ষ্টল • গুৱাহাটী-১

HIMANI-HILLOL

*Social Novel written by Kumar Kishor and Published by Bangshidhar Sarmah, M/s. Gauhati Book Stall, Gauhati-3. Price Rupees Eight only.*

॥ প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী-৩ ।
। প্ৰথম প্ৰকাশ : নভেম্বৰ, ১৯৭৫ চন ।
॥ বেটুপাতৰ ছবি আৰু অঙ্গসজ্জা : ত্ৰৈলোক্য দত্ত ।
॥ ছপা : শ্ৰীঅজিত কুমাৰ ৰায় ● শ্ৰীসাৰদা প্ৰিণ্টিং ● ঘোষ লেন ● কলিকতা-৬ ।
॥ বন্ধা : শ্ৰীশিবসাধন ঘোষ ● জবা বাইণ্ডিং ওৱাৰ্কচ্ ● কলিকতা-৬ ॥

। মূল্য : আঠ টকা মাথোন ।

মৰমৰ কালী,

'জীৱনত একোকে নাপালি' বুলি খেদ কৰিব খোজা তোৰ শুভাকাঙ্খী-সকলক মোৰ চিঞৰি চিঞৰি কবলৈ মন যায়: বিলাই দিয়াই যাব জীৱন—তাৰ কাৰণে পোৱাৰ তৃপ্তিতকৈ দিয়াৰ আনন্দৰ দাম বহুত বেছি।

জীয়া মানুহৰ প্ৰতাৰণাতকৈ মাইট'চিচৰ পোৰণিৰ চোক জানো সহনীয় নহয়?

তইচোন জীৱনত কেতিয়াও কাকো বেয়া পাব নোৱাৰিলি। পোৱা নাই। হাঁহি হাঁহি সকলোকে মাথোন ক্ষমাই কৰিলি।

'হিমানী-হিল্লোল'খন তোৰ হাতত দিব খোজা কাৰণে মোকো জানো ক্ষমা কৰিব নোৱাৰিবি?

—তোৰ—

কিশোৰ

GAUHATI

॥ হিমানী-হিল্লোল ॥ কুমার কিশোর ॥

## বাটিৰ জেং

'হিমানী-হিল্লোল'খন প্ৰকাশ হৈ ওলাব লাগিছিল কাহানিবাই। কিন্তু নোলাল। কাগজৰ মহঙা আৰু ছপা খৰচৰ উৰ্দ্ধমুখী গতিৰ লগত ফেৰ মাৰিব নোৱাৰাৰ ভয়ত এটা বছৰ পিচুৱাই গ'ল। তথাপি মোক ভাল পোৱা পঢ়ুৱৈসকলৰ কাৰণে অৰিহণাৰ বোজা পাতলাব নোৱাৰি—মই নিজেই বৰ লাজ পাইছোঁ।

পঢ়াৰ যি আনন্দ—'হিমানী-হিল্লোলে' পাঠকসকলৰ মনলৈ আনন্দৰ সেই হিল্লোল আনিব নোৱাৰে—জানো। তথাপি—'আজিকালি নিলিখে কিয় (?)' বুলি মৰমৰ দাবীৰে কৈফিয়ৎ বিচৰাসকলৰ কাৰণেই 'হিমানী-হিল্লোল'ৰ জন্ম হৈছিল।

বিষয় বাচনিৰ ক্ষেত্ৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীমান প্ৰণৱে মোক সহায় কৰি আহিছে। তেওঁলৈ—আৰু পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়া কাৰণে বিমান প্ৰশিক্ষণ কেন্দ্ৰৰ ছাত্ৰ জয়ন্তলৈ মোৰ স্নেহাশীষ থাকিল।

গুৱাহাটী বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীবংশীধৰ শৰ্মাই প্ৰকাশৰ দায়িত্ব লৈ মোক সকাহ দিয়া কাৰণে তেখেতৰ ওচৰতো মই কৃতজ্ঞ।

পঢ়ুৱৈসকলেই লিখকসকলৰ লিখাৰ মূলধন—প্ৰেৰণা। তেখেতসকলৰ ওচৰত লিখকশ্ৰেণী সদায় ঋণী। ইতি—

গুৱাহাটী — বিনীত—

৪।১০।৭৫ — **কুমাৰ কিশোৰ**

বিশ্বমানৱৰ দোহাই,

সমগ্ৰ মানৱ জাতিৰ শাওঁপাত মূৰ পাতি নলব। বহুল প্ৰচাৰৰ খৰতকীয়া ব্যৱস্থা কৰক। নহলে বিশ্বমানৱৰ অভিসম্পাত আপোনাৰ মূৰত পৰিব। —**ৰণ্ট্ জেন।**

বিবুদ্ধিত মই হতভম্ব হৈ পৰিলোঁ।

বিশ্বমানৱৰ অভিসম্পাত তেনেহলে ময়েই মূৰ পাতি লব লাগিব নেকি ?

১৯৭৩ চন। জুলাই মাহ।

অসমৰ পৰ্ব্বত আৰোহণকাৰী দল এটাই হিমালয়ৰ কোনোবা এটা শৃঙ্গ বিজয়ৰ যো-জা কৰিছে। যো-জা নহয়; দুই এদিনতে যাবই। সকলো যা-যোগাৰ প্ৰায় শেষ। বাকী মাথোন যাত্ৰাৰ শুভক্ষণ। আৰু কেইজনমানৰ প্ৰ'মিজমাণি কালেক্শ্যন। কালেক্শ্যনতে বৰ প'ৰ।

শৈবালে মোৰ ওচৰলৈ আহি কলেহি। লগতে অভিযানৰ বোমাঞ্চৰ কথাও কলে। অভিযাত্ৰীবোৰৰ নাম ঠিকনাবোৰ বৰ্ণালে। কোনোবা বৰুৱা দলপতি। এড্ভাঞ্চ ট্ৰেইনড্।

মনতে ভাবিলোঁ ঃ এইবাৰহে মৰিলোঁ। ঝুলনৰ পইচা বিচাৰি অহা পোৱালী কেইটাক আঠঅনা পইচা দি ভুককাই পঠিওৱাৰ ভালকৈয়ে হোৰ তুলিব। চান্দাৰ খাটাত কমেও এশটকী ৰূপ। এশত মান্তি হলেও ৰক্ষা। যদি নহয় ? এশ—দুশ—তিনিশ ? তাতকৈও বেছি ?

এবাৰ শৈবালইতৰ আগত বৰ দীঘলীয়া লেক্চাৰ এটা

দিছিলোঁ ঃ অসমত একো নহয় হে। অসমীয়া ল'ৰাই টুৰিষ্ট হব নোখোজে। এড্ভাঞ্চাৰ ভাল নাপায়। বি. এটো পাছ কৰিল নে নাই—দে চাকৰি। অসমীয়া ল'ৰাৰ দূৰদৃষ্টি নাই। চন্দ্ৰ, মঙ্গল গ্ৰহ নালাগে –হেৰ বাপু, ভাৰতবৰ্ষখনকে এবাৰ ঘূৰি-পকি আহচোন।

এতিয়া ?

পালি মজাটো বাপ্লেকে। এনে হব বুলি জনা হলে সিদিনা সিমানবোৰ বৰ বৰ কথা নকলোঁৱেইহেঁতেন। চৰকাৰৰ গাত দোষ জাপি 'সুযোগ পালে অসমীয়া ল'ৰায়ো চন্দ্ৰলৈ যাব পাৰে' বুলি কৈ থলোঁহেঁতেন।

নিজৰ বিপদ নিজে চপাই ললোঁ। কেৰমেৰ কৰিলে শৈবালে সিদিনাৰ অপমানৰ পোতক নোতোলাকৈ নেৰে। অৱশ্যে মোৰ অৱস্থাটোলৈ চাই এশমানতকৈ সৰহ দাবী কৰিব নালাগেচোন। কিন্তু কি ঠিক ? যদি কৰে ? চান্দা বিচাৰি অহাবোৰে গিৰিহঁতৰ দান-ক্ষমতাৰ কথা জানো কেতিয়াবা ভাবি চায় ? নহলেনো মাঘ বিহুৰ উৰুকাৰ ভোজ খাবলৈও চান্দা বিচাৰি আহে নে ?

তথাপি মনৰ আচল ভাবটো লুকাই শৈবালক উৎসাহ দিলোঁ ঃ বেছ বেছ। বৰ ভাল কথা। আনন্দৰ কথা। এয়েহে অসমীয়া ল'ৰা। ইমান অভাৱ-অভিযোগৰ দিনতো যে তোমালোক যাবলৈ ওলাইছা। এৰা, তোমালোক ডেকা ল'ৰা। যাব লাগে। যাওঁতে বাটত লোকপাল হেমকুণ্ড পাই যাবা নহয় ? সপ্তশৃঙ্গৰ কোনোবা এটা শৃঙ্গ জয় কৰিব পাৰিলেও হয় দিয়াচোন। - ছিঃ ময়ো যে কি আৰু ? তোমাক চাহ একাপ দিয়াৰ কথা কবলৈ ইমান পৰে পাহৰিয়েই আছোঁ।

সুযোগ বুজি সময়ৰ শৰ মাৰিলোঁ।

কথাবোৰ এনে সুৰত কলোঁ যেন হিমালয়খন মই সাতবাৰমান ঘূৰি-পকিহে আহিছোঁ। হিমালয় অভিযানৰ আটাইবোৰ বাটপথ, প্ৰত্যেকটো শৃঙ্গ যেনিবা মোৰ নখদৰ্পণতহে।

অভাৱ অভিযোগ শব্দ দুটা উল্লেখ কৰাৰ অৰ্থ : নিত্য ব্যৱহাৰ্য্য দ্ৰব্যৰ আকাশলঙ্ঘী দামত আমাৰ প্ৰাণ কণ্ঠাগত।

আৰু চাহ পিয়লা ?

তাৰো কাৰণ আছে।

চাহ এপিয়লাৰ দাম যদি এশ টকা হয়—কিনো বেয়া ? চাহ এপিয়লা যাচি কিজানিবা চান্দাৰ অঙ্কটো অলপ কমাবই পাৰোঁ।

উলহ-মালহৰ মোৰ অন্ত নাই। মানে চান্দাৰ পৰিমাণটো যি কোনো প্ৰকাৰে কমোৱাৰ বুদ্ধি।

মোৰ কথাবোৰ শুনি শৈবালে হাঁহিলে।

ভাবিছিলোঁ—চাহৰ কথা শুনি কব : নাই, ককাইদেউ, চাহ আৰু নালাগে। মোৰ বহুত কাম আছে। হাতত সময় বৰ কম। পিচে আপোনাৰ নামত কিমান লিখিম ? ······টকা লিখিলোঁ আৰু।

সেই লগতে ৰচিদ বহী এখন জেপৰ পৰা উলিয়াই লব।

কিন্তু নুলিয়ালে। মই ভবাৰ দৰেও নকলে। মোক একেবাৰে বুব্বক বনাই কৈ উঠিল : পৰ্ব্বতাৰোহণকাৰীৰ অভিধান মতে বিশ হাজাৰ ফুটৰ ওপৰলৈ বগাব নোৱাৰিলে অভিযাত্ৰী বুলি গণ্য কৰা নহয়। সপ্তশৃঙ্গৰ উচ্চতা মাথোন ষোল হেজাৰ পাঁচশ আশী ফুটহে।

মোৰ মুখৰ মাত হৰিল।

শৈবালে অকণো খৰখেদা নকৰি ধীৰ গম্ভীৰভাবে জেপৰ পৰা ৰচিদ বহী এখন উলিয়াই পাত লুটিয়াবলৈ ধৰিলে। মই কি কম ভাবি পোৱা নাই। মানে 'বেছি নিলিখিবা। কিবা অলপ দিওঁ আৰু' বুলি কোৱাৰ সুযোগ বিচাৰিছোঁ।

কিন্তু ইতিমধ্যে শৈবালে কিবাকিবি লিখিলেই। ৰচিদ বহীটোৰ পাত এখিলা ছিৰি মোলৈ আগবঢ়াই দিলে।

: আপোনাৰ নামত বৰ বেছি লিখা নাই ককাইদেউ। মাত্ৰ তিনিশ টকা লিখিছোঁ।

: তি-নি-শ ?

মোৰ মুখৰ ত্ৰিভুজাকৃতি দেখিয়েই হবলা শৈবালে আকৌ হাঁহিলে। মই আপত্তি কৰিবলৈ নৌপাওঁতেই কৈ উঠিল: টকা আপুনি আমাক দিব নালাগে?

নালাগে।

ঃ নালাগে। সেই টকাৰে আপোনাৰ প্ৰয়োজনীয় গৰম কানি-কাপোৰ যি লাগে কিনি লব। সময় নাই কিন্তু। আজিয়েই কিনা-কুটা শেষ কৰিব লাগিব।

ঃ মই একো বুজি পোৱা নাই শৈবাল।—সুধিলোঁ।

ঃ মানে আপুনিও আমাৰ সহযাত্ৰী। আমাৰ লগত যাব লাগিব।

ঃ ম—ই? তুমি এইবোৰ কৈছা কি শৈবাল? হাণ্ড্ৰেড নাইনটি ফাইভ্ বাই হাণ্ড্ৰেড টেন প্ৰেছাৰ লৈ মই পাহাৰ বগাম? এই অকৰ্ম্মণ্য দেহাটোৰে? পাণবজাৰৰ পৰা ফাঁচী বজাৰলৈ যাবলৈ যিজনৰ ৰিক্সা নহলে নহয়—।

ঃ ফাঁচী বজাৰলৈ ৰিক্সাত যায়। হিমালয়লৈ বাছত যাব।

শৈবালৰ কথাবোৰ সঁচাকৈয়ে মোৰ সাঁথৰ সাঁথৰ যেন লাগিল।

কামাখ্যা মন্দিৰলৈ তেতিয়াও মটৰেৰল ৰোড হোৱা নাই। সেই তাহানিতে এবাৰ নে দুবাৰ সহপাঠী কেইজনমানৰ উৎপাতত কামাখ্যালৈ গৈছিলোঁ। উদ্দেশ্য দেবীদৰ্শন নতুবা পুণ্য সঞ্চয় নহয়।

কলেজীয়া ল'ৰাই পুণ্য আৰ্জিবলৈ কামাখ্যালৈ নাযায়।

উদ্দেশ্যটো নকলোঁৱেই যেনিবা। থোৰতে কৈ থলোঁ। বুজোতা-জনে বুজিব। ডেকা বয়সত তীৰ্থলৈ যাব নাপায় বুলি বুঢ়াবেথা-সকলে এনেয়ে কোৱা নাই।

স্বপ্না, বাসৱদত্তাহঁত নোযোৱা হলে সহপাঠী কেইজনেই কিবা ইমানখন পাহাৰ বগালেহেঁতেন নে?

এনেয়ে সিহঁতক কবচোন: বল না, কামাখ্যাৰ পৰা আহোঁগৈ। মায়ে ক'লা পাৰ এযোৰ ভাইটোৰ অসুখত কাহানিবাই মানস কৰি থৈছিল।

ঃ ধুৰ্ বে। গুলী মাৰ তোৰ কামাখ্যা। পাৰ কিনা পইচা কেইটাৰে চাংমাইত বেছ জমিব। বুইছ ?

চাংমাই তাহানি দিনত গুৱাহাটীৰ 'বেষ্ট ৰেষ্টুৰাণ্ট'। আজিকালি চাংমাইখন নাই হবলা।

তাৰ পিচত পূজা বন্ধত ঘৰলৈ যাওঁতে মায়ে সুধিছিলঃ গোসাঁনীৰ ধাৰটো শুজিলি নে বৰ মইনা? সপোনত সদায় সাপবোৰ দেখি থাকোঁ।

অর্থাৎ—মানস কৰা পাৰযোৰ দিলিনে ?

ঃ ওঁ। দিলোঁ মা। গোত্ৰটোহে অলপ খেলিমেলি লাগিছিল। কাশ্যপ্ গোত্ৰ নহয় জানো ?

ঃ কেলেই নহয় ?

তুলসীৰ গুৰিত বহি মধ্যাহ্ন সন্ধ্যাৰ গায়ত্ৰী মন্ত্ৰজপা দেউতাই আমাৰ কথাবোৰ তং কৰি আছিল হবলা।

সেয়া দেউতাই জনোৱা সঁহাৰি।

মাৰ মানস পিচে আজিও মানস হৈয়ে থাকিল।

মা নাই। কামাখ্যা আছে। ভাইটোও আছে। মটৰ আহ্-যাহ্ কৰা ৰাস্তা হোৱাৰো এযুগ কাল কাহানিবাই পাৰ হৈ গ'ল। কিন্তু মোৰহে সময় হোৱা নাই। গোসাঁনীৰ ধাৰ পৰিশোধ কেতিয়া হয়গৈ নাজানো।

অৱশ্যে কলেজত থাকোঁতে শিৱৰাত্ৰিত উমানন্দলৈ প্ৰায়ে গৈছিলোঁ। মানে ফাৰ্ষ্ট চাইটৰ সন্ধান।—

মোৰ পাহাৰ বগোৱাৰ অভ্যাস নতুবা পটুতা—যি কয়, সিমানেই আৰু। তাৰ পিচত এই বয়সত একেবাৰে হিমালয়। গো-মুখী গাঙ্গেত্ৰী। গতিকে শৈবালৰ প্ৰস্তাৱত মই আকাশৰ পৰা সৰি নপৰিম কিয় ?

ঃ বুইছে ককাইদেউ, আমি পাহাৰ বগাব নালাগে। আপুনি মই যোশীমঠত থাকিম। যোশীমঠলৈ মটৰ চলে।

মই নিৰুত্তৰ। অবাক দৃষ্টিত হেজাৰ প্ৰশ্ন। শৈবালে মোৰ সেই প্ৰশ্নবোৰ বুজি পাইছিল হবলা। কৈছিল ঃ

ঃ শিবিৰৰ পিচত শিবিৰ পাতি অভিযাত্ৰীৰ দল আগুৱাই গৈ থাকিব। যোশীমঠৰপৰা আপুনি আৰু মই বাহিৰৰ পৃথিবীখনৰ লগত যোগাযোগ স্থাপন কৰিম। ওৱাৰলেচ চেট এটা যোগাৰ কৰাৰ যত্ন কৰি আছোঁ। যোগাৰ কৰিব পাৰিলেতো ভালেই। নোৱাৰিলে কুলীবোৰে ওপৰৰ শিবিৰৰ পৰা খবৰ আনি আমাক যোগাব। কেম্পত কিবাকিবি বস্তুৰ নাটনি পৰিলে বজাৰৰ পৰা কিনি ওপৰলৈ পঠিয়াম। কুলীবোৰে কঢ়িয়াব।

অৱশেষত সন্মত হোৱাৰ বাহিৰে উপায় নাছিল। যাত্ৰা এদিন আৰম্ভ হ'ল।

যোশীমঠ। বিৰলা ৰেষ্ট্ হাউচ।

কেইদিনমান পিচতেই অভিযাত্ৰী দল ওপৰৰ শিবিৰৰ পৰা উভতি আহিব। জয় সুনিশ্চিত প্ৰায়।

যোশীমঠত ৰৈ আছিলোঁ মই আৰু শৈবাল। মন সেমেকা। বৰভোজলৈ আহি সামীষ আহাৰীয়ে নিৰামিষ খোৱাৰ বেদনা।

আহিছিলোঁৱে যেতিয়া ওপৰলৈ নগলোঁ কিয়? সিহঁতে শৃঙ্গ জয় কৰি আহিব। আৰু আমি? মই আৰু শৈবাল?

ৰাতিপুৱা। হাত-মুখ ধুই বাহিৰতে বহিছিলোঁ। বাৰাণ্ডাত ৰ'দ পৰিছে। চকিদাৰে খোৱা বস্তুৰে সৈতে চাহৰ ট্ৰে এখন সন্মুখৰ টিপয়খনত দি গৈছিল।

ঃ চালাম চাব্।

শুদা কাপ-প্লেটযোৰ ট্ৰেখনৰ ওপৰত থৈ মূৰ দাঙি চালোঁ। মানুহজনক কোনোবা মালবাহক বুলি অনুমান হ'ল।

সেইজনেই আংটেম্বা। অভিযাত্ৰীবোৰৰ মাল কঢ়িয়ায়।

মোৰ অনুমানটোৱে সঁচা। আংটেম্বাই নিজৰ পৰিচয় দিলে।

ঃ আমাৰ কুলীৰ প্ৰয়োজন নাই।—কলোঁ।

কিন্তু আংটেম্বাই মাল কঢ়িওৱাৰ কাম বিচাৰি মোৰ ওচৰলৈ অহা নাছিল। তাৰ হাতত এটা ট্ৰেন্‌জিষ্টৰ ৰেডিঅ' আছে হেনো। গ্ৰাহক বিচাৰি আহিছে। দাম—খৰিদ্দাৰে যি দিয়ে। আংটেম্বাৰ তেনে কোনো দাবী নাই।

বোধহয় কোনোবা যাত্ৰীৰ ট্ৰেন্‌জিষ্টৰ। হয় সি চুৰি কৰিছে নতুবা হেৰা পাইছে। বিক্ৰী কৰি যি দহ বিশ টকা পায়—সেয়ে লাভ। চুৰি মাল কিনাটো বিপজ্জনক। তাতে লাইচেঞ্চৰো প্ৰশ্ন আছে। কিবা এটা পৰামৰ্শ কৰিবলৈ শৈবালো ওচৰত নাই। বাহিৰলৈ ওলাই গৈছে।

তথাপি ট্ৰেন্‌জিষ্টৰটো চোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ।

আংটেম্বাই পিন্ধি থকা গ্ৰেট্ কোটৰ ভিতৰৰ পৰা তাৰ সেই ট্ৰেন্‌জিষ্টৰটো উলিয়াই মোলৈ আগবঢ়াই দিলে।

উৱা! এইটোচোন ফিলিপচ্ টেপ্ ৰেকৰ্ডাৰ। ট্ৰেন্‌জিষ্টৰ নহয়।

টেপ্ ৰেকৰ্ডাৰটো লিৰিকি বিদাৰি প্লেৰিডডালত হেঁচি দিলোঁ।

ৰেকৰ্ডাৰটোৰ টেপৰ হুইল দুটা ঘূৰিছে। কিন্তু কোনো শব্দ হোৱা নাই। বোধহয় বাণীবদ্ধ কৰা হোৱা নাই। নতুন ফিটা। নতুন কেচেট্। ৰিউইণ্ড কৰি আকৌ প্লেৰিডডালত টিপি দিলোঁ। এইবাৰ বাজি উঠিল। সুন্দৰ স্পষ্ট গলগলীয়া মাতৰ শুদ্ধ ইংৰাজী।

বিশ্বমানৱৰ দোহাই,

সমগ্ৰ মানৱজাতিৰ······আপোনাৰ মূৰত পৰিব। —ৰণ্ট্‌জেন।

মই আচৰিত। হতভম্ব। বাটৰ বগৰি জেং চপাই লবলৈ মোক কিহে পাইছিল? বিশ্বমানৱৰ অভিসম্পাত মূৰ পাতি লবলৈ মোক কি ভূতে কিলাইছিল?

টেপটো লৰালৰিকৈ বন্ধ কৰি দিলোঁ। আৰু বা কি ওলায়?

কিহৰ এই অভিসম্পাত? সঁচা ধৰ্ম্মবিশ্বাস নে কাৰোবাৰ ব্যৱসায়িক বুদ্ধি। স্বাৰ্থজড়িত অভিসন্ধি?

টেপ বন্ধ কৰিব পাৰি। কৰিছিলোঁ। কিন্তু মনৰ কৌতূহল

দমাবলৈ ৰিড্ এড়ালহে বিচাৰি নাপালোঁ। টেপ ৰেকৰ্ডাৰ যন্ত্ৰ। ৰিড্ অথবা চুইচ্ আছে। মই মানুহ। ৰিড্ নতুবা চুইচ্ নাই। নহয়—আছে। মন। মন আমাৰ মেইন চুইচ্।

টেপটো আকৌ বজাই দিলোঁ। কৌতূহল দমাব পাৰিলেহে নবজোৱাকৈ থাকিব পাৰি।

ঃ আংটেম্বা এই অভিযানৰ অত্যন্ত বিশ্বাসী আৰু বিচক্ষণ মালবাহক। তাৰ হাতত এনেকুৱা আৰু দহোটা কেচেট্ আছে। সেই কেচেট্ কেইটাৰ তিনিটাৰ বাহিৰে বাকীবোৰত কোনো বাণীবদ্ধ কৰা হোৱা নাই।

যিকোনো মুহূৰ্ত্তে পৃথিবীৰ বুকুৰ পৰা মই হেৰাই যাব পাৰোঁ। কিন্তু আমাৰ অ'তদিনৰ সাধনা—পৰিশ্ৰম অথলে যোৱাটো মই বাঞ্চা নকৰোঁ। মোৰ যদি সঁচাকৈয়ে মৃত্যু হয়—তেন্তে বিশ্বমানৱক উপকৃত কৰাৰ দায়িত্ব আপোনাৰ। নহলে আমাৰ যুটীয়া সাধনাৰ পৰা উপকৃত হব বুলি ধাৰণা কৰা আৱিষ্কাৰৰ পৰা বিশ্বমানৱ চিৰদিনলৈ বঞ্চিত হৈ ৰব।

হয়তো মোৰেই দুৰ্ভাগ্য। পৰীক্ষাৰ বিতং পদ্ধতি ৰেকৰ্ড কৰা কেচেট্‌টো মোৰ ভুলৰ কাৰণেই যোৱা ৰাতি মচা গ'ল।—আজিৰ অভিযানৰ পিচত নিৰ্ব্বিঘ্নে উভতি আহিব পাৰিলে পৰীক্ষাৰ পদ্ধতিবোৰ আকৌ নতুনকৈ বাণীবদ্ধ কৰিম।· ····

তাৰ পিচত আৰু কোনো শব্দ নাই। আনৰেকৰ্ডেড্।

আংটেম্বাৰ পৰা বাকী দহোটা কেচেট্ খুজি ললোঁ। সি আচৰিত। মই সৰ্ব্বজান নেকি? নহলে মই কেনেকৈ জানিলোঁ—এই ৰেকৰ্ডাৰটো ৰণ্ট্‌জেন চাহাবৰ? তাৰ হাতত আৰু দহোটা কেচেট্ আছে?

আংটেম্বাই ইংৰাজী নুবুজে। গাড়োৱালী।

ভয়ত সি পেপুৱা খাই পৰিছে।

বাণীবদ্ধ কেচেট্ কেইটা বজাই মই অভিভূত হৈ পৰিছোঁ। উৎকণ্ঠিত। উদ্বিগ্ন।

ইতিমধ্যে শৈবাল ঘূৰি আহিছে। কথাবোৰ শুনি সিও আচৰিত।

ঃ আপুনি উভতি যাওঁকগৈ ককাইদেউ। দলপতিক মই বুজাই কম। ওপৰলৈ চিঠি লিখিম। আপুনি যেনিবা কেইদিনমান আগতে গ'ল। যাবতো লাগিবই। আমাৰ অভিযানতকৈও আপোনাৰ ওপৰত ন্যস্ত হৈ পৰা এই নতুন অভিযানৰ দায়িত্ব বহুত বেছি। গুৰুতৰ।

শৈবালে মিছা কোৱা নাছিল।

আংটেম্বাৰ ওপৰত প্ৰশ্নৰ জাউৰি।

অৱশেষত নাম ঠিকনা লিখি তাক যেতিয়া বিদায় দিছিলোঁ বেলি তেতিয়া দুপৰ। নাম ঠিকনা লিখি ৰাখিছিলোঁ—কাৰণঃ কিজানিবা কেতিয়াবা প্ৰয়োজন হয়েই। হৈছিলো।

বক্‌চিচ হিচাপে দিব খোজা টকা পঞ্চাশটা আংটেম্বাই লব খোজা নাছিল। কিন্তু জোৰকৈয়ে মই তাৰ হাতত গুজি দিছিলোঁ। ৰণ্ট্‌জেনৰ পৰিশ্ৰম আৰু সাধনা যদি সফল হয় তেনেহলে সেই সফলতাৰ লগত জড়িত হৈ থাকিব আংটেম্বাৰ নাম।

মই উভতি অহাৰ কাৰণে মোতকৈও শৈবালেই খৰখেদা লগালে বেছি। বাধ্য হৈ শৈবালক অকলে এৰি মই উভতি আহিছিলোঁ। তাৰ পিচত আৰম্ভ হৈছিল মোৰ অনুসন্ধান।

উদ্বিগ্ন কৌতূহলী মন।

অৱশেষত সেই অনুসন্ধানবো এদিন শেষ হৈছিল। আৰম্ভ হৈছিল—'হিমানী-হিল্লোল'ৰ কাহিনী ভাগ। তেনেকৈয়ে জন্ম হ'ল 'হিমানী হিল্লোল'ৰ। 'হিমানী-হিল্লোল'ৰ বহুল প্ৰচাৰ হয় নে নাজানো। তাৰবাবে বিশ্বমানৱৰ অভিসম্পাত মূৰ পাতি লব-লগীয়া হলেও মোৰ কোনো উপায় নাই। মই নিৰুপায়। বহুল প্ৰচাৰৰ দায়িত্ব আপোনাৰ।

॥ দুই ॥

নাৰী আৰু নগৰী।

ৰাতিৰ নাৰী আৰু শেষ নিশাৰ নগৰী।

উভয়ৰে বিভিন্ন ৰূপ, বিভিন্ন ৰং। ভয়াবহ।

এন্ধাৰ ৰাতিৰ নাৰী—মায়াবিনী। মোহময়ী। কুহকিনী।

আৰু নিশাৰ এন্ধাৰ ?

মোহময়ী নাৰীৰ দৰেই চলনাময়ী।

সেই এন্ধাৰৰ মাজে মাজে ফণা মেলি ঘূৰি ফুৰে সহস্ৰ কাল নাগিনী। বিষাক্ত।

বৰফ গলিবলৈ আৰম্ভ কৰা এটা ৰাতিপুৱা। শেষ শীতৰ পাতল বৰফৰ এটা আবৰণ।

ঠেৰেঙাত জুপুকা মাৰি থকা চহৰখন যেন হঠাতে সাৰ পাই উঠিল। শীতত সেমেকা বাট-পথবোৰ সজীৱ হৈ পৰিল। কৌতূহলী জনতাৰ সহস্ৰ পদক্ষেপ বুকুত সাৱটি লৈ টোপনিৰ পৰা উঠি বহিল। আটাইৰে মনত উত্তেজনা, কৌতূহল আৰু বিস্ময়।

ৰাজধানীৰ বুকুত তিনিজনী নাৰীৰ মৃতদেহ।

এজনী, দুজনী নহয়; তিনিজনী প্ৰাণহীন যুৱতী নাৰীৰ মৃতদেহ ৰাতিৰ এন্ধাৰত কোনোবা দুৰ্বৃত্তই একেঠাইতে পেলাই থৈ গৈছে।

সকলোৱে আচৰিত হ'ল।

আটাইৰে চকুত কৌতূহলী দৃষ্টি। সেই দৃষ্টিত এটাই মাথোন প্ৰশ্ন: এয়া পাশৱিক অত্যাচাৰৰ পৰিণাম নে হত্যা ?

পুলিচৰ সন্দেহ: ওচৰৰ নৈশ ক্লাৱটোৱে তাৰ বাবে দায়ী।

সময় আগবাঢ়িল।

বৰফ গলি গলি শেষ হ'ল।

ৰাজপথৰ ওপৰত জনতাৰ সংখ্যা আৰু বাঢ়িল। 'পুলিচ ডগ ভান' আহিল। সেই ভানৰ পৰা জঁপিয়াই পৰিল এটা এটাকৈ দুটা সন্ধানী কুকুৰ। শক্তিশালী ; চোকা।

কিন্তু কি আচৰিত।

কুকুৰ দুটাই মৃতদেহ কেইটা শুঙি দক্ষিণলৈ মুখ কৰি কেইগজমান মাথোন আগবাঢ়ি গ'ল। তাৰ পিচত ওপৰলৈ জঁপিয়াবলৈ আৰম্ভ কৰিলে। ওচৰতে থকা প্ৰকাণ্ড গছজোপাত বাৰে বাৰে আঁচুৰিলে। গছজোপাৰ গুৰিত খামুচি ধৰি যেন ওপৰলৈ উঠিবলৈহে যত্ন কৰিছে।

পুলিচ আচৰিত হ'ল ঃ এয়া জানো সম্ভৱ ? হত্যাকাৰী জানো ইমান ওচৰতে লুকাই আছে ? নহলে কুকুৰ দুটাই ওপৰলৈ জঁপিয়াব কিয় ? গছজোপাৰ গুৰিত আঁচৰাৰ কাৰণ কি ?

সন্ধানকাৰী পুলিচ-বিষয়া, চিপাহী আটায়ে গছজোপাৰ ওপৰলৈ চালে।

কিন্তু ক'তা ?

জানোচা ভুল হৈছে। গছজোপাৰ তলৰ পৰা তেওঁলোকে দেখা নাই।

জনতায়ো চালে।

কিন্তু গছজোপাৰ ওপৰত কোনোবা লুকাই আছে বুলি কাৰো সন্দেহ নহ'ল। পুলিচ বিষয়াজনৰ তাগিদাত অৱশেষত দুজন সাহসী কনিষ্টবল গছজোপাৰ ওপৰলৈ উঠি গ'ল। তন্নতন্নকৈ পৰীক্ষা কৰিলে। ডাল-পাতৰ মাজে মাজে নিৰিখি চালে।

কিন্তু ওহোঁ !

হত্যাকাৰীৰ কোনো শুং-সূত্ৰ নোলাল।

পুলিচৰ বদ্ধমূল ধাৰণা ঃ মৃতদেহ পেলাই থৈ দুৰ্বৃত্তহঁত নিশ্চয়

গছজোপাৰ ওপৰত উঠিছিল ; আৰু তাৰ পৰাই সিহঁত নাইকীয়া হৈছে। নহলে কুকুৰ দুটাই ওপৰলৈ মুখ কৰি জঁপিয়াব কিয় ?

কিন্তু ক'লৈ গ'ল অপৰাধী ?

মানুহে জানো উৰিব পাৰে ? তেনেকুৱা উৰণ যন্ত্ৰ জানো আৱিষ্কাৰ হৈছে ? বিজ্ঞানে আৱিষ্কাৰ কৰিব পাৰিছে ? হেলিকাপ্টাৰ নতুবা উৰা জাহাজেৰে গছ এজোপাৰ ওপৰৰ পৰা আততায়ীক উৰুৱাই নিয়া সম্ভৱ নহয়। অবিশ্বাস্য, অসম্ভৱ।

সন্দেহ, বিস্ময় আৰু কৌতূহল।

বিভিন্ন উপদেশ। বিভিন্ন মন্তব্য। যুক্তি-তৰ্ক ; আৰু মীমাংসা নোহোৱা সিদ্ধান্ত।

গছজোপা কাটি বগৰাই দিয়ক।

তাৰ আগেয়ে চাৰিওফালে সশস্ত্ৰ পুলিচ পহৰাৰ ব্যৱস্থা কৰিব লাগে।

গছজোপা কেলেই ? ঠাল-ঠেঙুলিবোৰ কাটি বগৰাই দিলেই হয়চোন।

পুলিচ বিষয়াজন বিমোৰত পৰিল।

ঠাল-ঠেঙুলিবোৰ কটাৰ প্ৰয়োজন নাই। সেৰেঙা পাতবোৰৰ মাজত মানুহ নালাগে চৰাই এজনী পৰি থকা হলেও দেখা পোৱা গ'লহেঁতেন।

কিন্তু জনতাৰ কটু সমালোচনাৰ পৰা হাত সাৰিবলৈ অৱশেষত ঠাল-ঠেঙুলিবোৰ কাটি বগৰাই দিয়া হ'ল। গছজোপাৰ আটাইবোৰ ডাল এটা এটাকৈ ঢলি পৰিল। থিয় হৈ থাকিল মাথোন এজোপা নঙঠা গছ।

কিন্তু আততায়ী নাই। নোলাল। হত্যাকাৰীক পোৱা নগ'ল।

এজন এজনকৈ আৰু কেবাজনো ওপৰৱালা পুলিচ বিষয়া ঘটনাস্থলীলৈ আহিল। ঘটনাস্থলী পৰীক্ষা কৰিলে। হত্যাকাৰীক

বিচাৰি উলিওৱাৰ শুং-সূত্ৰ বিচাৰিলে। কোনোবা এজনে বিভিন্ন এঙ্গলৰ পৰা স্নেপ্‌শ্বট ললে।

পলমকৈ অহা ওপৰৱালা পুলিচ বিষয়া কেইজনৰ প্ৰশ্নৰ উত্তৰ দি দি তলতীয়া বিষয়া কেইজন ভাগৰি পৰিল। ঢমকত পেপুৱা খালে। ওপৰৱালা বিষয়া কেইজনৰ প্ৰশ্নত এনে এটা ভাব ফুটি উঠিল: হত্যাকাৰী যেন মৃতদেহ কেইটাৰ ওচৰত বৈহে আছিল। তদন্তকাৰী বিষয়াজনৰ ভুল আৰু মূৰ্খামিৰ কাৰণেহে গ্ৰেপ্তাৰ কৰিব পৰা নহ'ল। ওপৰৱালা বিষয়াজন তেতিয়াই অহা হলে হত্যাকাৰী পলাই যোৱাৰ কোনো উপায় নাছিল।

এটা অহেতুক ব্যস্ততা। নিৰৰ্থক প্ৰচেষ্টা।

ওপৰৱালা বিষয়া কেইজনক ভালৰি লগাবলৈ তলতীয়া বিষয়া কেইজন অত্যন্ত ব্যস্ত হৈ পৰিল। গছৰ ডাল-পাতবোৰ এডাল এডালকৈ জোকাৰি চালে। যেন হেৰোৱা সোণৰ আঙুঠি এটাহে বিচাৰিছে।

কৰ্ম্মতৎপৰতা দেখুৱাবলৈ ব্যস্ত হৈ পৰা তলতীয়া কৰ্ম্মচাৰী কেইজনৰ কৰ্ম্মব্যস্ততা দেখি জনতাৰ কিছুমানে হাঁহিলে।

কোনোবা এজনে কুকুৰ দুটাক মৃতদেহ কেইটাৰ ওচৰলৈ পুনৰ টানি লৈ গ'ল। মৰা শ কেইটা শুঙালে। কিন্তু লাভ একো নহ'ল। আগৰ দৰেই কুকুৰ দুটা অকণমান আঁতৰি আহি আকৌ আগৰ ঠাইখিনিতে বৈ গ'ল। পিচৰ ঠেং দুখনত থিয় হৈ ওপৰলৈ চাই চাই জঁপিয়ালে।

চিন্তা, চিন্তা আৰু চিন্তা।

কাক সন্দেহ কৰিব পাৰি? হত্যাকাৰী কোন?

হত্যাৰ কাৰণ অৱশ্যে সুস্পষ্ট। পষ্টমৰ্টেম ৰিপ'ৰ্টেও সেই কথা প্ৰমাণ কৰিব বুলিয়েই পুলিচৰ বিশ্বাস।

কিন্তু?

এয়াও এক ৰহস্য।

সাধাৰণতে ধৰ্ষিতা নাৰীৰ গাৰ কানি-কাপোৰবোৰ বিশৃঙ্খল।

আত্মৰক্ষাৰ প্ৰচেষ্টাত অ'ত ত'ত ফাঁহি ছিঙি যোৱা সাজপাৰ; অসংযত মূৰৰ চুলি আউল বাউল। চকু-মুখত যন্ত্ৰণা আৰু ক্লান্তিৰ সুস্পষ্ট ছাপ। নাৰীদেহৰ বিভিন্ন কোমল অংশত কামাতুৰ পিশাচৰ নখৰ আঁচোৰ; ক্ষতবিক্ষত চিহ্ন।

কিন্তু এই মৃতদেহ কেইটাত সেইবোৰ লক্ষণৰ এটাও নাই। সাজি কাছি ফুৰিবলৈ ওলাই হঠাতে কাৰোবাৰ ওপৰত যেন অভিমান কৰি শুই আছে তিনিজনী বোৱাৰী। অভিমান ভঙাৰ পিচত আকৌ উঠি বহিব। হাঁহিব।

সুশ্ৰী যুৱতী নাৰীহত্যাৰ আন কাৰণ কি হব পাৰে?

অথচ দেহৰ কোনো অংশত আঘাতৰ অকণো চিন নাই।

সকলোবোৰ যেন খেলিমেলি। ৰহস্যময়।

ৰাস্তাটোৰ উত্তৰ নতুবা দক্ষিণ ফালৰ পৰা মৃতদেহ কেইটা আনি যে তাত থোৱা হৈছে—সেই বিষয়ে পুলিচ নিঃসন্দেহ। কাৰণ—এটাই মাত্ৰ পথ। দুটা বহল ৰাজপথৰ মাজত দীঘল দলং এখনৰ দৰে ওলমি থকা এটা চুটি বাট। বাটটোৰ পূবফালে বটানিকেল গাৰ্ডেন। বাটটোৰ পৰা বটানিকেল গাৰ্ডেনখন যথেষ্ট দ। থিয়। পশ্চিমফালে লেকৰ গভীৰ পানী। ৰাস্তাটোৰ দুয়ো কাষে লোৰ ৰেলিং। গতিকে পুব আৰু পশ্চিম ফালৰ পৰা আততায়ী অহাৰ কোনো পথ নাই। কিন্তু আততায়ীৰ পদক্ষেপ নতুবা গাড়ীৰ চকাৰ চিন অনুসৰণ কৰি হত্যাকাৰীক বিচাৰি উলিওৱাৰ উপায়ো নাই। ৰতাহত উৰি অহা তুলাৰ দৰে সৰি পৰা বৰফৰ কণিকাই সেই চিন ধুই মচি গৈছে। নিচিহ্ন কৰি থৈ গৈছে।

কুকুৰৰ সহায়ত অপৰাধীৰ তদন্ত কৰা বিষয়াজনৰ মনত পৰিল: কেইমাহমানৰ আগৰ দুটা ঘটনা

ত্ৰিশ অক্টোবৰ।

পৃথিৱীৰ বুকুলৈ চেঁচা নামিছে। কিন্তু ঘন বৰফ পৰিবলৈ তেতিয়াও আৰম্ভ কৰা নাই।

ৰাজধানীৰ বুকুত ৰাতিপুৱা আৱিষ্কাৰ হ'ল এজনী যুৱতী নাৰীৰ মৃতদেহ। কোনোৱা দেহোপজীৱিনীৰ মৃতদেহ বুলি পুলিচে সন্দেহ কৰিছিল। চিনাক্ত কৰিব নোৱাৰা গাভৰুজনী দেহোপজীৱিনী নহৈ আৰু কোন হব?

কিন্তু পষ্টমৰ্টেম ৰিপ'ৰ্টে সেই কথা স্বীকাৰ নকৰিলে। দেহত অস্ত্ৰাঘাতৰ চিন নাই। আঘাতৰ ক্ষত বিচাৰি পোৱা নগ'ল। পাশৱিক অত্যাচাৰৰ কোনো লক্ষণ নাই। তেন্তে সেয়া হত্যা, আত্মহত্যা নে স্বাভাৱিক মৃত্যু? সেই বিষয়ে পষ্টমৰ্টেম ৰিপ'ৰ্ট নিশ্চিত নহয়। সন্দেহযুক্ত।

নিৰুপায় হৈ চিকিৎসকজনে অৱশেষত পষ্টমৰ্টেম ৰিপ'ৰ্টত লিখিবলৈ বাধ্য হ'ল: স্বাভাৱিক মৃত্যু।

তাৰ বাহিৰে আন উপায় নাছিল।

কিন্তু মৃতদেহটো নতুন নহয়। পুৰণি। অন্ততঃ আঠচল্লিশ ঘণ্টাৰ আগতে মৃত্যু হোৱা এটা মৰা শ।

ৰেচকোৰ্চৰ মকুলি পথাৰৰ মাজত পোৱা মৃতদেহটোৰ ওচৰলৈ সিদিনাও সন্ধানী কুকুৰ দুটা নিয়া হৈছিল। আততায়ীৰ সন্ধান দিব বুলি ভবা কুকুৰ দুটাই মৰাশটোৰ পৰা কিছুদূৰ আতৰি আহিয়েই ওপৰ মুকৈ নাচিছিল; জঁপিয়াইছিল। কিন্তু ওচৰত কোনো গছ-গছনি নাছিল।

অপৰাধীক বিচাৰি পুলিচে তদন্ত আৰম্ভ কৰিলে। বিশেষ প্ৰশিক্ষণ লোৱা চোৰাংচোৱা আহিল। কিন্তু অপৰাধীৰ সন্ধান নোলাল। পুলিচ ব্যৰ্থ হ'ল। অসহায় হৈ পৰিল।

প্ৰায় এমাহ পিচত।

চব্বিশ নবেম্বৰ।

ছোৱালী কলেজৰ সন্মুখৰ নিৰ্জ্জন পথটোৰ ওপৰত আবিষ্কৃত হ'ল আন এটা মৃতদেহ। সেইজনীও আছিল এজনী যুৱতী নাৰী। দেহত ক্ষত বা আঘাতৰ কোনো চিন নাই। পষ্টমৰ্টেম ৰিপ'ৰ্টেও আগৰ

কথাটোকে দোহাৰিলে ঃ স্বাভাৱিক মৃত্যু। সন্ধানী কুকুৰ কেইটাই আগৰ দৰেই মৃতদেহৰ ওচৰৰ পৰা আঁতৰি আহি ওপৰলৈ জঁপিয়ালে।

পুলিচৰ ব্যস্ততাই বৃদ্ধি পালে। তদন্ত আৰম্ভ হ'ল।

কিন্তু অপৰাধীক বিচাৰি উলিওৱাৰ আগতেই সংঘটিত হ'ল আন এটা অনুৰূপ হত্যাকাণ্ড। পাৰ্থক্য ঃ আগৰ দুবাৰৰ দৰে মৃতদেহৰ সংখ্যা এটা নহয়—তিনিটা। তিনিজনী প্ৰাণহীন যুৱতী।

কিন্তু তিনিওটা অপৰাধৰ বাবে যে একেটা দলেই দায়ী সেই বিষয়ে পুলিচ সুনিশ্চিত হ'ল।

কাৰণ প্ৰত্যেকটো হত্যাকাণ্ডৰ একে লক্ষণ ঃ সন্ধানী কুকুৰ কেইটাৰ অনুৰূপ প্ৰতিক্ৰিয়া। মৃতদেহবোৰ পুৰণি। সদ্যমৃতা নহয়।

ৰাজধানীৰ বুকুত চাঞ্চল্যৰ সৃষ্টি হ'ল। বাতৰি কাগজত খবৰ ওলাল। বিভিন্ন মহলে পুলিচৰ অকৰ্মণ্যতাক গৰিহনা দিলে।

তদন্ত চলিল। অপৰাধীক বিচাৰি উলিয়াবলৈ চৰকাৰে বিশেষ ব্যৱস্থা ললে।

## ॥ তিনি ॥

শেষ নিশা বিছনাত পৰা ৰোজীৰ টোপনি অহা নাছিল। দেহৰ ক্লান্তিৰ কথা তাই পাহৰি গ'ল। ক্ষোভ, অভিমান, বেদনা আৰু নাম নজনা কিবা এটা অশান্তিত চট্ফটাই উঠিল। বুকুখন হঠাতে যেন খালি হৈ পৰিল। কিন্তু কাৰ ওপৰত তাইৰ এই অভিমান? এই ক্ষোভ? কিহৰ বাবে এই বেদনা? তাই নিজেই নুবুজিলে। অশান্ত মনটোক শান্ত কৰিবলৈ বাৰে বাৰে চেষ্টা কৰিও ৰোজী ব্যৰ্থ হৈ পৰিল। বিছনাখনত ঘনাই বাগৰ সলালে। খৰখৰকৈ উশাহ ল'লে। জোৰকৈয়ে চকু দুটা মুদি দিলে।

কিন্তু চকু মুদি পৰি থাকিলেই টোপনি নাহে।

ঃ টোপনি অহা নাই ৰোজী?

ওচৰৰ কোঠাটোৰ পৰা সোধা বণ্ট্জেনৰ কথাষাৰ তাই শুনিছিল। কিন্তু উত্তৰ নিদিলে। খং-অভিমানত তাইৰ কণ্ঠ তেতিয়া বোধ হৈ গৈছে। তাই যেন চিঞৰি চিঞৰি কব ঃ মোৰ খবৰ লবলৈ তোমাৰ কি প্ৰয়োজন? ইমান দৰদ কিহৰ? হৃদয়হীন পশু এটাৰ আকৌ বিশ্বপ্ৰেম? এজনী গাভৰুৰ মনোবেদনা বুজাৰ ক্ষমতা যাৰ নাই, সেইজনেই দিয়ে আকৌ মানৱপ্ৰেমৰ বৰ বৰ বক্তৃতা। এয়া উপহাস। তুমি ভণ্ড, প্ৰতাৰক, স্বাৰ্থপৰ। যাৰ অন্তৰত ব্যক্তি-প্ৰেমৰ স্থান নাই—ক্ষুদ্ৰ প্ৰেমৰ জন্ম হোৱা নাই—সেইজন কেতিয়াও বৃহত্তৰ প্ৰেমৰ অধিকাৰী হব নোৱাৰে। নোৱাৰে—নোৱাৰে; নোৱাৰে। তুমিও নোৱাৰা বণ্ট্জেন—তুমি নোৱাৰা।

কিন্তু কিয়?

কিয় কব? কি লাভ? বণ্ট্জেন তাইৰ কোন?

কিন্তু যদি একোৱেই নহয়—তেন্তে কিয় তাই ৰণ্ট্‌জেনৰ কথাত ইমান হতাশ হৈ পৰিছে? মনৰ মাজত কিহৰ এই পোৰণি? জ্বালা? ৰণ্ট্‌জেনক অভিশাপ দিয়াৰ তাইৰ অধিকাৰ ক'ত?

মাত্ৰ কেইটামান কথা।

ঃ মই কি ভাবিছোঁ জানা ৰোজী? জন ককলৈ লিখি পঠিয়াম ইয়াত একো নহয়। ব্যৰ্থ শ্ৰম কৰি সময় কটোৱাৰ কোনো অৰ্থ নাই। মই আকৌ উভতি যামগৈ।

নিশা তেতিয়া দুই বাজিছে।

বাহিৰত পাতল জোনাক; শেঁতা। পাইনৰ পাতত নিয়ৰৰ মুকুতা। ৰণ্ট্‌জেনে টেষ্ট টিউববোৰ শ্বো-কেচৰ ষ্টেণ্ডত এটা এটাকৈ সুমুৱাই থৈ কোঠাটোৰ পৰা ওলাই আহিছিল। বেচিনটোত হাত ধুই খোৱা মেজত বহিলহি। ওচৰত ৰোজী। তায়ো খোৱা নাই। ৰণ্ট্‌জেনৰ লগত একেলগে খাব। দুপৰীয়াও একো খোৱা নহ'ল। লগত লৈ যোৱা লাঞ্চ পেকেটবোৰ তেনেদৰেই পৰি থাকিল। খোৱাৰ সময় নহ'ল। পাহাৰ বগাই—হাবি-জঙ্গলৰ মাজে মাজে ঘূৰি ঘূৰি সিহঁত ভাগৰি পৰিছিল।

হঠাতে ৰোজীৰ মনলৈ আহিল: ব'টানি লৈ তাইৰ কি লাভ হ'ল? ব'টানি আৰু কেমেষ্ট্ৰী।

কলেজীয়া দিনবোৰলৈ তাই উভতি যাব খুজিছিল। কিন্তু হঠাতে থমকি ৰবলগীয়া হ'ল। চিন্তাত মগ্ন হৈ থকা ৰণ্ট্‌জেনে হাতৰ কাঁটা-চামুচযোৰ প্লেটৰ ওপৰত থৈ বহাৰ পৰা উঠি আঁতৰি গ'ল।

ঃ কি হ'ল? উঠিলা দেখোন?

ঃ তুমি খোৱা ৰোজী।

ঃ আৰু তুমি?

সি মূৰ জোকাৰিলে। অৰ্থাৎ নাখায়।

ঃ নোখোৱা কেলেই? দুপৰীয়াও একো খোৱা নাই।

ৰণ্ট্জেনে একো নামাতিলে। ৰোজীৰ ওচৰৰ পৰা উঠি গৈ বাহিৰৰ কোঠাত বহিলহি।

অকলে অকলে খাবলৈ ৰোজীৰো ভাল নালাগিল। খোৱা বস্তুবোৰ তেনেদৰে এৰি তাই আঁতৰি আহিল। হিটাৰটোৰ ওপৰত পানীৰ কেট্‌লিটো তুলি দি চুইচটো টিপি দিলে। পানী উতলিলত দুকাপ কফি আৰু প্লেট এখনত কেইখনমান বিস্কুট লৈ ৰণ্ট্জেনৰ সম্মুখৰ টিপয়খনত থলেহি।

ঃ খোৱা ৰণ্ট্জেন।

ৰণ্ট্জেন চিন্তামগ্ন। নিমাত।

ৰোজীৰ মাতত বাস্তৱ জগতলৈ ঘূৰি অহা ৰণ্ট্জেনে ট্ৰেৰ পৰা কাপ এটা নিঃশব্দে হাতত তুলি ললে। খাওঁ নেখাওঁকৈ কফিৰ কাপটোত সোহা এটা মাৰি আকৌ থমকি ৰ'ল।

ঃ মই নিৰাশ হৈ পৰিছোঁ ৰোজী। মোৰ ধাৰণা কি জানা ?

ঃ কোৱা।

ৰোজীয়ে আগ্ৰহেৰে ৰণ্ট্জেনৰ মুখলৈ চালে।

ঃ আমি বিচৰা উদ্ভিদৰ সন্ধান বোধহয় এই ৰিজনত বিচাৰি নাপাম।

ঃ তুমি ইমান হতাশ হৈছা কিয় ৰণ্ট্জেন ?

ঃ তুমি হোৱা নাই ?

ঃ ওঁহো।

ঃ কিন্তু প্ৰায়বোৰ হাবি-বন ; গছ-লতা আমি জানো পৰীক্ষা কৰা নাই ? ফুলবোৰো সংগ্ৰহ কৰিছোঁ। পৰীক্ষাগাৰত পৰীক্ষা কৰিছোঁ। জন ককলৈ ৰাসায়নিক চাম্পুল পঠিয়াইছোঁ। কিন্তু লাভ একো হোৱা নাই। আমাৰ দৰে জন ককো কিজানি নিৰাশ হৈ পৰিছে।

ৰণ্ট্জেন বৈ গ'ল।

ৰোজীয়ে একো নকলে।

তাৰ পিচত বহু সময়ৰ মৌনতা। সেই মৌনতা ভাঙি কোৱা দুটা-এটা কথা। টুকুৰা টুকুৰ আলোচনা।

কিন্তু কোনো মীমাংসা নাই। সিদ্ধান্ত নাই। সকলোবোৰ যেন অৰ্থহীন ; প্ৰলাপ। হতাশাই আৱৰি ধৰা দুটা মনৰ অস্থিৰ প্ৰকাশ।

ঃ মই কি ভাবিছোঁ জানা ৰোজী।

ঃ কৈ যোৱা।

ঃ জন ককলৈ লিখি পঠিয়াম—ইয়াত একো নহয়। ব্যৰ্থ শ্ৰম কৰি সময় কটোৱাৰ কোনো অৰ্থ নাই। মই আকৌ উভতি যামগৈ।

ঃ এইবোৰ কি কৰিবা ? মই কলৈ যাম ?

ৰণ্ট্‌জেনে একো নামাতিলে। ওপৰলৈ মুখকৈ কিবা এটা ভাবি ৰ'ল।

তাৰ পিচত সিহঁতৰ মাজত আৰু কোনো আলোচনা হোৱা নাছিল। অৱশেষত ৰণ্ট্‌জেনে মাথোন কৈছিল ঃ মই শোগৈ ৰোজী ? তুমি জানো নোশোৱা ?

ৰোজীয়ে কোনো উত্তৰ নিদিলে।

বহাৰ পৰা উঠি ওচৰা-ওচৰিকৈ থকা কোঠালী দুটালৈ সিহঁত সোমাই গ'ল। যোৱাৰ আগতে তাই কোঠাটোৰ লাইটটো নুমাই দিলে।

এটাৰ পিচত আন এটা মুহূৰ্ত্ত। মিনিট চেকেণ্ডকৈ সময় আগবাঢ়িল। তেনেদৰে কিমান সময় পাৰ হৈ গৈছিল ৰোজীয়ে নাজানে। অসংলগ্ন চিন্তা কিছুমানে দুচকুৰ পতাৰ পৰা টোপনি কাঢ়ি নিছে। সময়ৰ জ্ঞান তাই তেতিয়া হেৰুৱাই পেলাইছে। মন অস্থিৰ ; চিত্ত চঞ্চল।

ঃ ৰণ্ট্‌জেন !—শোৱা কোঠাটোৰ পৰাই তাই চিঞৰি মাতিলে।

ঃ হোঁ।

ঃ টোপনি আহিল ?

ঃ উঁহো।

: কিবা ভাবিছা ?

: কি ভাবিম ?

: তেন্তে টেপনি অহা নাই কিয় ?

: তোমাৰ কিয় অহা নাই ?

: এৰা, তাইৰ কিয় টোপনি অহা নাই ? তাই কি উত্তৰ দিব ? ৰোজীৰ বৰ লাজ লাগি গ'ল।

'তই বৰ আঁকৰী অ'। তেনেদৰে সুধিবলৈ তোক কিহে পাইছিল ?'

তাই নিজকে নিজে তিৰস্কাৰ কৰি মনে মনে ৰ'ল।

: ৰোজী।

: মাতিছা ?

কিবা কব খুজিছিলা নেকি ?

তুমি কিয় হতাশ হৈ পৰিছা—মই বুজা নাই ৰণ্ট্জেন ? এই সমস্যাটো ইমান সহজতে সমাধান কৰিব পৰা হলে ইমান দিনে ই সমস্যা হৈ নাথাকিলহেঁতেন। অকল তুমিয়েতে নহয় ; আৰু বহুতেই এই জয়ৰ আশা কৰিছে। তোমাতকৈও বহুদিন আগৰে পৰা প্ৰচেষ্টা চলাই আহিছে। অহা নাই জানো ?

: আহিছে।

: কিন্তু অৱশেষত তুমিয়েই জয়ী হবা। তুমি মানে তোমালোক।

: ৰোজী !—ৰণ্ট্জেনৰ মাতত উৎসাহ আৰু উৎফুল্লতাৰ উষ্ণতা।

: সঁচা ৰণ্ট্জেন। মই মিছা কোৱা নাই। কাৰণ—ব'টানিকেলি ৰিষ্টচ্ ৰিজনটোকে তোমালোকে বাচি লৈছা।

ৰোজীয়ে আৰু কিবা কলেহেঁতেন। কিন্তু নকলে। ৰণ্ট্জেনৰ পৰা সঁহাৰি পোৱাৰ অপেক্ষাত বৈ গ'ল।

কেইমিনিটমানৰ নীৰৱতা।

কিন্তু এয়া কি হ'ল ?

এয়া সপোন নে বাস্তৱ ? কল্পনা নে তাইৰ বহুদিনীয়া উপবাসী মনৰ ভ্ৰম ?

ঃ চাওঁ অক'মান আঁতৰি দিয়াচোন।

হে ভগবান! এয়া যে ৰণ্ট্‌জেনৰ মাত। তাইৰ ভুল হোৱা নাই। স্পষ্ট শুনিছে। এন্ধাৰৰ মাজতো দেখিছে—কোনোবা এজনৰ প্ৰতিমূৰ্ত্তি। অনুভৱ কৰিছে উপস্থিতি। সেয়া ৰঞ্জন।

কিন্তু এয়া বিশ্বাসযোগ্য জানো ?

কোনোদিনেই তো ৰণ্ট্‌জেন তাইৰ ওচৰলৈ তেনেদৰে অহা নাই। নাহে। তেন্তে ৰণ্ট্‌জেনৰ আজি কি হ'ল ? তাই ৰণ্ট্‌জেনক বিচৰাৰ দৰে ৰণ্ট্‌জেনেও তেনেহলে তাইক বিচাৰে নেকি ?

কিন্তু এয়া জানো সঁচাকৈয়ে ৰণ্ট্‌জেন ? নে আন কোনোবা ?

ইয়াত ৰণ্ট্‌জেনৰ বাহিৰে আন কোনো মানুহ নাই। ৰোলেন-আৰ্জেণ্টহঁত ইয়ালৈ কেতিয়াও নাহে। তাইৰ ওচৰত তেনেদৰে বহিবলৈ সিহঁতৰ কেতিয়াও সাহস নহয়। তেনেহলে তাইৰ ভুল হৈছে নেকি ? ওঁহো—ইমান ভুল কেতিয়াও তাইৰ হব নোৱাৰে।

ইতিমধ্যে ৰণ্ট্‌জেনে ৰোজীক হেঁচুকি তাই শোৱা বিছনাখনতে ধহি পৰিছে।

মনৰ আনন্দত ৰোজীয়ে কঁপিছে। ফোঁপাইছে! ক্ষিপ্ৰ হৈ পৰা তেজৰ গতিবেগ সহ্য কৰিব নোৱাৰি সমগ্ৰ দেহৰ শিৰা-উপশিৰাবোৰ যেন ফাটি যাব। হাওঁফাওঁ দুটা টুকুৰা টুকুৰ হৈ পৰিব।

তাই কব নেকি ঃ শোৱা সোণ! এই শেষ নিশা তুমি বহি থাকিবা কিয় ? শোৱা আকো'। মই তোমাক অকণমানি কেঁচুৱা এটাৰ দৰে বুকুৰ মাজত সাৱটি ধৰিম। মৰম কৰিম। চুলিৰ মাজে মাজে হাত বুলাই দিম। মনৰ শান্তিত তুমি টোপনি যাবা।

ঃ কথা কোৱা ৰোজ! বৈ গ'লা দেখোন।

তাইৰ যেন তেতিয়াহে সম্বিৎ ফিৰি আহিল। ৰণ্ট্‌জেনৰ হাতখন তাইৰ হাতৰ মুঠিত লৈ কিবা এষাৰ কব খুজিলে। কিন্তু কব

নোৱাৰিলে। অষ্ঠ-কণ্ঠ যেন শুকাই গ'ল। কথা কোৱাৰ শক্তি হেৰুৱাই পেলালে।

তাই কি কৰিব? ৰণ্ট্‌জেনক সাৱটি ধৰিব নেকি? বুকুৰ মাজলৈ টানি আনিব?

কিন্তু সিমান সাহস তাইৰ নহ'ল।

: আমাৰ অপেক্ষাত আমাৰ ওচৰতে হয়তো……। তাই স্পষ্টকৈ কব নোৱাৰিলে। আকৌ বৈ গ'ল। খেনাই খেনাই কোৱা শব্দ কেইটা নিজৰ কাণতে কিবা বিসদৃশ যেন লাগিল।

: কোৱা—কোৱা ৰোজী! আই ৱাণ্ট ইনচ্‌পেৰেশ্যন। প্লিজ।

: আমাৰ অপেক্ষাতে বৈ আছে আমি বিচৰা উদ্ভিদ।

: কিন্তু ক'ত? হাবিখনৰ আটাইবোৰ উদ্ভিদেই আমি তন্ন তন্নকৈ পৰীক্ষা কৰিছোঁ।

ৰণ্ট্‌জেনৰ মাতত উত্তেজনা।

: হয়তো আৰু ভিতৰলৈ—আৰু দূৰলৈ আমি বিচাৰি যাব লাগিব। এই বিজনৰ প্ৰত্যেক হাবিত বিচাৰি……ৰোজীৰ কোৱা শেষ নহ'ল।

: জানা ৰোজী, জন ককে কৈছিল: ৰকি পৰ্ব্বতমালাত সেই উদ্ভিদ আৱিষ্কাৰ হোৱাৰ কোনো সম্ভৱনাই নাই। কাৰণ বিশ হেজাৰ ফুট উচ্চতাৰ তলত সেই উদ্ভিদ নগজে ; জন্ম নহয়। ৰকি পৰ্ব্বতৰ সুউচ্চ ম্যাক্‌কিনলি শৃঙ্গৰ উচ্চতা মাথোন বিশ হেজাৰ তিনিশ বিশ ফুট।

: তেন্তে ককে এই বিজনটো বাচি লোৱাৰ অৰ্থ কি ৰণ্ট্‌জেন? এই বিজনৰ সৰ্ব্বোচ্চ উচ্চতা চোন চাৰে ছয় হেজাৰতকৈও কম।

: সেইটো মোৰো প্ৰশ্ন ৰোজী। ব'টানিকেলি ৰিষ্টচ্‌ বুলি হয়তো এই অঞ্চলটো তেওঁ বাচি লৈছে। আমাৰ প্ৰয়োজনীয় আন কিবা এবিধ উদ্ভিদ পোৱাৰ আশা কৰিছে। তথাপি কেতিয়াবা কেতিয়াবা মোৰ সন্দেহ হয়……নাই, থ'ক।

ৰণ্ট্জেন বৈ গ'ল। যেন নকবলগীয়া কথা এবাৰহে কৈ পেলালে। খুউব যেন কিবা এটা গোপনীয় কথা। কোৱাটো দোষণীয়।

ঃ তোমাৰ কি সন্দেহ হয় ৰণ্ট্জেন ?

ঃ নালাগে ৰোজী। শুনি একো লাভ নাই। কাৰণ মই নিজেই নিশ্চিত নহয়। সত্যতা সম্পৰ্কে সন্দিহান।

ৰণ্ট্জেনে কব খুখুজিলত ৰোজীয়ে পুনৰাই সোধাৰ আগ্ৰহ হেৰুৱাই পেলালে। তদুপৰি সেই সময়ত জন ককৰ প্ৰতি ৰণ্ট্জেনৰ সন্দেহৰ কথা শুনাৰ ধৈৰ্য্যও তাইৰ নাছিল। মন অস্থিৰ; চঞ্চল। কিবা এটা উন্মাদনাত দেহ-মন উদ্ভ্ৰান্ত।

নিৰ্ব্বাক ৰণ্ট্জেন চিন্তাত আকৌ নিমগ্ন হৈ পৰিল।

আৰু ৰোজী ?

ৰোজীয়ে যেন কব ঃ চোৱা ৰণ্ট্জেন, আমি উদ্ভিদ নহয়। আমি মানুহ। পুৱতি নিশাৰ আদিম মানৱ—আদাম আৰু ঈভ। উদ্ভিদৰ চিন্তা কৰিবলৈ জীৱনত বহুতো সময় পাবা। কিন্তু এনেকুৱা উম লগা শেষ নিশাৰ মাদকতাখিনি এবাৰ হেৰাই গলে আৰু কেতিয়াও বিচাৰি নাপাবা।

কিন্তু সিমানখিনি সাহস তাই সঞ্চয় কৰিব নোৱাৰিলে। কওঁ কওঁ বুলি সাহস গোটাবলৈ বৈ থাকোঁতেই দূৰৰ পৰা ভাহি আহি তাইৰ কাণত পৰিল এটা মতা কুকুৰাৰ ডাক। তাৰ পিচত এটা এটাকৈ আৰু বহুতো কুকুৰাৰ মাত। ঢলপুৱাৰ সঙ্কেত।

পূবৰ আকাশ তেতিয়া ধূসৰ হৈ পৰিছে।

॥ চাৰি ॥

ৰোজী মানে ৰেজোলিন খাৰলুকি।

ৰোজীক দেখি ইণ্টাৰভিউ দিবলৈ অহা প্ৰাৰ্থীবোৰৰ বহুতৰে মন সেমেকি পৰিছিল। সিহঁতৰ ধাৰণা ঃ বাইশটা বসন্তই গৰকি যোৱা ৰোজীক কম্পিট কৰাৰ ক্ষমতা সিহঁতৰ নাই। অইন একো কোৱালি-ফিকেশ্যন নাথাকিলেও তাইৰ দেহৰ গঠন, গাৰ ৰং আৰু শাৰীৰিক সৌন্দৰ্য্যক চেৰ পেলাই সিহঁতে চাকৰি পোৱাৰ আশা কেতিয়াও কৰিব নোৱাৰে।

কিছুমান চাকৰিৰ ক্ষেত্ৰত দেহশ্ৰীক অৱশ্যে উলাই কৰিব নোৱাৰি। কিন্তু ৰোজীৰ ক্ষেত্ৰত প্ৰাৰ্থীবোৰৰ ধাৰণা সঁচা হোৱা নাছিল। ইতিমধ্যে বহু কেইটা চাকৰিৰ বাবে ইণ্টাৰভিউ দিয়া ৰোজীয়ে এখনৰ পিচত আন এখন দৰ্খাস্ত লিখাৰ পৰা অব্যাহতি পোৱা নাছিল।

এটাৰ পিচত আন এটা ইণ্টাৰভিউ।

তাৰ পিচত কেইদিনমানলৈ আশাভৰা অপেক্ষা। উৎকণ্ঠা।

তেনেদৰে দিন যায়। মাহ বাগৰে।

অপেক্ষাৰত দিনবোৰৰ আশা এদিন ম্লান হৈ যায়। বহুতো আশ্বাস, প্ৰতিশ্ৰুতি অথলে যায়। আকৌ আৰম্ভ হয় চাকৰিৰ বাবে সন্ধান ; দৰ্খাস্ত লিখাৰ ব্যস্ততা আৰু ইণ্টাৰভিউৰ বাবে প্ৰস্তুতি।

ইণ্টাৰভিউ, ইণ্টাৰভিউ আৰু ইণ্টাৰভিউ।

পৰীক্ষা, পৰীক্ষা আৰু পৰীক্ষা।

ইণ্টাৰভিউ দিবলৈ যোৱাৰ আগমুহূৰ্ত্তত মাক-দেউতাকৰ আশীৰ্ব্বাদ, বন্ধু-বান্ধৱীৰ শুভেচ্ছা। শুভেচ্ছা আৰু আশীৰ্ব্বাদ লৈ লৈ শেষলৈ তাইৰ লাজ লগা হ'ল। সেইবোৰৰ যেন কোনো

মূল্য নাই।' সময় ঊকলি যোৱা এখন হেজাৰটকীয়া চেক্। পাৰ হৈ যোৱা টিকেটখেলখনৰ পেলাই দিবলগীয়া এটা সংখ্যা গধুৰ অঙ্কৰ এখন অপ্ৰয়োজনীয় টিকেট। চাকৰি নোপোৱাৰ বেদনাতকৈও ব্যৰ্থতাৰ লাজত তাই মৰ্ম্মাহত হৈ পৰিল। অৱশেষত চাকৰিৰ বাবে তাই লুকাই চুৰকৈ দৰ্খাস্ত লিখে। কাকো নজনোৱাকৈ ইণ্টাৰভিউ দিবলৈ যায়।

চাকৰিৰ বাবে কিমান বাৰ যে ইণ্টাৰভিউ দিলে ৰোজীৰ আজি মনত নাই। ইণ্টাৰভিউৰ পিচত 'চাকৰি পামেই বুলি' আজিকালি তাই আগৰ দৰে আশা কৰি বৈ নাথাকে। চাকৰি দিম বোলা বহুতৰ আশ্বাস, প্ৰতিশ্ৰুতিৰ ওপৰত তাইৰ আজি বিশ্বাস হেৰাই গৈছে।

আজিকালিও তাই ইণ্টাৰভিউ দিয়ে। মানে: 'জানোচা ক'ৰবাত কেতিয়াবা ফৰ্ম্মুটি লাগেই' এই আশা লৈহে ইণ্টাৰভিউ দিবলৈ যায়।

এদিন ৰাতিপুৱা বাতৰি কাগজখন মেলি লোৱাৰ লগে লগে তাইৰ চকুত পৰিল আচহুৱা ধৰণৰ এখন বিজ্ঞাপন। কিন্তু ৰোজীয়ে বিজ্ঞাপনখনৰ ওপৰত সিমান গুৰুত্ব নিদিলে। তাইৰ সন্দেহ হ'ল। লেব'ৰেটৰী এচিষ্টেণ্ট এজনীৰ দৰ্ম্মহা জানো ইমান বেছি হব পাৰে? এয়া ফাঁকি নে কিবা গোপন অভিসন্ধি? কাৰণ বিজ্ঞাপনদাতাৰ স্বাক্ষৰৰ তলত কোনো ফাৰ্ম্ম নতুবা অনুষ্ঠানৰ নাম নাই। আনকি আগতীয়াকৈ দৰ্খাস্তও বিচৰা হোৱা নাই। ইচ্ছুক প্ৰাৰ্থীবোৰৰ পৰা ইণ্টাৰভিউৰ সময়তে দৰ্খাস্ত সংগ্ৰহ কৰা হব। ইণ্টাৰভিউ লোৱাৰ স্থান কোনো কাৰ্য্যালয় নতুবা চৰকাৰী ভৱন নহয়। চহৰৰ এখন বিখ্যাত হোটেল।

নিৰ্দিষ্ট দিনত ইণ্টাৰভিউ লব খোজা হোটেলখনলৈ ৰোজীও গৈছিল। চাকৰি পোৱাৰ আশাত নহয়। নতুন ধৰণৰ বিজ্ঞাপনখনে কৌতূহলী কৰি তোলা ৰোজীয়ে আলেখ-লেখ চোৱাৰ উদ্দেশ্যেৰে নিৰ্দ্দিষ্ট সময়ৰ আধাঘণ্টা আগেয়ে সেইখিনি পাইছিলগৈ।

হোটেলখনৰ কোঠা এটাৰ সম্মুখত প্ৰায় পঞ্চাশ-ষাঠিজন প্ৰাৰ্থীৰ এটা দীঘলীয়া কিউ। মহিলা প্ৰাৰ্থীৰ সংখ্যাও তাকৰ নহয়। কিউ ফৰ্ম্ম কাৰোৱাৰ দায়িত্বত থকা কৰ্ম্মচাৰীজনক পিয়ন নতুবা চাপ্ৰাচী বুলি তাইৰ ধাৰণা হ'ল।

শাৰিপাতি থিয় হৈ থকা প্ৰাৰ্থীবোৰৰ কিছুমানৰ হাতত একোখন দৰ্খাস্ত। খেনোৱে দৰ্খাস্তখন জাপি হাতত মুঠি মাৰি লৈ আছে। কিছুমানে কিউৰ মাজতেই দৰ্খাস্তখন আকৌ এবাৰ পঢ়ি চাইছে। যিকেইজনে আনে দেখাকৈ হাতত লৈ থকা নাই, সেই কেইজনৰ দৰ্খাস্ত আছে হয় পকেটত ; নহয় ভেনিটী বেগত।

ৰোজীও কিউৰ মাজত সোমাই পৰিল।

কিন্তু ইমান সময় অপেক্ষা কৰাৰ ধৈৰ্য্য জানো তাইৰ আছে? প্ৰত্যেকজন প্ৰাৰ্থীৰ কাৰণে এমিনিটকৈ ধৰিলেও প্ৰায় ডেৰ ঘণ্টামানৰ পিচতহে তাইৰ পাল পৰিবহি।

এজন এজনকৈ প্ৰাৰ্থীবোৰ গৈ গৈ ক্ৰমান্বয়ে তাইৰ সম্মুখৰ কিউটো সৰু হৈ আহিল।

অৱশেষত তাইৰ পাল পৰিল। ৰোজী ভিতৰলৈ সোমাই গ'ল।

ব'ৰ্ডত দুজন মাথোন পৰীক্ষক। এজন ডেকা ; আনজন আদহীয়া ভদ্ৰলোক। আদহীয়া পৰীক্ষকজন মাৰ্কিন ; দেখিলেই বুজিব পাৰি। কিন্তু ডেকা সদস্যজন কোনদেশীয় তাই ধৰিব পৰা নাছিল।

ডেকা পৰীক্ষকজনে তাইৰ নামটো সুধি সোঁহাতখন তাইলৈ আগবঢ়াই দিলে। অৰ্থাৎ কিবা দৰ্খাস্ত অনিছা যদি দিয়া। তাই দৰ্খাস্তখন আগবঢ়াই দিলে।

ইতিমধ্যে ডেকা পৰীক্ষকজনৰ ওচৰত এজাপ দৰ্খাস্তই দ'ম বান্ধিছে। ৰোজীয়ে নামটো কোৱাত পৰীক্ষকজনে সম্মুখৰ ডাঙৰ কাগজখিলাত লিখি ললে।

তাৰ পিচত দুটা নে এটা সাধাৰণ প্ৰশ্ন।

: থেঙ্কচ্। ইউ মে গো নাউ।

তাই ওলাই আহিছিল।

কিন্তু মনটো সেমেকি পৰিল ইণ্টাৰভিউ ব'ৰ্ডৰ সন্মুখত থিয় হোৱাৰ আগলৈকে অন্ততঃ এটা ক্ষীণ আশা আছিল। চাকৰিটো কিজানি পায়েইবা। কিন্তু ইণ্টাৰভিউ দি ওলাই অহাৰ পিচত সেই আশাকণো তাইৰ নাইকীয়া হৈ গ'ল। এৰা-ধৰাকৈ সোধা প্ৰশ্ন কেইটা শুনিয়ে তাই বুজিছে এইবাৰো ব্যৰ্থ হৈ ঘূৰি যোৱাৰ বাহিৰে লাভ একো নহ'ল।

কিন্তু চাকৰিটো তায়েই পালে।

তাইৰ কাৰণে সেয়া আছিল অপ্ৰত্যাশিত। ক'ৰবাত কিবা ভুল হোৱা বুলি নিয়োগ-পত্ৰখন তাই বাৰে বাৰে লুটিয়াই বগৰাই চালে; পঢ়িলে। লাহে লাহে সন্দেহ দূৰ হ'ল। সেইখন তাইৰ নামৰ চিঠি। তাইৰ নিয়োগ-পত্ৰ। চাকৰিটো তায়েই পাইছে।

মনলৈ বিশ্বাস ফিৰি আহিল। নিয়োগ-পত্ৰখন ভুৱা নহয়।

কিন্তু?

তাৰ পিচত আন এটা সন্দেহ।

নাম নোহোৱা ফাৰ্ম্ম অথবা অনুষ্ঠানখনৰ অস্তিত্ব সন্দেহজনক নহয়তো? চাকৰি কিমান দিন তিষ্ঠিব? চাকৰি কৰিবলৈ গৈ তাই যদি কিবা বিপদত পৰে? কিবা যদি বিপদ হয়?

সন্দেহ আৰু চিন্তা।

অৱশেষত অকণমান বিশ্বাস আৰু দৃঢ়তা। আৰু সেই বিশ্বাস আৰু দৃঢ়তা লৈ চাকৰিত জইন কৰাৰ বাবে তাই প্ৰস্তুত হ'ল।

হিলক্ ভিলা আৰু পাইনগ্ৰীণ হিল।

এখন সৰু পাহাৰ; এটা সৰু টিলা।

টিলাটোৰ ওপৰত আহল-বহল এটা প্ৰকাণ্ড চৌহদ। পৰিষ্কাৰ। চাৰিওফালে ইটাৰ ওখ দেৱাল। ভিতৰত এটা প্ৰকাণ্ড ঘৰ। ঘৰটোৰ সন্মুখত এখন আহল-বহল লন। নঙলামুখৰ পৰা ঘৰটোৰ গাড়ী-বাৰাণ্ডালৈ এটা পকী বাট। বাটটোৱে দুভাগ কৰা লনখন পৰিষ্কাৰ;

সেউজীয়া। কার্পেট কার্পেট যেন লগা লন দুখনৰ কেউ কাষৰ ফুলনি কেইখনত বিভিন্ন জাতৰ ৰং-বেৰঙৰ ঋতু পুষ্প। দুবৰ পৰা চালে ফুলনিৰ ৰঙা-নীলা ফুলবোৰ কাৰ্পেটখনৰ ব'র্ডাৰ যেন লাগে। পদুলি মুখৰ কংক্রিট পোষ্ট এটাত লিখা আছে দুটা শব্দ ঃ হিলক্ ভিলা।

আইৰণ গেটখন খুলি ৰোজী লাহে লাহে ভিতৰলৈ সোমাই আহিল। অচিনাকি এটা চৌহদ। আচহুৱা পৰিবেশ। কিবা এটা ভয় ভয় ভাব। এনেকুৱা বঙলাত কুকুৰ থকা নিতান্তই স্বাভাৱিক। তাইক দেখি যদি কুকুৰে খেদি আহে? কথাষাৰ ভাবিয়েই তাই বিবৰ্ণ হৈ পৰিল।

চৌহদটোৰ ভিতৰত জন-প্ৰাণী এজনো নাই। নিমাওমাও। নিৰ্জ্জন। চাৰিওফালে এটা শান্ত পৰিবেশ। পৰিষ্কাৰ-পৰিচ্ছন্ন চৌহদটো চকুত লগা।

ঘৰটোৰ ওচৰলৈ আগুবাই অহা ৰোজী বাৰাণ্ডাত থমকি ৰ'ল। চাৰিওফালে এবাৰ ঘূৰি চালে। কিন্তু জন-প্ৰাণী এজনো তাইৰ চকুত নপৰিল। কোনো ক'তো নাই।

তাই কাক মাতিব? কি বুলি মাতিব?

ক'ৰবাত কলিংবেল আছে নেকি চালে। ওঁহো নাই।

বাৰাণ্ডাৰ পৰা তাই আকৌ এবাৰ লনখনলৈ চাই পঠিয়ালে। এটা ধুনীয়া চৌহদ। গিৰিহঁতৰ যে প্ৰশংসনীয় ৰুচিবোধ এটা আছে, চৌহদটো দেখিলেই বুজিব পাৰি। কিন্তু সেই পৰিবেশটোৰ লগত খাপ নোখোৱা গাড়ী-বাৰাণ্ডাত থকা উইলিজ জীপখন তাইৰচোন কিবা বিসদৃশ বিসদৃশ যেন লাগিল। জীপখন পুৰণি নহয়। নতুন। কিন্তু আওঁহতীয়া আৰু দুৰ্গম বাটত ঘূৰি ফুৰাৰ চিন সুস্পষ্ট।

ঃ অন্দৰ আয়িয়ে মেম চা'ব।

এজন আদহীয়া গোৰ্খালি। বোধহয় চকিদাৰ। নতুবা গিৰিহঁতৰ লাচনী-পাচনি।

ৰোজী কোঠাটোৰ ভিতৰলৈ সোমাই গ'ল।

ঃ আপ ৰোজী মেম চা'ব হ্যাই না?

ঃ হ্যা।

ঃ আপ্‌কো ৱাস্তে হাম থেহ্‌ৰাতা হ্যাই। বৈঠিয়ে।

তাইক বহিবলৈ কৈ গোৰ্খালিজন ভিতৰলৈ সোমাই গ'ল। এটা সুন্দৰভাৱে সজোৱা ড্ৰয়িং ৰুম। কিন্তু আড়ম্বৰহীন; ৰুচিপূৰ্ণ। ড্ৰয়িং ৰুমটোত বিশেষ বস্তু একো নাই। চফাচেট এটা আৰু দুই ফালে দুটা আলমীৰা। আলমীৰা দুটাত সজাই থোৱা আছে কেঁচা কেঁচা লগা গছৰ শুকান পাত আৰু ফুল। বেৰত এখন কেলেণ্ডাৰ। চেণ্টাৰ টেবুলখনৰ ওপৰত সজাই থোৱা ফুলদানীটোত কেইপাহমান গোলাপ, মেগ্‌নেলিয়া আৰু বটন্‌ হোল।

ৰোজী তেতিয়াও সহজ হব পৰা নাই। কিবা এটা অস্বস্তিত মনটোৱে উচ্‌পিচ কৰিছিল। এটাৰ পিচত আন এটা প্ৰশ্নই তাইক সন্দিহান কৰি তুলিলে।

অফিচৰ ড্ৰয়িং ৰুম জানো ইমান সুন্দৰ পৰিপাটি? পৰিবেশটো কোনোবা অফিচ নতুবা ফাৰ্ম্মৰ যেন তো নালাগে। ইয়াৰ মাজত কোনোবা সমাজ বিৰোধী লোকৰ অদৃশ্য হাতৰ ষড়যন্ত্ৰ লুকাই আছে নেকি? তাইক বিপদত পেলাব খুজিছে? সৰ্ব্বনাশ কৰিব খুজিছে?

ৰোজীয়ে কি কৰিব? বহি থাকিব নে কাকো একো নোকোৱাকৈ বাহিৰলৈ ওলাই যাব?

ঃ আয়িয়ে জী।

কোনো সিদ্ধান্ত লবলৈ নৌপাওঁতেই গোৰ্খালিজনে তাইক ড্ৰয়িং ৰুমৰ পৰা ভিতৰলৈ মাতিছিল।

বহাৰ পৰা ৰোজী থিয় হ'ল। অকণমান সময় থমকি ৰ'ল। গোৰ্খালিজনক অনুসৰণ কৰিব নে বাৰাণ্ডালৈ ওলাই যাব ভাবিলে।

কিন্তু তাই জানো দৌৰি পলাই সাৰিব পাৰিব? সঁচাকৈয়ে যদি কিবা কুঅভিসন্ধি আছে তেন্তে তাই কেতিয়াও পলাই সাৰিব

নোৱাৰে। গোৰ্খালিজনে তাইক ধৰি পেলাব। তাই নেদেখাকৈ বাহিৰত যে আৰু আন মানুহ লুকাই থকা নাই সেই কথা কোনে জানে ?

অসহায় ৰোজীয়ে ধীৰ পদক্ষেপেৰে গোৰ্খালিজনক অনুসৰণ কৰি আগবাঢ়ি গ'ল। তাৰ বাহিৰে তাইৰ আন উপায় নাছিল।

ঃ বৈঠিয়ে। চাব্‌কো থোৰা দেৰ হোগা।

কোঠালী এটাৰ ভিতৰত তাইক সুমুৱাই থৈ গোৰ্খালিজন আঁতৰি গ'ল। দুৱাৰখন বাহিৰৰ পৰা বন্ধ কৰি দিলে। বাহিৰৰ পৰা দুৱাৰখন বন্ধ কৰাৰ শব্দটো শুনি ভয়ত তাই বিবৰ্ণ হৈ পৰিল। পেঁপুৱা খাই গ'ল। কোনোবা ডকাইতৰ আড্ডাত সোমোৱা যেন অনুমান হ'ল।

ইয়াৰ অৰ্থ কি ? কি মতলব ?

ৰোজীয়ে বুজিছিল : সেইটো এটা শোৱনী কোঠা। তাইৰ সন্মুখৰ বিছনাখন ধুনীয়া বেডক'ভাৰ এখনেৰে ঢকা। বিছনাখনৰ ওচৰৰ সৰু মেজ এখনৰ ওপৰত কিছুমান সৰু সৰু বটল। বটলবোৰৰ ভিতৰত কিছুমান জুলীয়া পদাৰ্থ। হয়তোবা পইজন, এচিদ নতুবা তেনে জাতীয় দৰব। চুক এটাত আপেক্ষিকভাৱে ডাঙৰ এখন মেজ। মেজখনৰ ওপৰত টেষ্ট টিউব, ফানেল, বিকাৰ, বাৰ্ণাৰ আৰু তাই নাম নজনা কিছুমান যন্ত্ৰপাতি। সেইবোৰ দেখি কলেজৰ কেমিষ্ট্ৰীৰ প্ৰ্যাক্‌টিকেল ক্লাছলৈ তাইৰ মনত পৰিল।

কিন্তু শোৱনী কোঠা এটাত এইবোৰৰ কি প্ৰয়োজন ? এই অকলশৰীয়া কোঠাটোলৈকে তাইক মাতি অনাৰ কি অভিপ্ৰায় ? কিবা দুৰভিসন্ধি নথকা হলে বাহিৰৰ পৰা দুৱাৰখন বন্ধ 'কৰি থৈ যাব কিয় ? বিপদৰ গোন্ধ পাই তাই পলাই যাব বুলি লোৱা সতৰ্কতা নেকি ? যদি সেইটোৱে হয় ?

ৰোজীৰ বুকুখন কঁপি উঠিল। ভৰি দুখনে থৰক্‌-বৰক্‌ লগালে। মূৰটো আচন্দ্ৰাই কৰি দিয়া যেন লাগিল। দুৱাৰত খুন্দিয়াই খুন্দিয়াই

তাই যেন কাৰোবাক চিঞৰি মাতিব। কব ঃ দুৱাৰখন খুলি দিয়া। মোক চাকৰি নালাগে। মই চাকৰি নকৰোঁ। মই যাওঁগে।

নিৰুপায় হৈ তাই বহি পৰিল। সম্ভাব্য দুৰ্ঘটনা এটাৰ মুখামুখি হবলৈ সাজু হৈ ৰ'ল।

তেনেদৰে কিমান সময় পাৰ হৈ গৈছিল তাই নাজানে।

হঠাতে বাহিৰৰ পৰা বন্ধ দুৱাৰখন খোলাৰ শব্দ শুনি বুকুখন তাইৰ চিৰিংকৈ উঠিল। দুৱাৰমুখলৈ চাই পঠিয়ালে।

এজন বাটলাৰ। হাতত এখন ট্ৰে। ট্ৰেখনৰ ওপৰত চাহৰ কেটলি, কাপ, চামুচ, চেকনি, চেনি, গাখীৰ আৰু জাম-জেলিৰে সৈতে এসোপামান খোৱা বস্তু। দুটা বাকলি গুচোৱা কণী। কাষত টেবুল চল্ট আৰু জালুকৰ গুৰি ভৰোৱা দুটা বটল।

* 'লৈ যোৱা ; মই একো নাখাওঁ। তোমালোকৰ কু-অভিপ্ৰায়ৰ কথা মই বুজিছোঁ। মোক যাবলৈ দিয়া। মই ইয়াত থাকিব নোৱাৰোঁ। চাকৰি নকৰোঁ ঃ'

চিঞৰি চিঞৰি কব খোজা ৰোজীয়ে এষাৰ কথাও কব নোৱাৰিলে। ডিঙিটো যেন শুকাই গৈছিল। কোনোবাই চেপি ধৰিছে। কথা কোৱাৰ শক্তি নাই।

বাটলাৰজনে ট্ৰেখন তাইৰ সন্মুখৰ টিপয়খনত থৈ চাহ খাবলৈ অনুৰোধ কৰি আকৌ আঁতৰি গ'ল। বাহিৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিলে।

কিবা এটা আশঙ্কাত বাৰে বাৰে তাই কঁপি উঠিল। সৰ্ব্বাঙ্গ শৰীৰ ঘামত তিতি গৈছে। সন্মুখৰ ট্ৰেখন দেখি ৰোজীৰ অনুভৱ হ'ল—চাহ একাপৰ যেন তাইৰ কাৰণে খুউব প্ৰয়োজন।

কিন্তু এয়া অকল চাহেই নে আৰু কিবা মিহলোৱা আছে? এলক'হলিক কিবা দৰৱ? চাহ বুলি খোৱাৰ পিচত তাই আৰু নিজক চম্ভালিব নোৱাৰিব। দুৰ্ব্বল হৈ পৰিব। সম্ভাব্য বিপদৰ পৰা আত্মৰক্ষা কৰা শক্তি হেৰুৱাই পেলাব।

চাহ একাপ নাখালেও জানোচা সিহঁতে সন্দেহ কৰে? তাইৰ মনৰ দুৰ্ব্বলতাৰ বিষয়ে কিবা গম পায়?

তাইৰ ভাব হ'ল: সহস্ৰ নিৰীক্ষণকাৰী চকুৰে যেন বেৰৰ মাজৰ পৰা তাইলৈ চাঁই আছে।

তাই আৰু ভাবিব নোৱাৰিলে।

কাপ এটাত গাখীৰ আৰু চেনি মিহলাই চাহ একাপ তৈয়াৰ কৰি খাওঁ নেখাওঁকৈ কাপটো হাতত তুলি ললে।

তাৰ পিচত কি হ'ল তাই কব নোৱাৰে। ঢক্ ঢক্কৈ চাহ-কাপ পি পেলালে। পিয়াহত যেন তাইৰ অণ্ঠ-কণ্ঠ শুকাই গৈছিল। বহুদিন একো খোৱা নাই।

ভৱিষ্যত ভাবিবলৈ তাইৰ তেতিয়া অৱসৰ নাছিল। একাপ একাপকৈ দুকাপ চাহ খোৱাৰ পিচত তাই অকণমান সুস্থ বোধ কৰিছিল। দেহমন সজীৱ যেন লাগিল। অসহায় হৈ পৰা ৰোজীয়ে সকলো দুৰ্ব্বলতা আৰু দুশ্চিন্তা জোকাৰি পেলাই মনৰ মাজলৈ ফিৰাই আনিবলৈ যত্ন কৰিলে—দৃঢ়তা, সাহস আৰু বুদ্ধি।

খোৱা হলত বাটলাৰজনে আহি কাপ-প্লেটবোৰ সামৰি ট্ৰেখন লৈ আঁতৰি গ'ল। কিন্তু সেইবাৰো দুৱাৰখন বাহিৰৰ পৰা বন্ধ কৰিবলৈ বাটলাৰজনে পাহৰি যোৱা নাই। তাই লক্ষ্য কৰিছিল: দুৱাৰখন বন্ধ কৰাত বাটলাৰজন যেন অত্যন্ত সতৰ্ক। চাহ দিবলৈ আহোঁতেও দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰি থৈহে বাটলাৰজনে চাহৰ ট্ৰেখন তাইৰ সন্মুখত থৈছিলহি।

বাৰে বাৰে সেই একেটা সন্দেহ।

দুৱাৰখন তেনেদৰে বন্ধ কৰাৰ কাৰণ কি? কোঠাটো বন্ধ কৰি ৰাখিবলৈ প্ৰতি মুহূৰ্ত্ততে সিহঁত ইমান সতৰ্ক কিয়? চাহৰ লগত কিবা দৰৱ মিহলাই দিছে নেকি? এলক'হলিক কিবা পানীয়? এৰা, তাইৰ মূৰটোচোন কিবা ৰিম্‌জিম্ লগা যেন লগিছে। চকু দুটাৰেও ধোঁৱা ধোঁৱা দেখিছে নেকি-জানো? এলক'হলিক একচনৰ কাৰণেই

চাহকাপ খোৱাৰ লগে লগে তাই ইমান সতেজ আৰু সজীৱ বোধ কৰিছিল। তাইৰ যদি চেতনা হেৰাই যায় ?

ঃ এম শ্বৰি। আই ওৱাজ বিজি।

ৰোজী উচপ্ খাই উঠিল।

ডাওৰ মেজখনৰ ওচৰত থকা দুৱাৰখন খুলি কোঠাটোৰ ভিতৰলৈ সোমাই আহিল এজন সুদৰ্শন স্বাস্থ্যৱান পুৰুষ। ঋজু দেহ। উজ্জ্বল ৰং। ঈগল চৰাইৰ দৰে দীঘল বেঁকা নাক। বুদ্ধি আৰু যৌৱনদীপ্ত ডেকাজনক দেখি তাই ধোঁৱা দেখিলে। অন্য এখন দুৱাৰ খুলি ভিতৰলৈ সোমাই অহা ডেকাজন মানুহ নহয়; ক্ষুধাতুৰ হিংস্ৰ বাঘ। ক্ষন্তেক পিচতে তাইৰ ওপৰত জঁপিয়াই পৰিব। দেহৰ সমস্ত তেজ শুহি নিব। নিষ্পেষিতা, লাঞ্ছিতা হৈ পৰিব ৰোজী। নহলে ডেকাজনে দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰিব কিয় ?

ঃ বৈ বৈ আপোনাৰ নিশ্চয় আমনি লাগিছে। খঙো উঠিছে চাগে। ডেকাজনৰ কথাত ক্ষমা প্ৰাৰ্থনাৰ সুৰ।

ডেকাজন তাইৰ ওচৰৰ চকী এখনত বহি পৰিল। তেতিয়াহে তাইৰ সম্বিৎ ফিৰি আহিল। মনলৈ সাহস ওভোতাই আনি সহজ হবলৈ যত্ন কৰিলে। লৰালৰিকৈ বহাৰ পৰা থিয় হৈ নমস্কাৰ জনালে।

ৰোজীয়ে চিনি পালে। এই ডেকাজনেই সিদিনা তাইৰ সাক্ষাৎ লৈছিল।

ঃ আমাৰ ইয়াত কামৰ কোনো নিৰ্দ্ধাৰিত সময় নাই। কিন্তু প্ৰয়োজন হলে ৰাতি দুপৰতো কাম কৰিব লাগিব। অৱশ্যে বিশেষ টান কাম একো নহয়। কেতিয়াবা কেতিয়াবা হয়তো সপ্তাহৰ পিচত সপ্তাহ জুৰি কৰিবলগীয়া কোনো কামেই নোলাব।

ডেকাজন কোৱাৰ পৰা থমকি ৰ'ল। শুনি যোৱাৰ বাহিৰে কবলগীয়া তাইৰ একো নাছিল।

ঃ আজিয়েই কামত জইন কৰিব নহয় ?

ঃ ওঁ।

ঃ তেন্তে এতিয়া জিৰণি লওঁক। প্ৰয়োজনীয় সময়ত মই খবৰ দিম। অ' আপোনাৰ কানি-কাপোৰ? বিছনা-পত্ৰ? আনিছে জানো?

ঃ না···। মা—নে মই ইয়াত থাকিবই লাগিব নেকি?

ঃ নিশ্চয়। বিজ্ঞাপনত আমি সেই কথা জনাইছিলোঁ। সাক্ষাৎ লওঁতেও সেই কথা সোধা হৈছিল। নহয় জানো?

ঃ হয়। চমুকৈ উত্তৰ দিলে ৰোজীয়ে।

ঃ কি কৰিব লাগিব—মিষ্টাৰ জন কক নতুবা মই আপোনাক শিকাই দিম। কেইদিনমান দেখুৱাই দিলে আপুনি নিজেই আপোনাৰ কাম চম্ভালিব পাৰিব। নোৱাৰিব জানো?

ঃ পাৰিম বুলিয়েই মোৰ বিশ্বাস।

ঃ ভেৰি গুড্। আমাৰ ৰসায়নাগাৰটো এতিয়াই চাব নে জিৰণি লব? অৱশ্যে জিৰণি লব খোজে যদি পিছে-পৰেও চাব পাৰিব। মই দেখুৱাই মিলাই প্ৰত্যেকটো কথা বুজাই দিম। যন্ত্ৰ-পাতিবোৰ কেনেদৰে অপাৰেট কৰিব লাগিব সেই বিষয়ে আপোনাক শিকাই নিদিলে আপুনি অসুবিধা পাব।

ঃ কিন্তু চাৰ···

ঃ নো। নট চাৰ। প্লিজ ক'ল মি বাই মাই নেম ঃ ৰণ্ট্‌জেন।

ৰোজীয়ে একো নামাতিলে।

ইতিমধ্যে তাইৰ মনলৈ যথেষ্ট সাহস ফিৰি আহিছে।

কিন্তু এয়া আকৌ কেনে ধৰণৰ সম্বন্ধ?

নিয়োগকৰ্ত্তা আৰু কৰ্ম্মচাৰীৰ মাজত এনে সম্বন্ধৰ কথা ৰোজীয়েতো ক'তো কেতিয়াও শুনা নাই। এয়া উদাৰতা নে কুচক্ৰান্তৰ মেৰপাক?

জোৰকৈ সহজ হব খুজিও তাই সহজ হব পৰা নাছিল। কিবা এটা সন্দেহে তাইক দুৰ্ব্বল কৰি পেলাইছিল।

: এই কোঠাটোত থাকে মিঃ জন কক। সৌটো মোব শোৱনি কোঠা। তাৰ কাষৰ কোঠাটো আপোনাৰ কাৰণে ৰখা হৈছে। প্ৰত্যেকটো কোঠাৰ লগতে সংলগ্ন পায়খানা আৰু গা-ধোৱা ঘৰ। অৱশ্যে আপোনাৰ কোঠাটোৰ লগতে ৰন্ধা-বঢ়াৰ কাৰণে সৰু কোঠা এটাও আছে। ইচ্ছা কৰিলে আপুনিও আমাৰ লগতে খাব পাৰিব। কিন্তু আপোনাৰ আপত্তি থাকিলে…

: নাই, নাই। মোৰ কোনো আপত্তি নাই।

ৰণ্ট্‌জেনক শেষকৈ কোৱাৰ সুযোগ নিদি ৰোজীয়ে খৰখেদাকৈ কৈ উঠিল।

: সেইটো আপোনাৰ ইচ্ছা। আমি সদ্যহতে দুজন মানুহ : মই আৰু মিঃ কক। ককো সৰহ দিন ইয়াত নাথাকে। কেইদিনমান পিচতে যাবগৈ। থাকিম মাথোন মই আৰু আপুনি।

: তাৰ বাহিৰে আন কোনো মানুহ……

ৰোজীৰ মনত আকৌ সংশয়। সেই সংশয়ত শঙ্কিতা ৰোজীয়ে বাক্যটো পূৰাকৈ কব নোৱাৰিলে।

: ৰান্ধনি, চকিদাৰ, মালী, কেয়াৰটেকাৰ—এইবোৰ আছে। সিহঁত থাকিব। সিহঁতৰ কাৰণে বেলেগ কোৱাৰ্টাৰৰ ব্যৱস্থা আছে। অ' বাই দি বাই…।—হঠাতে খুউব প্ৰয়োজনীয় কথা এটা মনত পৰাৰ দৰে ৰণ্ট্‌জেনে অকণমান ৰৈ আকৌ কৈ গ'ল।

: আপোনাক কথা এটা সকিয়াই থম বুলি ভাবিছোঁ।

ৰণ্ট্‌জেন আকৌ থমকি ৰ'ল। তাইৰ চকুলৈ চাই যেন অনুমতিহে বিচাৰিছে।

ৰণ্ট্‌জেনৰ চকুলৈ ৰোজীয়েও চালে। দৃষ্টিত বিস্ময়। এটা প্ৰশ্নবোধক চাৱনি।

পুৰুষৰ চকু জানো ইমান ধুনীয়া? দৃষ্টি জানো ইমান মৰম লগা?

ৰোজীয়ে দৃষ্টি ফিৰাই আনি তলমূৰকৈ ভাবিলে।

ঃ ৰাতিপুৱাই আমি বাহিৰলৈ ওলাই যাওঁ। উভতি আহোঁতে প্ৰায়ে ৰাতি হয়। কাম নথকা সময়খিনিত অকলে থাকি আপোনাৰ আমনি লাগিলে বাহিৰলৈ ওলাই গৈ ঘূৰি আহিব পাৰিব। কিন্তু আপোনাৰ বাহিৰে দ্বিতীয়জনক এই কম্পাউণ্ডৰ ভিতৰলৈ আনিবলৈ যত্ন নকৰিব। নট ইভেন ইউৰ পেৰেণ্টচ্ অৰ ইউৰ বেষ্ট ফ্ৰেণ্ড। কিপ ইট ইন ইউৰ মাইণ্ড প্লিজ।

সন্দেহ, সন্দেহ আৰু সন্দেহ।

ৰণ্ট্জেনৰ কথাবোৰে ৰোজীৰ সন্দিহান মনটোক আৰু বেছি সন্দিহান কৰি তুলিলে। ইয়াৰ অৰ্থ কি? এয়া তেন্তে খুনী ডকাইতৰ গোপন আড্ডা নেকি? ইয়ালৈ তাইৰ বাহিৰে অইন মানুহ কিয় আহিব নোৱাৰে? আনিব নোৱাৰাৰ কাৰণ কি বাৰু? গোপন সংবাদ প্ৰকাশ হোৱাৰ আশঙ্কা নে সিহঁতৰ অৱস্থিতি প্ৰচাৰ হোৱাৰ ভয়? নে আন কিবা?

তাইৰ সন্দেহ ক্ৰমান্বয়ে ঘনীভূত হৈ আহিল। তাইৰ বদ্ধমূল ধাৰণাঃ তাই বাঘৰ গড়ালত ভৰি দিছে। ইয়াৰ পৰা দেহৰ শুচিতা লৈ উভতি যোৱাৰ কোনো উপায় নাই। তাইৰ কুমাৰী জীৱনৰ পৱিত্ৰতাক ধ্বংস কৰাৰ এয়া অভিসন্ধি। কিন্তু বৰ্ব্বৰ পশুৰ দৰে তাইৰ ওপৰত পাশৱিক অত্যাচাৰ আৰম্ভ কৰিব খোজা নাই। অজগৰৰ দৰে ধীৰে ধীৰে গিলি পেলাবলৈ যত্ন কৰিছে।

নতুবা হয়তো ৰণ্ট্জেনহঁতৰ লগত জড়িত আছে এটা প্ৰকাণ্ড সমাজ বিৰোধী দল। সেই দলটোৰ মনোৰঞ্জনৰ কাৰণে চাকৰিৰ লোভ দেখুৱাই তাইক ফান্দত পেলাব খুজিছে। সিহঁতে জানেঃ ধ্বংসৰ পথত এবাৰ খোজ পেলোৱাৰ পিচত তাই আৰু কোনো দিনেই আগৰ সমাজখনলৈ—সভ্য জগতৰ মাজলৈ উভতি যাব নোৱাৰিব। বোকাত পৰা নাৰীক সমাজে কেতিয়াও গ্ৰহণ নকৰে। বোকাৰ পৰা উদ্ধাৰ কৰি ধুই-মচি সমাজত ঠাই নিদিয়ে। কোনো দিনে দিয়া নাই।

কথাবোৰ ভাবি অন্তৰাত্মাই হাঁহাকাৰ কৰি উঠিল। কিন্তু তাই কি কৰিব? কি কৰিব পাৰে? সকলো বুজিও যেন একো বুজিব পৰা নাই? তাই অসহায়, দুৰ্ব্বল; নিৰুপায়।

সন্মুখত কেৱল এন্ধাৰ আৰু এন্ধাৰ। কেনিও পোহৰৰ ৰেঙনি নাই।

ৰণ্ট্‌জেনে তাইৰ অন্তৰ্দ্বন্দ্বৰ কথা কিবা বুজিছিল নে নাই ৰোজীয়ে নাজানে। তাইৰ বিষয়ে ৰণ্ট্‌জেনে কি ভাবিছিল সেই কথাও তাই কব নোৱাৰে। তাইক অনুসৰণ কৰিবলৈ কৈ ধীৰ পদক্ষেপেৰে ৰণ্ট্‌জেন আগুৱাই গৈছিল। ঘৰটোৰ আটাইবোৰ কোঠালী আৰু পিচফালটো দেখুৱাইছিল। কিবাকিবি কৈছিল। কিন্তু ৰণ্ট্‌জেনৰ আটাইবোৰ কথা সিদিনা যেন তাই বুজি পোৱা নাছিল।

ঘৰটোৰ এটা প্ৰকাণ্ড কোঠাত সোমাই ভয়ত তাই বিহ্বল হৈ পৰিল। এটা ৰসায়নাগাৰ। দীঘল টেবুল এখনৰ ওপৰত শাৰী শাৰী যন্ত্ৰপাতি। শ্বোকেচত তাই জনা-নজনা বহুতো ৰাসায়নিক জুলীয়া পদাৰ্থ। বিভিন্ন ৰঙৰ অসংখ্য বটল। কিছুমান ডাঙৰ; কিছুমান সৰু। বিভিন্ন আকৃতিৰ। সাঁফৰ মৰা কিছুমান বাতি-লেখীয়া আয়নাৰ পাত্ৰ। ঠাহ খোৱা টেষ্ট টিউব, বিকাৰ, ফানেল, শ্লাইড। টেবুলখনৰ অ'ত ত'ত কেবাটাও বাৰ্ণাৰ।

শ্বোকেচৰ ভিতৰত সজাই থোৱা কেইটামান ৰাসায়নিক পদাৰ্থ তাই চিনি পালে। প্ৰত্যেকটো বটলত লেবেল। লেবেল লগাই নোথোৱা হলেও তাই চিনি পালেহেঁতেন: ধোঁৱা উৰি থকা সোটো হাইড্ৰোক্লৰিক এচিদৰ বটল।

আৰু?

তাইৰ বুকুখন কঁপি উঠিল।

কে. চি. এন। পটাচিয়াম্ চাইনাড।

পটাচিয়াম্ চাইনাডৰ প্ৰকাণ্ড বটলটো দেখি ৰোজী শিঁয়ৰি উঠিল। বটলটোৰ ভিতৰত সেইবোৰ যেন কে. চি. এন নহয়।

সাক্ষাৎ মৃত্যু; জীয়া যম। কিল্‌বিলাই [illegible] [illegible] [illegible] সাপ।

কলেজৰ প্ৰ্যাক্‌টিকেল ক্লাছত অধ্যাপক হুজাৰে কোৱা কথা-বোৰলৈ তাইৰ মনত পৰিল।

ঃ নট ম’ৰ। ওন্‌লি ‘‘বান ড্ৰপ। ড্যাটচ্‌ এনাফ্‌।

ভয়তে সিদিনা তাই প্ৰ্যাক্‌টিকেল কৰা মেজখনৰ ওচৰৰ পৰা কেইখোজমান পিচুৱাই আহিছিল। হাতৰ গ্লাভচ্‌ যোৰ খুলি থৈছিল। কে. চি. এনৰ এনলাইচিচ কৰিবলৈ সাহস কৰা নাছিল।

ৰসায়নাগাৰটোৰ নিচেই ওচৰৰ কোঠোটা অন্ধকাৰ। চাৰিও-ফাল ক’লা পৰ্দ্দাৰে আৱৰা। ভিতৰত কেবাটাও ৰিফ্ৰিজেৰেটৰ আৰু ইন্‌কিউবেটৰ।

ঘৰটোৰ পাচফালে সৰু সৰু আৰু কেইটামান ঘৰ। সেইবোৰত গিনিপিগ, এন্দুৰ আৰু নিগনি। মুৰ্গীৰাণ এটাত কেবাটাও মুৰ্গী আৰু আইৰণ নেটেৰে আৱৰা চালি এখনৰ তলত ছয় সাতটামান বান্দৰ। তাৰ কিছু আঁতৰত শাৰী শাৰীকৈ ৰোৱা কিছুমান বনৌষধি; কেক্‌টাচ জাতীয় অসংখ্য প্লাণ্ট। বান্দৰবোৰেও যেন সিহঁতৰ স্বাভাৱিক প্ৰবৃত্তিবোৰ হেৰুৱাই পেলাইছে। নিৰ্জ্জন পৰিৱেশটোৰ শান্তি ভঙ্গ হোৱাৰ ভয়ত সিহঁতো মৌন হৈ পৰিছে।

তাই কি কৰিব লাগিব ৰণ্ট্‌জেনে বুজাই দিছিল; আৰু সেই কথাৰ পৰা ৰোজীয়ে বুজিছিল ঃ কামটো উজু; খাটনি লঘু; কম। দৰ্ম্মহা সৰহ। অফুৰন্ত জিৰণি। পঢ়া-শুনা কৰিবলৈ তাই যথেষ্ট সময় পাব।

কিন্তু সন্দেহ, শঙ্কা আৰু অবিশ্বাসে অস্থিৰ কৰি তুলিছিল। তাই দুৰ্ব্বল হৈ পৰিছিল। মনটো ডাঠ কৰিবলৈ বাৰে বাৰে যত্ন কৰিও সাহস ঘূৰাই আনিব পৰা নাছিল।

‘বিপদে দুৰ্ব্বলকহে হেঁচি ধৰে; সাহসীৰ ওচৰ চপাৰ সাহস নাপায়।’ স্তোক বাক্যটোৰে মনটোক সবল কৰিবলৈ যত্ন কৰিলেই

বাৰে বাৰেচোন তাইৰ মনত পৰে ঃ ···ককো সৰহ দিন নাথাকে। কেইদিনমান পিচতে যাবগৈ। থাকিম মাথোন মই আৰু আপুনি । ···আমনি লাগিলে বাহিৰলৈ গৈ ঘূৰি আহিব পাৰিব। কিন্তু আপোনাৰ বাহিৰে দ্বিতীয়জনক এই কম্পাউণ্ডৰ ভিতৰলৈ আনিবলৈ যত্ন নকৰিব।

এয়া জানো সন্দেহজনক ইঙ্গিত নহয় ?

চাকৰিত তাই ভৰ্তি হব নে নহয় ? ভৰ্তি হোৱাটো উচিত নে অনুচিত ? ইয়াত চাকৰি কৰাটো তাইৰ কাৰণে জানো নিৰাপদ ? বিপদৰ কোনো আশঙ্কা নাই ?

কিন্তু ৰণ্ট্জেন ?

ৰণ্ট্জেনৰ ব্যৱহাৰত তেনে আশঙ্কা কৰাৰ জানো কিবা থল আছে ? কিন্তু মানুহক জানো ইমান সহজে চিনিব পাৰি ? বুজা সহজ ? ৰণ্ট্জেনৰ কথাবোৰত সেয়া তাইৰ নিৰাপত্তাৰ ইঙ্গিত নে বিপদৰ সঙ্কেট ?

ৰসায়নাগাৰটোক লোকদৃষ্টিৰ পৰা আঁৰকৈ ৰখাৰ প্ৰচেষ্টা কিয় ? উদ্দেশ্য কি ? কিহৰ বাবে এই গবেষণা ? ৰণ্ট্জেন আৰু জন ককে কি বিচাৰিছে ? তেওঁলোকক লাগে কি ? উন্নত ধৰণৰ মাৰণ অস্ত্ৰৰ আৱিষ্কাৰ ?

ভাবি ভাবি ৰোজীয়ে একো উৱাদিহ নাপালে।

## ॥ পাঁচ ॥

গছ, লতা—পাত, শিপা আৰু ফুল।

নিতৌ নতুন নতুন সংগ্ৰহ। নতুন নতুন গছ-লতা, পাত-শিপা আৰু ফুল। ৰাতি দুপৰলৈকে ক্ৰেছাৰত চেপি সেইবোৰৰ পৰা উলিওৱা ৰস আৰু বিভিন্ন পদ্ধতিৰে কৰা গুৰিবোৰৰ ৰাসায়নিক পৰীক্ষা। চাবচ্‌টেঞ্চ এনালাইচিচ্‌ আৰু সংৰক্ষণ। শক্তিশালী বিজুলী চাকিৰ পোহৰ আৰু অণুবীক্ষণ যন্ত্ৰৰ লেঞ্চ। কনকেভ আৰু কনভেক্স। কেতিয়াবা কেতিয়াবা উন্মুক্ত আৰু কেতিয়াবা সঙ্কুচিত দায়াফাৰ্ম।

এটা গতানুগতিক যান্ত্ৰিক জীৱন। নীৰস।

কিন্তু ৰণ্ট্‌জেন আৰু জন কক ?

তেওঁলোকৰ কাৰণেও জানো এয়া নীৰস ? জীৱনক সজীৱ কৰি ৰখাৰ কাৰণে কোনো প্ৰেৰণা বা উৎসাহ নাই ? সঁচাকৈয়ে যদি নীৰস তেন্তে মিঃ জন কক আৰু ৰণ্ট্‌জেনে এই নীৰস বিষয়টো লৈ কেনেকৈ ইমান ব্যস্ত হৈ থাকে ? নিজক ব্যস্তকৈ ৰাখে ? শোৱা-খোৱাৰ কথা পাহৰি যায় ? অণুবীক্ষণ যন্ত্ৰৰ লেঞ্চৰ ওপৰত দৃষ্টি ৰাখি তন্ময় হৈ কটাই দিয়ে এটা দীঘলীয়া দিন; এটা সম্পূৰ্ণ ৰাতি। চাবচ্‌টেঞ্চ এনালাইচিচ, ফৰ্মেশ্যন, একশ্যন—ৰি-একশ্যন পৰীক্ষা কৰিবলৈ এক্সপেৰিমেণ্ট টেবুলত বহা ৰণ্ট্‌জেন আৰু জন ককে দিন-

ৰাতিৰ কথা পাহৰি যায়? এটা দীঘলীয়া ৰাতি পাৰ হৈ যোৱাৰ পিচত পুৱাৰ পোহৰ ওলায়: লাহে লাহে প্ৰখৰ হৈ অহা সূৰ্য্যৰ তাপে পৃথিৱীক আঁকোৱালি ধৰে। তাৰ পিচত আকৌ ম্লান হৈ পৰে দুপৰীয়াৰ প্ৰখৰ উত্তাপ। পৃথিৱীৰ বুকুলৈ নামি আহে আবেলিৰ শেঁতা ৰ'দ। গধূলিৰ ৰং। সম্পূৰ্ণ চব্বিশ ঘণ্টা একেৰাহে বহি থকাৰ পিচত ৰসায়নাগাৰৰ চকিৰ পৰা উঠি আহে প্ৰৌঢ় জন কক নতুবা যুৱক ৰণ্ট্‌জেন। অৱশ, বিবৰ্ণ, ক্লান্ত; শ্ৰান্ত।

জন কক নতুবা ৰণ্ট্‌জেনৰ কোনোজনৰে সিদিনা আৰু বাহিৰলৈ যোৱা নহয়। মুখ-হাত ধোৱাৰ পিচত একাপ কফি আৰু দুখন বা এখন বিস্কুট। হয়তোবা দুই-এপেগ হুইস্কি বা ব্ৰাণ্ডি। তাৰ পিচত বিছনাত দীঘল হৈ পৰে। কিন্তু টোপনি নাযায়। এনালাইচিচৰ ৰিজাল্ট লিখা কাগজখিলা চকুৰ আগত দাঙি ধৰি আকৌ তন্ময় হৈ পৰে। উন্মাদৰ দৰে মুখৰ ভিতৰতে কিবাকিবি বিৰবিৰায়। মৃদু-ভাৱে অঙ্গুলি জোকাৰে। একোটা চাবচ্‌টেঞ্চকে মাহৰ পিচত মাহ পৰীক্ষা কৰে। দিন পাৰ হৈ যায়।

তাৰ পিচত সপ্তাহ; পষেক। মাহ।

মিঃ জন কক।

শান্ত, সৌম্য, ধীৰ, স্থিৰ। দীৰ্ঘদেহী জন ককৰ কাণৰ কাষৰ চুলিখিনিত ৰূপালী ছাপ। চকু-মুখত গভীৰ চিন্তাৰ ৰেখা। দেহত বয়সৰ আঁচোৰ। কিন্তু ধৈৰ্য্য আৰু শ্ৰম-শক্তি অতুলনীয়। দুখ-ভাগৰে যেন জন ককক ভয় কৰে।

অৱশেষত জন কক এদিন যাবলৈ ওলাল। ৰণ্ট্‌জেনক বহুত কিবাকিবি কলে; বুজালে। উৎসাহ দিলে। আশা আৰু প্ৰত্যয়। ৰোজীৰ পিঠিত থপৰিয়াই মৰম কৰিলে। উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি বিদায় ললে।

মিঃ জন কক গ'লগৈ।

ৰণ্ট্‌জেনৰ মনটো গধুৰ হৈ পৰিল। চকু দুটা সেমেকি উঠিল। বৰ অসহায় যেন অনুভৱ কৰিলে। ওৰে দিনটো মুজুৰা মাৰি ঘৰটোতে সোমাই থাকিল। নতুন সংগ্ৰহৰ কাৰণে বাহিৰলৈ যোৱাৰ নতুবা ৰসায়নাগাৰত সোমোৱাৰ আগ্ৰহ নহ'ল। আনদিনাতকৈ কেইপেগমান সৰহকৈ পি শূন্য দৃষ্টিৰে দূৰলৈ চাই ৰ'ল।

ৰোজীৰো চকু দুটা সেমেকিছিল।

কিমান মহৎ! কিমান উদাৰ! কিমান মৰমীয়াল। শ্ৰদ্ধাত নত হৈ যোৱা দেহশ্ৰী আৰু মিঠা ব্যৱহাৰ। কিমান দিন তাই কিমান বাৰ ভুল কৰিছে। কিমানটা চাবচ্‌টেঞ্চ নষ্ট কৰিছে। কিন্তু জন কক নতুবা ৰণ্ট্‌জেনে কোনোদিনেই তাইক বেয়া ব্যৱহাৰ কৰা নাই। খং কৰা নাই। বৰং ভয়ত পেপুৱা খাই যোৱা ৰোজীক উৎসাহ দিছে। ভুল হলেহে 'ভৱিষ্যতলৈ সাৱধান হব পাৰিবা' বুলি সান্ত্বনা যাচিছে।

অথচ এইজন জন কক আৰু ৰণ্ট্‌জেনক তাই সিদিনা কিমান সন্দেহ কৰিছিল! ভুল ভাবিছিল! কিমান নীচ কথাই মনত সন্দেহ আৰু অবিশ্বাসৰ খোপনি পুতিছিল।

কথাবোৰ মনত পৰি তাইৰ বৰ লাজ লাগি গ'ল। দুৱাৰখন বাৰে বাৰে বন্ধ কৰাৰ সাধাৰণ কাৰণটোকে সিদিনা বুজি নোপোৱা কাৰণে তাই লজ্জিত হৈ পৰিল। পোহৰে দ্ৰব্যগুণ নষ্ট কৰাৰ আশঙ্কাত দুৱাৰখন তেনেদৰে বন্ধ কৰি ৰখাৰ প্ৰয়োজন হৈছিল। অথচ সিদিনা তাই সেই ঘটনাটোকে কেন্দ্ৰ কৰি নাভাবিবলগীয়া বহুত কথা ভাবি ভয়ত পেপুৱা খাই গৈছিল।

কিন্তু এটা কথা তাই আজিও বুজিব পৰা নাই। মিঃ জন কক আৰু ৰণ্ট্‌জেনক সুধিও সেই প্ৰশ্নৰ উত্তৰ তাই নাপালে। পোৱা নাই।

কিহৰ বাবে এই গবেষণা? গছ-গছনি, লতা-পাতৰ মাজত তেওঁলোকে কি বিচাৰে? কিহৰ সন্ধান লাগে? লাখ লাখ টকা ব্যয় কৰাৰ উদ্দেশ্য কি? আৰু এই টকা আহে ক'ৰ পৰা? ধন

কোনে যোগায়? চহৰৰ বুকুত মাজে-সময়ে হোৱা চুৰি-ডকাইতি, খুন-খাৰাপীৰ লগত এইবোৰৰ কিবা সম্পৰ্ক আছে নেকি?

আৰু?

আৰু এটা প্ৰশ্নৰ উত্তৰ তাই পোৱা নাছিল।

তাইৰ বাহিৰে দ্বিতীয়জন ব্যক্তিক সেই চৌহদটোলৈ আনিব নোৱাৰে কিয়? আনিলে কি হয়?

ৰণ্ট্জেনে সিদিনা কোৱা কথাটোৱে সঁচা। কামৰ তেনে কোনো নিৰ্দ্দিষ্ট সময় নাই। খাটনি সৰহ নহয়; কম। কাম কঠিন নহয়; উজু। কেতিয়াবা কেতিয়াবা সপ্তাহৰ পিচত সপ্তাহ জুৰি তাইৰ কোনো কামেই নাথাকে। তাইলৈ অপেক্ষা নকৰি ৰণ্ট্জেনেই তাইৰ কামবোৰ কৰে। তেতিয়া মাথোন ইটো-সিটো যন্ত্ৰপাতি, এচিদ, গেছৰ বটলবোৰ তাই ৰণ্ট্জেনইঁতলৈ আগবঢ়াই দিয়ে। নতুন কেমিকেল প্ৰিপাৰেশ্যনৰ চাবচ্টেঞ্চ ভৰোৱা বটল অথবা টেষ্ট টিউববোৰত নাম্বাৰিঙৰ লেবেল লগাই শ্বো-কেচত সজাই থয়।

ৰণ্ট্জেনক সকাহ দিবলৈ বাহিৰৰ কামখিনিও তাই আজি-কালি নিজে কান্ধ পাতি লৈছে। বাহিৰৰ কাম মানে—কেমিকেল চ্যাম্পুলৰ অকণ অকণ বাকচবোৰ পঠিয়াবলৈ পোষ্ট অফিচলৈ যাব লাগে। নতুন যন্ত্ৰপাতি আহিলে খালাচ কৰিবলৈ এয়াৰ ট্ৰেন্সপৰ্টৰ গুদামলৈ, আৰু কোনোবা এদিন ফাৰ্ম্মাচীৰ পৰা কিনি আনিব লাগে কিবাকিবি দুটা-এটা সাধাৰণ দৰৱ। এচিদ, স্পিৰিট নতুবা ইন্জেকশ্যন চিৰিঞ্জৰ নিডিল।

সেইবোৰ লেবৰ'টৰী ষ্টোৰ ৰুমত প্ৰায়ে মজুত থাকে। কেতিয়াবা কাৎচিতহে কিনিবলগীয়া হয়।

ৰণ্ট্জেনে ব্ৰেকফাষ্ট খাই ৰাতিপুৱাই জীপখন লৈ ওলাই যায়। লগত লৈ যায় লাঞ্চ-পেকেট, চকলেট, কাডবেৰিজ, বাদাম, খিচমিচ আৰু এটা ব্ৰাণ্ডিৰ বটল। ফ্লাস্কত গৰম চাহ নতুবা কফি। জীপত থাকে এটা টুল বক্স, এখন দা আৰু এখন কোৰ। ঘূৰি আহোঁতে

প্ৰায়ে সাজ লাগি ভাগে। কেতিয়াবা ৰাতি হয়। উভতি আহোঁতে জীপত ভৰাই লৈ আহে তাই চিনি পোৱা-নোপোৱা কিছুমান বটানিকেল প্লান্ট : গছৰ ডাল, শিপা, লতাপাত আৰু অজস্ৰ ৰং-বেৰঙৰ ফুল। তাৰ পিচত কফি এপিয়লা খাই লেবৰ'টৰীত সোমায়। ইতিমধ্যে ৰোজীয়ে সেই ডাল-পাতবোৰৰ নাম শকত ৰেজিষ্টাৰ এটাত ভৰ্ত্তি কৰি নাম্বাৰিং কৰে। চিনি নোপোৱা লতা-পাতবোৰৰ নামৰ সলনি চমু বিৱৰণ লিখে। ৰণ্ট্‌জেনৰ নিৰ্দ্দেশমতে একেজাতীয় প্লান্টবোৰ লগ লগাই স্কুইজাৰত চেপি ৰস উলিয়াই বটলত ভৰাই বেলেগাই থয়। চিনাক্তকৰণৰ কাৰণে নাম্বাৰিঙৰ লেবেল লগাই বটলটোৰ সৈতে বান্ধি ৰাখে গছ বা লতাজোপাৰ এখিলা পাত। মাজে সময়ে আকৌ কিছুমান প্ল্যান্ট ক্ৰেছাৰ নতুবা গ্ৰাইণ্ডিং মেচিনত কেঁচাই কেঁচাই পিহি গুৰি কৰিব লাগে। ৰণ্ট্‌জেনে সেইবোৰৰ চাবচ্‌টেঞ্চ এনালাইচিচৰ ৰিডিং লয়। কিবাকিবি ড্ৰাগ মিহলাই অণুবীক্ষণ যন্ত্ৰত পৰীক্ষা কৰে। কিছুমান প্লান্টৰ কেমিকেল প্ৰডাক্ট বিভিন্ন তাপমাত্ৰাৰ ৰিফ্ৰিজেৰেটৰত সাৱধানে ভৰাই থয়। কেমিকেল প্ৰডাক্টৰ কেইটোপালমান টেষ্ট টিউবত ভৰাই মুকলি বতাহত থৈ দিয়ে। তাৰ পিচত ৰিফ্ৰিজেৰেটৰৰ পৰা উলিয়াই নিতৌ পৰীক্ষা কৰে। হঠাতে একোদিন কোনোবা একোটা প্ৰডাক্টৰ কিছু অংশ চিৰিঞ্জত ভৰাই শহা-পহু নতুবা এন্দুৰৰ গাত বেজী দিয়ে। খোৱা বস্তুৰ লগত মিহলাই খাবলৈ দিয়ে। তাৰ পিচত বহু কেইদিনলৈ সেই শহা-পহু আৰু এন্দুৰ কেইটাক সাৱধানেৰে পৰীক্ষা কৰে। কোতিয়াবা সিহঁতৰ গাৰ অংশবিশেষ কাটি আনি বায়ওপ্‌সি কৰে ; মৰা শহা-পহুবোৰক কৰে অট'পচি। হঠাতে একোদিন পৰীক্ষাৰ শেষত ৰণ্ট্‌জেনৰ চকু-মুখ উজ্জ্বল হৈ উঠে। কিবা এটাৰ সন্ধান পোৱাৰ আনন্দত উৎফুল্ল হৈ পৰে।

কিন্তু প্ৰত্যেকটো প্লান্ট চেম্পুল জন ককলৈ পঠিয়াবলৈ ৰণ্ট্‌জেনে কেতিয়াও নাপাহৰে। সেই চেম্পুলবোৰৰ লগত থাকে এখন সৰু চিঠি আৰু চাবচ্‌টেঞ্চ এনালাইচিছ।

ৰোজীয়ে লক্ষ্য কৰিছিল কেইদিনমানৰ পৰা ৰণ্ট্‌জেনে কেঁচা মটৰ-মাহ, বুট, মুগ আৰু উৰহিজাতীয় খাদ্যশস্যবোৰৰ ওপৰত বিভিন্ন প্ৰকাৰে পৰীক্ষা আৰম্ভ কৰিছে। ভিন্‌ ভিন্‌ গেছ আৰু পোহৰ প্ৰয়োগ কৰি গুটিবোৰ ৰুইছে। ফুল আৰু গুটি ধৰাৰ সময়খিনিলৈ আগ্ৰহেৰে অপেক্ষা কৰিছে। ফুল ফুলিলে বেলেগ বেলেগ গছত বেলেগ বেলেগ গেছ প্ৰয়োগ কৰিছে। গুটিবোৰ পূৰঠ হোৱাৰ পিচত পৰীক্ষাগাৰলৈ আনি পৰীক্ষা কৰিছে।

ৰণ্ট্‌জেনৰ কাণ্ডবোৰ দেখি মাজে-সময়ে ৰোজী অধৈৰ্য্য হৈ পৰে। ধৈৰ্য্য হেৰাই যায়। খঙো উঠে, মগজুৰ ভাৰসাম্য হেৰুৱাই পেলোৱা বুলি চঞ্চল হৈ পৰে। কৌতূহল দমাব নোৱাৰি সোধে : তুমি এইবোৰ কি কৰিছা ৰণ্ট্‌জেন? তোমালোকে আচলতে কি বিচাৰিছা? কি লাগে? তোমালোকে মোক আজিও বিশ্বাস কৰিব পৰা নাই নেকি? নহলে মোক নোকোৱা কেলেই? চিৰদিন মোক অন্ধকাৰত ৰাখিব খুজিছা কিয়?

ৰণ্ট্‌জেনে একো নামাতে। একো নুবুজাৰ দৰে বুৰ্ব্বক চাৱনি এটাৰে মাথোন ৰোজীলৈ একেথৰে চাই ৰয়। অভিমানত ৰোজীয়ে ফেঁকুৰি উঠে।

ৰোজীৰ কান্দোনত ৰণ্ট্‌জেনৰ হাঁহি উঠিব খোজে।

: পৃথিৱীৰ সকলোবোৰ নাৰীয়ে একে। চকু-পানীৰে সিহঁতে বিশ্বজয় কৰিব খোজে। নাৰীৰ চকুলো পুৰুষৰ হৃদয় কুমলোৱাৰ ব্ৰহ্মাস্ত্ৰ। ৰূপহী ৰমণীৰ চকুপানীয়ে হেনো পাষাণো গলায়।

অসহায় ৰণ্ট্‌জেনে ৰোজীক সান্ত্বনা দিয়ে : বি পেচেণ্ট মাই গাৰ্ল। সময় আহিলে সকলো গম পাবা। সকলো কম।

সেইকণেই তাইৰ কাৰণে সান্ত্বনা। তাৰ বাহিৰে তাইৰ কি অধিকাৰ আছে যে গবেষণাৰ উদ্দেশ্যৰ কথা কবলৈ ৰণ্ট্‌জেনক তাই বাধ্য কৰাব পাৰে? ৰণ্ট্‌জেন তাইৰ নিয়োগকৰ্ত্তা, অন্নদাতা! আৰু তাই এজনী সাধাৰণ কৰ্ম্মচাৰী। ৰণ্ট্‌জেনৰ উদাৰতাৰ সুযোগ

লৈ তাই নিজেই গঢ়ি তুলিব খুজিছে সিহঁতৰ মাজত এটা গভীৰ আত্মীয়তা।

কিন্তু ৰণ্ট্জেন ?

তাই ভবাৰ দৰে ৰণ্ট্জেনে জানো কোতিয়াবা তাইৰ কথা ভাবিছে ? ভাবে ?

বাৰিষা।

পৃথিৱী গাভৰু হয়। গাঢ় সেউজীয়া ৰহণে শাওণৰ পৃথিৱীক মাহময়ী কৰি তোলে। পাট-গাভৰু পৃথিৱীয়ে শাওণৰ বৰষুণত যুৱতী বোৱাৰীৰ ৰূপ লয়।

আৰু সেই সময়টোৱে সংগ্ৰহৰ উপযুক্ত সময়। ফুল ফুলে। সেউজীয়া লতা-পাতে হাবি-বননিক ছানি ধৰে।

কিন্তু ৰণ্ট্জেনৰ সংগ্ৰহৰ কামত ভেঁটা পৰে। খৰালিৰ দৰে ৰণ্ট্জেন নিতৌ সংগ্ৰহৰ কাৰণে বাহিৰলৈ যাব নোৱাৰে। অথচ বাৰিষাৰ বৰষুণত তিতা হাবি-বননিবোৰে সদ্যস্নাতা গাভৰুৰ অঙ্গাভৰণৰ আকৰ্ষণেৰে ৰণ্ট্জেনক হাতবাউল দি মাতে।

আহা ৰণ্ট্জেন। এয়া আমাৰ যৌৱনৰ উন্মত্ত বুকু উদঙাই দিছোঁ। আমাক সাৱটি লোৱাহি।

কিন্তু ৰণ্ট্জেন নিৰুপায়। বৰষুণত তিতি-বুৰি সংগ্ৰহ কৰা সম্ভৱ নহয়। ৰণ্ট্জেনে পূৱা-গধূলি আকাশলৈ চায়। ৰেডিঅ'ত বতৰৰ আগলি বতৰাৰ বাতৰি শুনে।

বতৰ মুকলি হলেই বাহিৰলৈ ৰণ্ট্জেন ওলাই যায়। গাত পানী-কোট, ভৰিত আঁঠুলৈকে পানী-জোতা আৰু মূৰত পানী-টুপী। বাট দুৰ্গম। পিচল ; বিপদসঙ্কুল। তথাপি সি ভিতৰত সোমাই থাকিব নোৱাৰে। কাৰণ এই সময়খিনিতেই ফুলে বহুতো আপুৰুগীয়া বনৰীয়া ফুল। লতা-পাতবোৰ ঠন ধৰি উঠে। মৰি যোৱা বুলি ভবা আৰ্কিডবোৰ লহপহকৈ বাঢ়ে। সেউজীয়া হাবি-বননীয়ে মোহনীয় ৰূপ ধৰে।

খৰালি বাট-পথ সুগম হয়। কিন্তু শীতৰ চেপাত প্ৰকৃতিৰ স্বাভাৱিক সৌন্দৰ্য্য হেৰাই যায়। কিছুমান গছ নঙঠা হৈ পৰে। সৰু সৰু হাবি আৰু প্লাণ্টবোৰ বৰফৰ চেপাত মৰে। ফুলবোৰ সৰি সৰি পৰে। কিছুমান বনৰীয়া ফুল আকৌ জাৰকালি নুফুলেই।

কেবাদিনো বৰষুণ দিয়াৰ পিচত বতৰ সিদিনা ফৰকাল হৈছিল। হাবিলৈ যাবলৈ ওলোৱা ৰণ্ট্‌জেনে জীপখনত বহি পৰিছিল।

ঃ ৰণ্ট্‌জেন।

ৰণ্ট্‌জেনে ঘূৰি চালে। চকুত প্ৰশ্নবোধক দৃষ্টি।

ঃ তোমাৰ লগত ময়ো যাম ৰণ্ট্‌জেন। নিবা ?

ৰণ্ট্‌জেনে একো নামাতিলে। ৰোজীৰ চকুলৈ মাথোন একেথৰে কিছু সময় চাই ৰ'ল।

ঃ কোৱা—নিবা ?

ঃ বাৰিষা হাবিৰ মাজলৈ যোৱা বৰ বিপদজনক ৰোজী। চাৰিও-ফালে বোকাপানী। পোক-পৰুৱাৰ উৎপাত। তদুপৰি কোন মুহূৰ্ত্তত বতাহ-বৰষুণ আহে কোনো ঠিক নাই। আৰু···আৰু···।

ঃ কোৱা। আৰু কি ?

ঃ কেতিয়াবা কেতিয়াবা বাঘো ওলায়।

ঃ বাঘ ?

ঃ ওঁ।

ঃ এৰা, ওলাবতো। কাৰণ মই যাব খুজিছোঁ নহয়। নোকোৱা কিয়—হাতীও ওলায়।

ঃ নোলায় বুলি ভাবিছা নেকি ?

ৰণ্ট্‌জেনে কথাষাৰ কৈ হাঁহিছিল।

আসৈ পাই ৰোজীয়ে জীপত উঠি বহিলগৈ।

আৰু সেইদিনাখনেই ঘটিছিল এটা দুৰ্ঘটনা।

আবেলি।

বেলি লেহিয়াইছে। নিৰ্ম্মল আকাশ। বৰষুণৰ সম্ভাৱনা নাই।

সংগ্ৰহৰ কাৰণে অনুকুল বতৰ। বনৌষধিৰ সন্ধানত হাবিৰ মাজে মাজে ৰণ্টজেন ঘূৰি ফুৰিছিল। কাষত ৰোজী।

অলপ দূৰত এজোপা গছ। গছজোপাৰ পৰা তললৈ হাউলি পৰা ডাল এটাত ফুলি আছিল কপৌজাতীয় এপাহ ফুল। ৰণ্ট্‌জেনে আগবাঢ়ি গৈ ধুনীয়া ফুলপাহ ছিঙিবলৈ বেঙা মেলি হাতখন ওপৰলৈ দাঙিব খুজিছিলহে মাথোন। ঠিক সেই মুহূৰ্ত্ততে ৰোজীয়ে ৰণ্ট্‌জেনৰ কলাফুলত সোধাইছিল এটা প্ৰচণ্ড গোৰ। দেহৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি কেইহাতমান দূৰত ৰণ্ট্‌জেন চিটিকি পৰিল। আও-গৰীয়া ঠাইডোখৰত খোপনি লব নোৱাৰিলে। বাগৰি গৈ দহহাত-মান তললৈ বাগৰি গ'ল। হাত-ভৰিৰ ছাল ছিঙিল। গছৰ শুকান গুৰি এটাত খুন্দা খাই সোঁ বাহুটোত বেয়াকৈ আঘাত হ'ল। ক্ষত দেহৰ পৰা তেজ বৈ আহিল।

খং আৰু অপমানত ৰণ্ট্‌জেনৰ সৰ্ব্বাঙ্গ শৰীৰ কঁপি উঠিল। ৰোজীৰ ওপৰত সন্দেহ হ'ল: তেনেদৰে ৰণ্ট্‌জেনক তাই আঘাত কৰাৰ কাৰণ কি? ৰোজীয়ে তেন্তে তাৰ মৃত্যু কামনা কৰে নেকি? হত্যা কৰিব খোজে? কিন্তু কিয়? কিহৰ স্বাৰ্থত? উদ্দেশ্য কি?

নাৰীক বিশ্বাস কৰিব নাপায়। নাৰী সাপিনী।

কথাবোৰ ভাবি ৰণ্ট্‌জেনৰ মূৰটো গৰম হৈ পৰিল। ক্ষত দেহৰ যন্ত্ৰণাৰ কথা পাহৰি গ'ল। লৰালৰিকৈ বগুৱাবাই ৰণ্ট্‌জেন ওপৰলৈ উঠি আহিল। আৰু সেই সময়তেই বিপৰীত ফালৰ পৰা তাৰ ওচৰলৈ আগবাঢ়ি আহিছিল ৰোজী। হাতত এডাল গছৰ ডাল।

সন্দেহ সঁচা হ'ল। মুহূৰ্ত্তও ব্যয় নকৰি ৰণ্ট্‌জেন প্ৰস্তুত হৈ পৰিল। আগবাঢ়ি অহা ৰোজীলৈ চোঁচা লৈ কাণতলীয়া চৰ এপাত তাইৰ গালত সোধাই দিলে। পাকঘূৰণি খাই কেইহাতমান দূৰত তাই চিটিকি পৰিল। গছৰ ডালটো হাতৰ পৰা দূৰলৈ ওফৰি গ'ল।

মানুহৰ আকৃতিত ৰণ্ট্‌জেন তেতিয়া এটা ক্ষুব্ধ, হিংস্ৰ বাঘ। হিংস্ৰ দৃষ্টিৰে সি তাইলৈ চাই ৰ'ল।

তাৰ পিচতো মুহূৰ্ত্তবোৰ বাগৰি গ'ল। এমিনিট দুমিনিটকৈ বহু সময়। যন্ত্ৰণাত অৱশ হৈ পৰা ৰোজীয়ে কেঁকাইছে। উঠি বহিবলৈ যত্ন কৰিও উঠি বহিব পৰা নাছিল। কাৰোবাৰ সহায় বিচাৰিছিল।

ৰণ্ট্‌জেন কিন্তু অলৰ অচৰ। তাইলৈ অকণো অনুকম্পা নাজাগিল। খণ্ডত তেতিয়া সি কোঁপাইছে।

ঃ ৰণ্ট্‌জেন।

সহায় বিচৰা এটা কাতৰ মাত। দুৰ্ব্বল; করুণ। অনুচ্চ। কিন্তু তাৰ পিচতো ৰণ্ট্‌জেনক একে ঠাইতে থিয় হৈ থকা দেখি মূৰটো দাঙি উঠিবলৈ যত্ন কৰিলে। সোঁ হাতখনৰ অঙুলি এটা টোৱাই ৰণ্ট্‌জেনক কিবা এটা দেখুৱাবলৈ যত্ন কৰিছিল।

অনিচ্ছা সত্ত্বেও দৃষ্টি ঘূৰাই নি তাই আঙুলিয়াই দেখুওৱা গছ-জোঁপালৈ ৰণ্ট্‌জেনে উভতি চালে। সেইজোপা গছৰ তলতে থিয় হৈ অথনি সি ফুলপাহ ছিঙিবলৈ যত্ন কৰিছিল।

সূৰ্য্যাস্তৰ তেজ ৰঙা ৰঙে গছজোপা তেতিয়া ৰাঙলী কৰি তুলিছিল। হেঙুলী ৰঙত চিকমিকাই থকা এজোপা গছ। এটা ডাল।

॥ ছয় ॥

'টু জিৰো থ্রি জিৰো। কালেক্ট ষ্টক ; চেণ্ড ম'ৰ।'

অৱশেষত ৰণ্ট্‌জেন উন্মাদ হৈ পৰিল। ট্রেনকুলাইজাৰ নতুবা মেনড্রেক খুৱাই শুৱাই থবলগীয়া হ'ল।

শেষ শৰতৰ এটা দুপৰীয়া।

লাঞ্চ পেকেট খুলি কিবা অলপ খাই লব খোজা ৰণ্ট্‌জেনৰ চকুত পৰিছিল এপাহ ফুল। ডেৰ ফুটমান ওখ আদাজাতীয় এজোপা গছ। চিৰিলা চিৰিলি পাত। পখিলা এটাৰ দৰে এপাহ ফুল। সোণ বৰণীয়া। ধুনীয়া।

সেইদিনাৰ দুৰ্ঘটনাটোৰ পিচত ৰণ্ট্‌জেন প্রায় এমাহ সংগ্রহৰ কাৰণে বাহিৰলৈ যাব পৰা নাছিল। গাৰ বিষত ৰাতিলৈ জ্বৰ উঠিল। ঘাবোৰ শুকাবলৈও কিছুদিন সময় লাগিল। তাৰ পিচত এদিন জ্বৰ এৰি ঘা শুকাল। শৰীৰ সতেজ হৈ উঠিল।

কিন্তু সেই সময়ত বাহিৰলৈ যোৱাৰ উপায় নাছিল। বাৰিষাৰ নেবানেপেৰা বৰষুণত বাট-পথ গেলি গৈছে। বোকাৰে ভৰি পৰিছে। হাবিৰ মাজত পানীয়ে ডোঙা বান্ধিছিল।

দিনে নিশাই কেৱল বৰষুণ, বৰষুণ আৰু বৰষুণ।

বৰষুণত পানীয়ে ভৈয়ামৰ নদীবোৰ ওপোচাই পেলাইছে। পাৰ

ভাঙি পানী বাগৰিল। বানপানীৰ তাণ্ডৱলীলা আৰম্ভ হ'ল। ঘৰবাৰী উটুৱাই নিলে। গৰু-ম'হ মৰিল। মানুহৰ মাজত আৰম্ভ হ'ল আতঙ্ক আৰু হাঁহাকাৰ।

গোমা আকাশ। ধাৰ নিছিগা ক্ৰন্দসীৰ চকুলো।

মুকলি বতৰৰ অপেক্ষাত বৈ বৈ ৰণ্টজেন অধৈৰ্য্য হৈ পৰিল।

অৱশেষত বৰষুণ এদিন বন্ধ হ'ল। একোৰাহে কেবা সপ্তাহো লানি নিছিগা বৰষুণৰ পিচত বতৰ ফৰকাল হৈ পৰিল। কিন্তু বাট-পথৰ অসুবিধাৰ কাৰণে ৰণ্টজেন আৰু কিছুদিন ঘৰতে আৱদ্ধ হৈ থাকিবলগীয়া হ'ল।

আৰু ৰোজী?

সিদিনাৰ দুৰ্ঘটনাটোৰ কথা মনত পৰিলে আজিও তাইৰ গা শিহৰি উঠে। ভয়ত চকু-মুখ বিবৰ্ণ হৈ যায়। কিন্তু পিচ মুহূৰ্ত্ততে ৰোমাঞ্চিত হৈ পৰে দেহ আৰু মন। উৎফুল্ল আৰু চঞ্চল হৈ পৰে যৌৱন পূৰঠ এটা কুমাৰী প্ৰাণ।

অকল ৰণ্টজেনেই নহয়; ৰোজীয়েও শয্যাশায়ী হৈ পৰিছিল। হাত-ভৰিৰ গাঠিয়ে গাঠিয়ে বিষ। জ্বৰ। শৰীৰৰ বিভিন্ন অংশত ঘা। ক্ষতৰ যন্ত্ৰণা। জ্বৰ আৰু গাৰ বিষত কেবাদিনলৈকে তাই বিছনাত পৰি থাকিবলগীয়া হ'ল।

তাৰ পিচত এদিন সুস্থ হৈ উঠিল।

কিন্তু সুস্থ হৈ নুঠা হলেই যেন ভাল আছিল। ইমান সোনকালে বিষ-বেদনাবোৰ উপশম হোৱা কাৰণে তাইৰ নিজৰ ওপৰতে খং উঠিল। কাৰণ এই দুৰ্ঘটনাজনিত শাৰীৰিক ব্যথাই তাইৰ জীৱনলৈ আনি দিছিল এক মধুৰ স্বপ্ন। নিচেই ওচৰতে পাইছিল এক অমূল্য সম্পদ। নীল পদ্মৰাগ।

ৰণ্টজেন অনুতপ্ত। ব্যথিত। নিজৰ অজ্ঞতা আৰু দুষ্কৃতিৰ কাৰণে ৰোজীৰ ওচৰত যেন বৰ সৰু হৈ গৈছিল। হেয় হৈ পৰিছিল। ৰোজীৰ ওচৰত সি ক্ষমা খুজিছিল।

: কোৱা ৰোজী, তুমি মোক ক্ষমা কৰিব পাৰিছা?

ৰোজী নিমাত।

ৰণ্ট্‌জেন অস্থিৰ হৈ পৰিল। অপৰাধী মনোভাব এটাই চঞ্চল কৰি তুলিলে। ৰোজীয়ে তাক ক্ষমা কৰিব পৰা নাই। নোৱাৰাটোৱে স্বাভাৱিক। এজনী ভদ্ৰমহিলাৰ কাৰণে সেয়া অত্যন্ত অপমানজনক ব্যৱহাৰ। তাৰ দৰে তেনে গৰ্হিত ব্যৱহাৰ কোনো পুৰুষে কৰিব নোৱাৰে। কেতিয়াও নকৰে। তাৰ জীৱন ৰক্ষা কৰিবলৈ গৈ তাই পাইছিল অপমান।

নিজৰ ওপৰতে ৰণ্ট্‌জেনৰ ধিক্কাৰ জন্মিল। ৰোজীক সন্তুষ্ট কৰিবলৈ ব্যস্ত হৈ পৰিল। নহলে যে তাৰ চৰিত্ৰত এই অসহিষ্ণুতাৰ কলঙ্ক চিৰদিনলৈ ৰৈ যাব।

ৰোজীয়ে তাক ক্ষমা কৰক বুলিয়েই তাইৰ ওচৰত বহি মৰম লগাকৈ সি কথা কয়। অসুখীয়া ৰোজীৰ চুলিৰ মাজে মাজে আঙুলি বুলাই দিয়ে। আলফুলকৈ কপালখন পিটিকি দিয়ে। ৰাতি দুপৰলৈকে তাইৰ ওচৰত বহি থাকে।

কিবা এটা অবুজ তৃপ্তিত ৰোজীৰ চকু দুটা মুদ খাই যায়।

শেষ নিশা।

তাইৰ টোপনি অহা বুলি ৰণ্ট্‌জেন শোৱা কোঠালিলৈ উঠি আহিব খোজে। কিন্তু নোৱাৰে। তাৰ হাতখনত থাপ মাৰি ৰোজীয়ে লেনীয়া মাতেৰে কয়: নাযাবা না। মোৰ বৰ ভয় লাগে।

ৰণ্ট্‌জেন আকৌ বহি পৰে।

তাই মিছাকৈয়ে কয়: চকু মুদিলেই সিদিনাৰ ঘটনাটোলৈ তাইৰ মনত পৰে। চকুৰ আগত ভাহি উঠে এটা ভয়াবহ দৃশ্য। ৰণ্ট্‌জেন কাষত থাকিলে তাই সাহস পায়। চকু দুটা মুদি ক্ষন্তেক শান্তি পায়।

বেচেৰা ৰণ্ট্‌জেন!

তাই সঁচা কোৱা বুলি একেদৰে বহি ৰয়। তেনেদৰে পাৰ হৈ যায় এটাৰ পিচত আন এটা উজাগৰী নিশা।

কেতিয়াবা কেতিয়াবা আকৌ ভয়লগা সপোন এটা দেখি থক্‌-মক্‌কৈ সাৰ পোৱাৰ দৰে ৰণ্ট্‌জেনক তাই সাৱটি ধৰে। নিজৰ গাৰ ওচৰলৈ টানি নিয়ে। ৰণ্ট্‌জেনে তাইক শান্ত কৰিবলৈ যত্ন কৰে। সাহস দিয়ে।

তাৰ পিচত আকৌ আৰম্ভ নীৰৱতা।

এটা দুটাকৈ মৌন মুহূৰ্ত্তবোৰত ৰণ্ট্‌জেন অস্থিৰ হৈ পৰে। চঞ্চল হৈ উঠে। ভাবে: ৰোজীয়ে তাক ক্ষমা কৰিবনে? সি কি কৰিলে তাই তাক ক্ষমা কৰিব পাৰিব?

: ৰোজী।

: হুঁ।

: সঁচাকৈয়ে মই বৰ অনুতপ্ত ৰোজী। কোৱা—মোক ক্ষমা কৰিছা? নিশ্চিত মৃত্যুমুখৰ পৰা তুমি সিদিনা মোক ৰক্ষা কৰিছিলা। অথচ তাৰ বিনিময়ত পালা কদৰ্য্য ব্যৱহাৰ। সেই মুহূৰ্ত্তত মই ভুল বুজিছিলোঁ ৰোজী! তুমি নাৰী। নাৰীৰ প্ৰতি পুৰুষৰ এনে ব্যৱহাৰ অশোভনীয়।

নীৰৱতা ভাঙি ৰণ্ট্‌জেনে কৈ যায়। তাৰ পিচত আকৌ নিস্তব্ধতা।

ৰোজীয়ে একো নামাতে।

অৰ্থাৎ সেই মৌনতাৰে যেন ৰণ্ট্‌জেনক তাই বুজাব খোজে: তুমি যি অপৰাধ কৰিছা, সেই অপৰাধৰ ক্ষমা নাই। ক্ষমা কৰা অন্যায়।

কিন্তু ৰোজীৰ এই নীৰৱতাৰ অৰ্থ আছিল বেলেগ। উদ্দেশ্য আছিল অন্য এক অভিসন্ধি। কাৰণ ৰোজীয়ে বুজিছিল: ক্ষমা কৰিছোঁ বুলি কলেই ৰণ্ট্‌জেন তাইৰ ওচৰৰ পৰা আঁতৰি যাব। এনেদৰে তাইৰ ওচৰলৈ আৰু কেতিয়াও নাহে। দিনে-ৰাতিয়ে তাইৰ ওচৰত বহি নাথাকিবহি। তাই তেতিয়া হেৰুৱাই পেলাব লাগিব এটা মধুৰ সান্নিধ্য। সঙ্গসুখ। স্পৰ্শৰ তৃপ্তি।

উঁহো, সেয়া তাই কেতিয়াও হব দিব নোৱাৰে। হবলৈ নিদিয়ে।

থিয়ান দিনলৈ সম্ভৱ বোজীয়ে তাক তেনেদৰে তাইৰ ওচৰত আৱদ্ধ কৰি ৰাখিব। কুহলীয়াই কুহলীয়াই তাৰ মনৰ মাজত সোমাবলৈ যত্ন কৰিব। এটা যৌৱনদীপ্ত ডেকামনক দুৰ্ব্বল কৰাৰ ক্ষমতাই যদি তাইৰ নাই—তেন্তে তাইৰ নাৰী জীৱনৰ সাৰ্থকতা ক'ত? এই ৰূপ, এই যৌৱনৰ কি প্ৰয়োজন? এই ৰূপ—মৃন্ময় প্ৰতিমাৰতো ৰূপ নহয়। এই ৰূপ এজনী জীয়া গাভৰুৰ সূৰ্য্যশিখা। ৰূপৰ সেই সূৰ্য্যশিখাত নিহিত হৈ আছে হেজাৰজন যুৱকক দেই-পুৰি নিয়াৰ প্ৰখৰ উত্তাপ।

বোজীও জানে: ক্ষমা কৰিবলগীয়া কোনো দোষ ৰণ্ট্‌জেনে কৰা নাছিল। ৰণ্ট্‌জেনৰ পক্ষে সেইটোৱে স্বাভাৱিক। ৰণ্ট্‌জেন নহৈ তাই হোৱা হলেও তেনেদৰেই সন্দেহ কৰিলেহেঁতেন।

সিদিনাৰ সেই ভয়াবহ দৃশ্যটোৰ কথা মনত পৰিলেই গাৰ প্ৰত্যেক-ডাল নোম তাইৰ ডাল ডাল হৈ শিহৰি উঠে। হাত-ভৰিবোৰ কঁপে। কিন্তু পিচ মুহূৰ্ত্ততে আকৌ গৰ্ব্ব অনুভৱ কৰে। এটা নিশ্চিত মৃত্যুৰ পৰা ৰণ্ট্‌জেনক তাই ৰক্ষা কৰিব পাৰিছে। নহলে হয়তো পৃথিৱীৰ বুকুৰ পৰা ৰণ্ট্‌জেন চিৰদিনলৈ হেৰাই গ'লহেঁতেন।

গছজোপাৰ তলত থিয় হৈ ফুলপাহ ছিঙিবলৈ বেঙা মেলা ৰণ্ট্‌জেনে যেনিৱা মৃত্যুক সাৱটি লবলৈহে হাত মেলিছিল। আৰু এমুহূৰ্ত্ত পলম হোৱা হলেই পৃথিৱীয়ে হেৰুৱাই পেলালেহেঁতেন এটা জীৱন। এজন বৈজ্ঞানিকক; গবেষক ৰণ্ট্‌জেনক।

ৰণ্ট্‌জেনৰ মূৰৰ ঠিক ছয় ইঞ্চিমান ওপৰত। গছজোপাৰ পৰা হালি পৰা ডালটোত মেৰুৱাই ধৰি তললৈ ওলমি আছিল এটা প্ৰকাণ্ড সাপ। সেই মুহূৰ্ত্তত ৰণ্ট্‌জেনক সাৱধান কৰি দিয়াৰ নতুবা টানি আঁতৰাই অনাৰ সময় নাছিল। মূৰটো ভাজ লগাই সাপটোৱে ফেট তুলি উঠাৰ লগে লগেই বোজীৰ চকুত পৰিছিল এটা সুনিশ্চিত মৃত্যু।

কিন্তু উপায়?

কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰা বোজীয়ে তৰিৎ গতিৰে ৰণ্ট্‌জেনৰ

কলাফুলত সোধালে এটা প্ৰচণ্ড গোৰ। সন্মুখলৈ চিটিকি পৰিল ৰণ্ট্জেন। আৰু কেইহাতমান পিচলৈ উফৰি আহিল ৰোজী। তাৰ পিচমুহূৰ্ত্ততে তাই আকৌ থিয় হ'ল। ওচৰতে পৰি আছিল এটা গছৰ ডাল। ডালটো লৈ ধুমুহাৰ গতিৰে ৰণ্ট্জেনৰ ওচৰলৈ ৰোজী আগবাঢ়ি গ'ল।

ভাগ্য হয়তো সুপ্ৰসন্ন আছিল।

চিটিকি যোৱা আওগৰীয়া ঠাইডোখৰত ৰণ্ট্জেনে খোপনি লব নোৱাৰিলে। লুটি খাই তললৈ বাগৰি পৰিল। হঠাতে কি হৈ গ'ল প্ৰথমতে ৰণ্ট্জেনে একো বুজি পোৱা নাছিল। কিন্তু পিচমুহূৰ্ত্ততে ৰণ্ট্জেন উত্তেজিত হৈ পৰিল। বাগৰি পৰা ৰণ্ট্জেন বৰ কষ্টেৰে কোনোমতে খোপনি লৈ থিয় হ'ল।

খং-অপমানত সি তেতিয়া কঁপিছে। প্ৰতিশোধৰ আক্ৰোশত বন্য হৈ পৰিছে ; হিংস্ৰ হৈ উঠিছে। তীব্ৰ বেগেৰে ৰোজীৰ ওচৰলৈ সি আগবাঢ়ি আহিল। আনফালৰ পৰা তাৰ ওচৰলৈ আগুৱাই আহিছিল ৰোজী। ৰোজীয়ে আচল ঘটনাটো কবলৈ নৌপাওঁতেই ঘটিছিল আন এটা দুৰ্ঘটনা ; তাইৰ গালত ৰণ্ট্জেনৰ হাতৰ এটা বজ্ৰ কঠোৰ আঘাত। এটা কাণতলীয়া চৰ।

অৱশেষত ৰণ্ট্জেনে তাৰ ভুলটো বুজি পাইছিল। ৰোজীয়ে আঙুলিয়াই দেখুওৱা গছজোপাৰ ডালটোত সাপটো তেতিয়াও ওলমি আছিল।

ঃ তুমি যদি মোক ক্ষমা কৰিব নোৱাৰা—তেন্তে মৃত্যুমুখৰ পৰা মোক ৰক্ষা কৰিছিলা কিয় ৰোজী ?

ৰণ্ট্জেনৰ মাতত বহু সময়ৰ নীৰৱতা ভাঙি যায়।

ৰোজী অধৈৰ্য্য হৈ পৰিছিল। তাই আৰু কিমান দিন অভিনয় কৰিব ? ৰণ্ট্জেনৰ হাতখনত দুয়োহাতেৰে খামুচি ধৰি কঁপা কঁপা মাতেৰে কৈ উঠিল ঃ মই তোমাক ভালপাওঁ ৰণ্ট্জেন।

আবেগত বিহ্বল মাত।

ঃ ৰোজী !—ৰণ্ট্‌জেনৰ মাততো অবিশ্বাস আৰু বিস্ময়। সন্মুখত ভূত দেখি উচপ্‌ খাই উঠাৰ দৰে তাৰ চকু বিস্ফাৰিত হৈ পৰিল।

ঃ ৰণ্টজেন !

ঃ এয়া জানো সম্ভৱ হব ৰোজী? এই ভালপোৱাই আমাৰ সাধনাত······

ৰণ্ট্‌জেনে আৰু কব নোৱাৰিলে।

ৰোজীয়ে ইতিমধ্যে তাৰ হাতখন টানি নি তাইৰ বুকুৰ মাজত হেঁচি ধৰিছে।

দিন পুৰণি-হয়। বছৰ বাগৰি যায়।

ৰোজী চঞ্চলা হৈ পৰে। মাজে মাজে তাইৰ চিঞৰি চিঞৰি কবলৈ মন যায়ঃ পাষাণ, নিষ্ঠুৰ। তোমাৰ গবেষণাৰ কোনো মূল্য নাই। নিষ্ফল। তুমি প্ৰতাৰক। এজনী নাৰীক ভালপোৱাৰ যোখাৰে যাৰ অন্তৰত অকণমান মায়া-মমতা নাই—সেইজনৰ সাধনাৰ প্ৰেৰণা ক'ত? মহত্ত্বৰ প্ৰেমৰ বুনিয়াদ ৰচনা কৰিবলৈ ব্যক্তি প্ৰেম আৰু সাহসৰ প্ৰয়োজন। দুৰ্বলীৰ কাৰণে মহত্ত্বৰ প্ৰেমৰ স্বপ্ন মিছা।

কেতিয়াবা-কেতিয়াবা তাইৰ সন্দেহ হয়ঃ ৰণ্ট্‌জেন সঁচাকৈয়ে জীৱন্ত মানুহ; নে অনুভূতিহীন যন্ত্ৰমানৱ? সাধনাৰ প্ৰেৰণাই, গবেষণাৰ আকাঙ্খাই মানৱ মনৰ সাধাৰণ অনুভূতিবোৰ ধ্বংস কৰি পেলাইছে? সন্মানৰ সুউচ্চ শিখৰৰ সপ্নত হেৰুৱাই পেলাইছে জৈৱিক আকৰ্ষণ? দৈহিক প্ৰয়োজন?

'বায়ওল'জিকেল নিড।' ৰোজীৰ হাঁহি উঠিব খোজে। অকল দৈহিক প্ৰয়োজনৰ কাৰণেই জানো প্ৰেম? জীয়া মানুহ জানো ইমান গভীৰভাৱে ৰসায়নাগাৰত ব্যস্ত থাকিব পাৰে? এজনী ৰূপহী যুৱতীয়ে যাচি দিয়া প্ৰেম—ভালপোৱাক আওকাণ কৰি মাহৰ পিচত মাহ—বছৰৰ পিচত বছৰ নিৰ্বিকাৰ হৈ থাকিব পাৰে?

ৰণ্ট্‌জেন তেন্তে বিবাহিত? দৈহিক সামৰ্থহীন।

আগ-গুৰি নোহোৱা অলেখ প্ৰশ্ন। হেজাৰ সন্দেহ।

কেতিয়াবা কেতিয়াবা তাই নিজকে তিৰস্কাৰ কৰে : কিয় তাই ৰণ্ট্‌জেনক ভাল পাইছিল ? ভাল পাবলৈ পৃথিবীত জানো আন কোনো মানুহ নাছিল ? কোনো পুৰুষ নোলাল ?

কিন্তু যি কোনো পুৰুষকেই জানো ভাল পাব পাৰি ?

ৰণ্ট্‌জেনৰ অনুপস্থিতিৰ সুযোগ লৈ ৰসায়নাগাৰটো তাই জ্বলাই দিব নেকি ? যদি জ্বলাই পুৰি ছাই কৰি দিয়ে ? তেতিয়া জানো সি তাইৰ বুকুৰ মাজলৈ উভতি আহিব ? তাইক বুকুৰ মাজত সাৱটি লব ? তাই বিচৰাৰ দৰে চিৰদিন ৰণ্ট্‌জেনক তাইৰ ওচৰত পাব ?

কিন্তু বেচেৰা ৰণ্ট্‌জেন ?

ৰণ্ট্‌জেনেতো নাজানে : বোৰ্জীৰ বুকুৰ মাজত কিহৰ দাবানল। কি প্ৰচণ্ড শিখাৰ পোৰণি।

সেইদিনাৰ ঘটনাটোৰ পিচত ?

সংগ্ৰহৰ কাৰণে বাহিৰলৈ যোৱা ৰণ্ট্‌জেনে বোৰ্জীক লগত নিবলৈ কোনোদিনে আপত্তি কৰা নাছিল। তাহানিখন জন কক আৰু ৰণ্ট্‌জেন ওলাই যোৱাৰ দৰে আজিকালি ৰণ্ট্‌জেনৰ লগত ওলাই যায় বোৰ্জী। দূৰৰ পৰা আৰু দূৰলৈ; গভীৰ অৰণ্যলৈ। ওখ-চাপৰ পাহাৰ; হাবি-জঙ্গল পাৰ হৈ সিহঁত আগবাঢ়ে। কেতিয়াবা উজুটি খাই পৰে। কাঁইটে আঁচোৰে। পোক-পৰুৱাই কামোৰে। তেনেকৈয়ে সিহঁতে সংগ্ৰহ কৰে নিতৌ নতুন উদ্ভিদ। ওচৰৰ হাবিবোৰত পোৱা বটানিকেল প্লাণ্ট, হাৰ্ববোৰৰ পৰীক্ষা কাহানিবাই শেষ হৈছিল।

ইতিমধ্যে পৰীক্ষা কৰা কিছুমান উদ্ভিদৰ পৰা ৰণ্ট্‌জেনে কিবা-কিবি প্ৰয়োজনীয় পদাৰ্থৰ সন্ধান পাইছিল। কিন্তু সিহঁতে যি বিচাৰিছিল সেই দ্ৰব্যগুণসম্পন্ন উদ্ভিদ এতিয়াও পোৱা নাই। সেই কাৰণেই শেষ হোৱা নাছিল সংগ্ৰহ আৰু পৰীক্ষা।

বোজীয়ে তেতিয়াও নাজানে : ৰণ্ট্‌জেনে আচলতে কি বিচাৰে ? কি বিচাৰিছে ?

এদিন, দুদিন। তাৰ পিচত মাহ ; বছৰ।

এটা দুটা নহয় ; কেবাটাও বছৰৰ অক্লান্ত পৰিশ্ৰমৰ পিচত ৰণ্ট্‌জেন এদিন হতাশ হৈ পৰিছিল। ব্যৰ্থ শ্ৰমৰ বেদনাত মন ভাঙি পৰিল। অৱশেষত সিদ্ধান্ত লৈছিল : জন ককলৈ সি লিখি পঠিয়াব—এই ৰিজনত সিহঁতে বিচৰা উদ্ভিদ নাই। নাপালে। আৰু হয়তো নাপাবও। ব্যৰ্থ শ্ৰম কৰি ইয়াত সময় কটোৱাৰ কোনো অৰ্থ নাই।

কিন্তু লিখো বুলিও ৰণ্ট্‌জেনে লিখিব নোৱাৰিলে। বোজীৰ উৎসাহ পাই আৰু কিছুদিন সন্ধান কৰাৰ সিদ্ধান্ত ললে।

কেইদিনমান পিচত।

হঠাতে ৰণ্ট্‌জেন এদিন অভিভূত হৈ পৰিল ; বিস্ময়ত, আশ্চৰ্য্যত ; উল্লাসত। এটা নাভূত-নাশ্ৰুত ঘটনা। এটা নতুন সত্য—নতুন আৱিষ্কাৰৰ সূত্ৰ।

কিন্তু ?

ৰণ্ট্‌জেন আকৌ নিৰুপায় হৈ পৰিল। হতাশাই মন সেমেকাই পেলালে। কাৰণ জানিলেই নিবাৰণৰ উপায় জনা নাযায়। নিবাৰণৰ উপায় ক'ত ? কি ?

সেই সময়তে লেবৰটৰীলৈ সোমাই আহিছিল বোজী। তাইক দেখি সি চিঞৰি উঠিল : ভুল, ভুল বোজী। ইমান দিনৰ তথ্য ভুল। মিছা। বিশেষজ্ঞসকলৰ সিদ্ধান্ত অমূলক। ভ্ৰান্তিকৰ। সঁচা কাৰণটো কি জানা ?

বোজীয়ে একো বুজিব নোৱাৰি তাৰ মুখলৈ একেথৰে চাই ৰ'ল।

: আমি বন্ধ কৰিব লাগিব এট'মিক টেষ্ট। যদি বন্ধ কৰিব নোৱাৰো তেন্তে এই মৃত্যুৰ গ্ৰাসৰ পৰা বিশ্বমানৱে যুগ যুগ বছৰৰ পিচতো উদ্ধাৰ নাপায়। মুক্তি নাপাব। কিন্তু……।

ঃ তুমি কি কৈছা ৰণ্ট্‌জেন ?

ৰোজীৰ প্ৰশ্নত ৰণ্ট্‌জেন তভক মাৰি ৰ'ল। কিছু সময়ৰ মৌনতা।

এৰা, ৰোজীয়ে কেনেকৈ জানিব ? সি জানো কথাবোৰ তাইক বুজাই কৈছে ?

ঃ বুইছা ৰোজী, আমাৰ আটাইবোৰ খাদ্যশস্য ভেজাল।

ঃ তুমি নাজানা নেকি—বেপাৰী লাভখোৰসকলে······

ঃ নহয় নহয়, মই সেই কথা কোৱা নাই। লাভখোৰ বেপাৰী-সকলৰ কথা মই জানো। লাভখোৰ, বেপাৰীসকলৰ কথা বাদ দিলেও আমি ভেজাল খাদ্যই খাব লাগিব। উৎপন্নৰ লগে লগে এইবোৰ ভেজাল হয়। এই ভেজাল লাভখোৰে কৰা নাই। প্ৰকৃতিয়ে কৰিছে। প্ৰকৃতিৰ ভেজাল। ভেজাল কৰিছে মানুহৰ জ্ঞানৰ স্পৃহাই ; আৱিষ্কাৰৰ আকাঙ্খাই। কিন্তু এই ভেজাল বন্ধ কৰাৰ কোনো উপায় নাই।

ৰণ্ট্‌জেন আকৌ ৰ'ল। হাতৰ চেপেনাপাত ট্ৰেত থৈ ৰোজীলৈ মুখ ঘূৰাই বহিল।

ঃ এট'মিক টেষ্ট বন্ধ কৰিলেও কেবা শতাব্দীলৈকে এই ভেজালৰ হাত আমি সাৰিব নোৱাৰোঁ। বিশুদ্ধ বায়ু নাপাওঁ। বুট, মটৰ-মাহবোৰ মই পৰীক্ষা কৰি চাইছোঁ। আল্ট্ৰা মডাৰ্ণ ইকুপ্‌মেণ্টত ধৰা পৰিছে সেই সত্য। বিভিন্ন গেছৰ প্ৰভাৱত গছ-গাছনি, ফল-মূল আৰু খাদ্যশস্যবোৰে সিহঁতৰ স্বাভাৱিক গুণবোৰ কিছু পৰিমাণে হেৰুৱাই পেলায়।

ঃ সেয়া নিতান্তই স্বাভাৱিক।

ঃ স্বাভাৱিক। কিন্তু আটাইতকৈ ডাঙৰ সমস্যা কি জানা ? সেই খাদ্যশস্যবোৰৰ কোষত কিছুমাৰ বিষাক্ত পদাৰ্থৰ সৃষ্টি হয়। কোষবোৰ বিষাক্ত হৈ পৰে। কিন্তু অতি নগণ্য ; সূক্ষ্ম। খুউব সূক্ষ্মভাৱে পৰীক্ষা নকৰিলে সেইবোৰ পৰীক্ষকৰ চকুত ধৰা নপৰে। ধৰা পৰিলেও আমি অৱহেলা কৰি যাওঁ। কাৰণ তাৰ পৰিমাণ

ইমান নগণ্য যে সেই পদাৰ্থবোৰে আমাৰ শৰীৰত কিবা প্ৰক্ৰিয়া কৰিব পাৰে বুলি আমাৰ ধাৰণাই নহয়। পৰীক্ষাত ধৰা নপৰে। কিন্তু নিতৌ সেই খাদ্য খোৱাৰ ফলত মানুহৰ দেহত প্ৰতিক্ৰিয়া আৰম্ভ হয়। ফাইলাক্সে অৰ্থাৎ আমাৰ শৰীৰত থকা ৰক্ত কণিকাই যেতিয়া সেই ক্ৰিয়া প্ৰতিৰোধ কৰিব নোৱাৰে—তেতিয়াই আৰম্ভ হয় মানৱদেহত বিভিন্ন ৰোগ। সেইবোৰৰ কিছুমান দুৰাৰোগ্য। অচিন।

ঃ কিন্তু নিউক্লিয়াৰ টেষ্টৰ লগত ইয়াৰ সম্পৰ্ক কি ৰণ্ট্‌জেন?

ঃ নিউক্লিয়াৰ টেষ্টৰ পিচত পৃথিৱীৰ সমগ্ৰ বায়ুমণ্ডল অস্বাভাৱিক হৈ পৰে। বিষাক্ত হয়। দূষিত বায়ুমণ্ডলৰ মাজত বিভিন্ন খাদ্য-শস্যবোৰে গজালি মেলে। বিষাক্ত বায়ু আহৰণ কৰি গছজোপা ডাঙৰ হয়। ফুল ফুলে। গুটি ধৰে। পূৰঠ হয়। শস্যবোৰে আণবিক বিস্ফোৰণত বিষাক্ত হৈ পৰা দূষিত বায়ু শুহি লোৱাৰ ফলত কিছুমান স্বাভাৱিক গুণ হেৰুৱাই পেলায়।

ঃ মই কেতিয়াও বিশ্বাস নকৰোঁ ৰণ্ট্‌জেন। উদ্ভিদবোৰে বিষাক্ত বায়ু পৰিশোধন কৰি শুহি নলয় জানো? আমি আটাইবোৰেচোন সেইবোৰ খাদ্যশস্য খাইছোঁ। কিন্তু আমাৰ আটাইৰে তেনে বেমাৰতো হোৱা নাই।

ঃ হোৱা নাই। ৰিজন ইজ ভেৰি চিম্পুল। যিসকলৰ ভক্ষিকোষ অৰ্থাৎ তেজৰ শ্বেত কণিকাবোৰে সেই শক্তিক বাধা দিব নোৱাৰে তেনেবোৰ মানুহেই ৰোগত ভোগে। চিগাৰেট খালে কেন্সাৰ হয়। বেছিকৈ মদ খোৱা মানুহে চিৰ'চিচ অৱ লিভাৰত ভোগে। কিয়? চিকিৎসাবিজ্ঞানে এই তথ্য ক'ব পৰা পালে? কাৰণ মাদক দ্ৰব্যই আমাৰ শৰীৰ সুস্থকৈ ৰখাৰ বাবে ৰোগৰ বীজাণুক প্ৰতিৰোধ কৰাৰ শক্তি দুৰ্বল কৰি পেলায়। সেইবোৰ মানুহক পৰীক্ষা কৰিয়েইতো চিকিৎসা বিজ্ঞানীসকলে এই তথ্য আবিষ্কাৰ কৰিছে।

ৰণ্ট্‌জেন কোৱাৰ পৰা থমকি ৰ'ল। তাৰ অনুমান হ'ল—ৰোজীয়ে যেন তাক বিশ্বাস কৰিব পৰা নাই।

ঃ তোমাৰ হয়তো বিশ্বাস হোৱা নাই। কিন্তু সঁচা। বিভিন্ন গেছ প্ৰয়োগ কৰি উৎপন্ন কৰা ফল-মূল আৰু বুট-মাহ খুৱাই এন্দুৰ আৰু শহাপহুবোৰৰ ওপৰত মই পৰীক্ষা কৰিছিলোঁ। তাৰ ফলাফলো ধৰা পৰিছে। কিন্তু আমি নিৰুপায়।

ঃ কাৰণ ?

ঃ *কাৰণ—বায়ুমণ্ডলৰ দূষিত গেছ। আণৱিক বিস্ফোৰণৰ* প্ৰতিক্ৰিয়া। দ্বিতীয় মহাযুদ্ধৰ আণৱিক বিস্ফোৰণে অকল হিৰোশ্বিমাতে লাখ লাখ মানুহ মৰা নাছিল। অসমৰ মানুহো মৰিছিল। মৰিছে ; আৰু মৰিব।

ৰোজী আৰু ৰব নোৱাৰিলে। খিল্‌খিলকৈ হাঁহি উঠিল।

ঃ তোমাৰ ভৌগলিক জ্ঞান বৰ কম ৰণ্ট্‌জেন। অসমৰ মেপখন দেখিছা জানো ? হিৰোশ্বিমাৰ পৰা অসম বহুত দূৰত।

ঃ জানো। তুমি মোক বিশ্বাস কৰিবলৈ টান পাইছা। কিন্তু বিজ্ঞানৰ ছাত্ৰী হিচাবে তুমিও নিশ্চয় জানা—শক্তিৰ বিনাশ নাই।

ঃ কিন্তু অসমত মানুহ মৰিল কেনেকৈ ?

ৰোজীৰ প্ৰশ্নত অবিশ্বাসৰ তীব্ৰ সুৰ।

ঃ জাপানৰ মানচিত্ৰখনলৈ এবাৰ মনত পেলোৱা। একমাত্ৰ পশ্চিমফালৰ বাহিৰে জাপানৰ তিনিওফালে সাগৰ।

ঃ ওঁ। তাৰ পিচত ?

ঃ বিস্ফোৰণৰ বিষাক্ত গেছে বিশেষকৈ ক্ষতি কৰিছে জাপানৰ নিকটতমবৰ্তী ৰাজ্য অসমক।

ঃ ব্ৰহ্মদেশখন ক'লৈ গ'ল ?

ঃ আছে। মৌচুমীৰ প্ৰভাৱত আণৱিক শ্বেলবোৰ ব্ৰহ্মদেশৰ পাহাৰত খুন্দা খাই অসমলৈ গতি কৰিছিল। তাৰ পাচত অসমৰ পাহাৰত ঠেকা খাই যথেষ্ট পৰিমাণে অসমৰ আকাশত থুপ খাই বৈ গ'ল। অৱশ্যে পৃথিৱীৰ পৰা দুশ মাইল ওপৰলৈকে বিয়পি থকা বায়ুমণ্ডলে আৰু বহুতো গেছ উৰুৱাই নিলে—বহুদূৰলৈ। বহল

দিগন্তত সেইবোৰ মিহলি হৈ পৰিল। কিন্তু অসমৰ আকাশত বৈ যোৱা দূষিত বায়ুৰ পৰিমাণ যথেষ্ট বেছি। অসম সেমেকা ঠাই। গছ-গছনি আৰু পাহাৰ-পৰ্বতেৰে ভৰা ৰাজ্য।

: কিন্তু হিৰোশ্বিমাৰ আণৱিক বিস্ফোৰণে অসমৰ মানুহ কেনেকৈ মাৰিলে ৰণ্ট্‌জেন ?

: বিশ্ব-স্বাস্থ্য সংস্থাৰ অভিলেখ কি জানা ? পৃথিৱীৰ ভিতৰত কেন্সাৰ ৰোগীৰ সংখ্যা অসমতেই আটাইতকৈ বেছি। ইয়াৰ কাৰণ তেজষ্ক্ৰিয়তা। খাদ্যশস্যৰ জেনেটিক্‌ প্ৰভাৱ। জীৱ-জন্তু, উদ্ভিদ সকলোবোৰতে তাৰ প্ৰভাৱ পৰিছে। মানুহৰ দৰে উদ্ভিদৰ গুটি, খাদ্য-শস্য আৰু ফল-মূলবোৰেও হেৰুৱাই পেলাইছে স্বাভাৱিক গুণ। সেই শস্যৰ বীজৰ পৰা অসমৰ মানুহে খাদ্যশস্য উৎপাদন কৰিছে। জেনেটিক্‌ প্ৰভাৱৰ দোষত প্ৰত্যেক বাৰে নকৈ উৎপন্ন হোৱা শস্যবোৰে ক্ৰমাগতভাৱে হেৰুৱাই আহিছে মূল আৰু স্বাভাৱিক গুণ। উত্তাপ হেৰুৱাই সূৰ্য্য এদিন নিৰুত্তাপ হৈ পৰাৰ দৰে হেজাৰ হেজাৰ বছৰৰ পিচত খাদ্যশস্যবোৰেও অৱশেষত এদিন খাদ্যৰ অনুপোযোগী হৈ পৰিব। বিষাক্ত হৈ যাব।

ৰণ্ট্‌জেন ৰ'ল।

: ৰ'লা কিয় ? কৈ যোৱা। শুনি ভাল লাগিছে।

: হামবুৰ্গ বিশ্ববিদ্যালয়ৰ আলোচনীত ডাঃ গুৰেণ্টাৰ লেগুবেকে লিখিছিল : বিশ্ব-শিশুৰ সৰ্ব্বাধিক মৃত্যুৰ কাৰণ কেন্সাৰ। অসুখত ভোগা ল'ৰা-ছোৱালীবোৰৰ শতকৰা দহৰ পৰা তেৰ ভাগেই কেন্সাৰ ৰোগী। লিউকেমিয়া—মানে ব্লাড কেন্সাৰত আক্ৰান্ত। অৰ্থাৎ সুনিশ্চিত মৃত্যু।

এয়া আণৱিক বিস্ফোৰণৰ প্ৰতিক্ৰিয়া। আমি বিস্ফোৰণ যদি আজি বন্ধ কৰোঁ—তথাপি আমাৰ নিষ্কৃতি নাই। অৱশ্যে বিশ্বমানৱে বহু পৰিমাণে সকাহ পাব। কিন্তু সম্পূৰ্ণৰূপে নহয়। কিয়নো ইতি-পূৰ্ব্বে বিস্ফোৰিত হোৱা গেছৰ প্ৰতিক্ৰিয়া এতিয়াও বতাহত মিহলি

হৈ আছে। আৰু কেবা শতাব্দীলৈও থাকিব। নতুন বিস্ফোৰণ *নঘটিলে বায়ুৰ বিষাক্ততা ক্ৰমান্বয়ে কমি আহি যুগ-যুগান্তৰৰ পিচত* এদিন বিষাক্ত বায়ুমণ্ডল আকৌ বিশুদ্ধ হৈ পৰিব। কিন্তু পুনৰাই বিস্ফোৰণ ঘটিলে হেজাৰ হেজাৰ বছৰৰ পিচতো বিশুদ্ধ বায়ু পোৱাৰ আশা মিছা।

ঃ ইমান ডাঙৰ তথ্য এটা বিচাৰি পাইছা যেতিয়া—তাৰ প্ৰতিশোধক আৱিষ্কাৰ কৰি নোবেল প্ৰাইজ নোলোৱা কেলেই ?

ৰোজীৰ কথাত উপলুঙাৰ ইঙ্গিত।

ৰণ্ট্জেনে বুজিলে ঃ তাৰ কথাবোৰ ৰোজীৰ বিশ্বাস হোৱা নাই।

অৱশ্যে সেয়া তাইৰ দোষ নহয়। সি হয়তো তাইক বুজাব পৰা নাই।

তাৰ পিচৰ পৰাই ৰণ্ট্জেন উন্মাদ হৈ পৰিল। তেজস্ক্ৰিয়তা আৰু বংশ-প্ৰভাৱৰ পৰা মুক্তি পোৱাৰ চিন্তাত সি যেন আপোন সত্ত্বা-পাহৰি গ'ল। তদুপৰি আন এটা বাতৰিয়ে ৰণ্ট্জেনৰ মন তেতিয়া অস্থিৰ কৰি তুলিছিল। কিবা এটাৰ সন্ধানত বলিয়া বাঘৰ দৰে হাবি-বন মহতিয়াই ফুৰিছিল। দিন-ৰাতিৰ পাৰ্থক্যৰ কথা যেন পাহৰি গ'ল।

সেই সময়তে জন ককৰ্ পৰা পাইছিল এখন কেবেল ঃ টু জিৰো থ্ৰি জিৰো। কালেক্ট ষ্টক চেণ্ড ম'ৰ।

আৰু ৰোজী ?

আনফালে ৰোজী চট্ফটাই উঠিল। ৰোজী যেন ৰোজী নহয়। অপমানিতা, উপেক্ষিতা ; লাঞ্ছিতা এজনী সাধাৰণ অভিসাৰিকা। পিঞ্জিৰাৱদ্ধা ক্ষুব্ধা এজনী হিংস্ৰ বাঘিনী।

## ॥ সাত ॥

হতাশাত ছায়াঘন এটা মন।

ব্যৰ্থতাৰ বেদনাতকৈ জীৱনত ডাঙৰ অপমান বোধহয় আৰু একো নাই। তেতিয়াই নিজৰ ওপৰত ধিক্কাৰ জন্মে। জীৱনৰ প্ৰতি মমতা হেৰাই যায়। দুৰ্ব্বল মনৰ মানুহবোৰক আত্মহত্যাৰ অভিলিপ্সাই হাতবাউল দি মাতে।

"এইবোৰ কি কৰিবা? মই ক'লৈ যাম?"

ৰণ্ট্জেনে তেতিয়া মাথোন সেই কথাই ভাবিছিল। কিবা এটা সিদ্ধান্ত লোৱাৰ কাৰণে জন ককলৈ লিখিবলৈ ঠিৰাং কৰিছিল।

ৰণ্ট্জেন নিশ্চিত: এই অঞ্চলত সিহঁতে যি উদ্ভিদ পোৱাৰ আশা কৰিছিল সেই উদ্ভিদ নাই। বিচাৰি পোৱাৰ আশাও নাই।

কেঁচু খান্দোতে কেতিয়াবা সাপ ওলায়। আৱিষ্কাৰবোৰ প্ৰায়ে আকস্মিক। কিবা এটাৰ গৱেষণা কৰি থাকোঁতে হঠাতে আৱিষ্কাৰ হয় আন কিবা এটা তথ্য। নতুন আৱিষ্কাৰ।

গালখনত এইটো কি উঠিছে চোৱাচোন। বৰকৈ বিষাইছে পাই।

বোজীৰ গালখনলৈ সি এনেয়ে এবাৰ নিৰিখি চালে। বুটমাহ এটাৰ দৰে উখহি উঠা এটা শালমইনা। যৌৱনৰ দমিত কামনাৰ দৈহিক প্ৰকাশ।

ঃ একো নহয়। তুই এদিনতে তল পৰি যাব।

ৰণ্ট্জেনৰ উত্তৰত ৰোজী কিন্তু সন্তুষ্ট হব নোৱাৰিলে। তাই ভাবিছিল ঃ ৰণ্ট্জেনে হয়তো শালমইনাটো পিটিকি চাব। সহানুভূতি দেখুৱাই ইচ্ আচ্ কৰিব। কিবা দৰৱ অথবা মলম লাগোৱাৰ কথা কব। কিন্তু সি যেন তাইৰ কথাবাৰত কোনো গুৰুত্বই নিদিলে। ৰোজী নিৰুৎসাহ হৈ পৰিল। ভয়ো লাগিল। শাল-মইনাই যদি তাইৰ গালখন ঢাকি পেলায়? দাগবোৰ ৰৈ যায়? মুখখন কুৎচিত হৈ পৰে?

এদিন শেষ নিশা। বাহিৰত বাৰিষাৰ পাতল এন্ধাৰ।

সপোন এটা দেখি ৰণ্ট্জেন খক্মক্কৈ বিছনাখনত উঠি বহিল। বিজয়ৰ উত্তেজনাত চঞ্চল হৈ পৰিল।

এখন বিৰাট জনসভা। বিশ্বৰ বিখ্যাত মনীষী, পণ্ডিত, অধ্যাপক, গৱেষক, বৈজ্ঞানিক, চিকিৎসাবিদসকল বহি আছে। মঞ্চৰ সোঁমাজত বুদ্ধদেৱ, যীশু আৰু মহম্মদ। সভাপতি কোন নাজানে। বুদ্ধদেৱৰ চকিখনৰ ওচৰতে বিশিষ্ট অথিতিৰ আসনত বহি আছে ৰণ্ট্জেন। ধুনীয়াকৈ সজোৱা মঞ্চ আৰু সভামণ্ডপ।

ফুলৰ মালাৰে ৰণ্ট্জেনৰ ডিঙি উপচি পৰিছে। সন্মুখৰ মেজ-খনতো ফুলৰ মালা আৰু ফুলৰ থোপা। জনতাৰ মাজৰ পৰা হাঁহি হাঁহি মঞ্চৰ ওপৰলৈ উঠি আহিছে ৰোজী। তাইৰ হাতত বৰফৰ দৰে বগা এধাৰ ফুলৰ মালা। মালাধাৰ ৰণ্ট্জেনৰ ডিঙিত পিন্ধাই দি ৰোজীয়ে কৈ উঠিল ঃ মই নকৈছিলোঁ ৰণ্ট্জেন, জয় তোমাৰ অৱশ্যম্ভাৱী। নোবেল প্ৰাইজ তুমি পাবাই। সাধনা অথলে নাযায়।

জনতাৰ মাজত হৰ্ষধ্বনি আৰু হাতচাপৰিৰ জাউৰি।

মহাপুৰুষ তিনিজনাৰ চকুৰ পৰা যেন সাম্য দৃষ্টি হেৰাই গ'ল। তাৰ ঠাইত ফুটি উঠিল পৰাজয়ৰ গ্লানি মিহলি প্ৰতিহিংসাৰ এটা চাৱনি।

চাৰিওফালৰ পৰিবেশ পাহৰি ৰণ্ট্জেনে ৰোজীক সাৱটি ধৰিছিল।

তাৰ পিচত গালে-মুখে আঁকি দিছিল সহস্ৰ চুমাৰ ৰেখা। তাইৰ ওঠন বুকুৰ স্পৰ্শত ৰণ্ট্‌জেনৰ সমগ্ৰ দেহৰ মাজেৰে যেন বৈ গ'ল কিবা এটা নাম নজনা শিহৰণ। ৰোজীয়ে তেতিয়া তাৰ ডিঙিত দুবাহুৰে সাৱটি ধৰিছে। সুদৃঢ় এটা বাহুবান্ধোন।

জনতাৰ মাজত আকৌ হাতচাপৰি আৰু উল্লাসৰ ধ্বনি উঠিল। সেই ধ্বনিত কঁপি উঠিল সভামণ্ডপ। সহস্ৰ কণ্ঠত বাজি উঠিল ঃ ৰণ্ট্‌জেন কাপুল।

হিপ্ হিপ্ হুৰাহ্।

সেই মুহূৰ্ত্তে ৰণ্ট্‌জেনৰ টোপনি ভাঙি গ'ল। বিছনাখনত উঠি ৰহিল। সাপোন হলেও বিজয়ৰ গৌৰৱত ৰণ্ট্‌জেনৰ মনটো উল্লাসিত হৈ পৰিল। ৰোজীৰ প্ৰতি জন্মিল কিবা এটা অহেতুক দুৰ্ব্বলতা; মমতা। তাই যেন সঁচাকৈয়ে তাৰ পত্নী। খুউব মৰমৰ—চেনেহৰ। এইমাত্ৰ সিহঁতৰ বিয়া হৈ গ'ল। ৰোজীক এবাৰ চাবলৈ তাৰ মনটোৱে উচ্‌পিচাই উঠিল।

সপোনবোৰ সঁচা নহয়। দমিত কামনা-বাসনা আৰু আশা-আকাঙ্খাৰ মুক্ত প্ৰকাশৰ হেনো অন্যতম মাধ্যম—সপোন। এয়া হয়তো তাৰ অৱচেতন মনৰ প্ৰতিক্ৰিয়া। কিন্তু ৰোজীক তেনেদৰে পোৱা কথা সিতো কোনো দিনেই ভবা নাই।

সপোনবোৰ সঁচা নহলেও মিঠা সপোনবোৰে মনত পুলক জগায়। মনটো পাতল লাগে। ভয় লগা কুৎসিত সপোনবোৰে মনটো ভাৰাক্ৰান্ত কৰি তোলে। ভয় ভয় লাগে।

ৰণ্ট্‌জেন বিছনাৰ পৰা নামি গৈ খিৰিকী এখন খুলি দিলে। চেঁচা বতাহ এজাক সোমাই আহি আলফুলকৈ তাক মৰম যাচি আঁতৰি গ'ল।

পূবৰ আকাশ তেতিয়া ৰাঙলী হৈ পৰিছে।

সি ৰোজীক টোপনিৰ পৰা জগাই দিব নেকি? সপোনটোৰ কথা কব?

কিন্তু পিচ মুহূৰ্ত্ততে সি নিৰুৎসাহ হৈ পৰিল।

ছিঃ ! ৰোজীয়ে শুনিলে কি ভাবিব বাৰু ? সি ইমান পাতল নে ?

মুহূৰ্ত্তবোৰ আগবাঢ়িল।

মনটোৱে উচ্‌পিচাই উঠিল। সি বৈ থাকিব নোৱাৰিলে। ৰোজীক লগ পোৱাৰ প্ৰবল হেঁপাহ এটা জন্মিল। ৰণ্ট্‌জেন উঠি গৈ তাইৰ ওচৰ পালেগৈ। গাত হেচুকি ৰোজীক জগাই দিলে। ৰণ্ট্‌জেনক দেখি বিস্ময়ত ৰোজীৰ দুচকু বিস্ফোৰিত হৈ পৰিল। নিজকে যেন বিশ্বাস কৰিব নোৱাৰিলে। সেয়া জানো ৰণ্ট্‌জেন ? নে সপোন ?

: বেড টি খাবা ?

ওচৰৰ টেবুলখনত খুলি যোৱা ঘড়ীটো হাতত লৈ ৰোজীয়ে চকুৰ আগত দাঙি ধৰিলে। বেড টিৰ সময় তেতিয়াও হোৱা নাই।

: ইমান সানকালে আজি··· ।

: মই বনাম। তোমাক বেড টি দিবলৈ সিহঁত ইমান সোনকালে শুই উঠিব বুলি ভাবিছা নেকি ?

ৰোজীৰ কথাযাৰৰ ওপৰতে কৈ উঠিল ৰণ্ট্‌জেনে। সিহঁত মানে লাচনি-পাচনি কৰা আৰ্জেণ্টইঁতৰ কথা কৈছিল।

: তুমি যোৱাচোন। মই বনাম।

ৰণ্ট্‌জেন ৰোজীৰ কোঠাটোৰ পৰা আঁতৰি আহিল।

চাহকাপ হাতত লৈ ৰণ্ট্‌জেনে ৰোজীলৈ একেথৰে চাই ৰ'ল। এটা দুটাকৈ কেবাটাও মুহূৰ্ত্ত। বহু সময়।

: এনেদৰে মোলৈ কি চাইছা ?

ৰণ্ট্‌জেনে একো নামাতিলে। চাহৰ কাপটো মেজৰ ওপৰত থৈ ৰোজীক তাৰ গাৰ ওচৰলৈ টানি আনিলে। ওচৰতে বহুৱাই তাইৰ গালখনলৈ নিৰিখি চালে।

: শালমইনাটোত কিবা দৰব্ব লগাইছিলা ?

ঃ দৰৱ? ওঁহো।

বাওঁহাতৰ লিহিৰি আঙুলি কেইটাৰে তাই শালমইনাটো পিহি চালে।

ৰণ্টুজেনৰ বিশ্বাস নহ'ল। আগদিনা দেখা শালমইনাটোৰ কোনো চিন-চাব নাই। অথচ সেই ঠাইডোখৰত লাগি আছে এক ইঞ্চিমান ব্যাসাৰ্দ্ধৰ এটা হালধীয়া ছাপ।

ওচৰৰ লাইফ চাইজ মিৰৰখনত মুখখন চাই ৰোজীও আচৰিত হৈ পৰিল। শালমইনাটো কলৈ গ'ল? তেনেদৰে আগে পিচেও কেতিয়াবা তাইৰ শালমইনা ওলায়। কেবা দিনলৈকে উখহি থাকে। বিষায়। তল পৰি যোৱাৰ পিচত ৰৈ যায় এটা পাতল ক'লা দাগ। কিন্তু এয়া কি হ'ল? শালমইনা উঠাৰচোন কোনো চিনচাবেই নাই।

ৰণ্টুজেন চিন্তিত হৈ পৰিল। কিবা এটা ভাবিলে। শালমইনা উঠা ঠাইডোখৰ নিৰিখি চালে। গালখন পিটিকি পৰীক্ষা কৰিলে। কিন্তু একো বুজিব নোৱাৰিলে।

কিহৰ এই হালধীয়া দাগ? উখহি উঠা টেমুনাটো ফাটি যোৱাৰ কোনো চিন নাই। তেনেহলে শালমইনাটো কলৈ গ'ল? কেনেকৈ ইমান সোনকালে বহি গ'ল? দৰৱ লগালেও চোন এনেদৰে নিচিহ্ন হৈ নাযায়। দেহৰ এয়া স্বাভাৱিক ক্ৰিয়া নে অইন কিহবাৰ প্ৰক্ৰিয়া?

ভালদৰে পৰীক্ষাৰ পিচত কোনো সিদ্ধান্ত লব নোৱাৰি ৰণ্টুজেনে তাইক অব্যহতি দিছিল। মুখ-হাত ধোওঁতে ৰোজীৰ সিদিনা যথেষ্ট পলম হৈছিল। ৰণ্টুজেনৰো। দুয়োজনেই শালমইনাটো পৰীক্ষা কৰাত ব্যস্ত।

ৰোজী ৰণ্টুজেনৰ ওচৰৰ পৰা আঁতৰি যাবলৈ ওলাই এনেয়ে তাৰ ওচৰত থিয় হ'ল। গালখন তালৈ আগ বঢ়াই দি আব্দাৰৰ সুৰত কৈ উঠিল ঃ ইমানকৈ পিটিকিছা পাই। চোঁৱাচোন—গালখন ৰঙা পৰি উঠিছে নেকি?

ৰণ্টুজেনে তাইৰ গালখনলৈ দৃষ্টি ঘূৰাই নিব খুজিছিল। ঠিক

সেই মুহূৰ্ত্তে তাৰ নাকত লাগিল এটা সূক্ষ্ম মৃদু গোন্ধ। তাইৰ চুলিৰ গোন্ধ বুলি সি ভুল কৰিব খুজিছিল। কিন্তু কৌতূহল দমাব নোৱাৰি তাইৰ গালখনৰ নিচেই ওচৰলৈ নাকটো আগবঢ়াই নি ৰণ্ট্‌জেনে গোন্ধটো পৰীক্ষা কৰিলে। তাৰ নাকটো লাগি তাইৰ গালখন স্মুৰ স্মুৰাই উঠিল।

তাৰ অনুমানটো ভুল হোৱা নাই। ৰোজীৰ গালৰ সেই হালধীয়া দাগটোৰ পৰাই গোন্ধটো ভাঁহি আহিছে। কিন্তু অত্যন্ত মৃদু। ঘ্ৰাণশক্তি সুপ্ৰখৰ নহলে গোন্ধটোৰ অস্থিত্ব ধৰা পেলোৱা সম্ভৱ নহয়।

গোন্ধটো তাৰ চিনাকি চিনাকি যেন লাগিল। কেতিয়াবা ক'ৰবাত যেন সেই গোন্ধটো তাৰ নাকত লাগিছিল।

কিন্তু কেতিয়া? ক'ত?

ভাবি ভাবি ৰণ্ট্‌জেনে একো ঠাৱৰ কৰিব নোৱাৰিলে।

সি সন্দেহশীল হৈ পৰিল। ৰোজীয়ে তাক সঁচা কোৱা নাই কিজানি। তাই নিশ্চয় কিবা দৰৱ ব্যৱহাৰ কৰিছিল।

ৰোজীৰ কোঠাটো সি এবাৰ পৰীক্ষা কৰি চাব নেকি বাৰু? কিন্তু ৰোজীয়ে তাক ফাঁকি দিব কিয়? মিছা কথা কব কেলেই?

সন্দেহে মানুহক দুৰ্বল কৰে।

ৰোজী তেতিয়া গা-ধোৱা ঘৰত সোমাইছে। ব্ৰেকফাষ্ট খোৱা নাই। তাই গা ধুই ওলাই অহাৰ পিচত একেলগে খাব। তাৰ অজ্ঞাতেই ভৰি দুখনে তাক ৰোজীৰ কোঠাটোলৈ টানি লৈ গ'ল। তাৰ পিচত হঠাতে দুৱাৰমুখত থমকি ৰ'ল। তাই দেখিলে কি ভাবিব বাৰু?

অনাত্মীয় গাভৰু ছোৱালীৰ শোৱনি কোঠাত সোমোৱাটো কোনো পুৰুষৰ কাৰণে ভদ্ৰোজনিত নহয়। অথচ শুই থকা ৰোজীক অখনি সি টোপনিৰ পৰা জগাই দিছিল। তেনেদৰে সোমোৱাটো দোষণীয় বুলি তেতিয়া সি ভাবিবই পৰা নাছিল।

এবাৰ ভুল কৰিলে বুলিয়েই দ্বিতীয়বাৰ ভুল কৰিব কিয়?

দোদুল্যমান অৱস্থাত সি তাইৰ কোঠাটোৰ দুৱাৰমুখতে থিয় হৈ ৰ'ল। আৰু সেই সময়তেই ঘৰ-দুৱাৰ পৰিস্কাৰ কৰা আৰ্জেণ্টে ৰোজীৰ কোঠাটো পৰিস্কাৰ কৰি জাবৰ-জোঠৰবোৰ দুৱাৰমুখলৈ সাৰি আনিছিল। সন্মুখত হঠাতে ৰণ্ট্জেনক দেখি ভূত দেখা মানুহৰ দৰে সি থত্মত খাই ৰৈ গ'ল।

ৰণ্ট্জেনৰ কি হৈছিল ৰোজীয়ে নাজানে। কিন্তু বাথৰুমৰ পৰাই তাই শুনিছিল ৰণ্ট্জেনৰ এটা বিকৃত কণ্ঠস্বৰ। এটা শব্দ: ইউৰেকা।

বাঢ়নিৰ আগত জাবৰ-জোঠৰ বেছি নাছিল। কেউডালমান দীঘল চুলি, টুকুৰা টুকুৰকৈ ছিঙা কেইখিলামান কাগজ; বতাহত উৰি পৰা কোঠাটোৰ অকণমান ধূলি আৰু এপাহ লেৰেলা ফুল। হালধীয়া। ফুলপাহ মৰহি গৈছে। দুয়োফালে হেঁচা লাগি চেপেটা হৈ পৰিছে। চিলনিয়ে চোঁ মাৰি নিয়াৰ দৰে ৰণ্ট্জেনে ফুলপাহ খপিয়াই হাতত তুলি ললে।

আৰ্জেণ্টৰ মুখখন বিবৰ্ণ হৈ পৰিল। খুউব মূল্যবান প্ৰয়োজনীয় কিবা এটা সাৰি পেলোৱাৰ অপৰাধত হে যেন সি অপৰাধী। ফুল নহয় যেনিবা এটা মুকুতা। পোৱাল পদ্মৰাগ মণি।

তাৰ ভাতিবিহ্বল চাৱনিলৈ চাবলৈ ৰণ্ট্জেনৰ তেতিয়া সময় নাছিল। হাতৰ ফুলপাহ নাকৰ ওচৰলৈ নি শুঙি চালে। দীঘলকৈ নিশ্বাস টানি গোন্ধটো পৰীক্ষা কৰিলে। এবাৰ। দুবাৰ। তিনিবাৰ। তথাপি তাৰ সন্দেহ দূৰ নহ'ল।

অৱশেষত সি নিশ্চিত হৈ পৰিল। তাৰ ভুল হোৱা নাই। সেই একেই গোন্ধ। ৰোজীৰ গালৰ পৰা ভাঁহি অহা গোন্ধটোৰ লগত অকণো পাৰ্থক্য নাই।

আনন্দত ৰণ্ট্জেন আত্মহাৰা হৈ পৰিল।

এইপাহেই সেইপাহ ফুল। আগদিনাখন হাবিৰ মাজৰ পৰা সিহঁতে বটুলি আনিছিল। বটুলি আনিছিল মানে ৰোজীয়ে চুলিৰ

মাজত গুজি লৈছিল। পপি ফুলৰ দৰে এজোপা মাথোন গছ। এপাহ মাথোন ফুল। গছজোপাৰ পাতবোৰ কিন্তু পপি ফুলৰ দৰে নাছিল।

ফুলপাহ দেখি ৰোজীয়ে কৈছিল: সৌ ফুলপাহ ইমান ধুনীয়া। খোপাত গুজি লওঁ নে ৰণ্ট্জেন?

সঁচাকৈয়ে এপাহ ধুনীয়া ফুল। পাতল হালধীয়া ৰং। ৰণ্ট্জেনে ফুলপাহ ছিঙি আনি লিৰিকি বিদাৰি পৰীক্ষা কৰিছিল। নাকৰ ওচৰলৈ নি শুঙি চাইছিল। বিষাক্ত নেকি পৰীক্ষা কৰিছিল। গোন্ধ নথকা বুলি ভবা ফুলপাহৰ একেবাৰে গোন্ধ নোহোৱা নহয়। আছে। কিন্তু অত্যন্ত মৃদু। পাতল। সেই ফুলপাহকে ৰণ্ট্জেনে তাইৰ চুলিৰ মাজত পিন এটাৰে গুজি দিছিল।

পোৱাৰ আনন্দত ৰণ্ট্জেন আত্মহাৰা হৈ পৰিল। চকু-মুখবোৰ উজ্জ্বল হৈ উঠিল। স্থান, কাল পাহৰি গ'ল। বাথৰূমৰ দুৱাৰত খুন্দিয়াই খুন্দিয়াই ৰোজীক চিঞৰি উঠিল: ইউৰেকা ৰোজা। ইউৰেকা।

ৰোজী তেতিয়া গা-ধোৱা ঘৰত ব্যস্ত। গাত পানী ঢালিছিলহে মাথোন।

শোৱাৰ সময়ত ৰোজীয়ে নিশ্চয় ফুলপাহ খুলি থবলৈ পাহৰি গৈছিল। টোপনিতে কেনেবাকৈ খোপাৰ পৰা বাগৰি আহি শালমইনাটোৰ তলত চেপা খাই পৰিল। আৰু…আৰু…

ৰণ্ট্জেনে আৰু ভাবিব নোৱাৰিলে। উন্মাদৰ দৰে বাথৰূমৰ দুৱাৰমুখৰ পৰা ৰোজীৰ কোঠাটোলৈ সোমাই গ'ল। বিছনাখনৰ ওপৰত পাৰি থোৱা বিছনা ঢাকনিখন একে আঁজোৰে আঁতৰাই পেলালে। চাবোনৰ ফেনৰ দৰে শুধ বগা গাৰুটো লুটিয়াই বগৰাই কিবা এটা পৰীক্ষা কৰিলে।

কিন্তু ক'তা?

গাৰুৰ গিলিপটোত চোন কোনো দাগ নাই। তেন্তে তাৰ অনুমানটো মিছা নেকি?

ৰণ্ট্জেন আকৌ নিৰাশ হৈ পৰিল। তাৰ অনুমানটো সঁচা নহ'ল। সঁচা হোৱা হলে গাৰুৰ গিলিপটোত ৰোজীৰ গালত দেখাৰ দৰে অনুৰূপ দাগ এটা নিশ্চয় পালেহেঁতেন।

উত্তেজনা সাম কটাৰ পিচত মানুহ দুৰ্ব্বল হৈ পৰে। হতাশাই মন আৱৰি ধৰা ৰণ্ট্জেনো তেতিয়া দুৰ্ব্বল হৈ পৰিছে।

ৰণ্ট্জেনৰ চিঞৰত খৰখেদাকৈ ৰোজী বাথৰুমৰ পৰা ওলাই আহিল। গাত তিতা তিয়নি। কানি-কাপোৰ সলাবলৈ কোঠাটোত সোমাই বিব্ৰত হৈ পৰিল। ৰণ্ট্জেনক তেতিয়া তাই তাত আশা কৰা নাছিল।

ৰণ্ট্জেন ?

তাৰ দুচকু বিস্ফোৰিত হৈ পৰিল।

এইজনী কোন ?

ৰোজী নে জুই ? যৌৱনৰ লেলিহান শিখা নে গাভৰু দেহা ? যৌৱনত তিতা গাভৰুৰ দেহত ইমান উত্তাপ। যৌৱনে গৰকা নাৰী ইমান সুন্দৰী !

মুহূৰ্ত্তৰ বাবে সি থত্মত খাই গ'ল। কি কৰিব একো ভাবি নাপালে। এজনী নতুন অচিনাকি গাভৰুৰ সন্মুখত থিয় হৈ যেন অপ্ৰস্তুত হৈ পৰিল। এজনী নতুন গাভৰু। অচিনাকি। এইজনী গাভৰুক সি চিনি নাপায়। কাহানিও ক'তো দেখা নাই।

সময় পিচলিল। কেইটামান মাথোন মুহূৰ্ত্ত।

সহজ হবৰ যত্ন কৰি সুধিলে: ফুলপাহ কি হ'ল ৰোজী ? তোমাৰ চুলিৰ মাজত কালি যে মই গুজি দিছিলোঁ।

যেন একোৱেই হোৱা নাই। ৰণ্ট্জেনে যেন তাইৰ কেঁচা দেহাটোলৈ লক্ষ্যই কৰা নাই—তাৰ কথাত এনে এটা ভাব ফুটাই তুলিবলৈ সি যত্ন কৰিলে।

ফুলপাহৰ কথা তাই পাহৰিয়েই গৈছিল। সি কলতহে তাইৰ মনত পৰিল। অজ্ঞাতেই তাইৰ সোঁ হাতখনে চুলিৰ মাজত বিচাৰি চালে।

ঃ শোৱাৰ সময়ত ফুলপাহ খুলি থৈছিলা নেকি ?

ঃ ওঁহো। ফুলপাহৰ কথা মই পাহৰিয়েই গৈছিলোঁ ৰণ্ট্জেন।

তাৰ পিচ মুহূৰ্ত্তত ৰণ্ট্জেনৰ হাতত ফুলপাহ দেখি কৈ উঠিল ঃ উৱা ! সৌপাহ দেখোন তোমাৰ হাততে আছে। ক'ত পালা ?

ফুলপাহ ৰণ্ট্জেনে ক'ত পাইছিল ক'লে। তাৰ পিচত তাৰ অনুমানটোৰ কথা তাইক বুজাই কৈছিল।

ঃ ভেৰি লাইকলি ৰণ্ট্জেন। তোমাৰ অনুমানটোৰে হয়তো সঁচা। ৰাতি শোওঁতে শালমইনাটোৰ তলত চেপা খাই পৰিছিল।

ঃ অনুৰূপ দাগ এটা বালিচৰ গিলিপটোত আমি নিশ্চয় পালোঁহেঁতেন।

ঃ ওঁ, চিওৰ।

ঃ কিন্তু গাৰুৰ ওপৰত তেনে কোনো দাগ নাই।

ঃ নাই ?

ৰোজীয়ে যেন তাক বিশ্বাস কৰিব নোৱাৰিলে। বিছনাখনৰ পৰা গাৰুটো হাতত লৈ লুটিয়াই বগৰাই চালে। কিন্তু ৰণ্ট্জেনৰ কথাই সঁচা। বালিচৰ গিলিপত কোনো দাগ নাই।

ঃ আৰ্জেণ্ট।

কিবা এটা মনত পৰি পাচনি লৰাটোক তাই চিঞৰি মাতিলে।

অৱশেষত ৰোজীৰ অনুমানটোৱে সঁচা হ'ল। গাৰুৰ গিলিপত পোৱা গ'ল এটা দাগ। হালধীয়া। ৰোজীৰ গালত দেখাৰ দৰেই এটা অনুৰূপ ছাপ।

বিছনা পাৰোতে যোৱা নিশা ব্যৱহাৰ কৰা গিলিপটো আৰ্জেণ্টে সোলোকাই ধুবলৈ থৈছিল। গাৰুটোত থুৱাই থৈছিল আন এটা নতুন গিলিপ।

এটাৰ পিচত আন এটা সমস্যা।

গোটেইখন হাবি পাত-পাতকৈ বিচাৰি ৰণ্ট্জেন ভাগৰি পৰিল।

লগত ৰোজা। কিন্তু ফুল ক'ত? সিহঁতে ফুলৰ কোনো সন্ধান নাপালে। আগদিনাখন ফুলপাহ ছিঙি নিয়া গছজোপা আছে। ফুল নাই। সেই ফুলজোপাৰ ওচৰে-পাজৰে অন্ততঃ আৰু কেইজোপামান ফুল বিচাৰি পাব বুলি সিহঁতে আশা কৰিছিল। কিন্তু নাপালে।

এদিন দুদিনকৈ প্ৰায় এসপ্তাহৰ অন্বেষণৰ পাচত সিহঁত হতাশ হৈ পৰিল। অৱশ্যে একেবাৰে আশা এৰি পেলোৱা নাছিল। ক্ষীণ আশা এটা লৈ ফুলজোপাক কেন্দ্ৰ কৰি চাৰিওফালে বিচাৰিলে। কিন্তু সেইখন হাবিত এজোপাৰ বাহিৰে আৰু তেনে কোনো গছ নাই।

একে শ্ৰেণীৰ উদ্ভিদ সাধাৰণতে একেঠাইতে ওচৰা ওচৰিকৈ গজে। ফুলে। কেতিয়াবা চৰাই-চিৰিকতিয়ে গছৰ গুটি নি দূৰত পেলায়। বতাহতো কিছুমান ফুলৰ গুটি দূৰলৈ উৰি যায়। কিন্তু ডাঠ হাবিৰ মাজত গছৰ গুটি বেছি দূৰলৈ উৰি যোৱা সম্ভৱ নহয়। ওখ গছ হোৱা হলে সুকীয়া কথা। এফুটমান ওখ গছৰ গুটি বেছি দূৰলৈ উৰি যাব নোৱাৰে। আৰু গুটিবোৰ জানো কেনেকুৱা (?) সেই কথাও সিহঁতে নাজানে।

গোটেই হাবিখন তন্ন তন্নকৈ বিচাৰি সিহঁত হতাশ হৈ পৰিল। তেনে ফুল নাই। সিহঁতৰ চকুত নপৰিল। বিচাৰি উলিয়াব নোৱাৰিলে।

সেই ফুলজোপাকে উখালি আনি ঘৰৰ চৌহদত ৰুবহি নেকি?

ৰণ্টুজেনে ভাবিছিল। কিন্তু যদি মৰি যায়?

নাই। ফুলজোপা যেনেদৰে আছে তেনেদৰেই থাকক। ফুল-জোপাৰ ওপৰত সিহঁতে লক্ষ্য ৰাখিব। মাজে-সময়ে আহি চাই যাবহি। আকৌ ফুল ফুলালৈকে অপেক্ষা কৰিব। গুটি ধৰিলে বীজ সংগ্ৰহ কৰি খেতি কৰিব।

এটা ক্ষীণ আশা। মিছা প্ৰবোধ। অমূলক প্ৰত্যয়; সান্ত্বনা।

ফুলজোপা যদি আৰু নুফুলে? মৰি যায়? এপাহ ফুল ফুলাৰ পিচতে কিছুমান গছ মৰি যায়। পুনাই আৰু নুফুলে।

এই জোপাৰো যদি সেইটোৱে চাৰিত্ৰিক বৈশিষ্ট হয় ? বংশ বৃদ্ধিৰ কাৰণে প্ৰয়োজন গুটি, আলু নে শিপা ?

ফুলজোপাৰ গুৰিটো খান্দি চাব নেকি ?

ওঁহো। সোণৰ হাঁহকণী দিয়া ৰাজহাঁহটোৰ গৰাকীৰ দৰে ৰণ্ট্‌জেন ইমান মূৰ্খ হব নোৱাৰে। অধৈৰ্য্য হোৱা অনুচিত। এইবোৰ ক্ষেত্ৰত অত্যন্ত ধৈৰ্য্যৰ প্ৰয়োজন। সি অপেক্ষা কৰিব।

তাৰ ভাব হৈছিল: ইমান দিনে যেন সিহঁতে এইজোপা উদ্ভিদকে বিচাৰি ফুৰিছিল। এইজোপা গছৰ ৰসৰ পৰাই আৱিষ্কাৰ হব সিহঁতৰ অ'ত দিনৰ সাধনাৰ সূত্ৰ। জন ককৰ স্বপ্ন ফলিয়াব। সাৰ্থক হব পৰিশ্ৰম আৰু অৰ্থব্যয়। সিহঁত হৈ পৰিব অপৰাজেয়। বিশ্ববিখ্যাত।

ৰণ্ট্‌জেনৰ চেৰেংকৈ মনত পৰিল: ঠিক এইপাহ ফুলৰে মালা এধাৰ সপোনত সি ৰোজীৰ হাতত দেখিছিল। তাৰ ডিঙিত পিন্ধাই দিছিল। কিন্তু মালাধাৰৰ ফুলবোৰৰ ৰং আছিল বগা। আৰু এই পাহৰ ৰং হালধীয়া।

: ৰণ্ট্‌জেন।

: হোঁ।

: ধৰি লোৱা ফুলপাহ আমি যেনিবা পালোঁ। এজোপা দুজোপা নহয়—হেজাৰ হেজাৰ জোপা গছ। লাখ লাখ ফুল। অজস্ৰ—অলেখ। পিচে সেই গছ, সেই ফুলত যদি তুমি বিচৰা দ্ৰব্যগুণটো নাথাকে ?

ৰণ্ট্‌জেন হঠাতে শেঁতা পৰি গ'ল। এৰা, ৰোজীয়েতো মিছা কোৱা নাই। তাইৰ কথাষাৰেই যদি সঁচা হয় ? তেন্তে ?

এষাৰ মাথোন কথা। কেইটামান শব্দ-যোজনা। সেই কথাষাৰে তাক যেন সাফল্যৰ সুউচ্চ শিখৰৰ পৰা অতল গহ্বৰলৈহে বগৰাই দিলে। অন্ধকাৰ গহ্বৰৰ মাজত হেৰাই গ'ল পোৱাৰ স্বপ্ন ; বিজয়ৰ উল্লাস আৰু অপৰাজেয় হোৱাৰ আকাঙ্খা।

ৰণ্ট্জেনৰ মনত ইতিমধ্যে দৃঢ় ধাৰণা এটাই খোপনি পুতিছিল : সি যেন সাধনাত সাফল্য লাভ কৰিলেই। বহুদিনৰ বহুতো পৰীক্ষাৰ পিচত প্ৰমাণ হ'ল সেই সাফল্য নিৰ্ভুল। বাকী মাথোন বিশ্বৰ স্বীকৃতি।

তথাপি সি কৈ উঠিল : থাকিব ৰোজী, থাকিব। সেইজোপাই ইমান দিনে আমি বিচাৰি ফুৰা উদ্ভিদ। এইজোপা ফুলৰ কথাকে জন ককে মোক……

ৰণ্ট্জেন থমকি ৰ'ল। সি কব খুজিছিল : 'এইজোপা ফুলৰ কথাকে জন ককে মোক কৈছিল।'

কিন্তু কৈছিল জানো ? কোৱাতো নাছিল।

এটা ক্ষীণ প্ৰতিবাদ। দুৰ্ব্বল মাত।

দিন আৰু বাগৰিল।

সিহঁত তেতিয়া আন এখন পাহাৰৰ প্লাণ্ট সংগ্ৰহত ব্যস্ত। সেইখন পাহাৰৰ হাবিৰ মাজতো প্ৰয়োজনীয় ফুলপাহ সিহঁতে বিচাৰি নাপালে। বিচাৰি বিচাৰি হায়ৰাণ হোৱাৰ বাহিৰে লাভ একো নহ'ল।

সেইখন পাহাৰৰ কেইমাইলমান আঁতৰত আছিল দুখন পাহাৰ। পাহাৰ দুখনে এটা কৌণিক বিন্দুত মিলিত হৈছে। পশ্চিমৰ পাহাৰখন পূবৰ পাহাৰখনতকৈ যথেষ্ট ওখ। ৰাতিপুৱাৰ বেলিৰ পোহৰ পূবপিনৰ পাহাৰখনৰ ওপৰেৰে পাৰ হৈ গৈ পশ্চিমৰ নিয়ৰ আৰু বৰফ সেমেকা পাহাৰখনত ঠেকা খাই জিলমিলাই উঠে। চিক্‌মিকায়। ৰ'দত চিক্‌মিকাই ৰূপালী আৰু সোণালী ৰং ধৰা পাহাৰখন দেখিবলৈ তেতিয়া বৰ ধুনীয়া হৈ পৰে। অপৰূপ ৰূপ ধৰে।

সেই পাহাৰ দুখনলৈ আঙুলিয়াই ৰোজীয়ে এদিন ৰণ্ট্জেনক তালৈ যোৱাৰ কথা কৈছিল। সংগ্ৰহৰ কাৰণে নহয় ; এনেয়ে। প্ৰয়োজনীয় প্লাণ্ট পালে সংগ্ৰহো কৰিব।

/

এদিনে নহয়। ৰোজীয়ে বহু দিন কৈছিল। যোৱাৰ আগ্ৰহ ৰণ্ট্‌জেনৰো আছিল। কিন্তু সময় ক'ত? কৰ্ত্তব্যক আওহেলা কৰি প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ সময় নাছিল। সংগ্ৰহৰ কাৰণে সিহঁত এদিনতো ভালৈ যাবই লাগিব। কিন্তু ওচৰৰ পাহাৰৰ প্লাণ্ট-বোৰৰ পৰীক্ষা শেষ নকৰাকৈ দূৰলৈ যোৱাৰ কোনো যুক্তি নাই। সময় নাই। তদুপৰি হালধীয়া ফুলপাহৰ গছজোপা চাবলৈকেও সপ্তাহে পষেকে সিহঁত আন এখন পাহাৰলৈ যাব লাগে।

অৱশেষত ৰণ্ট্‌জেন এদিন বাধ্য হ'ল। উৎসাহে ৰোজীৰ হিয়া নধৰা হ'ল। মুখ্য উদ্দেশ্য সংগ্ৰহ নহয়। প্ৰাকৃতিক দৃশ্য উপভোগ। অৱশ্যে সম্ভৱ হলে সংগ্ৰহো কৰিব।

হাতত দামী কেমেৰা। দূৰবীক্ষণ। জেপত কেঁচা ফিল্ম। কানত টেপ ৰেকৰ্ডাৰ। জীপত সংগ্ৰহৰ হাতিয়াৰ; ফাষ্ট এইড্ বক্স আৰু দুপৰীয়াৰ আহাৰ আৰু পানীয়।

শেষ বৰষা। শীত তেতিয়াও আৰম্ভ হোৱা নাই। কিন্তু হব। শীতক নালাগে শৰত আৰম্ভ নৌহওঁতেই শেষ বাৰিষাৰ শেষ নিশা বৰফৰ কণিকাবোৰ পাতল কুঁৱলীৰ দৰে পাহাৰৰ মাজে মাজে উৰি ফুৰে। পাহাৰৰ গছ-পাতৰ বুকুত পৰি জিৰণি লয়। ৰাতিপুৱাৰ সোণালী ৰদ'ত জিলমিলায়। পশ্চিমৰ পাহাৰখনত চিটিকি পৰা ৰাতিপুৱাৰ ৰ'দৰ জিলিমিলি আহি পূবৰ পাহাৰখনত বিয়পি পৰে। পাহাৰ দুখনৰ সঙ্গমস্থলৰ কৌণিক অংশটোত পোহৰ হলে নপৰে। সেই ঠাইখিনি অন্ধকাৰ। ছায়াঘন। বোধহয় সেইখিনিতে আছে এটা গহ্বৰ। দূৰৰ পৰা ক'লা ক'লা যেন দেখি। ৰাতিৰ এন্ধাৰবোৰে দিনৰ পোহৰত লুকাবলৈ ঠাই বিচাৰি নাপাই সেইখিনিতে জুপুকা মাৰি বৈ আছে।

বতৰ ফৰকাল। উজ্জ্বল। স্নেপ্ শ্বট লোৱাৰ অনুকূল বতৰ। ৰোজীয়ে স্নেপ্ ললে। এটাৰ পিচত আন এটা। বিভিন্ন এঙ্গলৰ পৰা বিভিন্ন শ্বট্। ৰণ্ট্‌জেনৰ হাতৰ কেমেৰাও নিষ্ক্ৰিয় হৈ থকা নাই।

চাটাৰিঙৰ শব্দই অকণমানকৈ হলেও পাহাৰৰ বুকুৰ নির্জ্জনতা ভঙ্গ কৰিছে। এঙ্গল বিচাৰি সিহঁতে পাহাৰ বগাইছে। এই বিষয়ত বণ্ট্‌জেনতকৈ ৰোজীৰ উৎসাহ আৰু বেছি।

ঃ যোৱানা ৰণ্ট্‌জেন—পাহাৰৰ ওপৰলৈ গৈ কেইটামান শ্বট্‌ ধৰি আনা।

ৰণ্ট্‌জেনে আপত্তি নকৰিলে। 'এক ঢিলত দুই পাখী' মাৰিব খোজা ৰণ্ট্‌জেনে কিবা নতুন প্লেণ্ট পোৱাৰ আশাত পাহাৰ বগাই ওপৰলৈ উঠিল। চাৰিওফালে সুতীক্ষ্ণ দৃষ্টি। সন্ধানী লক্ষ্য।

পূব পিনৰ পাহাৰখন অত্যন্ত থিয়। ওপৰলৈ বগোৱা কষ্টসাধ্য। কিন্তু ৰণ্ট্‌জেনৰ অভিযাত্রিক মনটোৱে জেদ ধৰি উঠিল। বাধাই মনৰ জেদ বঢ়ায়। প্ৰতিকুল পৰিস্থিতিয়ে দুঃসাহসিক মনবোৰলৈ দৃঢ়তা আনে। জয়ৰ সঙ্কল্পই মনৰ মাজত বাঁহ লয়।

জয়ৰ প্ৰবৃত্তিয়ে—প্ৰতিৰোধ পৰাজয়ৰ আকাঙ্খাই তাক খেয়ালী কৰি তুলিলে। বগুৱা বাই সি ওপৰলৈ উঠি গ'ল। ওপৰৰ পৰা ক্রমান্বয়ে আৰু ওপৰলৈ। অৱশ্যে সিমান ওপৰলৈ নুঠা হলেও হ'ল-হেঁতেন। কিন্তু প্ৰতিৰোধক জয় কৰাৰ বাসনাই তাক টানি নিছিল ওপৰৰ পৰা আৰু ওপৰলৈ। শেষ শিখৰলৈ।

ওপৰলৈ উঠি গ'ল ৰণ্ট্‌জেন। তলত বৈ থাকিল ৰোজী। তাক জোঁকাবলৈ তাই কৈ উঠিলঃ তুমি বিচৰা ফুলৰ গছ একেবাৰে শিখৰতহে পাবা কিজানি।

আইৰনি।

সেই আইৰনি ৰণ্ট্‌জেনে বুজি পোৱা নাছিল। ৰোজীৰ ধেমালি-টোকে সি সঁচা বুলি ভাবিছিল। মনটোক অস্ফুত সুৰত কৈছিলঃ পাবন্তো পাৰোঁ। সঁচাকৈয়ে যদি পাই যাওঁ।

এটা অদম্য প্ৰেৰণা। তাৰ মনৰ ধাৰণাই যোগাইছিল পাহাৰ বগাই একেবাৰে শিখৰলৈ উঠাৰ এটা দুৰ্ব্বাৰ হেঁপাহ।

বেলি ভেতিয়া লেহিয়াইছে। সূৰ্য্যৰ বেঁকা পোহৰৰ ৰেখাবোৰ

পাহাৰৰ চূড়াবোৰত চঞ্চল হৈ কঁপিছে। বেলি ডুবাৰ ভালেমান আগৰে পৰা পাহাৰৰ মাজত এন্ধাৰ নামি আহে। সন্ধিয়াৰ এন্ধাৰ-বোৰ চুপি চুপি আগবাঢ়ি অহা যেন লাগে। যেন চুচুক-চামাক কৰা ন-কইনা।

অকলে অকলে ঘূৰি ৰোজীৰ আমনি লাগিল। প্ৰায় তিনি ঘণ্টা সময় তাই অকলে ঘূৰি ফুৰিছে। ৰণ্ট্জেন যিমান ওপৰলৈ উঠিছে—নামি আহোঁতে আৰু কেবা ঘণ্টাও লাগিব। ৰণ্ট্জেনটোৰ ওপৰত তাইৰ খং উঠিল। হ'ল বুলিনো ইমান বেলি কৰিব লাগেনে?

তাই কেবাবাৰো চিঞৰি মাতিলে। বেগাই নামি আহিবলৈ ক'লে। কিন্তু ৰণ্ট্জেনৰ কোনো সঁহাৰি নাই। তাইৰ চিঞৰ সি শুনিছিল নে নাই তাই নাজানে।

কিবা এটাত লাগিলে ৰণ্ট্জেন লাগিয়েই থাকে। দুখ-ভাগৰ, ভোক-পিয়াহ নতুবা আমনিৰ কথা সি তেতিয়া পাহৰি যায়। ৰণ্ট্জেনে চাগে ওপৰত কিবা নতুন উদ্ভিদৰ সন্ধান পাইছে। নহলে ইমান পলম কৰিব কিয়?

তাই ভাবিলে।

ৰোজীৰ ভোক লাগিছিল।

কিন্তু অকলে খাবলৈ তাইৰ ভাল নালাগিল। দুপৰীয়াৰ খোৱাৰ সময় কেতিয়াবাই পাৰ হৈ গৈছে। তদুপৰি খোৱা বস্তুবোৰ জীপত থৈ আহিল। সেইবোৰ আনিবলৈ হলে ভালেখিনি পথ উভতি যাব লাগিব। জীপৰ পৰা নামি আহিবৰ সময়ত লাঞ্চ পেকেট ভৰোৱা মোনাখন সিহঁতে ইচ্ছা কৰিয়েই জীপত এৰি থৈ আহিছিল।

দুয়োখন পাহাৰৰ মাজৰ এডোখৰ এঢলীয়া ঠাই। সেমেকা। ঠাইডোখৰ আপেক্ষিকভাৱে আন্ধাৰ। পোহৰ পৰিছে যদিও ৰ'দ পৰা নাই। পশ্চিমৰ পাহাৰখনে সূৰ্য্য-ৰেখা ঢাকি ধৰিছে। দুপৰীয়াৰ অকণমান সময়ৰ বাহিৰে দিনটোৰ সৰহখিনি সময় ঠাইডোখৰত ৰ'দ নপৰেই হবলা। নহলে ইমান সেমেকা নহ'লহেঁতেন। পূব আৰু

পশ্চিমৰ পাহাৰ দুখনৰ ছাঁই পুৱা-গধূলি ঠাইডোখৰ আৱৰি ৰাখে। চেঁচুকা ঠাইডোখৰ যথেষ্ট চেঁচা।

কেৱা একৰো মাটিৰ এটুকুৰা মুকলি ঠাই। গছ-গছনি নতুবা লতা-পাতৰ জাবৰণি নাই। ৰোজীৰ চকুত পৰিল এডৰা ফুলি থকা সৰিয়হনি। ফুলবোৰ ফুলি ঠাইখন ধুনীয়া হৈ পৰিছে। দূৰৰ পৰা দেখিলে অনুমান হয়—সেইডৰা যেন সৰিয়হনি নহয়। বহলকৈ পাৰি থোৱা এখন হালধীয়া কাৰ্পেট।

ৰোজী আগবাঢ়ি গ'ল।

ওচৰত নিশ্চয় কোনোবা মানুহৰ বসতি আছে। হয়তোবা পাহাৰ-খনৰ সিটো পাৰে আছে এখন গাওঁ। জনজাতিৰ বসতি। নহলে ইয়াত খেতি কৰিবহি কোনে? কিন্তু পাহাৰত বাস কৰা লোকে জানো সৰিয়হৰ খেতি কৰে? ওচৰত তেনে কোনো ঘৰ-দুৱাৰোচোন সিহঁতৰ চকুত পৰা নাই।

এখোজ দুখোজকৈ আগবাঢ়ি যোৱা ৰোজী অকস্মাতে চমকি উঠিল। হে ভগবান! এয়া তাই কি দেখিছে? তাই যেন থিয় হৈ থকাৰ শক্তি হেৰুৱাই পেলালে। ঢলি পৰিব। মূৰ্ছিতা হৈ যাব। উত্তেজনাত ফাটি যাব সমগ্ৰ দেহৰ প্ৰত্যেকডাল শিৰা-উপশিৰা। চকুৰে ধোঁৱা-কোৱা দেখা ৰোজীয়ে আশ্ৰয় বিচাৰি হাত দুখনেৰে চাৰিওফালে কিবা এটা খেপিয়ালে। কিন্তু ক'তো একো নাই।

তাই চিঞৰি উঠিলঃ ৰ-ণ্ট-জে-ন।

সেই চিঞৰটো পাহাৰৰ বুকুত ঠেকা খাই আকৌ উভতি আহি তাইৰ কাণত পৰিল।

ৰোজী তেতিয়া ৰোজী হৈ থকা নাই। উন্মাদিনী হৈ পৰিছে। পাগলীৰ দৰে গছবোৰ ফুলে সৈতে উঘালিছে। আৰু মাজে মাজে চিঞৰিছে ৰণ্টজেনক। কিন্তু আচল সংবাদটো তাক জনাবলৈ তাইৰ ভয় লাগিল। আনন্দৰ উত্তেজনাত তীব্ৰ গতিৰে নামি আহিব খুজি ৰণ্টজেনে যদি পাহাৰৰ ওপৰৰ পৰা তললৈ জঁপিয়াই দিয়ে? পোৱাৰ

আনন্দত অ'ত দিনৰ শ্ৰম সাৰ্থক হোৱাৰ উৎসাহত বিপদৰ কথা পাহৰি যায় ?

পালেংশাকৰ দৰে লহ্‌পহীয়া পাতৰ গছবোৰ ধুনীয়া। পাতবোৰ গাঢ় সেউজীয়া। ফুলবোৰ পাতল হালধীয়া। পপি ফুল যেন লগা ফুলবোৰ পপি নতুবা সৰিয়হৰ ফুল নহয়। সিহঁতে কেইদিনমানৰ পৰা বলিয়াৰ দৰে বিচাৰি ফুৰা বহু আকাঙ্খিত বনৌষধি ; উদ্ভিদ।

গছবোৰত ফুলতকৈও গুটি ধৰিছিল সৰহ। ফুল ফুলাৰ বতৰ যেন কেতিয়াবাই পাৰ হৈ গ'ল। ফুলি থকা ফুলবোৰ শেহতীয়া। নমুলীয়া।

ধুনীয়া ফুলবোৰৰ গুটিবোৰ কিন্তু ধুনীয়া নহয়। তাই ভবাব দুৰে লাইশাক নতুবা সৰিয়হৰ নিচিন ঘৃৰণীয়া নহয়। সক পোক এটাৰ দৰে ঘোৰ খোৱা। ক'লা। ঘিণ লগা।

ৰোজীৰ চিএগৰত লৰালৰিকৈ ৰণ্ট্‌জেন তললৈ নামি আহিছিল। সি ভাবিছিল ৰোজী হয়তো কিবা বিপদৰ সন্মুখীন হৈছে। নহলে চিএগৰটো তেনেকুৱা অস্বাভাৱিক হব কিয় ?

বেলি ডুবিবলৈ তেতিয়া সৰহ সময় নাছিল। পাহাৰৰ বুকুলৈ নামি আহিছিল পাতল এন্ধাৰ।

কিন্তু ৰোজী ক'ত ? ৰোজী ?

সি তাইক চিএগৰি মাতিছিল। তাইৰ অৱস্থিতিৰ উমান লৈছিল। আৰু সেই সময়তে ৰোজীয়ে বিচাৰি ফুৰিছিল এটা প্ৰশ্নৰ উত্তৰ : এইবোৰ সিহঁতে বিচাৰি ফুৰা উদ্ভিদ নে আফু গছ ? আফু গছৰ গুটি আৰু ফুল ? আফু খেতি আইন বিৰোধী। সেই কাৰণে কোনোবাই ইয়াত লুকাই চুৰকৈ খেতি কৰিছেহি।

আফু গছ ৰোজীয়ে চিনি নাপায়।

ৰণ্ট্‌জেনে আকৌ চিএগৰি মাতিলে : ৰো-জী।

পাহাৰৰ বুকুত প্ৰতিধ্বনিত হ'ল অবিকল এটা শব্দ : ৰো-জী।

॥ আঠ ॥

উত্তেজনা, উৎকণ্ঠা আৰু বিশ্বাস—অবিশ্বাসত দোদুল্যমান অস্থিৰ মন। এটা উদ্বিগ্ন উজাগৰী নিশাৰ ক্লান্তিৰ পিচত ৰণ্ট্জেনে সিদিনাৰ দিনটোৰ কৰ্ত্তব্য স্থিৰ কৰি লব পৰা নাছিল। আগদিনাখন সন্ধিয়াৰ আগে আগে জীপত ভৰাই আনিছিল এদ'ম ফুলৰ গছ। তাৰ পিচত ফল, গুটি আৰু গছ:বাবৰ পৃথক পৃথক কেমিকেল প্ৰডাক্ট প্ৰস্তুত কৰি সিহঁত যেতিয়া ৰসায়নাগাৰৰ পৰা বাহিৰলৈ ওলাই আহিছিল বাহিৰত তেতিয়া পিচ দিনা ৰাতিপুৱাৰ ৰ'দ ওলাইছে।

: এতিয়া পিচে কি কৰিব ফুল আনিবলৈ যাবা নে··· ?

বাক্যটো পূৰাই কৰলৈ ৰোজীয়ে ভাষা বিচাৰি নাপালে। টোষ্ট এডোখৰত মাখন সানি ৰোজী বৈ গৈছিল। ৰণ্ট্জেনেও লগে লগে কোনো উত্তৰ দিব নোৱাৰিলে। কণী এডোখৰ মুখত ভৰাই চোবাই আছিল।

: ভাবিছোঁ।

: কি ?

তাৰ পিচত কিছু সময়ৰ নীৰৱতা। কাৰো মুখত মাত নাই। ব্ৰেকফাষ্ট খোৱাত দুয়োজনেই ব্যস্ত। । কিন্তু খোৱাত কাৰো সিমান আগ্ৰহ নাছিল। নাখালেই যেন নহয়; গিৰিহঁতে বেয়া পাব—তেনে এটা ভাব।

: এক্সপেৰিমেণ্ট নকৰাকৈ সংগ্ৰহ কৰিবলৈ জানো কিবা লাভ হ'ব ?

বোজীয়ে নামাতিলে। হাতৰ চামুচখনেৰে সম্মুখৰ ডিচখনত এনেয়ে কিবাকিবি আঁকিবলৈ যেন যত্ন কৰিলে।

: এক্সপেৰিমেণ্টৰ পিচত এইবোৰ যদি কোনো কামত নাহে ?

: কিন্তু যদি চাক্‌চেচ্‌ফুল হয় ?

: আকৌ সংগ্ৰহ কৰিম।

: তেতিয়ালৈকে গছবোৰ জানো থাকিব ?

: নাথাকিব কিয় ?

: ৰণ্ট্‌জেনে বোজীলৈ চাই সুধিছিল। চকুত মৰম কোমল দৃষ্টি। সি যেন তাইৰ মুখমণ্ডলত কিবা এটা বিচাৰিছে। সেই দৃষ্টিৰ তীব্ৰতা সহ্য কৰিব নোৱাৰি লাজত তাই তলমূৰ কৰিলে। বোজীৰ ধাৰণা : ৰণ্ট্‌জেন হয়তো ইতিমধ্যে তাইৰ প্ৰতি দুৰ্ব্বল হৈ পৰিছে।

আৰু ৰণ্ট্‌জেন ?

ৰণ্ট্‌জেনে পৰীক্ষা কৰিছিল তাইৰ গালত নতুনকৈ আৰু শাল-মইনা এটামান ওলাইছে নেকি ?

উঁহো নাই। নাই ওলোৱা।

তাৰ মনটো গধুৰ হৈ পৰিল। তাইৰ গালত আৰু এটা শাল-মইনা ওলোৱাৰ খুউব প্ৰয়োজন আছিল। কিন্তু নোলাল। ওলোৱা নাই। নতুনকৈ আৰু এটা শালমইনা নোলোৱাটো যেন তাইৰহে দোষ। পেটে পেটে তাইলৈ তাৰ খং উঠিল। যি সময়ত প্ৰয়োজন সেই সময়তে শালমইনা এটা ওলাব নেলাগে নে ? নোলাব কিয় ? যেন ইচ্ছা কৰিলেই শালমইনা এটাৰ জন্ম দিব পাৰি। বোজীয়েহে শালমইনা এটা ওলোৱাত বাধা দিছে।

অকল বোজীয়ে নহয়। তাই হতাশ কৰাৰ পিচত কাম কৰা প্ৰত্যেকজন মালী, চাকিদাৰ, ৰান্ধনি আৰু লাচনি-পাচনিকে সি পৰীক্ষা কৰিলে।

ওঁহো। কাৰো গালত শালমইনা নাই। গাত ক'তো টেমুনা নাই। প্ৰত্যেকেই যেন তাৰ লগত অসহযোগ কৰিব খুজিছে।

মানৱদেহৰ বিভিন্ন কোষ জীয়াই ৰখা ৰিফ্ৰিজেৰেটাৰটোৰ ওচৰলৈ সি উঠি গ'ল। চেলৰ পটবোৰ উলিয়াই আনিলে। অবাৰিতভাৱে আৰম্ভ হ'ল মানৱ দেহৰ স্বাভাৱিক আৰু বিভিন্ন ৰোগৰ চেলবোৰৰ ওপৰত বিভিন্ন পৰীক্ষা। নতুনকৈ প্ৰস্তুত কৰা কেমিকেল প্ৰডাক্টৰ ব্যৱহাৰ।

পৰীক্ষা, পৰীক্ষা আৰু পৰীক্ষা।

ধৈৰ্য্য, ধৈৰ্য্য আৰু ধৈৰ্য্য।

জিৰণি নাই; বিশ্ৰাম নাই। কেৱল পৰীক্ষা, নীৰক্ষণ আৰু ধৈৰ্য্য।

এফালে আশা আৰু আনফালে আশা ভঙ্গৰ আশঙ্কা। বিজয়ৰ গৌৰৱ আৰু পৰাজয়ৰ গ্লানি। দোমোজ্ৰাত মন অস্থিৰ; উদ্‌বিগ্ন। ইমান দিনে—নহয় ইমান বছৰে—কেৱল পৰীক্ষাই কৰি আহিছে। হতাশ হৈছে। কিন্তু কোনো দিনেইতো আশাৰ ৰেঙনি দেখা নাপালে। পৰীক্ষা সফল নহ'ল। লাভৰ ভিতৰত মাথোন বৃথা শ্ৰম আৰু অৰ্থব্যয়। শক্তিৰ অপচয়। সময়ৰ অপব্যৱহাৰ।

উৰা।

এটা অদ্ভুত কণ্ঠস্বৰ। সি যেন নিজৰ মাতটোকে বুজিব নোৱাৰিলে। আন কাৰোবাৰ মাত যেন লাগিল।

এয়া সি কি দেখিছে?

তাৰ দৃষ্টিভ্ৰম হ'ল নেকি? নে প্লাণ্ট প্ৰডাক্টৰ এক্‌চন?

ৰণ্ট্‌জেন স্তম্ভিত হৈ পৰিল। বুকুৰ মাজত যেন কোনোবাই হাতুৰিৰেহে কোবাইছে। এটা অসহনীয় উদবিগ্নতা। ধৈৰ্য্য ধৰিব নোৱাৰা অস্থিৰতা।

কিন্তু এয়া জানো সঁচা!

আকৌ পৰীক্ষা। অণুবীক্ষণ যন্ত্ৰ। কন্‌কেভ আৰু কনভেক্স। সঙ্কুচিত দায়াফাৰ্ম্ম। নতুন কোষবোৰৰ ওপৰত নতুন নতুন পৰীক্ষা।

নৰ্ম্মেল চেলবোৰ মৰি গ'ল কিয়? কেন্সাৰ চেলবোৰ ইনাৰ্ট হৈ পৰিছে।

আশা, আশা আৰু আশা। শ্বাসৰোধ কৰা উত্তেজনা।

কিন্তু ৰণ্ট্‌জেনেতো এয়া বিচৰা নাছিল। যি বিচাৰিছিল এয়া যে তাৰ সম্পূৰ্ণ বিপৰীত। নৰ্ম্মেল চেলবোৰ! নাই নাই, যি কোনো উপায়ে নৰ্ম্মেল চেলবোৰ জীয়াই ৰাখিবই লাগিব। নৰ্ম্মেল চেল সজীৱ কৰি ৰাখিব নোৱাৰিলে কেন্সাৰ চেল ইনাৰ্ট কৰাৰ কোনো অৰ্থ নাই। নৰ্ম্মেল চেলবোৰ যদি মৰি যায়, তেন্তে কেন্সাৰ চেল ইনাৰ্ট কৰি লাভ কি?

সফল নহলেও ৰণ্ট্‌জেন হতাশ নহ'ল। বিপৰীতধৰ্ম্মী হলেও তাৰ পৰিশ্ৰম সাৰ্থক হৈছে। অন্ততঃ গৱেষণা কৰিবলৈ কিবা এটা সূত্ৰ পাইছে।

সূত্ৰ এটা ওলাল। ইয়াৰ ওপৰতে আৰম্ভ হব নতুন পৰীক্ষা: গৱেষণা। নতুন অভিযান। ন ন এক্সপেৰিমেণ্ট।

ৰোজীৰ গালৰ শালমইনাটো তল পৰি যোৱাৰ কাৰণটো তাৰ কাৰণে তেতিয়া সুস্পষ্ট।

তাৰ পিচত আৰম্ভ হ'ল এটাৰ পিচত আন এটা পৰীক্ষা। বিভিন্ন এক্সপেৰিমেণ্ট। ইন্‌জেকশ্যন, জীৱকোষ, শহাপহু আৰু এন্দুৰ। চাইটোপ্লাজম, কলেষ্টাৰল, নিউক্লিয়াচ আৰু এপ্লিকেশ্যন অৱ নিউলি ফাউণ্ড কেমিকেল প্ৰডাক্ট।

দিন বাগৰি গ'ল।

মাহ উকলিল।

হঠাতে এদিন সাৰ্থক হ'ল স্বপ্ন। সাৰ্থক হ'ল বহুদিনৰ সাধনা।

নতুন পৰীক্ষা আৰু নতুন ফৰ্ম্মুলা।

নৰ্ম্মেল চেলবোৰৰ কোনো ব্যাঘাত ঘটা নাই। কিন্তু কেন্সাৰ চেলৰ নিউক্লিয়াচবোৰ যেন একেদৰে বৈ গৈছে। ইনাৰ্ট হৈ পৰিছে। কেন্সাৰ চেলৰ চাৰিওফালৰ কলেষ্টাৰলৰ ওপৰত পৰিছে এটা ডাঠ

চামনি। নিউক্লিয়াচবোৰ ভাঙি কেন্সাৰ চেলৰ সংখ্যা বৃদ্ধি হব পৰা নাই। সীমিত ঠাইখিনিত কেন্সাৰ চেলবোৰ সঙ্কুচিত হৈ পৰিছে।

এইবাৰ শহাপহু নতুবা এন্দুৰ নহয়। বান্দৰ। বান্দৰৰ ওপৰত আৰম্ভ কৰিব লাগিব নতুন এক্সপেৰিমেণ্ট।

আশাৰ ৰেঙনীয়ে ৰণ্ট্জেনৰ মনৰ আকাশ ৰঙাই তুলিলে। কেইদিনমান আগৰ ধুঁৱলা-কুঁৱলী-মন আকাশখন এতিয়া তাৰ যথেষ্ট ফৰকাল।

সেই সময়তে জন ককৰ কেবেলখন আহি তাৰ হাতত পৰিল: টু জিৰো থ্ৰি জিৰো ষ্টপ কালেক্ট ষ্টক চেণ্ড ম'ৰ।

টু জিৰো থ্ৰি জিৰো?

কিন্তু এয়াতো টু জিৰো থ্ৰি জিৰো নহয়। টু জিৰো থ্ৰি চেভেন।

ৰণ্ট্জেন বিভ্ৰান্ত হৈ পৰিল।

টু জিৰো থ্ৰি জিৰো নে টু জিৰো থ্ৰি চেভেন?

ইমান ডাঙৰ ভুল কেনেকৈ হ'ল? টু জিৰো থ্ৰি জিৰো পৰীক্ষা কৰি সিচোন একোকে নাপালে। অথচ জন ককে পাইছে। যথেষ্ট পৰিমাণে ষ্টক সংগ্ৰহ কৰি সৰহকৈ চ্যাম্পুল পঠিয়াবলৈ কৈছে।

টু জিৰো থ্ৰি জিৰোত অৱশ্যে চৰ্ম্মৰোগৰ ঔষধ প্ৰস্তুত কৰাৰ চাবচ্টেঞ্চ আছে। তেনেহলে জন ককে সেই চ্যাম্পুলত নিশ্চয় কিহবাৰ সন্ধান পাইছে। সিহঁতে যি বিচাৰিছিল—যাৰ কাৰণে এই গৱেষণা—সেই সাধনাৰ, সেই গৱেষণাৰ পুৰস্কাৰ। নিয়তিক পৰাজিত কৰাৰ হাতিয়াৰ। বিজ্ঞানৰ জয়-যাত্ৰাৰ অমোঘ অস্ত্ৰ?

সি আকৌ উভতি গ'ল। আৰম্ভ হ'ল একেবাহে দুটা বিভিন্ন প্ৰডাক্টৰ পৰীক্ষা এক্সপেৰিমেণ্ট।

টু জিৰো থ্ৰি জিৰো আৰু টু জিৰো থ্ৰি চেভেন।

ব্যস্ত দিনবোৰৰ গতি বৰ ক্ষিপ্ৰ। চঞ্চল। কেনেদৰে পাৰ হৈ যায় গম ধৰিব নোৱাৰি। ৰণ্ট্জেনেও নোৱাৰিলে। জন ককৰ

কেবলখন পোৱাৰ পিচত এটা পষেক কেনি সৰকি গ'ল গমেই নাপালে।

পোন্ধৰ দিনৰ পিচত। দ্বিতীয় কেবেলখন আহি তাৰ হাতত পৰিল। জন ককে লিখিছে: ৰিগ্ৰেটেড। নট টু জিৰো থ্ৰি জিৰো বাট টু জিৰো থ্ৰি চেভেন ষ্টপ ৰিজাল্ট ফলোজ।

কেবলখন পঢ়ি আনন্দত ৰণ্ট্জেনে চিঞৰি উঠিল: লং লিভ মিঃ কক।

হেমন্তৰ হিমে ধোৱা পাহাৰ।

চাৰিওফালে কেৱল বৰফ, বৰফ আৰু বৰফ। প্ৰচণ্ড শীত। হাড় কঁপোৱা জাৰ। তথাপি সিহঁত ৰাতিপুৱাই ওলাই যাব। যিমান পাৰে সংগ্ৰহ কৰিব। এদিনতে সিহঁতে আটাইবোৰ কঢ়িয়াব পাৰিব নে? তিনিবাৰমান অহা-যোৱা কৰিব নোৱাৰিব জানো? অৱশ্যে ট্ৰেইলাৰ নথকা হলেতো কথাই নাছিল। কিন্তু ট্ৰেইলাৰ নিলিলে কঢ়িয়াব ক'ত? জীপত কিমানখিনি জুৰিব? গছবোৰ উঘালিবলৈ আৰু দুজনমানক লগত লৈ যাব নেকি? নহলে আটাইবোৰ গছ সিহঁতে এদিনতে উঘালিব পাৰিলেও কঢ়িয়াবলৈ সময় নহব।

তিনি জীপতকৈ সৰহ নহয়। কিন্তু সেইখিনিৰে কি হব? সিহঁতক যে এক্সপেৰিমেণ্ট ষ্টেজতে আৰু বহুত বেছি লাগে। জন ককে লিখিছে: আৰু সংগ্ৰহ কৰা; কেমিকেল প্ৰডাক্ট সৰহকৈ পঠোৱা।

জন ককলৈ সৰহকৈ পঠিয়াব লাগে। তাকো সৰহকৈ লাগে।

গছ আৰু ফুলবোৰ কোনো কামত নাহে। গুটিবোৰ চেপি উলিওৱা তেলখিনিহে সিহঁতৰ প্ৰয়োজনীয়। পৰিশোধন কৰাৰ পিচত কেঁচা তেলৰ আধাখিনি এনেয়ে নষ্ট হৈ যায়। কোনো কামত নাহে। ৰিফাইন প্ৰজাক্টখিনি ড্ৰাগলৈ ৰূপান্তৰ কৰোঁতে পৰিমাণ আৰু কমে। এক কুইণ্টল গুটিৰ পৰা মাত্ৰ কেইহাজাৰমান চি. চি. ড্ৰাগহে প্ৰস্তুত হয়।

সিহঁতে দেখি অহা গছবোৰৰ পৰা এক কুইণ্টলমান গুটিও সংগ্ৰহ কৰিব নোৱাৰিব কিজানি।

: মোৰ সন্দেহ হৈছে।

: কি ?

: গছবোৰ জানো আছে ? সংগ্ৰহ কৰিবলৈ পামগৈ জানো ?

: নাপাম কেলেই ?

: বৰফ দেখিছা ?

: বো—জী।

আতঙ্ক-বিহ্বল চিএৰ এটা মাৰি অদ্ভুত দৃষ্টিৰে ৰণ্ট্জেনে তাইলৈ চাই ৰ'ল। সাপে খোটা মানুহৰ দৰে চকু-মুখ ক'লা পৰি গ'ল কাৰণ সিও জানে: তুষাৰপাতত সৰু সৰু গছ-গছনিবোৰ মৰি যায় ঘাঁহ-বনবোৰ বৰফৰ তলত চেপা খাই পৰে।

এটা উজাগৰী উদ্‌বিগ্ন নিশা। নেষায়; দীঘল। অসহনীয় উদ্‌বিগ্ন মনৰ হেজাৰ চট্‌ফটনি। অদমনীয় অস্থিৰতা।

তথাপি সময় যায়। ৰাতি পুৱায়। শেষ নিশাৰ পাতল এন্ধাৰে উমনি দিয়ে এটা নতুন দিনৰ; সমুজ্জ্বল ৰাতিপুৱাৰ।

ৰণ্ট্জেন অধৈৰ্য্য হৈ পৰিছিল। ৰাতিপুৱাটো সমুজ্জ্বল নাছিল। কুঁৱলী-ঢকা। ধূসৰ।

সাজি-পাৰি ওলাবলৈ বোজীৰ আজি ইমান সময় লাগিছে নে ? আৱশ্যকতকৈ যেন বহুত বেছি সময়। আনকালেতো ইমান সময় নালাগে।

: ৰ-বা না। ৰ'দ উঠক। বৰফ সেমেকা বাট। অপ্ৰশস্ত; বিপদসঙ্কুল।

অৰ্থাৎ: তুমি বৰ বেছি খৰখেদা কৰিছা। এয়া ৰাতিপুৱাইছেহে এথোন। লাহে-ধীৰে গলেও হব।

বোজীৰ কথাত তেনে এটা ভাব।

ৰাতিপুৱা আঠ বাজিছিল।

চাৰিওফালে বৰফৰ আৱৰণ। সন্মুখত ডাঠ কুঁৱলী। সেই কুঁৱলীৰ মাজত সিহঁতে ভুল দেখিছে নেকি? নে এইডোখৰ ঠাই নহয়েই?

দুখন পাহাৰৰ সঙ্গমস্থলৰ এডোখৰ সমতল ভূমি। নহয়; শৱদেহ। বহল বগা কাপোৰ এখনেৰে ঢাকি থৈছে।

গছৰ পাতত সৰি পৰা বৰফৰ কণিকাবোৰে সিহঁতক তিয়াই পেলাইছে। জাৰত ভালুক কঁপাৰ দৰে কঁপিছে। কিন্তু ৰণ্ট্জেনৰ তালৈ ভ্ৰূক্ষেপ নাই।

ৰণ্ট্জেনে যেন কান্দি দিব।

: বৰফত ঢাক খাই সৰু সৰু উদ্ভিদবোৰ মৰি যাব বুলি মই আগতেই জানিছিলোঁ। ৰণ্ট্জেন।—

ৰণ্ট্জেনৰ মুখত তেতিয়া ভাষা নাছিল। নিৰ্ব্বাক; নিষ্পন্দ। যেন কোনো কালেই কথা কব নজনা এজন বোবা মানুহ।

বিস্মিত ৰণ্ট্জেন একেৰাহে ভালেমান সময় তেনেদৰে ৰৈ থাকিল। বিষণ্ণ চকু দুটাত এটা অবুজ প্ৰশ্ন। দুৰ্বোধ্য।

পিচলি যোৱা সময়বোৰে দুপৰীয়াৰ ৰ'দজাকক হাতবাউল দি মাতিছিল। ৰ'দ ওলাইছিল। বৰফবোৰ গলি গলি শেষ হৈছিল। শ ঢকা বগা কপোৰখন যেন কৰোবাৰ অদৃশ্য হাতে আঁতৰাই নিলে।

বেলি তেতিয়া দুপৰ।

কিন্তু হতবাক ৰণ্ট্জেনে তেতিয়াও ভাষা বিচাৰি পোৱা নাই। উন্মাদৰ দৰে ঠাইডোখৰত ঘূৰি ফুৰিছে। ৰোজীক এৰাই ফুৰিবলৈ যত্ন কৰিছে। মাটিলৈ নিৰিখি চাই কিবা বুটলিছে।

উদ্ভিদবোৰ বৰফত মৰা নাই। বৰফ পৰিবলৈ আৰম্ভ কৰাৰ আগতেই কোনোবাই জুই জ্বলাই পুৰি পেলাইছে। চাৰিওফালে বনজুয়ে পোৰাৰ চিন। কিছুমান ক'লা ছাই। জুয়ে পোৰা উদ্ভিদ। সমগ্ৰ অঞ্চলটোত কেৱল ছাই আৰু এঙাৰ।

ৰণ্ট্জেনে বুজিছিল: চিৰদিনৰ কাৰণে সিহঁতে হেৰুৱাই পেলালে

বহু দিনৰ আকাঙ্খিত সেই উদ্ভিদ। ফুলবোৰ হেৰাই গ'ল। বীজবোৰ পুৰি ছাই হ'ল। তাৰ পিচত নকৈ গছ গজাৰ কোনো সম্ভাৱনা নাই। বছৰৰ পিচত বছৰ অপেক্ষা কৰিলেও সেই ঠাইত সিহঁতৰ বহু আকাঙ্খিত ফুলবোৰ আৰু স্বাভাৱিকভাৱে নগজে।.

নিজৰ মূৰ্খামিৰ কাৰণে নিজৰ গালতে চৰিয়াবলৈ তাৰ মন গ'ল। অনুশোচনাত মন ভৰি পৰিল। ৰোজীয়ে তেতিয়াই সকিয়াই দিছিল: তেতিয়ালৈকে জানো গছবোৰ থাকিব?

ঃ নাথাকিব কিয়?

বুৰ্ব্বক! পাইছ মজাটো এতিয়া। এইকণ বুদ্ধিও তোৰ নাই।

অস্ফুট সুৰত নিজকে সি গালি পাৰিলে। ইচ্ছা হৈছিল— নাক-মুখবোৰ ঘুচিয়াই যেন ভাঙি পেলাব। মূৰৰ চুলিবোৰ টানি আজুৰি আনিব।

কিন্তু কোনে পুৰিলে? আৰু কিয়?

জনবসতিৰ পৰা বহুদূৰৰ এই ঠাইডোখৰত জুই দিবলৈ ইয়ালৈ কোন আহিছিল? কিয় আহিছিল। সমতল ঠাই টুকুৰাৰ বাহিৰে আন ক'তো চোন জুয়ে পোৱাৰ চিন নাই। একেদৰেই আছে। অৱশ্যে বৰফ পৰি পাহাৰৰ হাবি-বনবোৰ মৰহি গৈছে। লতা-পাতবোৰ শুকাই ক'লা হৈ পৰিছে।

সৌটোচোন ভালুক। সিহঁতৰ পিনেই আগবাঢ়ি আহিছে। ভালুকটোৰ ওচৰলৈ সি যেন আগবাঢ়ি যাব। ডিঙি পাতি দি কব: তই মোক খাই পেলা। মই এটা মহা বুৰ্ব্বক; মূৰ্খ। মানুহ নামৰ অযোগ্য। মোৰ মূৰ্খামিৰ কাৰণে বিশ্বমানৱে মোক কেতিয়াও ক্ষমা নকৰে। এই লজ্জিত মুখখন লৈ মানুহৰ মাজলৈ মই উভতি যাব নোৱাৰোঁ। যোৱাৰ সাহস নাই।

আগবাঢ়ি যাব খোজা ৰণ্ট্জেন কিন্তু আগুৱাই যাব নোৱাৰিলে। পিচুৱাই আহি ৰোজীৰ ওচৰত থিয় হ'ল। মৃত্যুত তাৰ আজি কোনো খেদ নাই।

কিন্তু ৰোজী?

ৰোজীক সি যে বচাবই লাগিব। তাক সহায় কৰিবলৈ অহা এজনী নিৰপৰাধীনী গাভৰুক মৃত্যুমুখলৈ সি কোনোমতেই ঠেলি দিব নোৱাৰে।

ভালুকটোৰ কথা সি দূৰৰ পৰাই ৰোজীক চিঞৰি কব নেকি? আগতীয়াকৈ ৰোজীয়ে সাৱধান হব পাৰিব। কিন্তু যদি ভয় খায়?

উধাতু খাই লৰি অহা ৰণ্ট্জেনে তাইক টানি লৈ আঁতৰি যাব খুজিছিল। ৰোজীয়ে সুধিব খজিছিল: কি হ'ল ৰণ্ট্জেন? এনেদৰে উধাতু খাই লৰি আহিছা কেলেই?

কিন্তু নুসুধিলে। সন্মুখলৈ আঙুলিয়াই সুধিছিল আন এটা প্ৰশ্ন: সেই মানুহজনে কি বিচাৰিছে ৰণ্ট্জেন?

মানুহ?

অবিশ্বাসত তাৰ চকু দুটা বিস্ফোৰিত হৈ পৰিল। মানুহ নে ভালুক? ৰোজীয়ে আঙুলিয়াই দেখুওৱা বিন্দুটোলৈ সি উভতি চালে।

ভালুক নহয়। মানুহ।

মানুহজনে সিহঁতকে লক্ষ্য কৰি আগুৱাই আহিছে। পাহাৰৰ মাজৰ এই নিৰ্জন অৰণ্যলৈ মানুহ আহিল ক'ৰ পৰা?

: চেলাম চাব। মই জানো, আপোনালোক আহিবই।

: তাৰ মানে—তাৰ মানে···।

: মই সকলো জানো চাব। তুষাৰ পাত বন্ধ হোৱাৰ কেইদিনমান পিচতহে পুলিবোৰ লহ্পহকৈ বাঢ়ি আহিব। জুন জুলাইত ফুলিব। তেতিয়া আহিব চাব।

আশ্চৰ্য্যত ৰোজী আৰু ৰণ্ট্জেন যেন শিল হৈ গ'ল।

: তুমি কেনেকৈ জানিলা আমি যে সেই ফুলবোৰ বিচাৰি আহিছোঁ?

: যীশুই কেতিয়াও ইমান অন্যায় সহ্য নকৰে চাব।

তাৰ পিচতো বহুত প্ৰশ্ন।

প্ৰশ্নবোৰ ৰণ্ট্জেনৰ। কিন্তু সুধিছিল ৰোজীয়ে।

কাৰণ : মানুহজনৰ কথাবোৰ ৰণ্ট্জেনৰ কাৰণে আছিল দুৰ্বোধ্য। একো বুজি পোৱা নাছিল। নিৰুপায় হৈ সি ৰোজীৰ মুখলৈ চালে। অৰ্থাৎ তুমি কিবা বুজি পাইছা নেকি ?

ৰোজীয়ে মূৰ দুপিয়ালে। মানে বুজি পাইছে। মানুহজনে কোৱা ভাষাটো তাই জানে।

সমস্যা সমাধান হ'ল। দোভাষী ৰোজীয়ে ৰণ্ট্জেনৰ প্ৰশ্নবোৰ মানুহজনক বুজাই দিলে।

মানুহজনৰ মনত আনন্দৰ সীমা নাইকীয়া হ'ল। মেম চাহাবে সিহঁতৰ মাত-কথা জানে। ভাষা বুজি পায়।

: এইবোৰ কোনে পুৰিলে ? প্ৰত্যেক বছৰে এনেদৰে জ্বলাই দিয়ে নেকি ? বনজুয়ে পোৱাৰ পিচত গুটিবোৰ আকৌ গজে নে ?

অৱশেষত আচল কথাটো ওলাই পৰিল। সিহঁতে বিচাৰি যোৱা উদ্ভিদৰ বিষয়ে মানুহজনে কোৱা নাছিল। কৈছিল আন এবিধ ফুলৰ কথা। কিন্তু মানুহজনেও ৰণ্ট্জেনহঁতে বিচাৰি যোৱা ফুলবোৰৰ সন্ধানতে ঘূৰি ফুৰিছিল। ফুল নহয়; গুটি। মানুহজনৰ কথাৰ পৰা সিহঁতে বুজিছিল :

ওচৰত কোনো জনবসতি নথকা বুলি ভবা পাহাৰখনৰ সিপাৰেই আছিল এখন গাওঁ। মানুহজন সেইখন গাৱঁতে থাকে। নাম লিজেণ্ড। গাহৰি আৰু কুকুৰা পোহে। বেজালি কৰি কেতিয়াবা ক'ৰবাত টকাটো সিকিটো পায়। বেজালিত টকা নাথাকিলেও সন্মান আছিল। ওচৰৰ দহ-বাৰখন গাৱঁৰ মানুহে লিজেণ্ডক সন্মান কৰে। কিন্তু জিৰিঙৰ সহ্য নহ'ল। জিৰিং মানে সিহঁতৰ গাৱঁৰে ধনী ব্যৱসায়ী। ধন থাকিলেই আজিকালি প্ৰতিপত্তিশালী হব পাৰি। ওচৰ-চুবুৰীয়াই সমীহ কৰি চলে। প্ৰতিপত্তিশালী লোকে প্ৰতিদ্বন্দী ভাল নাপায়। প্ৰতিদ্বন্দীক দুচকুৰে দেখিব নোৱাৰে।

সৰ্পশিলাৰ গুটিবোৰ ভালদৰে পুৰঠ, নৌহওঁতেই জিৰিঙে পুৰি পেলালে। কাৰণ : প্ৰতিহিংসা। জিৰিঙে জানে : সৰ্পশিলাৰ গুটিবোৰৰ ওপৰতেই তাৰ বেজালি।

সর্পশিলা মানে ৰণ্ট্‌জেনহঁতে বিচাৰি যোৱা উদ্ভিদবোৰক অধিবাসীবোৰে দিয়া নাম।

সর্পশিলা। স্নেক ৰ'ক।

তাৰো কাৰণ আছে।

জনজাতীয় লোকবোৰে ইউথে্‌নৰ পূজা কৰে। থে্‌ন মানে সিহঁতৰ ভাষাত সাপ। সাপপূজক। অধিবাসীসকলৰ বিশ্বাস: পুহিৰখা থে্‌নক মানুহৰ তেজেৰে সন্তুষ্ট কৰিব পাৰিলে গিৰিহতঁৰ ধন-সম্পদ বাঢ়ে। মান-যশ বৃদ্ধি হয়। থে্‌ন অসন্তুষ্ট হলে গিৰিহঁতৰ অন্যায় হয়। অপায়-অমঙ্গল ঘটে। ঘৰৰ মানুহ মৰে। বিপদ-বিঘিণীয়ে লগ দিয়েহি। নৰ-ৰক্ত যোগাব নোৱাৰা গিৰিহঁতে সর্পশিলাৰ মন্ত্রপুত তেলেৰে পুহিৰখা থে্‌নক সন্তুষ্ট কৰে। তেনে ব্যৱস্থাই গিৰিহঁতৰ ধন-সম্পদ বৃদ্ধি নকৰিলেও অপায়-অমঙ্গলৰ পৰা ঘৰখনে সকাহ পায়।

এয়া জন বিশ্বাস। ইয়াত বৈজ্ঞানিক যুক্তি অবান্তৰ।

যেতিয়াই তেতিয়াই যেনেতেনে দৰে সংগ্রহ কৰা সর্পশিলাৰ গুটিৰ তেলে গুণ নিদিয়ে হেনো। থে্‌নে নলয়। সাপ পূজাৰ আগদিনা সন্ধিয়া পুহি ৰখা থে্‌নটোক কুকুৰাৰ তেজেৰে ঢৌত কৰি গুটি সংগ্রহ কৰিলেহে দৰৱে গুণ দিয়ে।

জিৰিঙে সেই সুযোগটোকে ইমান দিনে বিচাৰি আছিল। সাপ পূজাৰ কেইদিনমান আগতেই মানুহ লগাই গোটেই হাবিখন পুৰি পেলালে। এইবাৰেই নহয়: ভৱিষ্যতলৈও যাতে তাৰ বেজালিৰ ওৰ পৰে সেই উদ্দেশ্যেৰে গছবোৰত জুই লগাই দিলে।

তুষাৰপাত বন্ধ হলেই সেই ঠাইডোখৰ চহাই জিৰিঙে আফু গুটি সিঁচিব। গছবোৰৰ পৰা আফিং প্রস্তুত কৰি ব্যৱসায় কৰিব। গোপন ব্যৱসায়। লাভজনক। আফু গছবোৰ জুন জুলাই মাহত ফুলে। আগষ্টৰ শেষৰ ফালে গছবোৰ সম্পূর্ণৰূপে পূৰঠ হয়। সৰহ পৰিমাণে ৰস ওলায়। তেতিয়াই আৰম্ভ হয় কানি সংগ্রহ।

এনেকুৱা নিৰ্জ্জন ঠাইলৈ কোনো চৰকাৰী বিষয়া নাহে। কিন্তু লিজেগুৰ বিশ্বাস: ৰজাক ফাঁকি দিব নোৱাৰি। ৰজাৰ মানুহ আহিবই। আজিকালি ৰজা নাই। চৰকাৰ আছে। অন্যায় লুকাই নাথাকে। জ্রিৰিং নিশ্চয় এদিন ধৰা পৰিব।

বেচেৰাৰ সৰল মনৰ সহজ বিশ্বাস।

: জানে চাব, এইবোৰ ফুল আৰু কেতিয়াও নগজে। বীজবোৰ পুৰি পেলাইছে। অৱশ্যে কিছু গুটি মই সংগ্ৰহ কৰিছিলোঁ। কিন্তু সেইবোৰ গুটিৰ পৰা গছ নগজে। খেতি কৰি সৰ্পশিলাৰ গজালি মেলাব নোৱাৰি।

সেইবোৰ সাপ পূজাৰ আগতে সংগ্ৰহ কৰা বীজ। সেইবোৰত এতিয়া আৰু কোনো দৰৱীয় গুণ নাই। লিজেগুৰ প্ৰয়োজনত নাহে। সাপপূজাৰ সময়ত সংগ্ৰহ কৰা বীজৰ লগত মিহলাই তেলৰ পৰিমাণ সৰহ কৰিবলৈ আগতীয়াকৈ সংগ্ৰহ কৰিছিল।

আক্ষেপত ৰণ্ট্জেনৰ মন ভৰি পৰিল। কিন্তু উপায় নাছিল। অৱশেষত লিজেগুৰ ঘৰৰ পৰা সৰ্পশিলাৰ গুটিখিনি লৈ ৰণ্ট্জেন আৰু ৰোজী ঘৰলৈ উভতি আহিল — হ কিলোমান গুটিৰ এটা টোপোলা।

মনৰ মাজত এটা ক্ষীণ আশা: জানোচা ফুলবোৰ আকৌ স্বাভাৱিক ভাবে গজি উঠে?

লিজেগুে কোৱা কথাষাৰ জানো সঁচা: সৰ্পশিলাৰ খেতি কৰি গজালি মেলাব নোৱাৰি।

তথাপি সি যত্ন কৰি চাব। খেতি কৰিব। গজালি নেমেলিব কিয়?

: এই গুটিখিনিৰ পৰা ফিনিচড্ প্ৰডাক্ট কিমান ওলাব ৰণ্ট্জেন?

: আটাইখিনি গুটি আমি খৰচ কৰিব নোৱাৰোঁ। খেতি কৰাৰ কাৰণেও কিছু বীজ হাতত ৰাখিব লাগিব।

ৰোজীয়ে একো নামাতিলে।

পশ্চিম আকাশত তেতিয়া সূৰ্য্য ডুবিছে।

॥ ন ॥

অসমৰ পৰা এজন ছাত্ৰ বিদেশলৈ গৈছিল।

সেয়া যষ্ঠ দশকৰ প্ৰথম বছৰৰ কথা।

মানুহে যেতিয়া সকলোবোৰ হেৰুৱাই পেলায় তেতিয়া আৰু নতুনকৈ কিবা হেৰুওৱাৰ ভয় নাথাকে। কিন্তু শেষ সম্পদটো ধৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে। যাতে হেৰাই নাযায় তাৰ বাবে প্ৰতি মুহূৰ্ত্ততে জাগ্ৰত প্ৰহৰীৰ দৰে সতৰ্ক হৈ ৰয়। তথাপিও যেতিয়া শেষ সম্পদটোও হেৰাই যায় তেতিয়া আৰু হেৰুওৱাৰ আশঙ্কাই মন অস্থিৰ কৰি তুলিব নোৱাৰে। নাথাকে হেৰুওৱাৰ আক্ষেপ আৰু বেদনা।

সকলো হেৰুওৱাৰ বেদনাত জৰ্জ্জৰিত মন অৱশেষত এদিন স্থিৰ হৈ পৰে। হেৰুওৱাৰ বেদনাই ৰূপ লয় আত্মতৃপ্তিৰ। সেই তৃপ্তি পাৰ্থিব বান্ধোন মুক্তিৰ তৃপ্তি; সাংসাৰিক জঞ্জালৰ পৰা নিষ্কৃতি পোৱাৰ আত্মপ্ৰসাদ।

ঋদিব ৰাজখোৱাৰো সেয়ে হৈছিল।

ৰাজখোৱাৰ কোনো অভাৱ নাছিল। অগাধ ধন-সম্পত্তি নহলেও প্ৰচুৰ সম্পত্তিৰ মালিক। বেঙ্কত সংখ্যা গধুৰ অঙ্কৰ সঞ্চয়। স্বাস্থ্যৱতী ৰূপহী পত্নী স্বপ্নৰেখাৰ অঙ্গে অঙ্গে শোভা। প্ৰাণচঞ্চল যৌৱনোচ্ছল। লাহী দেহ; মন ভুলোৱা হাঁহি। মন ৰাইজাই কৰা দেহশ্ৰী।

সকলো পায়ো তেওঁ যেন একো নাপালে। সকলোবোৰ হেৰাই গ'ল। হেৰাই গ'ল স্বপ্ন; শান্তি, তৃপ্তি আৰু জীয়াই থকাৰ স্পৃহা।

টকাৰ জনুজননিৰে সুখ হয়তো কিনিব পাৰি। কিন্তু মনৰ শান্তি কিনিব নোৱাৰি। ঘূৰাই আনিব নোৱাৰি হেৰাই যোৱা মধুৰ অতীত; আৰু চিৰদিনলৈ আঁতৰি যোৱা অতি আপোনজন।

চতুর্থ দশকৰ আৰম্ভণি।

বিশ্ব জুৰি দ্বিতীয় মহাসমৰৰ তেতিয়া তাণ্ডৱ নৃত্য। 'ভাৰত ত্যাগ' ধ্বনিত আ-সমুদ্ৰ হিমাচল কম্পিত। সাম্ৰাজ্যবাদী সিংহৰ ব্যৰ্থ নিনাদ; পৰাজয়ৰ আক্ৰোশ। সেই সময়তেই তেওঁলোকৰ মাজলৈ আহিব খুজিছিল এজন দেৱশিশু। বৰণৰ অপেক্ষাত দুৱাৰদলিত বৈ আছিলহি!

: অন্ততঃ তিনি শ চি. চি. যেনেতেনে লাগিবই।

: কিন্তু তেজ......। ঋদিব বাজখোৱাৰ মাত বন্ধ হৈ গৈছিল। হেৰাই গৈছিল ভাষা।

যুদ্ধত কম্পিত পৃথিৱী। গণ-আন্দোলনত উত্তেজিত সমগ্ৰ ভাৰতবৰ্ষ। যুদ্ধৰ বোমাৰ ভয়ত চহৰ জনশূন্য।

: টকা লোৱা। তেজ দিয়া। মাত্ৰ তিনি শ চি. চি.। এশ—দুশ? হেজাৰ—দুহেজাৰ? আৰু বেছি? মই প্ৰস্তুত। মোক তেজ লাগে। তেজ দিয়া। মাত্ৰ তিনি শ চি. চি. তেজ।

ওঁহো, তথাপি কোনো নাহিল। সকলো প্ৰচেষ্টা—অহোপুৰুষাৰ্থ অথলে গ'ল। তেজ দিয়া মানুহ নোলাল। নাহিল। নাহিল নহয়—আহিছিল। নোলাল নহয়—ওলাইছিল। কিন্তু গ্ৰুপ নিমিলিল। যিকেইজনৰ গ্ৰুপ মিলিল সেইকেইজনৰ পৰাও লব পৰা নহ'ল। সত্যেনৰ এলাৰ্জিক। দীনেশৰ ৰক্তচাপ আৰু ধীৰেনৰ প্লুৰেচি। ধীৰেনে যোৱা পৰহি মাথোন তেজ দিছে।

ঋদিব অধৈৰ্য্য হৈ পৰিল। অস্থিৰ হৈ উঠিল।

ব্লাড বেঙ্ক আছে। তেজ নাই।

ৰাজখোৱাই সিদিনাই প্ৰথম উপলব্ধি কৰিছিল : টকা হলেই সকলো নহয়। সকলো পোৱা নাযায়।

লেবাৰ ৰুমত চট্‌ফটাই থকা এজনী গাভৰু বোৱাৰী। নতুনকৈ হ'ব খোজা এগৰাকী মাতৃ। অসহ্য যন্ত্ৰণাত শেঁতা পৰা এখন মুখ। পাণ্ডুৰ। যন্ত্ৰণা-বিহ্বল স্বপ্নৰেখাৰ চিঞৰত ঋদিবৰ বুকুখন ফাটি যাব খোজে। এজন অসহায় স্বামীৰ নিৰুপায় অৱস্থাটোৰ কথা ডাক্তৰেও উপলব্ধি কৰিছিল। কিন্তু তেজ বিচাৰি দূৰলৈ যোৱাৰ—আৰু পলম কৰাৰ যে সময় নাছিল।

: উপায় নাই ডক্তৰ। মই তেজ দিম। ব্লাড গ্ৰুপ মিলিছে।

: কিন্তু ক্ৰছ মেটচিং মিলা নাই।

: ৰিজাল্ট ?

: পেচেণ্টৰ হয়তো কোনো ক্ষতি নহয়। কিন্তু···।

: তেন্তে ইয়াত কোনো কিন্তু নাই ডক্তৰ। ইউ মাষ্ট ট্ৰেন্‌ফিউজ মাই ব্লাড টু হাৰ

: যদি আপোনাৰ পত্নীয়ে দ্বিতীয় সন্তানৰ মাতৃ হোৱাৰ অধিকাৰ চিৰদিনলৈ হেৰুৱাই পেলায় ?

: ছাটচ্‌ নাথিং। প্ৰয়োজন হলে সন্তানৰ কামনা পৰিত্যাগ কৰিবলৈও মই প্ৰস্তুত। কিন্তু স্বপ্নৰেখাক যি প্ৰকাৰেই হওঁক···।

উৎকণ্ঠিত স্বামী ঋদিব ৰাজখোৱাৰ আবেগভৰা মাত সিদিনা কঁপি উঠিছিল।

তাৰ কেইদিনমান পিচত স্বপ্নৰেখা এদিন হাঁহি হাঁহি হাস্পাতালৰ পৰা ওলাই আহিছিল। কোচত এটা দহদিনীয়া শিশু। এপাহ ফুল। ৰঞ্জন।

দিন বাগৰে। মাহ পিচলে। বছৰবোৰ পুৰণি হয়।

শিশু ৰঞ্জনে কৈশোৰ চেৰাই যৌৱনত ভৰি দিয়ে।

এহাল দম্পতীৰ একমাত্ৰ সন্তান ৰঞ্জন ৰাজখোৱা।

কিন্তু একমাত্ৰ নাছিল। হ'ল।

ৰঞ্জন-মাতৃয়ে এটা এটাকৈ কেবাটাও সন্তান জন্ম দিছিল। কেতিয়াবা মৃত আৰু কেতিয়াবা জীৱন্ত। কিন্তু সেই জীৱন্ত সন্তানবোৰ মৃত্যুক সাৱটি লবলৈকেহে যেন পৃথিৱীৰ বুকুলৈ আহিছিল। জন্মৰ কেইদিনমান পিচতেই আকৌ আঁতৰি গ'ল।

: আৰু নহয় স্বপ্নৰেখা। ভগৱানে যি দিছে তাতেই আমি সন্তুষ্ট থাকিব লাগিব।

স্বপ্নৰেখা নিৰুত্তৰ। কিশোৰ ৰঞ্জনক সাৱটি ধৰি কেঁকুৰি উঠিল।

মাকৰ সেই কেঁকুৰণিৰ অৰ্থ ৰঞ্জনে সিদিনা কিবা বুজিছিল নে নাই দেউতাকে নেজানে।

ৰঞ্জন, ৰঞ্জন নহয়। এখন ঘৰৰ জোনাক। আশাৰ একমাত্ৰ বন্তি। এটা বংশৰ ভৱিষ্যত। প্ৰদীপ শিখা। আৰু ঋদিব—স্বপ্নৰেখাৰ চকুৰ ৰশ্মি। পোৱাল পদ্মৰাগমণি।

কিন্তু মাতৃহৃদয়ে যেন বুজনি মানিব নোখোজে। কেতিয়াবা কেতিয়াবা হাঁহাকাৰ কৰি উঠে। স্বপ্নৰেখাৰ ব্যৰ্থ স্বপ্নৰ হতাশাই মনৰ আকাশ আৱৰি ধৰে। এহাল নিঃসহায় পতি-পত্নীয়ে তেতিয়া নিশ্চুপ হৈ দূৰৰ আকাশখনলৈ চাই ৰয়। নিঃসঙ্গতাৰ বেদনা অসহনীয়।

ৰঞ্জনো এদিন আঁতৰি গ'ল। যাবই। বুকুৰ মাজত সাৱটি ৰাখি সন্তানক ডাঙৰ-দীঘল কৰিব পাৰি। কিন্তু মানুহ কৰিব নোৱাৰি। সন্তানৰ ভৱিষ্যত গঢ়িবলৈ মাক-দেউতাকেই দূৰলৈ পঠিয়াবলৈ বাধ্য হয়।

ছাত্ৰবাসৰ পৰা ৰঞ্জন কেতিয়াবা আহে। ঘৰখন সজীৱ হৈ পৰে। মাক-দেউতাকৰ আনন্দই হিয়া নধৰা হয়। ঘৰখনত উখলমাখল লাগে। কেইদিনমান পিচত ৰঞ্জন আঁতৰি যায়। ঘৰখনলৈ আকৌ নামি আহে মৰিশালীৰ নিস্তব্ধতা।

স্বপ্নৰেখাই সহ্য কৰিব নোৱাৰিলে। অসহনীয় নিঃসঙ্গতাত চট্‌ফটাই উঠে। নিঃসঙ্গ জীৱনৰ তীব্ৰ বেদনাই মন খুলি খুলি খায়। হিয়া ভাগে।

আৰু ক্ষয় ৰোগে ?

মন নহয়। ক্ষয় ৰোগে খুলি খায় কলিজা।

: কি ? যক্ষ্মা নহয় ? কেন্সাৰ ?

বায়োপচিৰ ৰিজাল্ট শুনি ঋদিব ৰাজখোৱা চিঞৰি উঠিল। শিহৰি উঠিল।

এয়া সঁচা নহয়। বায়োপচি ভুল। ভুল ডায়'গনেচিচ্।

কিন্তু যি সঁচা, তাক দহবাৰ পৰীক্ষা কৰিলেও একেই হব।

তেন্তে বোম্বাইৰ টাটা কেন্সাৰ ইনষ্টিটিউট ? মাদ্ৰাজৰ কেন্সাৰ ৰিচার্চ চেণ্টাৰ নে ভেল্লৰ ? নে ভাৰতৰ বাহিৰত ? ক'ত ভাল চিকিৎসা পোৱা যাব ?

: বাট মাইণ্ড ইট—ইট ইজ অলৰেডি লেট। বি প্ৰম্পট।

এ লেট কেচ অৱ কাৰচিনোমা অৱ ষ্ট'মাক।

এনেবোৰ ক্ষেত্ৰত সাধাৰণতে যি হয় অৱশেষত সেয়ে হ'ল। হেজাৰ চেষ্টা—অশেষ শুশ্ৰূষা এদিন ব্যৰ্থ হৈ গ'ল।

ঋদিব ৰাজখোৱা নিৰ্ব্বিকাৰ হৈ পৰিল। পত্নীহাৰা স্বামীৰ সকলো অনুভূতি যেন শেষ হৈ গ'ল। প্ৰকাণ্ড চৌহদটোত নিজৰে ভয় ভয় লগা হ'ল।

: হুঁ। চিকিৎসা বিজ্ঞান ? মোৰ কোনো আপত্তি নাই।

পিতৃ হিয়াই সেইদিনা মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছিল মাতৃহাৰা পুত্ৰৰ অন্তৰৰ গভীৰ বেদনা। মনৰ সঙ্কল্প। চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হব খোজা পুত্ৰৰ বুকুৰ মাজত লুকাই থকা মাতৃ-বিচ্ছেদৰ অন্তৰ্দাহী মৰ্ম্মব্যথা।

এয়া যেন এটা চেলেঞ্জ। এজন সদ্য যৌৱনপ্ৰাপ্ত ডেকাৰ নিয়তিৰ বিৰুদ্ধে সংগ্ৰাম। যুদ্ধং দেহি মনোভাব।

ঋদিব ৰাজখোৱাই সিদিনা চকুলো টুকিছিল। নিৰলে। অলক্ষিতে। মাতৃ স্বপ্নৰেখাৰ স্মৃতিয়ে মন বিষণ্ণ কৰা পিতৃৰ হিয়া-ভঙা হুমুনিয়াহ কাণনে হয়তো সিদিনা শুনা নাছিল।

আৰু সেইজন ৰঞ্জন ৰাজখোৱাই সাত বছৰ পিচত পিতৃৰ ওচৰত বিচাৰিছিল অনুমতি। প্ৰকাশ কৰিছিল চিকিৎসা বিজ্ঞানৰ উচ্চ-শিক্ষা লবলৈ বিদেশলৈ যোৱাৰ অভিলাষ।

ওঁহো, অসম্ভৱ। এয়া কোনোমতেই হব নোৱাৰে। তেওঁ যে আজি বৰ অকলশৰীয়া। অসহায়। নিঃসঙ্গ।

এখন পিতৃ হিয়াই হাঁহাকাৰ কৰি উঠিল। চকুৰে ধোঁৱা-কোৱা দেখিলে। পুত্ৰৰ হেজাৰ আকুতিত অধৈৰ্য্য হৈ চিঞৰি উঠিল: নোৱাৰ, নোৱাৰ। নোৱাৰ। মই তোক কোনোমতেই অনুমতি দিব নোৱাৰোঁ।

সকলো হেৰুওৱাৰ পিচত শেষ সম্বলখিনি নেহেৰুৱাবলৈ অশেষ চেষ্টা কৰিছিল পিতৃ ঋদিব ৰাজখোৱাই। এজন পৌঢ় পিতৃয়ে।

কিন্তু নোৱাৰিলে। হেৰুওৱাৰ নুখুজিলেওচোন কেতিয়াবা কেতিয়াবা শেষ সম্পদটোও হেৰাই যায়। ধৰি ৰাখিব খুজিও ধৰি ৰাখিব নোৱাৰি।

অৱশেষত পুত্ৰৰেই জয় হ'ল। অজস্ৰ ধন-সম্পত্তিৰ মাজত ডুব গৈ থকা অকলশৰীয়া ৰাজখোৱাই সিদিনা দিছিল হিয়া ভৰা আশীৰ্ব্বাদ। পৰাজিত পিতৃয়ে পুত্ৰক জনাইছিল বিজয়ী হোৱাৰ শুভ কামনা। অলেখ শুভেচ্ছা।

চাৰ্জ্জাৰী নহয়। মেডিচিন।

ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্কটো বৰ মধুৰ। পবিত্ৰ। গুৰু-শিষ্যৰ এই সম্পৰ্কই কেতিয়াবা কেনেবাকৈ বন্ধুত্বৰ ৰূপ ললে সেই বন্ধুত্ব হৈ পৰে মধুৰতকৈও মধুৰতম্। চিৰস্থায়ী। শিক্ষাগুৰুৰ শ্ৰদ্ধা, পিতৃৰ ভক্তি, পুত্ৰৰ স্নেহজড়িত বন্ধুত্বৰ সানমিহলি এটা নতুন ৰূপ। সেই ৰূপৰ তুলনা নাই।

টৰোণ্টো বিশ্ববিদ্যালয়ৰ অধ্যাপক মিঃ আৰ্ভিন আৰু ৰঞ্জন ৰাজখোৱা। তেওঁলোকৰ মাজত তেনে বন্ধুত্ব এটা গঢ়ি উঠিছিল।

প্ৰিয় ছাত্ৰ ৰঞ্জনৰ ধৈৰ্য্য, সাহস, কৰ্ম্ম, প্ৰেৰণা আৰু কৰ্ত্তব্যনিষ্ঠা দেখি অধ্যাপক আৰ্ভিন মুগ্ধ হৈ পৰিছিল। ভাব হ'ল : ইমানদিনে যেন ৰঞ্জনৰ নিচিনা সহযোগী এজনকে তেওঁ বিচাৰি আছে। অৱশেষত ৰঞ্জনক এদিন অকলশৰীয়াকৈ মাতি নি তেওঁ বহুত কথা কৈছিল। কৈছিল ব্যক্তিগত পৰিকল্পনাৰ কথা। সাধনাৰ উদ্দেশ্য। আলোচনা কৰিছিল বিশ্বস্বাস্থ্য সন্মিলনত যোগ দিবলৈ যোৱা ভাৰতীয় চিকিৎসা-বিদ গৱেষক এজনে কৰ্কট ৰোগৰ মহৌষধ আৱিষ্কাৰ কৰা ফৰমূলাৰ গোপন তথ্য।

কিন্তু বিশ্বৰ দুৰ্ভাগ্য।

বিশ্বস্বাস্থ্য সংস্থাৰ বিশেষ অধিবেশন এখনত যোগ দিবলৈ বিভিন্ন দেশৰ নিমন্ত্ৰিত প্ৰতিনিধিবোৰ আহি চিকাগো সন্মিলনত গোট খাইছিল। আটাইবোৰ প্ৰতিনিধিয়েই আছিল চিকিৎসা বিজ্ঞান-বিশেষজ্ঞ গৱেষক। কেইজনমান নবেলবঁটা বিজয়ী। জাৰ্ম্মেনী আৰু হাঙ্গেৰীৰ দুজন চিকিৎসকে দাবী কৰিছিল : কৰ্কট ৰোগ দুৰাৰোগ্য নহয়। তেওঁলোকে ইতিমধ্যে আৱিষ্কাৰ কৰা কেন্সাৰ ৰোগৰ দৰৱ মানুহৰ ক্ষেত্ৰতো যে ফলবতী হব সেই বিষয়ে তেওঁলোক নিসন্দেহ। শহাপহু আৰু এন্দুৰৰ ওপৰত পৰীক্ষা কৰি তেওঁলোক কৃতকাৰ্য্য হৈছে। কিন্তু সেই ঔষধ প্ৰস্তুত-প্ৰণালী শ্ৰমসাধ্য আৰু ব্যয়বহুল। বিশ্বস্বাস্থ্য সংস্থাৰ পৰা অৰ্থ সাহায্য নেপালে তেওঁলোক কৃতকাৰ্য্য হোৱা সম্ভৱ নহয়।

সন্মিলনৰ প্ৰতিনিধিবৰ্গৰ মাজত আনন্দৰ ৰোল উঠিল। বিশ্বজুৰি তোলপাৰ লাগিল। অঁনাতাৰ, টেলিভিশ্যনত সেই সংবাদ প্ৰচাৰিত হ'ল। বিশ্বমানৱে তেওঁলোকৰ মূৰত পিন্ধাই দিলে জয়মাল্য। বিজয় মুকুট।

আবিষ্কাৰ সম্বন্ধে বিশেষজ্ঞ দুজনে দিয়া বক্তৃতা শেষ হ'ল। বাকী মাথোন পৰীক্ষা। প্ৰতিনিধিবৰ্গৰ মাজত জাউৰিয়ে জাউৰিয়ে হাত-চাপৰিৰ ধ্বনি উঠিল।

কিন্তু পৰীক্ষাৰ আৰু প্ৰয়োজন নহ'ল। থিয় হ'ল ভাৰতীয় চিকিৎসাবিদ অধ্যাপক ডাঃ নানাৱতী। নানাৱতীৰ গুৰুগম্ভীৰ স্বৰত সভাঘৰ কঁাহ পৰি লীন গ'ল। আৱিষ্কাৰৰ সংবাদত উত্তেজিত হৈ পৰা সদস্যসকলক ক্ষুণ্ণ নকৰাকৈ ধীৰ-স্থিৰভাৱে অধ্যাপক নানাৱতীয়ে ফঁাহিয়াই দেখুৱালে : জাৰ্ম্মেনী আৰু হাঙ্গেৰীৰ চিকিৎসা-বিদ গৱেষক দুজনৰ বিজয়ৰ দাবী অমূলক। তেওঁলোকে আৱিষ্কাৰ কৰা ঔষধ কেন্সাৰ নিবাৰণৰ বাবে জন্তুৰ ক্ষেত্ৰত ফলৱতী হব পাৰে। কিন্তু মানুহৰ ক্ষেত্ৰত নহয়। কাৰণ শহাপহু নতুবা এন্দুৰৰ তেজৰ লগত মানুহৰ তেজৰ মিল থাকিলেও সেই তেজ সম্পূৰ্ণৰূপে একে নহয়। আজিলৈকে চিকিৎসাবিদসকলে সেই পাৰ্থক্য বিচাৰি উলিয়াব পৰা নাই। কিন্তু অল্ট্ৰা মডাৰ্ণ ইকুপমেণ্টৰ সহায়ত কৰা পৰীক্ষাৰ পিচত ডাঃ নানাৱতী এই বিষয়ে নিসন্দেহ। নানাৱতীয়ে আৰু প্ৰমাণ কৰি দেখুৱালে যে তেওঁলোকে আৱিষ্কাৰ কৰা ঔষধৰ ব্যৱহাৰে কেন্সাৰ চেলৰ নিউক্লিয়াচ বৃদ্ধিত বাধা দিব সঁচা; কিন্তু সেয়া তেনেই ক্ষন্তেকীয়া। চেলবোৰ ডেড নতুবা ইনাৰ্ট নহয়। তদুপৰি সেই ঔষধৰ একাধিক প্ৰয়োগে নৰ্ম্মাল চেলবোৰৰ মৃত্যু ঘটায়। কৰ্কটৰোগীৰ বিভিন্ন অংশ নতুনকৈ আক্ৰান্ত হোৱাৰ আশংকা বেছি। অকল আশঙ্কাই নহয় নানাৱতীৰ অনুমান সঁচা। মানৱদেহত সেই ঔষধ প্ৰয়োগ কৰিলে সেই কথাৰ সত্যতা ধৰা পৰিব।

মিছা, মিছা। নানাৱতীৰ যুক্তি মিছা। মিছা হওঁক তেওঁৰ ব্যাখ্যা।

মিছা বুলি কলেই কোনো তথ্য—কোনো আৱিষ্কাৰ মিছা হব নোৱাৰে। তাৰ কাৰণে প্ৰয়োজন প্ৰমাণ। পৰীক্ষা।

বাক-বিতণ্ডা, যুক্তি-তৰ্ক আৰম্ভ হ'ল। বহু সময়ৰ আলোচনা চলিল। আৰম্ভ হ'ল পৰীক্ষা। প্ৰমাণ।

অৱশেষত নানাৱতীয়েই সঁচা হ'ল। প্ৰমাণত হ'ল : চিকিৎসাবিদ দুজনৰ দাবীৰ কোনো সত্যতা নাই। তেওঁলোকে আৱিষ্কাৰ কৰা তথ্য সম্পূৰ্ণ ভুল। ভ্ৰান্তিমূলক।

সিদিনলৈ আলোচনা সিমানতে স্থগিত ৰ'ল। কিন্তু সভাৰ কাম অন্ত নপৰিল। নানাৱতীৰ গৱেষণা সম্পৰ্কে ফঁহিয়াই দেখুৱাবলৈ পিচদিনাৰ কাৰ্য্যসূচী প্ৰস্তুত কৰা হ'ল।

কিন্তু প্ৰতিনিধি সদস্যসকলৰ বহুতেই যেন অসন্তুষ্ট হ'ল। তেওঁ-লোক লজ্জিত। কাৰণ চিকিৎসা বিজ্ঞানত পিচ পৰি থকা বুলি ভবা ভাৰতৰ নিচিনা দেশ এখনৰ চিকিৎসাবিদ গৱেষক এজনে তেনে গৌৰৱৰ অধিকাৰী হব পাৰে বুলি তেওঁলোকে যে কল্পনাও কৰিব নোৱাৰে। পৰা নাছিল। তথাপি আটাইৰে মন উৎসাহত অধীৰ। বিজ্ঞানৰ জয় হ'ল।

কিন্তু নিয়তিৰ নিৰ্ম্মম প্ৰতিশোধ।

মাজনিশা হঠাতে নানাৱতী হৃদৰোগত আক্ৰান্ত হৈ পৰিল। মহূৰ্ত্ততে হুলস্থুল লাগিল। বিশ্বৰ বিখ্যাত চিকিৎসকসকল নানাৱতীৰ ওচৰলৈ দৌৰি আহিল। দৌৰি আহিল অধ্যাপক ডঃ আৰ্ভিন। নানাৱতীৰ চাৰিওফালে বিশ্ববিখ্যাত চিকিৎসকৰ জুম।

কিন্তু সকলো চেষ্টা ব্যৰ্থ হ'ল। ব্যৰ্থ হ'ল ডিজিটেলীজ, নাইট্ৰেটৰ ব্যৱহাৰ ; প্ৰয়োগ।

পৃথিৱীৰ বুকুৰ পৰা নানাৱতী চিৰদিনলৈ হেৰাই গ'ল। হেৰাই গ'ল এটা নতুন আৱিষ্কাৰ এটা কালজয়ী সত্য। এক মহান প্ৰচেষ্টা। অশেষ পৰিশ্ৰম আৰু হেজাৰ স্বপ্ন।

সেয়া বিশ্বৰ এক অপূৰণীয় ক্ষতি।

সেইজন নানাৱতীয়ে অধ্যাপক আৰ্ভিন আৰু কেইজনমান সদস্যৰ আগত কৈছিল কৰ্কটৰোগ নিবাৰণৰ ক্ষেত্ৰত ভাৰতীয় বনৌষধিৰ প্ৰভাৱ। প্ৰকাশ কৰিছিল কৰ্কটৰোগ নিৰাময় কৰিবলৈ তেওঁ আৱিষ্কাৰ কৰা এটা নতুন ফৰমূলা। নতুন তথ্য। সন্ধান পোৱা এবিধ ভাৰতীয় উদ্ভিদ। সেই উদ্ভিদৰ স্পেচিচ্ কালেকৃশ্যন তেওঁ লগত লৈ আহিছে। মুকলি অধিবেশনত সেই স্পেচিচ্ তেওঁ সকলোকে দেখুৱাব।

কিন্তু সেই স্পেচিচ্ আৰু দেখুওৱা নহ'ল। নানাৱতীয়ে সেই উদ্ভিদজোপাৰ কিবা নাম এটা কৈছিল। এটা সংস্কৃত নাম। চাইন্টিফিক ব'টানিকেল নাম ডাঃ নানাৱতীও নাজানে। অধ্যাপক আৰ্ভিনৰ সেই উদ্ভিদৰ নামটো আজি মনত নাই। আলোচনাত উপস্থিত থকা বাকী কেইজনেও পাহৰি গৈছে। সেই সময়ত সেই আচহুৱা নামটো লিখি ৰখাৰ কেৰে প্ৰয়োজনবোধ কৰা নাছিল। কাৰণ তেওঁলোকে ভাবিছিল—পিচদিনাখন স্পেচিচ্ কালেক্শ্যন চাই নিশ্চয় ব'টানিকেল নাম ঠিৰাং কৰিবলৈ সক্ষম হব।

ভাৰতীয় উদ্ভিদবোৰৰ ওপৰত গৱেষণা কৰাৰ এটা দুৰন্ত হেঁপাহ অধ্যাপক আৰ্ভিনে বহুদিনৰ পৰাই মনৰ মাজত পুহি ৰাখিছিল। কাৰণ তেওঁৰ বিশ্বাস হৈছিল: নানাৱতীৰ তথ্য অমূলক নহয়। কুইনাইন, ডিজিটেলীচ্, ষ্ট্ৰেপ্টোমাইচিন, এমিটিন, ৰিছাৰপাইন আদি বিখ্যাত ড্ৰাগবোৰ উদ্ভিদৰ পৰাই আৱিষ্কৃত নহয় জানো? কৰ্কটৰোগৰ ঔষধো উদ্ভিদৰ পৰাই আৱিষ্কৃত হোৱাটো একো আচৰিত নহয়। আৰু সেইটোৱে বিশ্বাসযোগ্য। আৱিষ্কাৰৰ সম্ভাৱনাপূৰ্ণ বেছিক ইন্‌গ্ৰেডিয়েণ্ট মূল উপাদান।

নিজৰ গৱেষণাগাৰত বহুতো উদ্ভিদৰ তেওঁ পৰীক্ষা কৰিছে। কিন্তু ভাৰতত চাব ৰিচাৰ্চ চেণ্টাৰ এটা খুলিব নোৱাৰিলে সকলোবোৰ উদ্ভিদ ভাৰতৰ পৰা সংগ্ৰহ কৰি টৰোণ্টো চহৰলৈ অনা সম্ভৱ নহয়। ৰঞ্জনে সম্মতি দিলে ভাৰতত শাখা গৱেষণাগাৰ এটা তেওঁ খুলিব খোজে। সেইটোৱে অধ্যাপক আৰ্ভিনৰ একান্ত ইচ্ছা; বহুদিনীয়া হেঁপাহ। টকা-পইচাৰ কাৰণে ৰঞ্জনে ভাবিব নালাগে। অৰ্থ-সাহায্য আগবঢ়াবলৈ কানাডিয়ান চৰকাৰ প্ৰস্তুত। তাৰ কাৰণে ৰঞ্জনক শকত অঙ্কৰ পাৰিশ্ৰমিক দিবলৈও তেওঁ সম্মত।

ৰঞ্জন মান্তি নোহোৱাৰ কোনো কাৰণ নাছিল। বৰং আৰ্ভিনৰ প্ৰস্তাৱটো শুনি আনন্দত সি উৎফুল্লিত হৈ পৰিল। সি যে ইমান দিনে ইয়াকেই বিচাৰি আছিল। বাট বিচাৰি এন্ধাৰত খেপিয়াই ফুৰিছিল।

অধ্যাপক আৰ্ভিন মানে অধ্যাপক আৰ্ভিন জন কক। জন ককৰ ভাষাত ৰঞ্জন ৰাজখোৱা ৰঞ্জন নহয়—ৰণ্ট্‌জেন ৰাজোৱা। ৰাজখোৱা শব্দটো স্পষ্টকৈ উচ্চাৰণ কৰিবলৈ তেওঁৰ জিভা ঘোৰ নাখায়। ৰঞ্জন নামটো মনত নাথাকে কাৰণে ৰঞ্জনেই এদিন কৈছিল : ৰঞ্জন-ৰশ্মিৰ কথা মনত পেলালেই মোৰ নামটো আপোনাৰ মনত পৰিব চাৰ।

: ইজ ইট? তেনেহলে তোমাক ৰণ্ট্‌জেন বুলি মাতিম। এনি অবজেক্‌শ্যন?

: নট এট অল চাৰ।

: দ্যাটচ্‌ ফাইন।

সেইদিনাৰ পৰা ৰঞ্জন ৰাজখোৱা হ'ল : ৰণ্ট্‌জেন ৰাজোৱা। কেতিয়াবা কাৰোবাৰ লগত তাক চিনাকি কৰি দিবলগীয়া হলেও ৰণ্ট্‌জেন ৰাজোৱা বুলিয়েই চিনাকি কৰি দিয়ে। ৰঞ্জনে আপত্তি নকৰে।

ৰঞ্জনৰ ঘৰ অসমত বুলি গম পোৱাৰ পিচত অধ্যাপক জন কক আনন্দত উত্‌ফুল্ল হৈ পৰিল।

: ভেৰি গুড—ভেৰি গুড। খাছি হিলচ্‌ অসমত নহয় জানো?

: হয় চাৰ।

: খাছি হিলচ্‌ ক্লেম এজ দা বিচেষ্ট ব'টানিকেল জোন ইন দা ৱাৰ্ল্ড। হ্যাভ ইউ এভাৰ চিন দা ব'টানিকেল চাৰ্ভে ৰিপ'ৰ্ট?

সেই কথা ৰঞ্জনেও জানে। তথাপি অধ্যাপক জন ককৰ প্ৰশংসাত তাৰ বুকুখন ওফন্দি উঠিল। সি সেইখন ৰাষ্ট্ৰৰ ছাত্ৰ—যিখন দেশ বনৌষধিৰ ক্ষেত্ৰত বিশ্বশ্ৰেষ্ঠ। বিশ্বৰ সকলোবোৰ উদ্ভিদ-বিজ্ঞানী আৰু চিকিৎসাবিদসকলে কেঁচা সামগ্ৰীৰ বাবে তাৰ জন্মভূমিৰ ওচৰত নতি স্বীকাৰ কৰিব লাগে।

॥ দহ ॥

ডিচেম্বৰ মাহ। এক তাৰিখ।

গোমা আকাশ। বতৰ ডাৱৰীয়া। কঁৱলীৰে আৱৰা পৃথিৱী। বাহিৰত ফিৰ্ ফিৰিয়া চেঁচা বতাহ। ৰাতিলৈ বৰষুণ এজাকমান দিব হ'বলা।

কোঠাটোৰ এচুকত এটুকৰা জুই। ঘৰটো গৰম কৰি ৰাখিবলৈ চিমনিৰ জুইকুৰা বৰ অপৰিহার্য্য। সদায় জ্বলাই ৰাখিব লাগে। নহলে হাড় কঁপোৱা চেঁচাত হাত-ভৰিবোৰ ঠেৰেঙা লাগে। অৱশ হৈ পৰে।

লেপৰ তলৰপৰা জুইকুৰালৈ চাই চাই ৰণ্ট্ জেনে কিবা ভাবি আছিল। এনেয়ে। অসংলগ্ন কিছুমান চিন্তা। চিমনিটোৰ ওচৰলৈ তাৰ উঠি যাবলৈ মন যোৱা নাছিল। লেপৰ তলৰ উমখিনি মিঠা।

ডাৱৰীয়া বতৰত মনবোৰ সেমেকে। কিন্তু তাৰ মনটো বতৰৰ কাৰণে সেমেকা নাছিল। দুঃসংবাদটো পোৱাৰ পিচৰে পৰা তাৰ মনটো ভাঙি পৰিছে। অসুস্থ দেহ। এটা গধুৰ মন। সেমেকা দুশ্চিন্তাৰে ভৰা।

ৰোজী তেতিয়া ৰণ্ট্ জেনৰ ওচৰত নাছিল। তাৰ কাষৰ পৰা কেতিয়া উঠি গৈছিল সি কব নোৱাৰে। তাৰ কাৰণে বোধহয় বান্ধনি ঘৰত সোমাই আবেলিৰ চাহ-জলপান তৈয়াৰ কৰিছে। যোৱা এমাহমানৰ পৰা বন্ধা-বঢ়াবোৰ তাই কৰিবলৈ লৈছে।

ৰণ্ট্‌জেনৰ ছুমুনিয়াহ এটা সৰি পৰিল। তাৰ কাৰণে ইমানখিনি কৰাৰ তাইৰ কি প্ৰয়োজন? এমাহে মাতৃৰ দৰে স্নেহ, ভগ্নীৰ দৰে মৰম আৰু পত্নীৰ দৰে তাৰ সেৱা কৰি আহিছে। কিয়? ৰোজীতো তাৰ কোনো নহয়। তাইৰ কাম লেবেৰ'টৰীত। ৰান্ধনিশাল অথবা তাৰ শোৱনী কোঠাত নহয়। তেন্তে তাৰ সেৱা-শুশ্ৰূষাৰ কাৰণে ইমান কষ্ট কৰাৰ কাৰণ কি? কিয় তাই কটাই দিছিল এটাৰ পিচত আন এটাকৈ কেবাটাও উজাগৰী উপবাসী নিশা? তাৰ কিবা এটা হোৱা হ'লে তাইৰতো একো লোকচান নহ'লহেঁতেন।

হ'লহেঁতেন। চাকৰিটো হেৰুৱালেহেঁতেন।

কিন্তু অকল চাকৰিটোৰ কাৰণেই তাই জানো ইমানখিনি কৰিছে? এয়া মৰম, স্নেহ নে মানৱতা? ইয়াৰ আন এটা নাম ভালপোৱা নেকি?

আৰু হয়তো খুউব বেছি এমাহ বা দুমাহ। তাৰ পিচত ৰোজী এদিন আঁতৰি যাব। সিদিনা সি তাইক নিজেই কব: তুমি যোৱাগৈ ৰোজী। অইন ঠাইত চাকৰি বিচৰাগৈ। ইয়াত আৰু তোমাৰ প্ৰয়োজন নাই।

এৰা, আঁতৰি যোৱা ৰোজীলৈ তাৰ বেয়া লাগিব। কিন্তু উপায়তো নাই।

: দিনটো শুয়েই থাকিবা নেকি? উঠা। মুখ-হাত ধোৱা। মই চাহ আনোগৈ।

তাক জগাই দিবলৈ অহা ৰোজী কথাষাৰ কৈ কোঠাটোৰ পৰা আকৌ ওলাই গ'ল। ৰণ্ট্‌জেনৰ হাঁহি উঠিব খুজিছিল। পুৰুষে নাৰীক শাসন কৰে জানো? নাৰীয়েহে দেখোন পুৰুষক শাসন কৰি আহিছে। প্ৰত্যেক কথাতেই পুৰুষৰ ওপৰত নাৰীৰ কৰ্ত্তৃত্ব। অকণমান সুবিধা পাবহে লাগে; আত্মীয়-অনাত্মীয়ৰ প্ৰশ্ন নাই। পুৰুষৰ ওপৰত নাৰীয়ে কৰ্ত্তৃত্ব খটাবয়। এয়া বোধহয় নাৰীৰ স্বাভাৱিক প্ৰবৃত্তি।

উঠো উঠো বুলিও লেপৰ তলপ পৰা ওলাই আহিবলৈ তাৰ এলাহ লাগিল। উঠিয়েইবা কি হব? আৰু কেইদিনেইবা আছে? বিজয় যেতিয়া প্ৰায় সমাগত সেই সময়তেই হ'ল বজ্ৰপাত।

অৱশেষত নিয়তিৰেই জয় হ'ল। বিজিত মানুহৰ হাতত নিয়তি পৰাজিত হব খুজিছিল। খুজিছিল নহয়—হৈছিলেই। কিন্তু শেষ মুহূৰ্ত্তত বিজিতই হবলগীয়া হ'ল পৰাজিত।

লিজেণ্ডৰ ওচৰৰ পৰা গধূলিৰ আগে আগে সিহঁত আহি ঘৰ পাইছিল। সৰ্পশিলাৰ টোপোলাটো থৈ হাত-মুখ ধুই চাহ একাপ খাব খুজিছিল। তাৰ পিচত দুয়োজনেই লেবৰ'টৰীত সোমাব। সৰ্পশিলাৰ গুটিবোৰৰ পৰা ড্ৰাগ প্ৰস্তুত কৰিব। কেইদিনমান পিচত সেই ড্ৰাগ পঠিয়াব মিঃ জন ককলৈ। কেঁচা ৰস পৰিশোধন কৰিবলৈ কেইদিনমান সময়ৰ প্ৰয়োজন। ৰাসায়নিক চলিউশ্যনত কেইদিনমান তিয়াই থব লাগে।

কিন্তু সিহঁতৰ লেবৰ'টৰীত সোমোৱা আৰু নহ'ল। হাত-ভৰি ধুই উঠাৰ পিচতে তীৰকঁপে ৰণ্ট্‌জেনৰ জ্বৰ উঠিল। অসুস্থ ৰণ্ট্‌জেন বিছনাত দীঘল হৈ পৰিল।

ৰোজীয়ে ভাবিছিল সাধাৰণ জ্বৰ। ৰাতিপুৱা বৰফত তিতা কাৰণে চেঁচা লাগি জ্বৰ উঠিছে। পিচদিনা ৰাতিপুৱালৈ ভাল হৈ যাব। কিন্তু নহ'ল। সেই জ্বৰে ৰূপ ললে নিউমোনিয়াৰ।

ৰণ্ট্‌জেন অসুস্থ হৈ পৰাৰ তিনি দিন পিচত।

ৰণ্ট্‌জেনে আৰু এখন কেবেল পাইছিল। কেবেলখন হাতত লৈ ৰণ্ট্‌জেনৰ বুকুখন কঁপিছিল। উত্তেজনা আৰু আশঙ্কাত। আগৰ কেবেলখনলৈ মনত পৰিল:

: ৰিগ্ৰেটেড··· ··· ৰিজাল্ট ফল'জ।

এইখনেই সেইখন কেবেল। এই কেবেলখনেই হয়তো সিহঁতলৈ বহন কৰি আনিছে বিজয়ৰ স্বৰ্ণমুকুট নতুবা শিৰচ্ছেদৰ অপমান। পৰাজয়ৰ কলঙ্ক।

ৰণ্ট্জেন সুদৃঢ়ঃ পৰাজয় নহয়; জয়। অপমান নহয়: গৌৰৱ।

জন ককে নিশ্চয় লিখিছেঃ চাকচেচ্ফুল। কংগ্রেচুলেশ্যন।

কঁপা কঁপা হাতখনেৰে খামটো ছিঙি কেবেলখন সি চকুৰ আগত দাঙি ধৰিলে।

কিন্তু এয়া সি কি দেখিছে?

তাৰ অসুখ বেছি হ'ল নেকি? জ্বৰ বেছি হৈছে? জ্বৰৰ প্ৰকোপত চকুৱে ভালদৰে মণিব পৰা নাই?

এবাৰ দুবাৰকৈ সি কেবাবাৰো পঢ়িলে। কিন্তু এয়া জানো সঁচা? তাৰ মূৰটো আচল্লাই কৰি দিয়া যেন লাগিছে কিয়?

ঃ ডাঙৰকৈ পঢ়া ৰোজী?

কেবেলখন সি ৰোজীলৈ আগবঢ়াই দিলে।

ঃ জন কক এক্সপায়াৰড্ লাষ্ট নাইট—মিছেছ জন কক।

ৰণ্ট্জেন চিঞৰি উঠিল। ৰোজী নিমাত। পৰি যাব খোজা ৰণ্ট্জেনক সাৱটি ধৰিলে।

পৃথিৱীখন যেন ভূ-গৰ্ভৰ বহুত তললৈ সোমাই গ'ল। চাৰিও-ফালে কেৱল ধোঁৱা আৰু এন্ধাৰ। এন্ধাৰ আৰু ধোঁৱা। কেবেলখনে যেন অকল জন ককৰে মৃত্যুসংবাদ কঢ়িয়াই অনা নাছিল। কঢ়িয়াই আনিছিল সমগ্ৰ বিশ্বমানৱৰ মৃত্যু সংবাদ।

ৰণ্ট্জেনে তেতিয়া বাহ্যিক চেতনা হেৰুৱাই পেলাইছে।

কেইদিনমান অসুখ ভোগাৰ পিচত ৰণ্ট্জেন সুস্থ হৈ উঠিল। ৰোজীৰ অক্লান্ত পৰিশ্ৰম আৰু সেৱা-শুশ্ৰূষাই তাক সোনকালেই আৰোগ্য কৰি তুলিলে। তাৰ বিনিময়ত প্ৰত্যেক ক্ষেত্ৰতে সি মানি চলিবলগীয়া হ'ল ৰোজীৰ শাসন। শুনিবলগীয়া হ'ল মৰমৰ ঢমকনি।

ঃ বুকুত আকৌ ঠাণ্ডা লগাইছা কেলেই? চাওঁ লেপখন ভালকৈ লোৱাচোন। ইঃ! তুমি কলেই হবনে? ৰাতি ভাত খাব নোৱাৰা।

কি খাবা? মই দিম নহয়—কি খাব লাগে। নোৱাৰা গা ধুব। লেবৰ'টৰীলৈ যাবা? তুমি যাব খুজিলেই যাব পাৰিবা বুলি ভাবিছা হবলা? ৰবা—লেবৰ'টৰীৰ দুৱাৰত তলা লগাই থম। মূৰ ঘূৰাই পৰি গলে কোনে চাব?

এৰা, লেবৰ'টৰীলৈ গৈ আৰু কি হব?

গৱেষণা আৰু এক্সপেৰিমেণ্ট কৰি আৰু কোনো লাভ নহয়। আৰ্ভিন জন কক নাই। গৱেষণাৰ কাৰণে খৰচ যোগাব কোনে? দেউতাকক কলে অৱশ্যে তাক বিমুখ নকৰে। কিন্তু গৱেষণাগাৰৰ যন্ত্ৰপাতি সা-সৰঞ্জামবোৰ? মিছেছ জন ককে যদি ইতিমধ্যে কাৰোবাক বিকি দিছে? বিকি দিয়ে? সি জানো কিনি লব পাৰিব? যন্ত্ৰ-পাতিবোৰ কিনি লোৱাৰ পিচত গৱেষণা চলাবলৈ খৰচপাতিৰ অভাৱ নহয়তো? কিমান লাখ টকা লাগিব বাৰু? নহয়—কৌটি? ঘৰ-মাটিৰ দামেইচোন লক্ষাধিক টকা। তদুপৰি চালুকীয়া শাখা কেন্দ্ৰটো গৱেষণাৰ কাৰণে যথেষ্ট নহয়। বহুতো প্ৰয়োজনীয় অত্যাধুনিক যন্ত্ৰ-পাতিৰ অভাৱ। স্বয়ংসম্পূৰ্ণ নহয়। মিছেছ জন ককে স্বামীৰ আদৰ্শ অনুসৰণ কৰি গৱেষণা যদি বন্ধ কৰি নিদি চলাই থাকে তেন্তে ভাল কথা। কিন্তু তাক সহায়কাৰী হিচাবে নাৰাখিবওতো পাৰে!

এটা দুৰাশা। অমূলক কল্পনা।

ৰণ্ট্‌জেনৰ চকুলো ওলাই আহিব খুজিছিল। ইমান দিনৰ ইমান মৰমৰ গৱেষণাগাৰটো এৰি সি আঁতৰি যাব লাগিব। আঁতৰি যাব ৰোজী।

ঃ তুমিচোন শুয়ে আছা? ইমান এলেহুৱা নে পাই।

কোঠাটোলৈ ৰোজী সোমাই আহিল। চাহ-জলপানৰ ট্ৰেখন টিপয়ৰ ওপৰত থৈ কৃত্ৰিম খঙেৰে একেথৰে কিছু সময় ৰণ্ট্‌জেনলৈ চাই ৰ'ল।

ঃ ৰোজী।

: হুঁ।

চিমনিটোৰ ওচৰত ওচৰা-ওচৰিকৈ হাত-ভৰি সেকি বহি আছিল বোজী আৰু ৰণ্ট্‌জেন।

: আজি এক তাৰিখ।

: ওঁ।

: সিহঁতক দৰ্মহা নিদিয়া জানো?

: তোমাৰ গাচোন ভালেই হোৱা নাই।

ৰণ্ট্‌জেনে হাঁহিলে।

: হাঁহিলা যে?

: এজনৰ অসুখে আন এজনৰ পেটৰ ভোক নিবৃত্তি কৰিব নোৱাৰে বোজী। মোৰ অসুখ বুলিয়েই সিহঁতক জানো দৰ্মহা নিদিবা? সিহঁতৰো এখন সংসাৰ আছে। মালী, চকিদাৰ, ৰান্ধনিবোৰো মানুহ। সিহঁতৰো ভোক লাগে।

বোজীয়ে একো নামাতিলে।

: ৱাৰ ড্ৰপটোতে টকা আছে। দৰ্মহাখিনি দি আহাগৈ।

ৱাৰড্ৰপৰ চাবি বোজীৰ হাততে আছিল।

তাই উঠি গ'ল। ৱাৰ ড্ৰপটো খুলি এজাপ নোটৰ নূৰা এটা লৈ বাৰাণ্ডা পালেগৈ। আকাশ-পাতাল ভাবি চিমনিটোৰ ওচৰত অকলে বহি ৰ'ল ৰণ্ট্‌জেন।

আধা ঘণ্টামান পিচত।

বোজী আকৌ সোমাই আহিল। হাতত এজাপ দহ আৰু পাঁচ টকীয়া নোট। টকাখিনি কেচবক্সত থবলৈ ৱাৰ ড্ৰপটোৰ ওচৰলৈ বোজী আগবাঢ়ি গৈছিল।

: শুনা।

বোজী থমকি ৰ'ল।

: তুমি দৰ্মহা ললা জানো?

তাই মূৰ জোকাৰিলে। নাই লোৱা।

ঃ চাওঁ টকাখিনি মোক দিয়া।

ৰাৱৰ ড্ৰপটোৰ ওচৰৰ পৰা আগবাঢ়ি আহি টকাখিনি ৰোজীয়ে তালৈ আগবঢ়াই দিলে। লেখি লেখি দহটকীয়া নোট পঞ্চাশখন ৰাখি বাকীখিনি টকা সি আকৌ ৰোজীক শুভোতাই দিলে। নোটৰ জাপটো কেচবক্সত থৈ তাই আহি ৰণ্ট্‌জেনৰ ওচৰত বহিল।

ঃ হোঁৱা।

হাতৰ নোট কেইখন সি তাইলৈ আগবঢ়াই দিলে।

এমিনিট দুমিনিটকৈ কেবা মিনিটো পাৰ হৈ গ'ল। কিন্তু ৰণ্ট্‌জেনৰ হাতৰ পৰা টকাখিনি তাই নিজৰ হাতত লব পৰা নাছিল। হঠাতে এটোপাল চকুলো বাগৰি আহি নোটজাপৰ ওপৰত সৰি পৰিল।

ঃ কি হ'ল? কান্দিছা কেলেই?

ৰণ্ট্‌জেন আচৰিত হৈ পৰিল। নোটজাপৰ সৈতে তাৰ হাতখন আপোনা-আপুনি কোঁচ খাই আহিল। তেতিয়াহে তাৰ চকুত পৰিল—তলমূৰকৈ বহি থকা ৰোজীয়ে সঁচাকৈয়ে কান্দিছে।

ৰণ্ট্‌জেনে একো বুজিব নোৱাৰিলে। সিচোন তাইক একো টানকৈ কোৱা নাই! তেন্তে তাই কান্দিলে কিয়? কান্দিবলৈ তাইক কিহে পালে?

ঃ ইমান টকাৰ মোৰ আৰু প্ৰয়োজন নাই ৰণ্ট্‌জেন।

এটা থোকাথুকি মাত।

সি আচৰিত হৈ গ'ল। বিস্ময়ত চকু দুটা বিস্ফোৰিত হৈ পৰিল। দৰ্ম্মহা বৃদ্ধিৰ কাৰণে কৰ্ম্মচাৰীয়ে আন্দোলন কৰে। ইউনিয়ন খোলে। সৰহ বেতন দাবী কৰে। অথচ ৰোজীয়ে কৈছে: ইমান টকাৰ তাইৰ আৰু প্ৰয়োজন নাই।

ইয়াৰ অৰ্থ কি? যোৱা চাৰি বছৰে দৰ্ম্মহা লোৱাৰ সময়ত তেনেদৰেতো তাই কেতিয়াও কোৱা নাই। তেন্তে তাইৰ আজি কি হ'ল? এই অদ্ভুত কথা তাই কেনেদৰে কব পাৰিলে?

ঃ মই একো বুজা নাই ৰোজী। তোমাৰ প্ৰাপ্যখিনি তুমি নলবা কিয় ?

ঃ লৈ কি কৰিম ?

ঃ কিয় ? আগেয়ে কি কৰিছিলা ?

ঃ তেতিয়া মা আছিল। মাক দিছিলোঁ। এতিয়াতো আৰু মা নাই। কাক দিম ? কাৰ কাৰণে খৰচ কৰিম ?

ঃ মানে ? তোমাৰ মা……।

ঃ ঢকুাল। আজি সোতৰ দিন হ'ল—মা নাই।

সি যেন বিশ্বাস কৰিব নোৱাৰিলে। আচৰিত হৈ ৰোজীলৈ চাই ৰ'ল।

ৰোজীৰ মাক ঢুকাল। অথচ সি গম পোৱা নাই। ৰোজীয়ে তাক কোৱা নাই। সেই মাকজনীৰ কথা তাই তাৰ আগত কিমান দিন কৈছিল। মাকজনীক তাই কিমান ভাল পাইছিল। খাবলৈ বহি তাই সদায় মাকজনীৰ কথাকে কয়। মাকৰ ৰন্ধা তৰকাৰী ভাতৰ প্ৰশংসা কৰে। তাই ভালপোৱা তৰকাৰীবোৰ কেনেদৰে ৰান্ধি খুৱায়—সেই কথা কয়।

ঃ তোমাৰ তেতিয়া ভীষণ অসুখ। মোমাইদেৰে চকিদাৰৰ হতুৱাই মোক খবৰ দিছিল। মই গৈছিলোঁ। কিন্তু তেতিয়ালৈকে মা আৰু মোলৈ বৈ থকা নাছিল। মাক সজাই-পৰাই কবৰশালীলৈ উলিয়াই দি মই আকৌ গুচি আহিলোঁ।

ৰণ্টজেনে কি কব একো ভাবি নাপালে।

ঃ তুমি হয়তো আচৰিত হৈছা। কিন্তু উপায় নাছিল ৰণ্টজেন। পৃথিৱীত মোৰ একমাত্ৰ বান্ধোন আছিল মা। কিন্তু বন্ধন মুক্ত কৰি আঁতৰি গ'ল। যিজন চিৰদিনলৈ হেৰাই গ'ল—হেজাৰ চেষ্টা কৰিও যাক পুনৰাই আৰু ওভোতাই আনিব নোৱাৰোঁ—সেইজনৰ কাৰণে চকুপানী টুকিব পাৰি। কিন্তু……।

ৰোজী বৈ গ'ল। বেদনাহত মাতটো আগতকৈও বেছিকৈ

থোকাথুকি হৈ পৰিল। তাৰ পিচত সংযত হবলৈ যত্ন কৰি আকৌ কৈ গ'ল ঃ কৰ্ত্তব্যক অৱহেলা কৰিব নোৱাৰি। তুমি অসুস্থ। জ্বৰত অচেতন। তেনে অৱস্থাত তোমাক অকলে এৰি……

উচুপনিত ৰোজীৰ মাত বন্ধ হৈ গ'ল।

ৰণ্ট্‌জেনে তাইক সান্ত্বনা দিয়াৰ ভাষা বিচাৰি নাপালে। সি অভিভূত হৈ পৰিল। এটাৰ পিচত আন এটা প্ৰশ্নই তাৰ মনত জুমুৰি দি ধৰিলে।

এয়া দাৰিত্ববোধ নে চাকৰিৰ মমতা?

মৰম, স্নেহ, ভালপোৱা নে মানৱতাৰ সেৱা।'

তাৰ পিচত বহু সময়ৰ নীৰৱতা। এটা অসহনীয় নিস্তব্ধতা। সেই মৌনতা ভাঙিবলৈ ৰণ্ট্‌জেনে বাৰে বাৰে যত্ন কৰিছিল। কিন্তু সুযোগ পোৱা নাছিল।

অলপ সংযত হৈ ৰোজীয়ে আকৌ কৈ উঠিল ঃ মই যামগৈ ৰণ্ট্‌জেন। তুমি সম্পূৰ্ণৰূপে সুস্থ হৈ উঠাৰ পিচত মোক আৰু ইয়াত ধৰি ৰাখিবলৈ যত্ন নকৰিবা। মই নাথাকিলেও তোমালোকে বহুত মানুহ পাবা।

ঃ চাকৰি এৰি দি কি কৰিবা?

ঃ চাকৰি মই কৰিবই লাগিব। কিন্তু ইয়াত নহয়। জানো— নতুনকৈ চাকৰি এটা পোৱা সহজ নহয়। তথাপি……।

ৰোজীয়ে কথাবোৰ শেষকৈ কব নোৱাৰিলে। তাইৰ কথাবোৰ সাঁথৰ সাঁথৰ যেন লাগিল। চাকৰি তাই কৰিবই লাগিব। নতুনকৈ চাকৰি পোৱা কঠিন বুলি জানিও এই চাকৰিটো তাই এৰি দিব খুজিছে। কিন্তু কিয়? তেনেহলে তাই বুজি পাইছে নেকি—এই গৱেষণাগাৰৰ দুৱাৰ সোনকালেই বন্ধ হৈ যাব। কেইদিনমান পিচত চাকৰি এৰি দিবলৈ কব।

ঃ ইয়াত চাকৰি নকৰা কেলেই? তাৰ মানে?

মনৰ আচল ভাবটো লুকুৱাই সি সুধিলে।

বোজীয়ে কিবা এষাৰ কব খুজি থমকি ৰ'ল।

: ইয়াত চাকৰি নকৰা। কিন্তু অইন ঠাইত কৰিবা। ইয়াৰ মানে কি বোজী?

ৰণ্ট্জেনে পুনৰ দোহাৰিলে।

: সেই কথা শুনি তোমাৰ কোনো লাভ নহয় ৰণ্ট্জেন।

: প্ৰত্যেক কথাতে লাভ-লোকচান বিচাৰ কৰা নেযায়। বিচাৰ কৰা অপ্ৰয়োজন।

এইবাৰো বোজীয়ে কিবা এষাৰ কব খুজি আকৌ থমকি ৰ'ল। সেপ ঢুকি যেন নিজকে প্ৰস্তুত কৰিলে। মনৰ মাজত সাহস গোটালে।

: মোৰ কথাবোৰে—মানে সেই কাৰণটোৱে যদি তোমাক আঘাত দিয়ে?

: তাৰ বিচাৰ মই কৰিম। আঘাত পাবলগীয়া কথা হলে আঘাত সহ্য কৰিবই লাগিব।

: মানুহবোৰৰ কি ধাৰণা জানা?

: কোৱা।

তাৰ পিচত আকৌ ইতস্ততঃ। যেন এষাৰ অতি অপ্ৰিয় কথা। সেই কথাটোকে কবলৈ তাই যেন নিজক প্ৰস্তুত কৰিব পৰা নাই। সাহস সঞ্চয় কৰিব পৰা নাই।

কিন্তু কবলৈ বাধ্য হৈছিল। তাৰ অনুৰোধ এৰাব নোৱাৰি অৱশেষত কৈছিল: মানুহে তোমাৰ-মোৰ চৰিত্ৰক লৈও টনা-আজোৰা কৰিব খোজে। কাৰণ......।

: কৰিবই। কৰাটো স্বাভাৱিক। কাৰণ তুমি-মই অকল-শৰীয়া। ইয়াত জনসমাগম নাই। এয়া কোনো অফিচ নহয়। গোপন হাউলি এটাত এজনী যুৱতী নাৰী অৱৰুদ্ধা। আবিয়ৈ। মই অবিবাহিত। ইয়াত কি হয়—কি কৰা—কিহৰ কাৰণে এই গোপন ব্যৱস্থা—মানুহে নাজানে।

ঃ সঁচা ৰণ্ট্জেন। মোৰ বৰ অসহ্য লাগিছে। মানুহবোৰৰ ধাৰণাঃ মই যেন বহুত তললৈ নামি পৰিছোঁ। বোকাত লেটি লোৱা এজনী ভ্ৰষ্টা। কাৰোবাৰ উপপত্নী। পাৰোঁ যদি ইয়াৰ পৰা গৈ মানুহৰ ধাৰণাটো……

ঃ সলনি কৰিবলৈ যত্ন কৰিবা? কিন্তু মিছা ৰোজী? ইয়াৰ পৰা তুমি ওলাই গলেও মানুহৰ ধাৰণা কোনো দিনেই আৰু সলনি নহয়। নাৰীৰ চৰিত্ৰ বৰ ঠুনুকা। ক্ষণভঙ্গুৰ। মিছা কলঙ্কৰ কাৰণেই বহুতো নাৰীৰ জীৱন ধ্বংস হৈ যায়। মানুহৰ ভ্ৰান্ত ধাৰণাই বহুতো গাভৰুক বোকাত নামিবলৈ বাধ্য কৰায়।

ঃ তেন্তে মোৰ কি হ'ব ৰণ্ট্জেন?

ৰোজীয়ে আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলে। হুক্হুক্কৈ কান্দি উঠিল। ৰণ্ট্জেনে তাইক সান্ত্বনা দিয়াৰ ভাষা বিচাৰি নাপালে। কি বুলিয়েইবা সান্ত্বনা দিব? কাৰণ কেইদিনমান পিচত সি নিজেই তাইক কবলৈ বাধ্য হবঃ তুমি যোৱাগৈ ৰোজী। গৱেষণাৰ কাম চিৰদিনলৈ বন্ধ হৈ গ'ল। ইয়াত তোমাৰ মোৰ আৰু কোনো প্ৰয়োজন নাই। অধ্যাপক আৰ্ভিন জন ককৰ মৃত্যুৰ লগে লগে সেই প্ৰয়োজন শেষ হৈ গৈছে।

পৃথিৱীলৈ তেতিয়া এন্ধাৰ নামি আহিছে। প্ৰচণ্ড শীতে যেন পৃথিৱীৰ মানুহবোৰক কোঙা কৰি পেলাব।

চিমনিৰ জুইকুৰা কিন্তু তেতিয়াও জ্বলি আছিল। ৰঙা।

॥ এঘাৰ ॥

ৰণ্ট্‌জেনং অধৈৰ্য্য হৈ পৰিল। চট্‌ফটাই উঠিল। আৰু নহয়— এনেদৰে সময় কটাব নোৱাৰি। আৰু হয়তো কেইটামান দিন। তাৰ পিচত চিৰদিনলৈ বন্ধ হৈ যাব গৱেষণা। নিষ্ফল হৈ যাব তাৰ সকলো আশা-আকাঙ্খা, ইমান বছৰৰ সাধনা আৰু পৰিশ্ৰম।

মিছেছ জন ককৰ চিঠি এখন যি কোনো মুহূৰ্ত্তে আহি তাৰ হাতত পৰিবহি পাৰে। পৰিবই।

……গৱেষণা বন্ধ কৰা ৰণ্ট্‌জেন। গৱেষণাৰ আৰু প্ৰয়োজন নাই। তোমাক বিদায় দিবলগীয়া হোৱা কাৰণে সঁচাকৈয়ে বৰ বেয়া লাগিছে। দুখ পাইছোঁ। কিন্তু মই নিৰুপায়। জন কক নাই। তুমি জানা ঃ মোৰ দ্বাৰা গৱেষণাৰ কাৰণে ধন সংগ্ৰহ কৰা অসম্ভৱ।

কথাবোৰ ভাবিলেই তাৰ উশাহ বন্ধ হৈ যাব খোজে। দুৰ্ব্বল গাৰেই সি গৱেষণাগাৰলৈ উঠি যায়। বোজীয়ে চমক দিয়ে। আৰু কেইদিনমান জিৰণি লোৱাৰ কথা কয়।

ঃ তুমি কাষত থাকিলে মোৰ কোনো কষ্ট নহয় বোজী। কামবোৰচোন তুমিয়ে কৰিবা। মই মাথোন তোমাৰ ওচৰত থাকিম। চাম।

বোজীক সন্তুষ্ট কৰিবলৈ সি তেনেদৰে কয়। কিন্তু আচল কথাটো

কব নোৱাৰে ঃ কিয় সি ইমান খৰখেদা কৰিছে। কিহৰ কাৰণে তাৰ ইমান ততাতৈয়া।

ৰণ্ট্জেনৰ ইচ্ছা ঃ মিছেছ জন ককৰ পৰা চিঠিখন আহি নৌপাওঁতেই যেন তাৰ পৰীক্ষা শেষ হৈ যায়। গৱেষণাগাৰ বন্ধ হৈ যোৱাৰ আগতেই সি জানিব বিচাৰে তাৰ এক্সপেৰিমেণ্টৰ শেষ ফলাফল। নহলে হয়তো চিৰদিনলৈ সি হেৰুৱাই পেলাব লাগিব এই সুযোগ। আধৰুৱা হৈ ৰব গৱেষণাৰ ফলাফল। কৃতকাৰ্য্যতাৰ মাজ পথতে বন্ধ হৈ যাব এটা নতুন আৱিষ্কাৰ।

প্ৰাথমিক পৰীক্ষা শেষ হৈছে। এন্দুৰ আৰু শহাপহুৰ ওপৰত চলোৱা এক্সপেৰিমেণ্ট কৃতকাৰ্য্য হৈছে। বাকী মাথোন দ্বিতীয় পৰ্য্যায়ৰ পৰীক্ষা। তাৰ বিশ্বাস ঃ বান্দৰৰ ক্ষেত্ৰত কৃতকাৰ্য্য হব পাৰিলে চূড়ান্ত পৰীক্ষাতো সি নিশ্চয় উত্তীৰ্ণ হব। মানুহৰ ক্ষেত্ৰতো জয় অৱশ্যম্ভাবী।

বোজীও বুজি পায়—ৰণ্ট্জেনে তাইক সঁচা কোৱা নাই। সকলো কাম ৰণ্ট্জেনেই কৰিব লাগিব। কাৰণ—গৱেষণাৰ তাই কি বুজে? কি জানে? গৱেষণাগাৰত তাই মাথোন ইটো সিটো যন্ত্ৰপাতি আগবঢ়াই দি তাক সহায় কৰে। হাৰ্ব আৰু প্লাণ্টবোৰৰ ৰেফাৰেঞ্চ ৰাখে। স্পেচিচ্বোৰ যতনাই থয়।

কিন্তু সি যদি মূৰ ঘূৰাই পৰি যায়? দুৰ্ব্বল শৰীৰ। অসুস্থ দেহ। তেনে অৱস্থাত ঘণ্টাৰ পিচত ঘণ্টা জুৰি অণুবীক্ষণ যন্ত্ৰৰ লেঞ্চৰ ওপৰত চকু স্থিৰকৈ ৰখাটো তাৰ কাৰণে জানো সম্ভৱ হব?

তাইৰ উপায় নাছিল। বোজীৰ হকা-বধালৈ আওকান কৰি ৰণ্ট্জেন গৱেষণাগাৰত সোমাই পৰিল। সৰ্পশিলাৰ টোপোলাটোৰ পৰা কিছু গুটি আঁতৰাই থৈ বাকীখিনিৰ পৰা প্ৰস্তুত কৰিছিল প্ৰয়োজনীয় ড্ৰাগ। ছাঁটোৰ দৰে তাৰ ওচৰতে ৰৈ থাকিল বোজী।

সেই ড্ৰাগ জন ককলৈ আৰু পঠিয়াব নালাগে। জন কক নাই। আটাইখিনি ড্ৰাগেই সি ব্যৱহাৰ কৰিব পাৰিব। প্ৰস্তুত কৰি উলিওৱা ড্ৰাগৰ পৰিমাণো তেনেই নগণ্য নহয়।

কিন্তু সেইখিনিয়েই জানো যথেষ্ট? দ্বিতীয় পৰীক্ষাৰ পিচত আকৌ চূড়ান্ত পৰীক্ষা। তেন্তে বান্দৰৰ ওপৰত পৰীক্ষা আৰম্ভ নকৰিবই নেকি? একেবাৰেই চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হব? কিন্তু কাৰ ওপৰত কৰিব সেই পৰীক্ষা? পৰীক্ষা কৰিবলৈ মানুহ পাব ক'ত? হাস্পাতালত?

ইমান সোনকালে আত্মপ্ৰকাশ কৰিব নোৱাৰি। হাস্পাতালৰ ৰোগীৰ ওপৰত পৰীক্ষা কৰিলে সি ধৰা পৰি যাব। নিজৰ বিপদ মাতি অনাৰ বাহিৰে লাভ একো নহব। ফলত পৃথিৱীৰ বুকুৰ পৰা চিৰদিনলৈ হেৰাই যাব এটা অমূল্য আৱিষ্কাৰ। জীৱনৰ পৰা বঞ্চিত হৈ পৰিব বিশ্বৰ হেজাৰ বিজাৰ মুমূৰ্ষ জনতা।

তাতকৈ বান্দৰৰ ওপৰত পৰীক্ষা কৰাই শ্ৰেয়।

অৱশেষত সেইটোকে কৰা হ'ল।

আকৌ আৰম্ভ হ'ল ব্যস্ততা আৰু পৰীক্ষা। এপ্লিকেশ্যন এণ্ড অবজাৰভেচন। ঔষধ প্ৰয়োগ আৰু নিৰীক্ষণ। বায়োপ্‌চি আৰু অটোপ্‌চি। কনকেভ, কনভেক্স আৰু দায়াফাৰ্ম।

সময় বাগৰিল। দিনবোৰ পাৰ হৈ গ'ল।

ওঁহো—মিছা।

ৰণ্ট্‌জেন নিৰাশ হৈ পৰিল।

শহাপহু আৰু বান্দৰৰ তেজত তেন্তে আৰু কিবা পাৰ্থক্য আছে নেকি? যি পাৰ্থক্য আজিলৈকে বিজ্ঞানীৰ চকুত ধৰা পৰা·নাই—তেনে পাৰ্থক্য।

এইবাৰ আৰম্ভ হ'ল দুবিধ বিভিন্ন তেজৰ মাজত পৰীক্ষা। দুটা বিভিন্ন প্ৰাণীৰ তেজ; শহাপহু আৰু বান্দৰৰ। বিভিন্ন পদ্ধতিৰে বিভিন্ন পৰীক্ষা কৰি অৱশেষত সি ভাগৰি পৰিল। শহাপহু আৰু

বান্দৰৰ তেজৰ মাজত সূক্ষ্ম পাৰ্থক্য বিচাৰি হাবাথুৰি খালে। প্ৰস্তুত কৰা হ'ল এটাৰ পিচত আন এটা চিৰাম। সূক্ষ্ম নিৰীক্ষণ আৰু পৰ্য্যাবেক্ষণ। কিন্তু লাভ একো নহ'ল।

দিন গ'ল। মাহ গ'ল।

হেজাৰ কষ্টৰ সুফল নফলিল। পৰীক্ষা কৃতকাৰ্য্য নহ'ল।

ৰণ্ট্জেনৰ মন ভাঙি পৰিল।

তেনেহলে সকলো পৰিশ্ৰম অথলে গ'ল? মিছা হ'ল তাৰ আৱিষ্কাৰ? কেন্সাৰৰ ঔষধ জানো তেন্তে আৰু কোনো দিনে নোলাবই? চিৰদিনেই নিৰ্ভৰ কৰি ৰব লাগিব ৰেডিঅ' থেৰাপি আৰু অনিশ্চিত অপাৰেশ্যনৰ ওপৰত? অকল কেমো-থেৰাপিৰ সহায়ত জানো কৃতকাৰ্য্য হব নোৱাৰি?

ঃ কেন্সাৰ কেন বি ট্ৰিটেড্ বাই চাৰ্জ্জিকেল ৰিম'ভাল অৰ বাই ৰেডিঅ' থেৰাপি অৰ ব'থ এণ্ড ইন চাম কেচেজ বাই কেমো থেৰাপি।

এয়া কেন্সাৰ বিশেষজ্ঞৰ অভিমত।

অস্ত্ৰোপচাৰ আৰু ৰঞ্জনৰশ্মিৰ চিকিৎসাৰ বাহিৰেও তেন্তে কিছুমান ক্ষেত্ৰত ঔষধ প্ৰয়োগ কৰি কেন্সাৰ ৰোগ চিকিৎসা কৰিব পাৰি।

ঃ ম'ৰ ওভাৰ ইট ইজ ইমপ'চিবল টু এভইড দি ডেষ্ট্ৰাক্শ্যন অৱ নৰ্ম্মেল টিচুজ ব'থ বাই দি চাৰ্জ্জনচ্ নাইফ্ এণ্ড ইভেন ম'ৰ লেথাল ওৱেপান অৱ ৰেডিয়েশ্যন।

তেনেহলে কেমো থেৰাপিয়েই প্ৰশস্ত?

কিন্তু কি সেই ঔষধ?

মেলিগ্নাণ্ট চেল আৰু নৰ্ম্মেল চেল।

নৰ্ম্মেল চেল স্পৰ্শ নকৰাকৈ মেলিগ্নাণ্ট চেলবোৰ অপসাৰণ কৰিব পাৰিলেই কৰ্কটৰোগ আৰোগ্য কৰিব পাৰি। সাধাৰণ দৃষ্টিত সহজ যেন লাগিলেও সেয়া কিন্তু সম্ভৱ নহয়।

ৰশ্মি চিকিৎসাৰ ফলাফল কি? প্ৰথম: এৰেষ্ট অৱ মাইট'চিচ্। কেমো থেৰাপিৰ সহায়ত জানো মাইট'চিচ্ অৱৰুদ্ধ কৰিব নোৱাৰি?

ঃ ডিজেনেৰেশ্যন এণ্ড ডেষ্ট্ৰাক্‌শ্যন অৱ চেলচ্ ঃ হোৱেন নিউক্লিয়াচ অৱ দি চেল ব্ৰেকচ্ আপ……।

নিউক্লিয়াচবোৰ বিজাতৰীয় আৰু ধ্বংস কৰিবলৈ অকল ৰশ্মি চিকিৎসাই জানো যথেষ্ট ?

কথাবোৰ মনত পৰি ৰণ্ট্‌জেনৰ খেলিমেলি লাগি যায়। আশা-নিৰাশাই মনৰ মাজত লুকাভাকু খেলে।

তাৰ পিচত ?

সেয়া এক এক্সিডেণ্ট।

এৰা, সেয়াও এটা মধুৰ দুৰ্ঘটনাই।

ঃ মানুহৰ দৰে পশু-পক্ষী নতুবা আন প্ৰাণীৰ তেজৰ গ্ৰুপিং আছে নে নাই ৰণ্ট্‌জেন ?

ৰণ্ট্‌জেনে তাইক বুজাই দিছিল।

ঃ ব্লাড গ্ৰুপ মিলিলেও ক্ৰছ ম্যাটছিং নিমিলিলে তোমালোকে তো সেই ব্লাড ট্ৰেন্স্‌ফিউজ নকৰা ?

ঃ ওঁহো। কেলেই সুধিলা ?

ঃ এনেয়ে। কিন্তু মোৰ ধাৰণা কি জানা ? বান্দৰ আৰু শহাপহুৰ তেজৰ মাজতো তেনে কিবা গঢ়মিল আছে নিশ্চয়। চিকিৎসা বিজ্ঞানীসকলে সেই কথা আজিও আৱিষ্কাৰ কৰিব পৰা নাই।

ৰণ্ট্‌জেনৰ হাঁহি উঠিব খুজিছিল। কিন্তু নাহাঁহিলে। এটা অনাবিষ্কৃত-কল্পনা। সত্যতাবিহীন ধাৰণা। সেই গঢ়মিল বিচাৰি উলিওৱাৰ বাবেই ইমানবোৰ পৰীক্ষা। ইমান দিনে সি সেই পৰীক্ষাকে কৰি আহিছে।

সিদিনাখনৰে ৰাতি।

শুই শুই সি তাৰ পৰাজয়ৰ কথাকে ভাবি আছিল। নিজকে বৰ অসহায় যেন লাগিল। গভীৰভাৱে অনুভৱ হ'ল জন ককৰ অভাৱ। জন ককৰ মৃত্যুত সি যেন অনাথ হৈ পৰিল। কাৰ লগত আলোচনা কৰিব ? কোনে তাক এই সমস্যাৰ সমাধান কৰি দিব ?

হঠাতে ৰণ্ট্‌জেনৰ মনত পৰিল : নট টু জিৰো—থ্রি জিৰো বাট টু জিৰো থ্রি চেভেন……।

তাৰ যেনিবা ভুলেই হ'ল। কিন্তু অধ্যাপক জন ককৰ? জন ককে বাৰু কি পাইছিল? নহলে সৰহকৈ সংগ্ৰহ কৰিবলৈ কব কিয়? কিয় বিচাৰিছিল সৰহ পৰিমাণৰ কেমিকেল এবষ্ট্ৰাক?

চিন্তাত থাউনি হেৰুওৱা ৰণ্ট্‌জেনৰ মনত অকস্মাতে এটা অদ্ভুত ধাৰণাই খোপনি পুতি বহিল। অনাবিষ্কৃত কল্পনাই যদি সত্য হয়? আৱিষ্কাৰ নহল বুলিয়েই জানো অবৈজ্ঞানিক? অসত্য?

শহাপহুৰ তেজ বান্দৰৰ গাত আৰু বান্দৰৰ তেজ শহাপহুৰ গাত সুমুৱাই কাহানিওতো সি পৰীক্ষা কৰি চোৱা নাই। এবাৰ পৰীক্ষা কৰি চালে কেনে হয়? ক্ষতি কি?

দিন পুৰণি হয়।

চিন্তাৰ শেষ নহয়। পৰীক্ষাৰ অন্ত নাই।

অৱশেষত ঘটিল এটা অবিশ্বাস্য ঘটনা।

আনন্দত ৰণ্ট্‌জেনে কিৰিলি পাৰি উঠিল। সূৰ্য্যৰ তীব্ৰ পোহৰে যেন ৰণ্ট্‌জেনৰ চুচকু চাট মাৰি ধৰিলে। পোহৰ আৰু পোহৰ। কিন্তু তাৰ চকু দুটাই যেন জলক-তবক দেখিছে।

কৃতকাৰ্য্যতাৰ উত্তেজনাত ৰণ্ট্‌জেন ভাগৰি পৰিল। সৰ্ব্বাঙ্গ শৰীৰ ঘামত তিতি গ'ল। ৰোজীয়ে আনন্দত চিঞৰি উঠিল। থ্রি চিয়াৰচ্‌ ফৰ……

: ফৰ গড চেক। এতিয়া নহয় ৰোজী। এটা কেচ পৰীক্ষা কৰিয়েই স্থিৰ সিদ্ধান্ত লব নোৱাৰি। অন্ততঃ আৰু দুটা কেচ……।

: চিওৰ চাক্‌চেচ্‌ ৰণ্ট্‌জেন। চিওৰ চাক্‌চেচ্‌। জয় তোমাৰ সুনিশ্চিত। এই জয়ৰ স্বৰ্ণমুকুট তোমাৰ। কিন্তু তুমি কেনেকৈ ধাৰণা কৰিছিলা যে উদ্ভিদৰ পৰাই আৱিষ্কাৰ হব এই মহৌষধ।

ৰোজীৰ প্ৰশ্নত সি থত্‌মত্‌ খাই গ'ল।

সেয়া জানো তাৰ ধাৰণা? তাৰ গৌৰৱ? চূড়ান্ত পৰীক্ষা

মানুহ। মানুহৰ ক্ষেত্ৰত যদি সঁচাকৈয়ে সি কৃতকাৰ্য্য হয় তেন্তে তাৰ বাবে গৌৰৱৰ অধিকাৰী কোন? অধ্যাপক আৰ্ভিন জন কক; চিকিৎসাবিদ গৱেষক নানাৱতী নে সি?

মানুহৰ ক্ষেত্ৰত সফল নহব বুলি ইয়াৰ পিচত সন্দেহ কৰাৰ জানো কিবা থল আছে? তথাপি সন্দেহ। তথাপি আশঙ্কা। সন্দেহ আৰু আশঙ্কা। সেই সন্দেহ মুক্ত হব নোৱাৰালৈকে তাৰ শান্তি নাই। টোপনি নাহে।

কিন্তু কৃতকাৰ্য্য নহব কিয়?

যক্ষ্মা আৰু ষ্ট্ৰেপটোমাইচিন। এটা দীঘলীয়া কোৰ্চ।

কেন্সাৰ নিবাৰণৰ কাৰণেও হয়তো প্ৰয়োজন হব এটা দীঘলীয়া কোৰ্চ। হওঁক। তথাপি মানুহে সকাহ পাব। মৃত্যুমুখীজনে ওভোতাই পাব জীৱন। হেৰাই যোৱা হাঁহি; জীৱনৰ ৰং।

উদ্ভিদৰপৰা নহৈ চিন্‌থেটিক্ প্ৰণালীৰেওতো কেন্সাৰৰ ঔষধ প্ৰস্তুত হব পাৰে। প্ৰস্তুত কৰিব পাৰি। হয়তো পাৰি। কিন্তু উদ্ভিদ বেছি সম্ভৱনাপূৰ্ণ ইন্‌গ্ৰেডিয়েণ্ট—মূল উপাদান।

অধ্যাপক আৰ্ভিন জন ককে ঠিকেই কৈছিল।

মেলেৰীয়াৰ ঔষধ কুইনাইন প্ৰস্তুত কৰা হ'ল চিনকোনা গছৰ পৰা। হৃদ্‌ৰোগৰ শক্তিশালী একমাত্ৰ ঔষধ ডিজিটেলীচ্ জানো ডিজিটেলীজ লেনেটাৰ পাত আৰু লিলি অৱ ভেলীৰ পৰা তৈয়াৰ হোৱা নাই? সৌ সিদিনালৈকে দুৰাৰোগ্য বুলি ভবা যক্ষ্মাৰ দৰৱ ষ্ট্ৰেপ্‌ট'মাইচিন এটা আশ্চৰ্য্যজনক আৱিষ্কাৰ। ষ্ট্ৰেপ্‌ট'মাইচিনৰ মূল উপাদান কি? ষ্ট্ৰেপ্‌ট'মাইচিন গ্ৰিজিয়াৰ্চ; এবিধ উদ্ভিদ। ৰ'ফলিয়া চাৰপেনটিনাৰ শুকান মূল আৰু বাকলিৰ পৰাইতো প্ৰস্তুত কৰা হ'ল ৰক্তচাপৰ মহৌষধ ৰিচাৰপাইন। এপি কেকোৱানা মানে বান্দৰ কেকোৱা নেকি বাৰু? এপি কেকোৱা মানে যদি বান্দৰ কেকোৱা— তেন্তে সেই বিষাক্ত শুংথকা আৱৰ্জনা বুলি ভবা এপি কেকোৱানাৰ পৰা প্ৰস্তুত কৰা দৰৱে মানুহৰ জীৱন জানো ৰক্ষা কৰা নাই?

এমিবায়ওচিচ্‌ৰ ঔষধ এমিটিন্‌ প্ৰস্তুত কৰিবলৈচোন এপি কেকোৱানা নহলেই নহয়।

কথাবোৰ ভাবিলে যদিও ৰণ্ট্‌জেনে ফুটাই নকলে। কিন্তু কিবা এষাৰ নকলে নিতান্ত অশোভনীয় হব বুলিয়েই কৈ উঠিল : ধাৰণা নহয় ৰোজী, এটা প্ৰচেষ্টা। কেন্সাৰৰ ঔষধ যে ওলাবই তাৰো কোনো নিশ্চয়তা নাই। সেইবুলি জানো যত্ন কৰা অন্যায়? প্ৰচেষ্টা চলোৱা অনুচিত?

: কেন্সাৰৰ ঔষধ নোলাব মানে? তুমি কি কৈছা ৰণ্ট্‌জেন?

ৰোজীৰ চকুত আশ্চৰ্য্য আৰু সন্দেহ মিহলি দৃষ্টি।

ৰণ্ট্‌জেনে বুজিছিল তাই তেনেদৰে আচৰিত হৈ তালৈ চোৱাৰ কাৰণ কি।

: শহাপহু নতুবা বান্দৰৰ ক্ষেত্ৰত যি ফলপ্ৰসূ মানুহৰ ক্ষেত্ৰত সেয়া ফলপ্ৰসূ নহবওতো পাৰে।

: হব; হব। হব। নহব কিয়?

: কিন্তু আমাৰ ষ্টক্‌ সীমিত। মানুহৰ ক্ষেত্ৰত কৃতকাৰ্য্য হোৱাৰ পিচত বিশ্বক প্ৰমাণ কৰি দেখুৱাবলৈ আমাৰ হাতত ষ্টকেই নাথাকিব। নতুনকৈ প্ৰস্তুত কৰিবলৈকেও ইন্‌গ্ৰেডিয়েণ্ট নাই। তদুপৰি পৰীক্ষা চলাবলৈ মানুহ পাম ক'ত? কাৰ ওপৰত পৰীক্ষা কৰিম?

ৰণ্ট্‌জেনৰ কথাত ৰোজী শেঁতা পৰি গ'ল।

তাৰ পিচত কিছু সময়ৰ মৌনতা। কাৰো মুখত মাত নাই।

: ৰণ্ট্‌জেন।

মৌনতা ভাঙি কিবা এষাৰ কব খুজি ৰোজীয়ে তালৈ চাই ৰ'ল। দৃষ্টি ঘূৰাই ৰণ্ট্‌জেনেও তাইলৈ চাই পঠিয়ালে। কিন্তু একো নামাতিলে। কবলগীয়া একো নাছিল।

: মই মানুহ নহয় নেকি?

: কোনে কৈছে তুমি মানুহ নহয়?

: তেনেহলে মোৰ ওপৰত পৰীক্ষা নকৰা কিয়?

ৰণ্ট্জেন বিস্মিত হৈ পৰিল। সন্মুখত ভূত দেখা মানুহৰ দৰে অবাক দৃষ্টিৰে একেৰাহে তাইলৈ চাই ৰ'ল। সি যেন তাৰ কান দুখনকে বিশ্বাস কৰিব পৰা নাই।

ঃ তোমাৰ পৰীক্ষাৰ কাৰণে মই উপযুক্ত নহয় নেকি ?

ঃ কিন্তু যদি কৃতকাৰ্য্য হব নোৱাৰোঁ ? তোমাক আৰোগ্য…।

ঃ মৰিম ? ইমানেইতো ? সেয়া মই সৌভাগ্য বুলি ভাবিম ৰণ্ট্জেন। সেই মৃত্যু মোৰ বৰণীয় মৃত্যু। তেনে মৃতক হবলৈ সৌভাগ্য লাগিব।

ৰণ্ট্জেনৰ কথাৰ ওপৰতে আবেগ ঢালি ৰোজীয়ে কৈ উঠিল।

ঃ ৰোজী—ৰো—জ।

এটা অবিশ্বাস্য অদ্ভূত প্ৰস্তাৱ। অভাৱনীয় ত্যাগ। কল্পনা কৰিব নোৱাৰা আত্ম বলিদান। বিস্ময়ত হতবাক ৰণ্ট্জেন অভিভূত হৈ পৰিল। জনকল্যাণৰ বেদীত জীৱন উচৰ্গা কৰিব খোজা ৰোজী যেন নাৰী নহয়—এজনী মহিয়সী। দেৱী। তাইৰ ওচৰত ৰণ্ট্জেনৰ নিজকে বৰ সৰু সৰু যেন লাগিল। হেয় যেন অনুভৱ হ'ল।

ৰোজী ইমান মহৎ !

ঃ অসম্ভৱ ৰোজ। সেয়া কেতিয়াও হব নোৱাৰে। এনেদৰে মই তোমাক কেতিয়াও মৃত্যুমুখলৈ ঠেলি দিব নোৱাৰোঁ।

ঃ এয়া তোমাৰ স্বাৰ্থপৰতা ৰণ্ট্জেন। দুৰ্ব্বলতা।

ৰণ্ট্জেনৰ ভাষা তেতিয়া হেৰাই গৈছে। কিবা এটা অবুজ উত্তেজনাত ৰোজীক সাৱটি ধৰি অনুচ্চ সুৰত কৈ উঠিলঃ তুমি ইমান উদাৰ ! ইমান সুন্দৰ !

আৰু সেইদিনা দুপৰীয়াই ৰণ্ট্জেনে পাইছিল এখন চিঠি। এটা দীঘলীয়া গধুৰ খাম—মিছেছ জন ককৰ।

## ॥ বাৰ ॥

সুনীতি, সুনন্দা, জয়া, বাসন্তী আৰু কল্পনা।

পাঁচজনী যৌৱনপূৰ্ণ গাভৰু। হয়তোবা কোনোবাজনী যুৱতী বোৱাৰী।

ৰণ্ট্‌জেনৰ চৰিত্ৰৰ ওপৰত ৰোজীৰ সন্দেহ হৈছিল।

সেই কথা এতিয়া থ'ক।

ৰোজীয়ে লক্ষ্য কৰিছিল—কেইদিনমানৰপৰা ৰণ্ট্‌জেন অস্বাভাৱিকভাৱে আনমনা হৈ পৰিছে। আগৰ ৰণ্ট্‌জেন আৰু এইজন ৰণ্ট্‌জেনৰ মাজত যেন বহুত পাৰ্থক্য।

কেতিয়াবা উন্মাদৰ দৰে হঠাতে বাহিৰলৈ ওলাই যায়। ক'লৈ যায়; কিয় যায়—ৰোজীয়ে নাজানে। সুধিলেও নকয়। ঘৰলৈ যেতিয়া ঘূৰি আহে তেতিয়া সন্ধিয়া লাগি ভাগে। কেতিয়াবা কেতিয়াবা আকৌ সোনকালেই ঘৰ পায়হি।

আজিকালি লেবৰ'টৰীলৈ প্ৰায়ে নাযায়। সংগ্ৰহৰ কাম সম্পূৰ্ণৰূপে বন্ধ। প্লাণ্ট আৰু হাৰ্ব জীয়াই ৰখা পথাৰখনত কিবাকিবি খুচুৰি ফুৰে। মাটিৰ নমুনা আনি পৰীক্ষা কৰে। তাৰ পিচত হতাশ দৃষ্টিৰে ওপৰলৈ চাই বিছনাত শুই পৰে। খোৱা-বোৱাৰ কোনো ঠিক নাই। কোনোবা দিনা দিনৰ দিনটো একো নোখোৱাকৈয়ে কটাই দিয়ে। কেতিয়াবা আকৌ আধাখোৱাকৈ খোৱা মেজৰ পৰা উঠি

আছে। ৰোজীয়ে সুধিলে হাঁহে ; নতুবা একো নোকোৱাকৈ চিন্তিত-ভাৱে মুখ গম্ভীৰ কৰি আঁতৰি যায়। দঢ়াই দঢ়াই সুধিবলৈও তাইৰ সাহস নহয়।

এদিন দুদিন নহয়। তেনেদৰে মাহৰ পিচত মাহ বাগৰি -যায়।

মে মাহ। দিন দীঘল।

ৰণ্ট্‌জেন ৰাতিপুৱাই কৰবালৈ ওলাই গৈছে। কেতিয়া উভতি আহে ঠিক নাই। ঘৰটোত অকলে অকলে সোমাই থাকি ৰোজীৰ আমনি লাগিল। মিছেছ জন ককৰ চিঠিখনলৈ মনত পৰিল। সেই চিঠিখন পোৱাৰ পিচৰে পৰা আৰম্ভ হৈছে ৰণ্ট্‌জেনৰ এই অস্বাভাৱিক পৰিবৰ্ত্তন। চিঠিখনত কি লিখিছে বাৰু ? সিদিনা ৰণ্ট্‌জেনক তাই সুধিছিল ঃ কি লিখিছে ৰণ্ট্‌জেন ?

ঃ কল্পনাতীত এটা শুভ সংবাদ। চিঠিখন পঢ়ি চাবা।

তাই পঢ়ি চোৱা নাছিল।

পঢ়ি চোৱা নাছিল মানে ৰণ্ট্‌জেনে চিঠিখন পঢ়ি থকা সময়তে কিবা এটা কামত তাই হঠাতে ব্যস্ত হৈ পৰিবলগীয়া হৈছিল। তাৰ পিচত চিঠিখনৰ কথা তাই পাহৰিয়েই গৈছিল।

ঃ .........ইয়াৰ গৱেষণাগাৰটো আছে। থাকিব। কিন্তু মিঃ জন কক নাই। গতিকে তোমাৰ শাখা কেন্দ্ৰটোৱে হব মূল গৱেষণা-গাৰ। তোমাৰ প্ৰয়োজনমতে টকা-পইচা, যন্ত্ৰপাতি—যেতিয়াই যি আৱশ্যক হয়—সেইমতে পঠিয়াই দিম। মনত ৰাখিবা, মিঃ জন ককৰ আশা যেন ফলৱতী হয়। প্ৰয়োজন হলে তুমি ইয়ালৈ আহিও গৱেষণা কৰিব পাৰিবা। তোমাৰ কাৰণেই গৱেষণাগাৰটো যেনেদৰে আছে তেনেদৰেই থাকিব। কিন্তু ইয়াৰ গৱেষণাগাৰত অইন কোনো গৱেষক নাথাকে।

মিঃ জন ককে মৃত্যুৰ পদধ্বনি শুনিছিল নেকি নাজানো। নহলে মৃত্যুৰ কেইদিনমান আগতে উইলখন তেনেদৰে খৰখেদাকৈ নকৰিলে-হেঁতেন কিজানি।

গৱেষণাগাৰ ছুটাৰ সৈতে আমাৰ সকলো সম্পত্তিৰ তিনি চতুৰ্থাংশ গৱেষণাৰ কাৰণে তোমাৰ নামত উইল স্বত্বে দান দি গৈছে। ইচ্ছা-পত্ৰৰ তোমাৰ কপিটো ইয়াৰ লগত পঠিয়াই দিলোঁ।

ভগৱানে তোমাক দীৰ্ঘায়ু কৰক। তুমি ফলৱতী হোৱা। জন ককৰ অভিলাষ পূৰ্ণ হওঁক। স্বৰ্গগামী আত্মাই তোমাক আশীৰ্ব্বাদ দিব। বিশ্বমানৱে পিন্ধাব জয়মাল্য।

মই বোধহয় সঁকিয়াই নিদিলেও হব। তথাপি সোঁৱৰাই থলোঁ—খুউব সাৱধানে চলিবা। মানুহৰ জীৱনৰ দাম যিমানে বাঢ়ি যায়—তাৰ বিপদো সিমানে বাঢ়ে। তোমাৰ গৱেষণাৰ ফলাফলে বিশ্ব চিকিৎসা বিজ্ঞান সস্থাৰ স্বীকৃতি পোৱাৰ আগতে যাতে কেৱে গম নাপায় তাৰ বাবে সাৱধান হবা। মনত ৰাখিবা—তোমাৰ জীৱন সংশয়পূৰ্ণ।......

ৰোজী সঁচাকৈয়ে বিমোহিত হ'ল।

ইমান ত্যাগ! ইমান মহান! এইবোৰ মানুহ নে দেৱতা?

ইচ্ছা-পত্ৰখন পঢ়ি চোৱাৰ তাইৰ আৰু আগ্ৰহ নহ'ল। ৰণ্টজেনৰ পৰিবৰ্ত্তনৰ কাৰণটো যেন পৰিস্কাৰ হৈ পৰিল। বিশ্বাস আৰু সততা ৰক্ষা কৰি যি কোনো প্ৰকাৰে ৰণ্ট্জেনে বিচাৰে জয়।

কিন্তু ৰণ্ট্জেন ইমান স্বাৰ্থপৰ কিয়?

অভিমানত তাইৰ মন বিক্ষিপ্ত হৈ পৰিল। ইমান ডাঙৰ এটা সুসংবাদ। অথচ সি তাইক এবাৰো কোৱা নাই। তাৰমানে—সি তাইক বিশ্বাস নকৰে নেকি? আপোন বুলি নাভাবে?

এৰা, ৰোজীতো তাৰ কোনো নহয়। তেন্তে আত্মীয়তাৰ দাবী বিচৰাৰ যুক্তি ক'ত?

ৰোজীয়ে নিজকে বুজাব খোজে।

: কি হ'ল ৰোজী? মনটোচোন মাৰি আছা।

নিশা খোৱা মেজত বহি ৰণ্ট্জেনে তাইক সুধিছিল।

ঃ কি হব ?  একো হোৱা নাই।  হলেওতো কাৰো একো নহয়।

বোজীৰ উত্তৰত অভিমানৰ ঝঙ্কাৰ।

ৰণ্ট্‌জেনে বুজিছিল—বোজীৰ মন-আকাশত ডাৱৰে থুপ খাইছে। তাইলৈ তাৰ বেয়াও লাগিল।  বেচেৰী, বৰ অকলশৰীয়া।  পৃথিৱীত তাইৰ কোনো নাই।  নোহোৱা নহয় ; আছিল।  আজি নাই।

মাতৃপ্ৰধান সমাজত বিয়াৰ পিচত ছোৱালী দৰাৰ ঘৰলৈ নাযায়। দৰা ছোৱালীৰ ঘৰলৈ যায়।  বোজীৰ ককায়েকহঁতো তেনেদৰে এদিন আঁতৰি গৈছিল।

ৰণ্ট্‌জেনৰ মনটো সেমেকি পৰিল।  তাই আজি অকল কৰ্ম্মচাৰিণীয়েই নহয়।  সিহঁতৰ মাজত গঢ়ি উঠিছে এটা সহজ আত্মীয়তা। বোজীয়ে অন্ততঃ তেনে এটা আত্মীয়তা গঢ়ি তুলিবলৈ যত্ন কৰিছে।

তাইৰ মনত আঘাত দিয়াটো অন্যায়।  অনুচিত।  ৰণ্ট্‌জেনো আজি বৰ অকলশৰীয়া।  তদুপৰি বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সি তাইক সন্তুষ্ট কৰি ৰাখিবই লাগিব।  নহলে যদি বোজীয়ে সকলো গোপন খবৰ প্ৰকাশ কৰি দিয়ে ?

সি এদিন নিজেই ভুল কৰিছিল।

ৰণ্ট্‌জেনে তাইক কৰ্ম্মচাৰীৰ দৰে ব্যৱহাৰ কৰা নাছিল।  তাৰ অজ্ঞাতেই গঢ়ি উঠিছিল ককাই-ভনীৰ এটা সহজ সম্বন্ধ।  গভীৰ বিশ্বাসেৰে সি তাইক বহুত কথা কৈছিল।  সিহঁতৰ গৱেষণাৰ উদ্দেশ্য আৰু কৃতকাৰ্য্যতাৰ কথাও বোজীয়ে ইতিমধ্যে গম পাইছে।  সি নিজেই তাইক জনাইছে।  ইন্‌গ্ৰেডিয়েণ্ট সংগ্ৰহ কৰা দেখিছে।

তাই অসন্তুষ্ট হৈ আঁতৰি গলে তাৰ সৰ্ব্বনাশ হব।  মিছেছ্‌ জন ককৰ সাৱধান বাণীষাৰলৈ মনত পৰিল ঃ মনত ৰাখিবা তোমাৰ জীৱন সংশয়পূৰ্ণ।

তদুপৰি বোজীয়ে তাৰ আজি একমাত্ৰ বিশ্বাসী সহযোগী। তাইৰ ওপৰত সি হয়তো এদিন বহু দায়িত্বই জাপি দিবলৈ বাধ্য হব।

ঃ বুজিছোঁ।  মোৰ ওপৰত তুমি খং কৰিছা।  নহয় বোজী ?

: কেলেই খং কৰিম ? তোমাৰ ওপৰত খং কৰিবলৈ মোৰ কি অধিকাৰ আছে ?

ৰোজীৰ কথাত কৰ্কশ সুৰ।

: মই দিশহাৰা হৈ পৰিছোঁ ৰোজী। আমাৰ হাতত ষ্টক বৰ কম। লিজেণ্ডৰ কথাই বোধহয় সঁচা। সৰ্পশিলাৰ কিছু বীজ মই সিঁচিছিলোঁ। নগজিল। পাহাৰৰ মাজৰ সেই ঠাইডোখৰত সঁচাকৈয়ে কোনোবাই আফুখেতি কৰিছে। বিভিন্ন ঠাইৰ মাটিৰ নমুনা আনি পৰীক্ষা কৰিছোঁ। কিন্তু সৰ্পশিলাৰ গুটি সংগ্ৰহ কৰা ঠাইৰ মাটিৰ নমুনা অকণো নিমিলে। চইল টেষ্ট কৰি মই নিৰাশ হৈ পৰিছোঁ। তাতকৈও আচৰিত কথা কি জানা ?

ৰণ্ট্‌জেনে বুজিছিল—মনৰ ডাৱৰ আঁতৰাব নোৱাৰিলে ৰোজীৰ পৰা উত্তৰ পোৱাৰ আশা মিছা। কথাবোৰ সেই কাৰণেই সি বক্তৃতাৰ সুৰত কৈ গ'ল।

: পাহাৰৰ মাজৰ সেই ঠাইখিনিতো সৰ্পশিলাৰ গুটি সিঁচিছিলোঁ। কিন্তু নগজিল। অথচ সেই ঠাইতেই সিদিনা গজিছিল হেজাৰ হেজাৰ ফুল।

: নগজিল ?

ৰোজীৰ প্ৰশ্নত আশ্চৰ্য্যৰ সুৰ।

: নগজিল ৰোজ। হিমালয়ৰ উচ্চতম শৃঙ্গৰ শেষ বিন্দুত উপনীত হৈও আমি কিজানি বিজয় পতাকা পুতিবলৈ অসমৰ্থ হম। পৰাজয়ৰ গ্লানি লৈ আমি আকৌ হিমালয়ৰ পাদদেশলৈ নামি আহিব লাগিব। কাৰণ আমাৰ হাতত ষ্টক নাই। ইনগ্ৰেডিয়েণ্টৰ অভাৱ। আৱিষ্কাৰ ফলৱতী হলেও তাৰ দ্বাৰা বিশ্বমানৱ উপকৃত নহয়। মূল উপাদানৰ দুষ্প্ৰাপ্যতাই মোক হতাশ কৰি পেলাইছে।

: মিছা কথা ৰণ্ট্‌জেন। এয়া তোমাৰ দুৰ্ব্বল মনৰ হতাশা। নিশ্চয় ক'ৰবাত এই দুষ্প্ৰাপ্য উদ্ভিদৰ ভাণ্ডাৰ প্ৰকৃতিয়ে লুকাই ৰাখিছে। লুকাই আছে। জীৱন পণ কৰি হলেও বিচাৰি উলিয়াবই লাগিব।

ঃ লাগিব। কিন্তু কেনেকৈ? ক'ৰবাত নিশ্চয় লুকাই আছে—সঁচা। কিন্তু ক'ত সেই ভাণ্ডাৰ?

ৰণ্ট্জেন বৈ গ'ল। গধুৰ হুমনিয়াহ এটা সৰি পৰিল।

তাৰ পিচত কিছু সময়ৰ নীৰৱতা। নিঃশব্দে খোৱাত ব্যস্ত হৈ পৰিল।

ঃ এনে অৱস্থাত তুমি মোক খং কৰিলেও মোৰ উপায় নাই ৰোজ।

সুযোগ বুজি নীৰৱতা ভাঙি ৰণ্ট্জেনে কৈ উঠিল।

ঃ মোৰ কাৰণে তুমি কিয় ইমান চিন্তা কৰিছা বাৰু? তোমাৰ ওপৰত কিমান দায়িত্ব মই জানো নুবুজোঁ? কিন্তু মোৰ কিয় বেয়া লাগিছিল জানা?

ৰণ্ট্জেনে মূৰ দাঙি তাইলৈ চালে। অৰ্থাৎ—কোৱা।

ঃ মিছেছ্ জন ককে কি লিখিছিল তুমি মোক আজিলৈকে নকলা।

ঃ কেলেই? চিঠিখন জানো তুমি পঢ়া নাই? মই সঁচাকৈয়ে বৰ দুঃখীত ৰোজ। ভাবিছিলোঁ—ইচ্ছাপত্ৰ আৰু চিঠিখন তুমি নিশ্চয় পঢ়িছা। গতিকে মই নতুনকৈ তোমাক জনাবলগীয়া একো নাই। বেয়া নাপাবা ৰোজ। খোৱা হলেই মই চিঠিখন তোমাক উলিয়াই দিম। পঢ়িবা।

ৰোজীয়ে একো নামাতিলে। ইতিমধ্যে তাই যে চিঠিখন পঢ়িছে সেই কথাও নকলে।

তাৰ কেইদিনমান পিচত।

ৰাতিপুৱাই ৰণ্ট্জেন ওলাই গৈছিল। ক'লৈ গৈছিল ৰোজীয়ে নাজানে। কেইদিনমানৰ পৰা ৰণ্ট্জেন ৰাতিপুৱাই ক'ৰবালৈ ওলাই যায়। সন্ধিয়াৰ লগে লগে ঘূৰি আহে। কিন্তু সিদিনা ঘূৰি আহোঁতে ৰাতি ভালেমান হৈছিল।

আৰু?

অইন দিনাৰ দৰে ৰণ্ট্জেন অকলে ঘূৰি অহা নাই। লগত

কেইজনীমান যুৱতী মহিলা। অভাৱ-অনাটনত পিষ্ট দেহ। গাত মলিয়ন সাজপাৰ। চকুত সৰ্ব্বহাৰাৰ অসহায় কৰুণ দৃষ্টি।

মহিলা কেইজনীলৈ তাইৰ পুতৌ জন্মিল।

মানুহ কেইগৰাকীৰ বিষয়ে ৰণ্ট্জেনে সিদিনা তাইক একো কোৱা নাছিল। ৰোজীক অকলশৰীয়াকৈ মাতি নি মাথোন কৈছিল: গা-মূৰ ধুবলৈ ৰোলেন-আৰ্জ্জেণ্টইঁতক পানী-চুনি দিবলৈ কোৱা। আজিৰ পৰা আমাৰ আলহী। বেচেৰীইঁত বৰ হতভাগিনী।

কথা কেইষাৰ কৈ ৰণ্ট্জেন গা-ধোৱা ঘৰত সোমাল।

সেই যুৱতী কেইজনীয়েই সুনীতি, সুনন্দা, জয়া, বাসন্তী আৰু কল্পনা। ৰণ্ট্জেনে নকলেও সুনীতি, সুনন্দাইঁতৰ পৰিচয় পাবলৈ ৰোজীৰ সৰহ সময় নালাগিল। অকণো অসুবিধা নহ'ল। সুনীতি-ইঁতেই ৰোজীৰ ওচৰত প্ৰকাশ কৰিছিল সিইঁতৰ আত্মপৰিচয়।

দিন বাগৰিল।

সুনীতিইঁত ক্ৰমান্বয়ে ৰোজীৰ ওচৰ চাপি আহিল। পৰস্পৰৰ মাজত গঢ়ি উঠিল এটা সহজ সম্পৰ্ক।

এটা যুগৰ সাক্ষী সুনীতি, সুনন্দা, জয়া, বাসন্তী আৰু কল্পনা। য়াহায়াৰ বৰ্ব্বৰ অত্যাচাৰৰ জীৱন্ত স্বাক্ষৰ; মূৰ্ত্তিমান প্ৰতিচ্ছবি। সিইঁতৰ সৰ্ব্বস্ব হেৰুওৱাৰ কাহিনী শুনি ৰোজী শিঁহৰি উঠিল। পুতৌ আৰু সমবেদনাত মন ভৰি পৰিল। অত্যন্ত মৰ্ম্মন্তুদ সেই কাহিনী। সেয়া এক ইতিহাস-বিৰল মানুহৰ অপমানৰ বুৰঞ্জী।

অকল সুনীতিইঁতেৰে নহয়—জয়া, বাসন্তীইঁতৰ দৰে হেজাৰ জনৰ ঘৰ ভাঙিল। সহস্ৰ জীয়াৰী, বোৱাৰী আৰু সম্মানিতা মাতৃ ধৰ্ষিতা, লাঞ্ছিতা হ'ল। পূব পাকিস্থানত ৰক্ত-গঙ্গাৰ জোঁৱাৰ উঠিল। লাঞ্ছিতা হ'ল কলেজৰ অগনন ছাত্ৰী। নিহত হ'ল হেজাৰজন স্বামী, পিতা-পুত্ৰ, ছাত্ৰ, শিক্ষক আৰু অধ্যাপক। সমূহীয়াভাৱে হত্যা কৰা হ'ল লাখ লাখ বুদ্ধিজীৱিক। স্বামীৰ সন্মুখত লাঞ্ছিতা হ'ল সহস্ৰ বিবাহিতা পত্নী আৰু মাতৃ; পিতৃৰ সন্মুখত অলেখ

দুহিতা। চাৰিওফালে মৰাশৰ দ'ম। বতাহত মৰা মানুহৰ পচা গোন্ধ। মাটিত তেজৰ প্লাৱন। আকাশত কাউৰী আৰু শগুণৰ জাক। কোনো প্ৰতিবাদ নাই। প্ৰতিৰোধ নাই। বিশ্ব-ইতিহাসত ৰচিত হ'ল বৰ্ব্বৰতাৰ এক নতুন অধ্যায়।

ভীত, সন্ত্ৰস্ত, সৰ্ব্বহাৰাৰ দল ঘৰ এৰি ভগনীয়া হ'ল। পতিয়ে পত্নীক, পত্নীয়ে স্বামীক আৰু পিতৃ-মাতৃয়ে দুহিতা আৰু পুত্ৰক হেৰুৱাই প্ৰাণ লৈ পলাল। জীৱনৰ মমতাত আশ্ৰয় আৰু নিৰাপত্তা বিচাৰি ভাৰতত সোমাল। লাখ লাখ ভগনীয়াই হেৰোৱাজনৰ কাৰণে টোকা চকুপানীত ভাৰতৰ মাটি সেমেকি পৰিল।

সৰ্ব্বহাৰাৰ সেই সহস্ৰ জনতাৰ এটা সৰু গোট—সুনীতি, সুনন্দা, জয়া, বাসন্তী আৰু কল্পনা।

সকলো হেৰুৱাই সিহঁত পলাই আহিছিল। হয়তোবা প্ৰাণৰ মমতাত; নতুবা বৰ্ব্বৰ অত্যাচাৰৰ সহিব নোৱাৰা অমানুষিক তাড়নাত। প্ৰতিহিংসাৰ জিঘাংসাত হাবি-বননিয়ে লুকাই ফুৰিছিল হেজাৰ বিজাৰ গৰিলাৰ দ'ল।

ভগনীয়া শিবিৰৰ পৰা সুনীতিহঁতক ৰণ্ট্‌জেনে ধৰলৈ লৈ আহিছিল। কিন্তু পোনপটীয়াভাৱে নহয়; হাকুটি লগায়। ভাৰতত দালালৰ অভাৱ নাই। ভগনীয়া শিবিৰত মানুহৰ দালালী। অৱশ্যে সেই দালালীৰ ব্যৱস্থা কৰিছিল ৰণ্ট্‌জেনে।

সুনীতিৰ কেন্সাৰ; কণ্ঠনলীৰ। সুনন্দাৰ খাদ্যনলীত। জয়া আৰু বাসন্তীৰ ইউটেৰাচত। কল্পনাৰ ব্ৰেষ্টৰ কেন্সাৰ।

ভগনীয়া শিবিৰত কেন্সাৰ ৰোগীৰ চিকিৎসা নহয়। কাৰণ— চিকিৎসাৰ সুবিধা নাই। সুনীতি-সুনন্দাহঁতৰো আৰু জীয়াই থকাৰ ইচ্ছা নাছিল। কিন্তু মৰিব খুজিলেই মানুহ মৰিব নোৱাৰে।

সুনীতি আৰু সুনন্দা দিনক দিনে শুকাই-ক্ষীণাই গৈছিল। জয়া, বাসন্তী আৰু কল্পনাৰ উন্নতি হৈছে। ফিৰি আহিছে দেহশ্ৰী; হেৰোৱা যৌৱন।

আৰু ৰণ্ট্জেন?

জয়া, বাসন্তী আৰু কল্পনাক লৈয়ে ৰণ্ট্জেন ৰাতি দিনে ব্যস্ত। ৰোজীয়ে বুজি নাপায়—ৰণ্ট্জেনৰ উদ্দেশ্য কি? প্ৰথমতে ভাবিছিল এক্সপেৰিমেণ্ট কৰিবলৈ ৰণ্ট্জেনে সিহঁতক আনিছে। তেনেহলে এক্সপেৰিমেণ্ট আৰম্ভ নকৰি এনেদৰে ৰখাৰ কাৰণ কি? প্ৰত্যেকজনীকে বেলেগ বেলেগ কোঠাত অকলশৰীয়াকৈ ৰখাৰ অৰ্থ কি হব পাৰে বাৰু? ৰোজীৰ কোঠাত সুনীতি, ৰণ্ট্জেনৰ কোঠাত সুনন্দা, জন ককৰ কোঠাত জয়া আৰু দুটা বেলেগ বেলেগ কোঠাত বাসন্তী আৰু কল্পনা। এজনীৰ আনজনীৰ কোনো সম্পৰ্ক নাই। ইজনীয়ে সিজনীৰ লগত যাতে কথা-বতৰা হব নোৱাৰে তাৰ ব্যৱস্থা কৰা হৈছে। কৰ্ত্তব্য পালনত বাহাদুৰ চকিদাৰ অত্যন্ত সচেতন।

ৰোজী আৰু ৰণ্ট্জেন?

এটা কোঠা। দুখন বিছনা। ড্ৰয়িং ৰুমটো আজিকালি ড্ৰয়িং ৰুম নহয়। ৰোজী আৰু ৰণ্ট্জেনৰ শোৱনী কোঠা।

ৰণ্ট্জেনে কোৱা কথাষাৰ তাইৰ মনত পৰিল :—

: চাকৰি এৰি গুচি গলে তোমাৰ প্ৰতি মানুহৰ জানো সুস্থ ধাৰণা ফিৰি আহিব? তোমালোকৰ সমাজে তোমাক সাৱটি লব?

ৰোজীয়ে একো উত্তৰ দিব পৰা নাছিল।

: ইচ্ছা কৰিলে মানুহৰ সেই ধাৰণা আমিয়েচোন দূৰ কৰিব পাৰোঁ।

: কেনেকৈ?

তাইৰ প্ৰশ্নটো শুনি ৰণ্ট্জেনে হাঁহিছিল।

: কেলেই? মানুহৰ সন্দেহক আমি যদি সঁচা ৰূপ দিওঁ? তুমি মই যদি এখন ঘৰ পাতো?

: ৰণ্ট্জেন!

তাই সিদিনা তাক সাৱটি ধৰিছিল—আনন্দত। উত্তেজনাত। হেৰোৱা মাণিক বিচাৰি পোৱাৰ উল্লাসত।

: কিন্তু সেই দিনটোলৈ আমি অপেক্ষা কৰিব লাগিব ৰোজী।

হয়তো বহুত দিন। জীৱনৰ একমাত্ৰ লক্ষ্য বিয়া নহয়। সাফল্য আৰু আত্মপ্ৰতিষ্ঠা। মানৱৰ বৃহত্তম প্ৰেম।

ঃ মই অপেক্ষা কৰিম সোণ। যিমান দিনলৈ তোমাৰ......।

আবেগত ৰোজীৰ মাত থোকাথুকি হৈ পৰিছিল। ভাষা হেৰাই গৈছিল।

সেয়া ছমাহ আগৰ কথা।

তাৰ পিচতো দিন বাগৰিল। পাৰ হৈ গ'ল এটাৰ পিচত আন এটা ৰাতি। এহাল বাগদত্তা পতি-পত্নী। কিন্তু সিহঁত তাতকৈ অকণো আগবাঢ়ি যোৱা নাছিল। একেটা কোঠাৰ দুখন বিছনাত এজনী জীয়া দেহাৰ গাভৰু আৰু এজন যৌৱনপুৰঠ আবিয়ৈ ডেকা। কিন্তু যেন দুজন অচিন যাত্ৰী। শ্লিপিং বাৰ্থত শুই থকা অচিন যাত্ৰী দুজন বেলেগ বেলেগ ষ্টেশ্যনত নামি যাব। ইজনৰ লগত সিজনৰ পৰিচয় নাই।

তাৰ পিচত সিহঁতৰ মাজলৈ আহিল সুনীতি, সুনন্দা, জয়া, বাসন্তী আৰু কল্পনা। ৰাতি দুপৰলৈ সিহঁতৰ কোঠাত সোমাই অকলে অকলে ৰণ্টুজেনে কি কৰে বাৰু? সিহঁতৰ লগত কি কথা পাতে?

ৰোজীৰ মনলৈ উৰি আহে এচপৰা পাতল ডাৱৰ। সন্দেহৰ এচটা ক'লা মেঘ।

সুনীতিহঁতেই খবৰটো দিছিল।

ভগনীয়া শিবিৰৰ পৰা লৈ অহাৰ পিচত সুনীতিহঁতক লগত লৈ ৰণ্টুজেনে সিদিনা চিনেমা চাইছিল। জোৰকৈয়ে সিহঁতক চিনেমা দেখুৱাইছিল।

কিন্তু কিয়?

ৰণ্টুজেনেচোন কোনো দিনেই চিনেমা নাচায়। চিনেমা চোৱাৰ সময় নাই। আগ্ৰহো কম। তেন্তে সিদিনা তাইহঁতক লগত লৈ চিনেমা চোৱাৰ অৰ্থ কি?

চিনেমা চাবলৈ তাইকচোন ৰণ্টুজেনে কোনো দিনে লগ ধৰা নাই।

## ॥ তেৰ ॥

ৰোজী আৰু ৰণ্ট্জেন।

ভিন্নসুৰী চিন্তাৰ দুটা ভিন্নসুৰী মন।

সন্দেহে মানুহৰ মন দুৰ্ব্বল আৰু কলুষিত কৰে। মনত এবাৰ সন্দেহে থিতাপি ললে বহুত তললৈ শিপায়। যুক্তি-তৰ্ক, সম্ভাব্য-অসম্ভাব্যৰ বিচাৰ কৰাৰ ক্ষমতা হেৰাই যায়। মানুহক পশু কৰি তোলে।

কেতিয়াবা কেতিয়াবা বাসন্তী, জয়াহঁতক স্পষ্টকৈ সুধিবলৈ ৰোজীৰ মন যায়ঃ ৰণ্ট্জেনৰ লগত সিহঁতৰ কিহৰ ইমান সম্পৰ্ক? ৰাতি দুপৰত ইমান গোপনীয় মেলৰ কি প্ৰয়োজন?

কিন্তু সুধিব নোৱাৰে। পোনপতীয়াকৈ সুধিবলৈ সঙ্কোচে তাইক বাধা দিয়ে। আগভেটী ধৰে। কিন্তু মনৰ খুদুৰনি নকমে। আওপকীয়াকৈ খবৰবোৰ সংগ্ৰহ কৰে।

তাইহঁতৰ মনত ৰণ্ট্জেন মানুহ নহয়; দেৱতা। স্নেহ আৰু মমতাৰ সাগৰ।

প্ৰত্যেকজনীৰে সেই একে কথা। একে উত্তৰ।

কিন্তু এটা কথা ৰোজীয়ে বুজি নাপায়।

ঃ জানে বাইদেউ, মোৰ অসুখ সিমান গুৰুতৰ নহয়। সুনন্দা, জয়া, বাসন্তী আৰু কল্পনাৰ তুলনাত মোৰ অসুখ হেনো তেনেই নগণ্য।

এয়া সুনীতিৰ কথা। অৰ্থাৎ বণ্ট্‌জেনৰ মুখৰ পৰা শুনি সুনীতিয়ে ৰোজীক কোৱা কথা।

ঃ সুনীতি, জয়া, বাসন্তী আৰু কল্পনাৰ কাৰণেহে বেয়া লাগে বাইদেউ। মোৰ তুলনাত সিহঁতৰ অসুখ বোলে অত্যন্ত বেছি। চিকিৎসাৰ বাহিৰত।

এয়া সুনন্দাৰ কথা।

বাসন্তী, জয়া আৰু কল্পনাৰো সেই একেই কথা। নিজৰ বাহিৰে বাকী কেইজনীৰ অসুখ অতি মাৰাত্মক।

বণ্ট্‌জেনে প্ৰত্যেকজনীকে এনেদৰে ফাঁকি দিয়াৰ উদ্দেশ্য কি? কথাবোৰ তাইৰ সাঁথৰ সাঁথৰ যেন লাগে।

এটা মিছা আশা।

বণ্ট্‌জেনৰ কথা শুনি প্ৰত্যেকজনীয়ে ভাবেঃ বাকী কেইজনীৰ জীৱনৰ আশা নাই। মৃত্যু—প্ৰায় সুনিশ্চিত। কিন্তু তাইৰ আৰোগ্য নিশ্চিত।

আৰু বণ্ট্‌জেন?

ৰোজীক সি বহু কথা কবলগীয়া আছে। আৰু পলম কৰিব নোৱাৰি। ইতিমধ্যে যথেষ্ট পলমেই হৈ গৈছে। কথাবোৰ আগতীয়াকৈ ৰোজীক জনাই নথলে পিচত বিপদহে বাঢ়িব।

কিন্তু কেনেদৰে কব? কি বুলি কব? কথাবোৰ জানো ৰোজীয়ে গোপনে ৰাখিব পাৰিব? তাইৰ বিশ্বস্ততাৰ ওপৰতে নিৰ্ভৰ কৰিছে তাৰ ভৱিষ্যত জীৱন। আইনৰ চকুত বণ্ট্‌জেন অপৰাধী। কথাবোৰ প্ৰকাশ হলে হত্যাৰ অপৰাধত সি থিয় হব লাগিব বিচাৰচ'ৰাৰ আচামীৰ কাঠগড়াত। তাৰ পিচত হয় আজীৱন কাৰাদণ্ড নতুবা ফাঁচী।

কথাবোৰ তেন্তে বণ্ট্‌জেনে তাইক কব নে নকয়?

নকলেওতো উপায় নাই। তাই যদি পুলিচৰ আগত সকলো কথা স্বীকাৰ কৰে? সেই কাৰণেই সি তাইক সতৰ্ক কৰি থোৱা অত্যন্ত প্ৰয়োজন।

বিশ্বমানৱৰ স্বাৰ্থ-খাতিৰত সিহঁতৰ বিয়াখনো সোনকালে পতাৰ প্ৰয়োজনীয়তা ৰণ্ট্‌জেনে বৰকৈ অনুভৱ কৰিলে। স্বামীৰ নিৰাপত্তাৰ কাৰণে ৰোজীয়ে হয়তো তেতিয়া কথাবোৰ গোপনে ৰাখিবলৈ যত্ন কৰিব।

কিন্তু সেয়াও এক সমস্যা।

কথাবোৰ ভাবি ৰণ্ট্‌জেনে কোনো সিদ্ধান্ত লব পৰা নাছিল।

এদিন সন্ধিয়া।

সি মন স্থিৰ কৰিছিল। কথাবোৰ সি আজি ৰোজীক কবই। কোৱাটোৱে উচিত হব। কেনেদৰে আৰম্ভ কৰিব মনতে এবাৰ জুকিয়াই লবলৈ সি যত্ন কৰিলে।

ৰাতি খোৱা-বোৱাৰ পিচত সিহঁত বাৰাণ্ডাখনতে বহিলহি। বাহিৰত শেষ শাওণৰ আকাশ। মেঘমুক্ত আকাশত দ্বাদশীৰ জোন। নিৰ্ম্মল। ওপৰলৈ বগোৱা আঙুৰজোপাৰ পাতৰ ফাঁকে ফাঁকে জোনটোৱে লুকাভাকু খেলিছে। জোনাকৰ মিঠা পোহৰ এমুঠি আহি সিহঁতৰ গাত পৰিছেহি। পাইনৰ পাতত ৰূপালী ৰহন।

ঃ ৰোজ!

ৰণ্ট্‌জেনে ৰোজীৰ হাত এখন আলফুলকৈ টানি আনি তাৰ হাতৰ মুঠিত ললে। ৰোজীয়ে কোনো আপত্তি নকৰিলে। শূন্যৰ পৰা দৃষ্টি ঘূৰাই আনি তালৈ মাথোন চাই ৰ'ল।

কেইটামান নীৰৱ মুহূৰ্ত্ত।

ৰণ্ট্‌জেন যেন অপ্ৰস্তুত। কথাবোৰ কবলৈ সি সাহস গোটাব পৰা নাই।

ঃ কোৱা। মনে মনে ৰ'লা দেখোন।

নীৰৱতা ভাঙিলে ৰোজীয়ে।

ঃ বিয়াখন পাতি পেলালে কেনে হয়?

কিবা এবাৰ কব খুজি হুটামুটাকৈ ৰণ্ট্‌জেনে কৈ উঠিল। মাতটো নিজৰে বৰ নীৰস নীৰস যেন লাগিল।

: বিয়া? কাৰ?

ৰোজীয়ে বুজিছিল—ৰণ্ট্‌জেনে সিহঁতৰ বিয়াখনৰ কথাকে কৈছে। কিন্তু তাই এনে সুব্ৰত প্ৰশ্ন কৰিলে যেন ৰোজীয়ে একো বুজি পোৱা নাই। কাৰ বিয়া-তাই নাজানে।

: আমাৰ ৰোজী। তোমাৰ আৰু মোৰ।

: তোমাৰ সময় হব জানো?

এটা নীৰস উত্তৰ। আচলতে ৰোজীয়ে কব খুজিছিল: মোক আৰু কেলেই? জয়া, বাসন্তী, কল্পনাহঁত আছে দেখোন। সিহঁতৰে কোনোবা এজনীক বিয়া কৰাই লোৱা। একেলগে ইমান বছৰ থাকিলোঁ; মৰমেৰে কথা এষাৰ কোৱাৰ তোমাৰ সময় নহ'ল। মোৰ সৈতে কথা পাতিবলৈ তোমাৰ সময় নহয়। কিন্তু জয়া, বাসন্তী আৰু কল্পনাহঁতৰ কোঠাত সোমাই ঘণ্টাৰ পিচত ঘণ্টা জুৰি কথা পাতিবলৈ তোমাৰ সময় হয় ক'ৰ পৰা?

মনৰ আক্ৰোশ চেপি ৰাখি ৰোজী মনে মনে ৰ'ল। কব খোজা কথাবোৰ নকলে।

: এই মানুহ কেইজনীক কেনেদৰে সংগ্ৰহ কৰিছোঁ জানা ৰোজী?

বিয়াৰ প্ৰসঙ্গ সলাই ৰণ্ট্‌জেনে হঠাতে মানুহ কেইজনীৰ কথা উল্লেখ কৰাত ৰোজী অলপ আচৰিত হ'ল। তাইৰ মনৰ ভাবটো ৰণ্ট্‌জেনে গম পোৱা বুলি থত্‌মত খাই গ'ল। নিজক লুকুৱাবলৈ লৰালৰিকৈ তাই কৈ উঠিল:

: কৈ যোৱা।

: এক্সপেৰিমেণ্টৰ কাৰণে মানুহ বিচাৰিছিলোঁ। কিন্তু সংগ্ৰহৰ পথ নাছিল। ইতিমধ্যে পূব পাকিস্থানত বৰ্ব্বৰতা আৰম্ভ হৈছে। ভগনীয়াৰ দলে ভাৰতৰ চুক-কোণ ভৰি পৰিছে। হঠাতে ভগনীয়া শিবিৰবোৰলৈ মনত পৰিল। ধাৰণা হ'ল—ইমানবোৰ ভগনীয়াৰ মাজত নিশ্চয় কেইজনমান কৰ্কট ৰোগী বিচাৰি পাম।

: অৱশেষত পালা বাসন্তীহঁতক? অকল মাইকী মানুহৰহে কেন্সাৰ হয় নেকি ৰণ্ট্জেন?

: অকল বাসন্তীহঁতকে নহয়। আৰু বহুতকে পাইছিলোঁ। কি সুধিছিলা? অ' মতা মানুহৰ কেন্সাৰ? কেলেই নহব? হয়। শিবিৰত কেন্সাৰ ৰোগত ভোগা মতা মানুহো বহুত আছে। কিন্তু সিহঁতক অনাৰ ইচ্ছা নহ'ল।

: ইচ্ছা নহ'ল কিয়?

: নাৰীতকৈ পুৰুষৰ মনৰ দৃঢ়তা বেছি। সকলো হেৰুওৱাৰ পিচত—পুৰুষ-প্ৰধান সমাজত নাৰী যেনেদৰে দুৰ্ব্বলা হৈ পৰে; কাৰোবাৰ আশ্ৰয় বিচাৰে—পুৰুষ মনে তেনেদৰে আনৰ ওপৰত চিৰদিন নিৰ্ভৰ কৰি চলিবলৈ নিবিচাৰে। বিচাৰিলেও সেয়া খন্তেকীয়া। সিহঁতক শাসনত ৰখা কঠিন।

: তাৰ পৰা তোমাৰ লোকচান?

: লোকচান আছিল। মতা মানুহক আৱদ্ধ কৰি ৰখা কষ্টসাধ্য। সিহঁতৰ কোনোবা যদি ইয়াৰ পৰা পলাই গৈ আমাৰ গোপন পৰীক্ষাৰ কথা প্ৰকাশ কৰি দিয়ে? আমাৰ সাফল্যই বিশ্ব-স্বীকৃতি নোপোৱালৈকে সকলো কথা আমি গোপনে ৰাখিব লাগিব।

: কিয়?

: কোন কেতিয়া কাৰ শত্ৰু হৈ পৰে কোৱা টান। মানুহৰ শত্ৰুৰ অভাৱ নাই। যশ-গৌৰৱৰ আকাঙ্খাত কোনোবাই যদি মোক হত্যা কৰে? মোৰ সাফল্যক নিজৰ আৱিষ্কাৰ বুলি দাবী কৰিবলৈ হত্যাকাৰীৰ তেতিয়া অকণো অসুবিধা নহয়।

: জয়া, বাসন্তীহঁত পলাই নাযাব বুলি তোমাৰ কেনেকৈ ধাৰণা হ'ল?

: সকলো হেৰুওৱাৰ পিচত লাঞ্ছিতা, ধৰ্ষিতা নাৰী বৰ অসহায় হৈ পৰে ৰোজী। সামাজিক মৰ্য্যাদা হেৰুৱাই পেলায়। নিজৰ

সমাজখনলৈ পুনৰাই উন্নতি যোৱাৰ পথ সিহঁতৰ কাৰণে চিৰদিনলৈ ৰুদ্ধ হৈ যায়।

: এঠাইত আশ্ৰয় পোৱাৰ পিচত সেই আশ্ৰয় এৰি সিহঁতে আঁতৰি যাব নোখোজে। নহয় জানো ?

: কাৰেক্ট।

ৰণ্ট্জেনে তাইৰ হাতখন পিটিকি পিটিকি কথাবোৰ কৈ অকণমান সময় ৰ'ল।

: মই এটা কথা বুজি পোৱা নাই ৰণ্ট্জেন।

: কি কথা ৰোজী ?

: সুনীতিক কৈছা—তাইৰ বাহিৰে বাকীবোৰৰ অসুখ গুৰুতৰ। আকৌ কল্পনাক কৈছা—তাইৰ বাহিৰে আন কেইজনী আৰোগ্য হোৱাৰ আশা নাই। তেনেদৰে সুনন্দা, জয়া, বাসন্তীকো একে কথাকে কৈছা। এনেদৰে সিহঁতক ফাঁকি দিয়াৰ অৰ্থ কি ৰণ্ট্জেন ?

তাইৰ প্ৰশ্নটো শুনি ৰণ্ট্জেনে হাঁহিলে। এটা অৰ্থহীন হাঁহি। তাৰ পিচত চাৰিও ফালে এবাৰ সতৰ্ক দৃষ্টি বুলাই অনুচ্চ সুৰত কৈ উঠিল : সিহঁত প্ৰত্যেকজনীৰে মৃত্যু সুনিশ্চিত। কিন্তু একেদিনাখনেই আটাইকেজনীৰ মৃত্যু নহয়। তেনেদৰে মিছা কথাৰে সিহঁতক আশ্বাস নিদিলে এজনীৰ মৃত্যুত আনজনীয়ে ভয় খোৱা স্বাভাৱিক। জীৱনৰ মমতাত বাকী কেইজনী পলায়ো যাব পাৰে।

: কিন্তু মৰিব কিয় ? তোমাৰ এক্সপেৰিমেণ্ট যদি ফলৱতী হয় ? আৰু মই জানো—তুমি কৃতকাৰ্য্য হবাই।

: কৃতকাৰ্য্য হলেও সিহঁত মৰিবই ৰোজ।

: ম-ৰিবই ? কিয় ?

ৰোজীৰ প্ৰশ্নত বিস্ময়।

: চিকিৎসাৰ কাৰণে কি পৰিমাণৰ ঔষধ ব্যৱহাৰ কৰিব লাগিব সেই বিষয়ে জানো সঠিক নিৰ্ণয় কৰিব নালাগিব ?

: ওঁ, লাগিব। কিন্তু মৰিব কিয় ?

ঃ ব্যৱহাৰ কৰা দৰৱৰ পৰিমাণৰ তাৰতম্য ঘটাই সেই পৰীক্ষাত উত্তীৰ্ণ হওঁতে অন্ততঃ এজন বা দুজন ৰোগীৰ মৃত্যু হোৱা স্বাভাৱিক। তদুপৰি সফল হ্ম যে তাৰেইবা নিশ্চয়তা ক'ত ?

ঃ ধৰা—তোমাৰ পৰীক্ষা কৃতকাৰ্য্য হৈছে। তেতিয়া ?

ঃ তথাপি সিহঁতক হত্যা কৰিব লাগিব ৰোজ।

ঃ হত্যা ? কিয় ?

ৰোজী উচপ্ খাই উঠিল।

ঃ আমাৰ হাতত ষ্টক কম। নতুন ষ্টক সংগ্ৰহ কৰোঁতে কিমান সময় লাগে নাজানো। লিজেণ্ডে কোৱা সৰ্পশিলাৰ গছ প্যাহাৰৰ মাজত নগজিল। খেতি কৰিও অঙ্কুৰ মেলাব নোৱাৰিলোঁ। আন ক'ৰবাত বিচাৰি পাম নে নাই সেয়াও সন্দেহ।

ঃ সেই বুলিয়েই সিহঁতক তুমি হত্যা কৰিবা নেকি ? তুমি ইমান নিষ্ঠুৰ !

ঃ উপায় নাই ৰোজ। বিশ্বৰ হেজাৰ বিজাৰ মানুহৰ উপকাৰৰ কাৰণে কেইজনমানক আমি নৰবলি দিবই লাগিব।

ঃ নাই, নাই ৰণ্ট্জেন, সেয়া কেতিয়াও হব নোৱাৰে। পৰীক্ষাত কৃতকাৰ্য্য হোৱাৰ পিচত সিহঁতক মুক্তি দিয়াত তোমাৰ আপত্তি কি ?

ঃ আপত্তি নাই। কিন্তু পৰীক্ষাৰ ফলাফল বিশ্বক প্ৰমাণ কৰি দেখুওৱাৰ আগতেই যদি কথাবোৰ প্ৰকাশ হৈ যায় ? কোনোবা আততায়ীৰ হাতত মোৰ মৃত্যু হয় ?

ৰোজী নিশ্চুপ হৈ ৰ'ল। কি উত্তৰ দিব একো ভাবি নাপালে।

কেইটামান নীৰৱ মুহূৰ্ত্ত বাগৰি গ'ল।

ঃ এক্সপেৰিমেণ্ট আমি কেতিয়াবাই আৰম্ভ কৰিব লাগিছিল। ইতিমধ্যে যথেষ্ঠ পলম হৈ গ'ল। সুনীতি, সুনন্দাহঁতৰ মানসিক প্ৰস্তুতিৰ কাৰণেই ইমান দিন অপেক্ষা কৰিছিলোঁ।

ঃ সিহঁতৰ আকৌ কিহৰ মানসিক প্ৰস্তুতি লাগে ?

ঃ লাগে ৰোজী—লাগে। সিহঁতৰ মনত সম্পূৰ্ণ বিশ্বাস আৰু

আস্থা গঢ়ি তুলিব নোৱাৰিলে এনেবোৰ কামত সুফল পোৱা নাযায়। জয়া, বাসন্তীহঁত মানুহ। এন্দুৰ, শহাপহু নতুবা বান্দৰ নহয়।

ৰণ্ট্‌জেন ৰ'ল।

ঃ এক্সপেৰিমেণ্ট তেন্তে কেতিয়াকৈ আৰম্ভ কৰিব খুজিছা ?

ঃ যিমান সোনকালে সম্ভৱ সিমানে মঙ্গল। কিন্তু তাৰ আগতে……।

ৰণ্ট্‌জেন আকৌ বৈ গ'ল।

ৰোজীয়ে ভাবিছিল—কথাৰ মাজতে বৈ যোৱা ৰণ্ট্‌জেনে অলপ পিচতে আকৌ কথা আৰম্ভ কৰিব। কিন্তু নকৰিলে। বহু সময় নীৰৱ হৈয়ে ৰ'ল। অৱশেষত সেই নীৰৱতা ভাঙিবলৈ বাধ্য হৈ পৰিল ৰোজী।

ঃ কিন্তু তাৰ আগতে—কি ৰণ্ট্‌জেন ?

ঃ আমাৰ বিয়াখন পাতিব লাগিব ৰোজী। কিন্তু কেনেকৈ সেয়া সম্ভৱ হব সেই কথাই ভাবিছোঁ। সামাজিকভাৱে আমি বিয়া পাতিব নোৱাৰোঁ। সেই একে কাৰণতেই ক'ৰ্ট মেৰেজ অথবা চাৰ্চ্চত বিয়া পতাও অসম্ভৱ।

চিন্তিতভাৱে ৰণ্ট্‌জেনে কৈ উঠিল।

ঃ চাৰ্চ্চ কেলেই ? তুমি জানো খৃষ্টিয়ান ?

ঃ উঁহো। কিন্তু তুমি ?

ঃ তোমাক কোনে কলে মই খৃষ্টিয়ান ? সকলো খাছিয়েই খৃষ্টিয়ান নহয়।

ঃ নহয় ? তেন্তে তুমি……?

ঃ হিন্দু।

ঃ ৰোজী।

ৰণ্ট্‌জেন আচৰিত হৈ গ'ল। কিবা এটা অভাৱনীয় অমূল্য সম্পদ পোৱাৰ আনন্দত ৰোজীৰ মুখখন বুকুৰ মাজলৈ টানি আনি সাৱটি ধৰিলে।

তেনেদৰে কিমান সময় পাৰ হৈ গৈছিল সিহঁতে নাজানে।

: আমাৰ কাৰণে ক'ৰ্ট মেৰেজেই প্ৰশস্ত ৰণ্ট্ জেন।

মৰম লগাকৈ ৰণ্ট্ জেনৰ বাহুটো পিহি পিহি সৰু সৰু মাতেৰে ৰোজীয়ে কৈ উঠিল।

: কিন্তু আমি প্ৰকাশ হৈ যাম ৰোজী। বিচাৰালয়ত থিয় হোৱা মোৰ কাৰণে অসম্ভৱ। কাৰণ……।

: কোৱা।

: মৃত্যুৰ পিচত মহিলা কেইগৰাকীৰ মৃতদেহবোৰ আমি কি কৰিম? পুৰি নতুবা পুতি পেলাব নোৱাৰোঁ।

তেন্তে কি কৰিম বুলি ভাবিছা?

: ক'ৰবাত পেলাই থৈ আহিব লাগিব।

: সেইটো জানো নিৰাপদ? পুলিচৰ কুকুৰে যদি তোমাক বিচাৰি উলিয়ায়?

: নোৱাৰে। পুলিচৰ কুকুৰে অপৰাধীক বিচাৰি উলিওৱাৰ একমাত্ৰ সূত্ৰ হ'ল অপৰাধীৰ গাৰ গোন্ধ। তীব্ৰ গেছৰ সহায়ত সেই গোন্ধ নিচিহ্ন কৰাৰ উপায় মোৰ আছে। তাৰ বাবে প্ৰয়োজন এটা গেছ চিলিণ্ডাৰ।

: আমাৰ বিয়াৰ লগত ইয়াৰ সম্পৰ্ক কি?

কথাবোৰ ৰোজীক ভালদৰে বুজাই কবলৈ ৰণ্ট্ জেনে গাটো লৰাই বহিল। ৰোজীয়ে মূৰটো আঁতৰাই আনিলে। গাৰ কানি-কাপোৰ-বোৰ ঠিককৈ ললে।

ৰাতি তেতিয়া ভালেমান হৈছিল।

ৰোলেন, আৰ্জ্জেন্টইঁত কেতিয়াবাই শুই পৰিছে। সাৰে আছে মাথোন বাহাদুৰ। চৌহদটোৰ চাৰিওফালে ঘূৰি ঘূৰি পহৰা দিছে।

: মহিলা কেইগৰাকীৰ মৃতদেহ পোৱাৰ পিচত পুলিচে নিশ্চয় তদন্ত চলাব। মৃতদেহ চিনাক্তকৰণৰ কাৰণে কাগজত বিজ্ঞাপনো

দিব পাৰে। পুৰস্কাৰৰ প্ৰলোভন দেখুৱাই মহিলা কেইগৰাকীৰ ফটোও হয়তো কাগজত প্ৰকাশ কৰিব। আৰু……।

ঃ কিন্তু পুলিচে তোমাক সন্দেহ কৰিব কিয় ?

ৰণ্ট্জেনৰ কথাৰ ওপৰতে ৰোজীয়ে কৈ উঠিল।

ঃ কম ৰবা। তাৰ আগতে মহিলা কেইগৰাকীক কেনেদৰে সংগ্ৰহ কৰিছোঁ সেই কথা তোমাক কব লাগিব।

ঃ তাৰ মাজতো কিবা ৰহস্য আছে নেকি ?

ঃ প্ৰতিটো পদক্ষেপ সাৱধানে পেলাব লাগিব ৰোজী। প্ৰথমৰে পৰা সতৰ্ক নহলে কোন গুৰুণ্ডাৰে বিপদ আহে কব নোৱাৰি। মানুহ কেইজনীক কেন্সাৰ ৰোগী বুলি গম পোৱাৰ পিচত ভগনীয়া শিবিৰলৈ মই পুনৰাই আৰু যোৱা নাছিলোঁ।

ঃ তেনেহলে সিহঁতক আনিলা কেনেকৈ ?

ঃ হাকুটি লগায়। নুবুজিলা ? যথেষ্ট অৰ্থৰ বিনিময়ত এজন দালালে মহিলা কেইজনীক ভগনীয়া শিবিৰৰ পৰা আনি চিনেমা হলৰ ভিতৰত সুমুৱাই দিছিল। সিহঁতক আনিবলৈ ব্যৱহাৰ কৰা হৈছিল এখন টেক্সি।

ঃ চিনেমা হলৰ ভিতৰত কিয় ?

ঃ দিনৰ পোহৰত মহিলা কেইজনীৰ সৈতে মই মুখামুখি হব খোজা নাছিলোঁ। ভৱিষ্যতৰ সম্ভাব্য বিপদৰ আশংকা কৰি পুলিচক ফাঁকি দিয়াৰ কৌশল। অৰ্থাৎ ফটো প্ৰকাশ হলেও কেৱে যাতে মোৰ বিষয়ে পুলিচক সন্ধেদ দিব নোৱাৰে—তাৰ বাবে এই ব্যৱস্থা।

ঃ তাৰ পিচত ?

ঃ শ্বো শেষ হোৱাৰ পোন্ধৰ মিনিটমান আগতেই আমি প্ৰেক্ষাগৃহৰ পৰা ওলাই আহিছিলোঁ। কাৰণ এন্ধাৰত কেৱে আমাক চিনিব নোৱাৰিব।

ঃ ক'ৰ্ট মেৰেজৰ কাৰণে বিচাৰকৰ সন্মুখত উপস্থিত হোৱাত তেন্তে তোমাৰ আপত্তি কি ?

ঃ তেতিয়া জানো মই আত্মপ্ৰকাশ কৰিব নালাগিব? কোনে জানে সিদিনা কিজানি কোনোবাই মহিলা কেইজনীৰ লগত মোক দেখিছিলেই। সাৱধান হলেওতো বিপদ হব পাৰে। আমাৰ অলক্ষিতে কাৰোবাৰ চকুত আমি ধৰা পৰি যাব পাৰোঁ।

সেই কাৰণেই সামাজিকভাৱে আমি বিয়া পাতিব নোৱাৰোঁ ৰোজী। জনসাধাৰণৰ ওচৰত আত্ম প্ৰকাশে যদি আমাৰ বিপদ মাতি আনে?

কথাবোৰ কৈ ৰণ্ট্‌জেন নিমাত হৈ পৰিল।

এটাৰ পিচত আন এটা সমস্যা।

অৱশেষত সেই সমস্যাৰ সমাধান হ'ল। সমাধান কৰিলে ৰোজীয়ে।

ঃ মন্দিৰ, মছজিদ আৰু গীৰ্জ্জাবোৰক মানুহে কিয় ইমান উচ্চ স্থান দিয়ে ৰণ্ট্‌জেন?

ঃ কাৰণ সেইবোৰ পৱিত্ৰ দেৱস্থান বুলি মানুহৰ বিশ্বাস।

ঃ সেই কাৰণেই গীৰ্জ্জা নতুবা মন্দিৰত মানুহে বিয়া পাতে নেকি বাৰু?

ঃ ওঁ।

ঃ পৱিত্ৰস্থানত পৱিত্ৰভাৱে দুটা আত্মাৰ মিলনকে যদি বিয়া বোলে তেন্তে সেই পৱিত্ৰস্থান মই বিচাৰি পাইছোঁ ৰণ্ট্‌জেন।

ঃ পাইছা? ক'ত?

ঃ তোমাৰ গৱেষণাগাৰ।

ঃ গৱেষণাগাৰ!

ঃ তুমি আচৰিত হৈছা ৰণ্ট্‌জেন! দাম্পত্য জীৱনৰ একমাত্ৰ মূলধন প্ৰেম আৰু বিশ্বাস। ঋষি-মুনিসকলৰ সাধনাৰ স্থানবোৰ যদি তীৰ্থস্থান হব পাৰে—তেন্তে গৱেষণাগাৰটো তীৰ্থস্থান নহব কিয়? তোমাৰ কাৰণে তাতকৈ পৱিত্ৰ তীৰ্থস্থান আছে বুলি মই নাভাবোঁ।

ঃ ৰোজী।

আনন্দ-বিহ্বল ৰণ্ট্‌জেনৰ মাতটো কঁপি উঠিল।

আকাশত দ্বাদশীৰ জোনটোৱে তেতিয়া হাঁহিছিল।

## ॥ চৈতন্য ॥

ঃ ......কিয় এনেকুৱা হ'ল ৰণ্ট্জেন ?

ৰণ্ট্জেনে তপৰাই উত্তৰ দিব নোৱাৰিলে। কাৰণ এন্টিজেন, এন্টিবডি আৰু এন্টি এন্টিবডি ফৰ্মেশ্যনৰ বিষয়ে বুজাই নকলে ৰোজীয়ে কথাবোৰ বুজি নাপাব। সিমানবোৰ কথা বুজাই কোৱাৰ আগ্ৰহ ৰণ্ট্জেনৰ তেতিয়া নাছিল। কিন্তু উপায় নাই। কথাবোৰ বুজাই নিদিলে ৰোজীৰ ওফোন্দ লাগিব।

ঃ বৰ নীৰস বিষয় ৰোজী। শুনিবলৈ জানো তোমাৰ ধৈৰ্য্য হব ?

ঃ মোৰ ধৈৰ্য্যৰ ওপৰত তোমাৰ ইমান অবিশ্বাস কিয় ?

ঃ আচলতে সুনীতি আৰু সুনন্দাৰ প্ৰকৃত চিকিৎসা হোৱাই নাই। সেয়া এক্সপেৰিমেণ্টহে। কেইদিনমানৰ ভিতৰতে সুনীতিৰ মৃত্যু নিশ্চিত। সুনন্দাৰ কথা অৱশ্যে এতিয়াই কব নোৱাৰোঁ। কিন্তু সুনন্দাই মোক হতাশ কৰি তুলিছে।

ঃ হতাশ কৰিছে ? কিয় ?

ঃ সুনন্দাক দেখিছা—তাইৰ স্বাস্থ্যৰ উন্নতি হৈছে। এই কেই-দিনতে তাই ভালদৰে ভাত-পানীও খাব পৰা হ'ল। এয়া দৰবৰ গুণ। ইচ্ছা কৰিলে তাইক সম্পূৰ্ণৰূপে আমি আৰোগ্য কৰি তুলিবও পাৰোঁ। কিন্তু লাভ একো নহ'ল। জয়ী হৈও মই কিজানি পৰাজয়ৰ গ্লানি মূৰ পাতি লব লাগিব।

ঃ তেন্তে তুমি হতাশ হৈছা কেলেই—মই বুজা নাই। এক্সপেৰিমেণ্ট তোমাৰ ফলৱতী হৈছে।

ঃ হৈছে। কিন্তু নোহোৱা হলেই ভাল আছিল। মনত ইমান অশান্তি নাপালোঁহেঁতেন।

ঃ ৰ-ণ্ট্-জে-ন।

ৰণ্ট্জেনৰ হুমুনিয়াহ এটা সৰি পৰিল। ৰোজী আচৰিত হ'ল। বিজয়ৰ আনন্দৰ পৰিবৰ্ত্তে ৰণ্ট্জেন হতাশ হৈ পৰাৰ কাৰণ কি?

ঃ জয়া, বাসন্তীহঁতৰ ওপৰত চূড়ান্ত পৰীক্ষাৰ কাৰণেও হয়তো আমাৰ হাতত ড্ৰাগ ষ্টক নাথাকিব। আৱিষ্কাৰ কৰিয়েই বা লাভ হ'ল কি? এই আৱিষ্কাৰৰ কথা কোনোৱেও নাজানিব। ঔষধ প্ৰস্তুত কৰিবলৈ সামগ্ৰী নাপালে সেই আৱিষ্কাৰৰ দ্বাৰা কাৰো কোনো উপকাৰ নহয়।

ঃ দুষ্প্ৰাপ্য হলেও এই সম্পদ নোহোৱা নহয়। ক'ৰবাত নিশ্চয় অপৰ্য্যাপ্ত পৰিমাণে লুকাই আছে। মোৰ ধাৰণা—হিমালয়ৰ বুকুত।

ঃ মোৰো সেয়ে ধাৰণা ৰোজী। দেৱাত্মা হিমালয়ে লুকাই ৰাখিছে এই অমূল্য সম্পদ। মৃতসঞ্জিৱনী সুধা।

ৰোজীৰ কথাষাৰ শেষ হবলৈ নৌপাওঁতেই ৰণ্ট্জেনে কৈ উঠিল।

ঃ কিন্তু সুনীতিৰ ক্ষেত্ৰত কিয় এনেকুৱা হ'ল ৰণ্ট্জেন?

ৰোজীৰ প্ৰশ্নটো শুনি আৰ্ভিন জন ককে কোৱা ডাঃ নানাৱতীৰ কথাবোৰলৈ ৰণ্ট্জেনৰ মনত পৰিল। জাৰ্ম্মেনী আৰু হাঙ্গেৰীৰ গৱেষক দুজনৰ তথ্য মিছা বুলি প্ৰমাণ কৰিবলৈ নানাৱতীয়ে কৈছিল: সেই ঔষধ জন্তুৰ ক্ষেত্ৰত ফলৱতী হব পাৰে। কিন্তু মানুহৰ ক্ষেত্ৰত নহয়।

বান্দৰৰ ওপৰত পৰীক্ষা কৰি ৰণ্ট্জেনেও সেই কথাৰ সন্তেদ পাইছিল। তাৰ পিচত সুনীতিৰ ওপৰত কৰা হৈছিল সেই পৰীক্ষা। কিন্তু সফল নহ'ল।

আচল কথাটো সি ৰোজীক কব নোৱাৰিলে। নানাৱতীৰ তথ্যৰ

সত্যতা প্ৰমাণ কৰিবলৈ প্ৰকৃততে সুনীতিৰ ওপৰত আৰম্ভ কৰা হৈছিল এক্সপেৰিমেণ্ট।

: শহাপহুৰ ক্ষেত্ৰত পোনপটীয়াভাৱে ঔষধ প্ৰয়োগ কৰি আমি কৃতকাৰ্য্য হৈছিলোঁ। কিন্তু বান্দৰৰ ক্ষেত্ৰত সেই পৰীক্ষা ব্যৰ্থ হ'ল। সেই কথা তুমিও জানা।

: ওঁ।

: সুনীতিৰ ওপৰত মই তাৰেই পৰীক্ষা কৰিছিলোঁ।

: সুনন্দাৰ ক্ষেত্ৰত কৃতকাৰ্য্য হৈছা অথচ সুনীতি……।

: দুইজনীৰ ওপৰত একে পৰীক্ষা কৰা হোৱা নাছিল। দুটা বিভিন্ন পদ্ধতিৰ পৰীক্ষা।

: অ' হয় নেকি? কিন্তু একে ঔষধকে জানো ব্যৱহাৰ কৰা নাছিলা?

: ঔষধ একেটাই।

: তেন্তে এজনী আৰোগ্য হ'ল; আনজনী আৰোগ্য নহ'ল। ইয়াৰ কাৰণ কি?

: ঔষধ প্ৰয়োগৰ পদ্ধতি বেলেগ আছিল ৰোজ। বেমাৰৰ জাৰ্ম্ম নতুবা শৰীৰৰ কাৰণে অপ্ৰয়োজনীয় শক্তি মানৱ দেহত প্ৰৱেশ কৰি এণ্টিজেন হিচাবে আমাক আক্ৰমণ কৰে। দেহ আক্ৰমণকাৰী এণ্টিজেন ধ্বংস কৰিবলৈ শৰীৰত তেতিয়া এণ্টিবডি ফৰ্ম্ম হয়। বেমাৰ-আজাৰৰ পৰা আমাক ৰক্ষা কৰে। কিন্তু এণ্টিজেনৰ তুলনাত এণ্টিবডি ফৰ্ম্মেশ্যন দুৰ্ব্বল হলে দেহ ৰুগীয়া হৈ পৰে।

কথাবোৰ ভালদৰে বুজাই কব নোৱাৰা বুলি ৰণ্টজেনে ৰোজীৰ মুখলৈ চালে।

: তাৰ পিচত?

: বুজিছা জানো?

: কৈ যোৱানা।

: আমাৰ আৱিষ্কৃত কেন্সাৰৰ ঔষধটোৱে মানৱদেহত এণ্টিজেন

হিচাবেহে কাম কৰে। এন্টিবডি ফৰ্ম্ম হৈ এন্টিজেন ধ্বংস কৰি পেলায়। ফলত ঔষধৰ গুণ নিষ্ক্ৰিয় হৈ পৰে। সুনীতিৰ ক্ষেত্ৰত সেইটোৱে হৈছে।

ঃ সুনন্দাৰ ক্ষেত্ৰত নহ'ল কিয় ?

ঃ ঔষধৰ গুণ যাতে নষ্ট নহয় তাৰ কাৰণে এন্টিবডি ফৰ্ম্মেশ্যনৰ বিৰুদ্ধে এন্টি এন্টিবডি ফৰ্ম্ম কৰা ব্যৱস্থাৰ প্ৰয়োজন। তেতিয়াহে দৰৱে কাম কৰিব। সুনন্দাৰ বেলিকা সেই ব্যৱস্থা লোৱা হৈছিল।

ঃ কেনেকৈ ?

ঃ শহাপহুৰ তেজৰ পৰা চিৰাম প্ৰস্তুত কৰি এন্টি এন্টিবডি ফৰ্ম্মেশ্যনৰ কাৰণে ঔষধ পুচ কৰাৰ আগতে সেই চিৰাম পুচ কৰা আৱশ্যক। বান্দৰৰ ওপৰত পৰীক্ষা কৰোঁতেও সেইটোকে কৰা হৈছিল। চিৰাম আৰু দৰৱৰ পৰিমাণ ইতিমধ্যে ঠিক কৰি লৈছোঁ। সুনীতিৰ ক্ষেত্ৰত চিৰাম প্ৰয়োগ কৰা নাছিলোঁ। ঔষধৰ পৰিমাণ বঢ়ায়ো পৰীক্ষা কৰিছোঁ। কিন্তু লাভ একো নহ'ল। ফলত মগজুৰ স্নায়ুবোৰহে দুৰ্ব্বল হৈ পৰা বুলি অনুমান হৈছে। সুনীতিক সুস্থ কৰি তোলাৰ আৰু কোনো উপায় নাই। মানে—সেই উপায় মোৰ জ্ঞানৰ বাহিৰত।

ঃ শহাপহুৰ তেজৰ পৰা চিৰাম অৰ্থাৎ……।

কথাষাৰ কেনেদৰে শেষ কৰিব ৰোজীয়ে ভাবি নাপালে। কিন্তু তাই কি কব খুজিছিল ৰণ্ট্‌জেনে বুজি পাইছিল।

ঃ শহাপহুৰ গাত ঔষধ প্ৰয়োগ কৰি কৃতকাৰ্য্য হৈ বুজিছিলোঁ—মানুহ আৰু বান্দৰৰ তেজত এনে এটা বস্তুৰ অভাৱ—যাৰ ফলত দৰৱে কাম কৰিব নোৱাৰে। অৱশেষত পৰীক্ষা কৰি কৃতকাৰ্য্য হলোঁ।

কথাবোৰ কৈ ৰণ্ট্‌জেনে দীঘলকৈ উশাহ এটা ললে।

ৰোজীয়ে সুধিব খুজিছিল—মানুহৰ তেজত কি বস্তুৰ অভাৱ ? শহাপহুৰ তেজত আছে—কিন্তু মানুহৰ তেজত নাই। মানুহৰ তেজত নথকা সেই বস্তুটো কি ?

কিন্তু নুসুধিলে।

ঃ সুনন্দাৰ ওপৰত আৰু এটা মাথোন পৰীক্ষা বাকী আছে।

ঃ কি ?

ঃ চিৰাম আৰু দৰৱৰ পৰিমাণ বঢ়াই দিলে কেনে প্ৰক্ৰিয়া হয় সেইটো পৰীক্ষা কৰি চাব লাগিব।

ৰণ্ট্‌জেন ৰ'ল। কথাবোৰ ৰোজীয়ে বুজি নোপোৱা বুলি তাৰ সন্দেহ হৈছিল। কিন্তু তাতকৈ সহজভাৱে বুজাই দিয়াৰ ক্ষমতা তাৰ নাছিল।

কেইদিনমান পিচৰ ঘটনা।

ৰণ্ট্‌জেনৰ অনুমানটোৱে সঁচা হ'ল। সুনীতি এদিন স্পন্দনহীন হৈ পৰিল। ৰণ্ট্‌জেন নিৰ্ব্বিকাৰ। কিন্তু ৰোজীৰ দুচকুৰে অজানিতে বৈ আহিল দুধাৰি চকুলো। এটা জীৱনৰ হাঁহি-কান্দোন, হা-হুমুনিয়াহ চিৰদিনলৈ হেৰাই গ'ল। ৰোজীৰ ভিতৰৰ মানুহজনীয়ে যেন তাইক সোঁৱৰাই দিলে ঃ এয়া মৃত্যু নহয়। বলিদান। জনকল্যাণৰ বেদীত প্ৰদান কৰা যজ্ঞাহুতি।

ঃ মৃতদেহটো কি কৰিবা ৰণ্ট্‌জেন ?

সেমেকা মাত এটাৰে ৰোজীয়ে সুধিছিল।

ঃ অটোপ্‌চি আৰু অন্যান্য পৰীক্ষা এতিয়াও বাকী আছে। আৰু দুটা দিন আমি অপেক্ষা কৰিব লাগিব।

ঃ মৃত্যুৰ পিচতো এক্সপেৰিমেণ্ট ?

ৰণ্ট্‌জেনে একো নামাতিলে। মৰম কোমল দৃষ্টি এটাৰে তাইলৈ চাই গৱেষণাগাৰলৈ আঁতৰি গ'ল।

তৃতীয় দিনা নিশা।

পৃথিৱী শুইছিল।

বাহাদুৰক এদিনৰ কাৰণে কামৰ পৰা অব্যাহতি দিয়া হৈছিল।

এন্ধাৰ ৰাতি। জীপত সুনীতিৰ মৃতদেহ আৰু এটা গেছ চিলিণ্ডাৰ। ৰোজী অবুজ হৈ পৰিল। সৰু ছোৱালী এজনীৰ দৰে জেদ ধৰিলে ঃ

: নোৱাৰা ৰণ্টজেন। মই তোমাক কোনোমতেই অকলে যাব দিব নোৱাৰোঁ। তোমাৰ লগতময়ো যাম।

বুজনি মানিব নোখোজা বোজীৰ আকোঁৰগজালিত ৰণ্ট্জেন অসহায় হৈ পৰিল।

: মোৰ কোনো বিপদ নহয় বোজ। বৰং তুমি লগত থাকিলেহে বিপদৰ সম্ভৱনা বেছি।

: পুলিচে বাটত যদি তোমাক আমনি কৰে?

: আমনি কৰিলে তুমি লগত থাকিলেও কৰিব। এনেয়ে পুলিচে সন্দেহ নকৰে। চহৰত শেষ নিশাও গাড়ী চলাচল কৰে। কিন্তু ইমান ৰাতি মহিলা এগৰাকীক গাড়ীত দেখিলে পুলিচে সন্দেহ কৰি গাড়ী ৰখাবই।

বেজীয়ে বুজিছিল—ৰণ্ট্জেনে মিছা কোৱা নাই। নিৰুপায় হৈ করুণভাৱে ৰণ্ট্জেনলৈ চাই ৰ'ল।

: নিউ কলনিৰ মাজেৰে প'ল গ্ৰাউণ্ডলৈ এটা চমু বাট আছে। দুয়ো কাষে মানুহৰ ঘৰ আৰু হেলনীয়া পাহাৰ। পুলিচ পহৰা নাই। মই সেই বাটেৰে যাম।

ৰণ্ট্জেনৰ বুজনিত তাই অলপ শান্ত হ'ল। সম্পূৰ্ণৰূপে আশ্বস্ত হব পৰা নাছিল। পুলিচৰ সন্ধানী কুকুৰৰ শঙ্কা মনৰ পৰা আঁতৰাব নোৱাৰি গেছ চিলিণ্ডাৰটোৰ কাৰ্য্যকাৰিতাৰ বিষয়ে জানিবলৈ বিচাৰিছিল। প্ৰস্তুত প্ৰণালী আৰু ব্যৱহাৰ কৰা গেছবোৰৰ কথা সুধিছিল।

: সেই কথা তুমি নজনাই ভাল বোজ। অপৰাধীক ৰক্ষণাবেক্ষণ দিয়া মোৰ উদ্দেশ্য নহয়। মোৰ এক্সপেৰিমেণ্টটো যদি অপৰাধ—তেন্তে লাখ লাখ জনতাৰ স্বাৰ্থৰ খাতিৰত কৰা অপৰাধ।

: বুজিছোঁ ৰণ্ট্জেন। সেই কথা গোপনে থ'ক। মই বেয়া নাপাওঁ। কিন্তু গেছ চিলিণ্ডাৰটোৱে তোমাক ৰক্ষা কৰিব পাৰিবতো? চিলিণ্ডাৰটোৱে সন্ধানী কুকুৰক কেনেদৰে বিভ্ৰান্ত কৰিব বাৰু?

: চিলিঙাৰৰ বতাহে ফাঁকৰ খুলি দিয়াৰ লগে লগে গাৰ গোন্ধ, বিপৰীতমুখী কৰি উটুৱাই নিয়ে। তাৰ পিচত বতাহৰ লগত মিহলি হৈ ওপৰলৈ উৰি যায়। প্ৰায় আধা মাইলমান ঠাই জুৰি অপৰাধীৰ গাৰ গোন্ধ নাইকীয়া কৰি তোলে। অপৰাধীক বিচাৰি পুলিচৰ প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰ তেতিয়া বিভ্ৰান্ত হৈ পৰে।

অৱশেষত ৰোজী মান্তি হৈছিল। কিন্তু সন্দেহমুক্ত হ'ব পৰা নাছিল। সাৱধান হবলৈ ৰণ্ট্‌জেনক দঢ়াই দঢ়াই কৈছিল। পলম নকৰিবলৈ সোঁৱৰাই দিছিল। পলম কৰিলে তাক বিচাৰি তাই ওলাই যাব বুলিও ভয় খুৱাইছিল।

তাৰ পিচদিনা ৰাতিপুৱা।

প'লফিল্ডৰ চাৰি ফাৰ্লঙৰ ওচৰত পুলিচে অৱিষ্কাৰ কৰিছিল এজনী নাৰীৰ এটা মৃতদেহ—সুনীতিৰ। চহৰবাসীৰ কাৰণে এজনী অখ্যাত, অচিনাকি নাৰী।

এমাহমান পিচৰ আন এটা ৰাতিপুৱা।

লেডীকিন কলেজৰ নামনিত ৰাজধানীৰ ব্যস্ত নাগৰিক থমকি ৰ'ল। ঘৰে ঘৰে গৈ গাখীৰ যোগোৱা গোৱাল, দোকানী-পোহাৰী, কল-কাৰখানাত কাম কৰা বনুৱা আৰু কৰ্ম্মচাৰীয়ে জুম বান্ধিলে। ব্যস্ত জনতাৰ পদক্ষেপ ক্ষন্তেকৰ কাৰণে হলেও থমকি ৰ'বলৈ বাধ্য হ'ল। জুমটো লাহে লাহে আৰু শকত হৈ পৰিল।

পুলিচ আহিল।

ভ্যানৰ পৰা নামিল সন্ধানী কুকুৰ, লাঠী আৰু বন্দুকধাৰী কেইজনমান কনিষ্টবল আৰু দুজন নে তিনিজন তদন্তকাৰী পুলচি বিষয়া।

জুমৰ মাজত এটা মৃতদেহ ; এজনী নাৰীৰ—সুনন্দাৰ।

আৰম্ভ হ'ল পুলিচৰ তদন্ত ; অপৰাধীৰ অন্বেষণ।

বাতৰি কাগজত খবৰ ওলাল। কিন্তু চিনাক্তকাৰী কোনো নোলাল। সুনন্দা অচিনাকি। চহৰবাসীৰ কেৱে চিনি নাপায়।

ৰাজধানীৰ বুকুত সৃষ্টি হ'ল চাঞ্চল্য। বিভিন্নজনৰ মাজত বিভিন্ন আলোচনা ; মতামত।

ভয় আৰু বিপদৰ আশঙ্কাত ৰোজীৰ মুখ বিবৰ্ণ; শেঁতা। ৰণ্ট্জেন ভাবলেশ ; নিৰ্ব্বিকাৰ।

ঃ পুলিচে আমাক বিচাৰি উলিয়াব নোৱাৰে ৰোজ। বিচাৰি পোৱাৰ উপায় নাই। ইয়াত কাম কৰা মানুহ কেইজনৰ ওপৰতে নিৰ্ভৰ কৰিছে আমাৰ নিৰাপত্তা। আমি খৰখেদাকৈ আমাৰ এক্সপেৰিমেণ্ট শেষ কৰিব লাগিব।

একো বুজিব নোৱাৰি বেঙাৰ দৰে ৰোজীয়ে ৰণ্ট্জেনলৈ চাই ৰ'ল।

ঃ আৰ্জ্জেণ্ট্, ৰোলেনহঁতৰ বাহিৰে সুনীতি-সুনন্দাহঁতক আন কেৱে চিনি নাপায়। পুলিচক খবৰ দিবলৈ হলে সিহঁতেই দিব লাগিব। কিন্তু সন্ধান পালেও পুলিচে আমাক একো কৰিব নোৱাৰে। অৱশ্যে সন্দেহ কৰিব পাৰে। কিবা বিপদ হলে জয়া, বাসন্তী আৰু কল্পনাৰ পৰাই হব।

ঃ কেনেকৈ ?

ৰোজীৰ চকুত বিস্ময় আৰু আশঙ্কা।

ঃ সন্দেহ কৰি পুলিচ ইয়ালৈ আহিলে জয়া-বাসন্তীহঁতে সকলো কথা কৈ পেলাব। সিহঁতে সঁচা কথাটোকে কব। কাৰণ জয়া-বাসন্তীহঁতে সুনীতি আৰু সুনন্দাক চিনি পায়। পুলিচৰ হাতত ডেড-বডিৰ ফটোগ্ৰাফ নিশ্চয় আছে। থকা উচিত।

ঃ তেন্তে উপায় ?

নিৰুপায় ৰোজী ভয়ত আৰু বেছি বিবৰ্ণ হৈ পৰিল। সৰ্ব্বাঙ্গ শৰীৰ কঁপি উঠিল।

ৰণ্ট্জেনে ওঁঠ দুটা কঁপাই হাঁহিলে।

ঃ অকণমানতে তোমালোক বিবুদ্ধি হৈ পৰা। বৰকৈ ভয় খোৱা। ভয় কৰিবলগীয়া কিটো আছে ? জয়া, বাসন্তী আৰু কল্পনাও সৰহ

দিন আমাৰ ওচৰত নাথাকে। সিহঁতৰ ওপৰত পৰীক্ষা প্ৰায় শেষ হৈছেই। কিন্তু বেয়া লাগিছে কি জানা ?

: ওঁহো।

ৰোজীয়ে মূৰ জোকাৰিলে। আগ্ৰহেৰে ৰণ্ট্‌জেনৰ কথা শুনিবলৈ অপেক্ষা কৰি ৰ'ল।

: সিহঁত প্ৰায় সুস্থ আৰু আৰোগ্য হৈ পৰিছে। চিকিৎসা-বুৰঞ্জীত যি বিৰল—আমাৰ আৱিষ্কাৰে সেইটোকে সম্ভৱ কৰি তুলিছে। ৰশ্মি-চিকিৎসাৰ দ্বাৰা ইমান খৰতকীয়া আৰু নিৰ্ভৰযোগ্য সুফল পোৱা নাযায়।

: তেন্তে তোমাৰ বেয়া লাগিছে কিয় ?

: প্ৰথম কথা—আমাৰ ষ্টক্ প্ৰায় শেষ হৈ আহিছে। বাসন্তীহঁতৰ কাৰণে এতিয়া আৰু ঔষধৰ প্ৰয়োজন নাই। কোৰ্চ শেষ হৈছে কেতিয়াবাই। অপেক্ষা কৰি আছোঁ মাথোন দৰৱৰ প্ৰতিক্ৰিয়ালৈ। কোনো প্ৰতিক্ৰিয়া দেখা নাই। তিনি মাহৰ ভিতৰত একো প্ৰতিক্ৰিয়া নহলে সাফল্যৰ বিষয়ে আমি নিচিন্ত হব পাৰিম।

: তাৰ পিচত ?

: তাৰ পিচৰ কাৰণটোৰ বাবেই মোৰ বেয়া লাগিছে। অত্যধিক দ'জ পুচ কৰি চিৰদিনলৈ সিহঁতক সুনন্দাহঁতৰ দৰে আঁতৰাই পঠিয়াম।

: কিয় ৰণ্ট্‌জেন ?

: দেশ আৰু দহৰ স্বাৰ্থ ৰোজী। মনত ৰাখিবা এইখন আমেৰিকা নহয়; অসম। ভাৰতৰ ভিতৰতে পিচ পৰা অঞ্চল। পাশ্চাত্য দেশ-বোৰৰ দৰে গৱেষকক কোনো সহায় নকৰে। আৱিষ্কাৰৰ মৰ্য্যাদাৰে চৰকাৰে মোক মুক্তি নিদিয়ে। পৰীক্ষা কৰোঁতে মৃত্যু হোৱা সুনীতি-সুনন্দাৰ হত্যাকাৰী বুলি মৃত্যুদণ্ড বিহিব।

ৰোজ নিৰুত্তৰ হৈ ৰ'ল।

ৰণ্ট্‌জেনে খিৰিকীখনেৰে দূৰৰ আকাশখনলৈ চাই পঠিয়ালে। শৰতৰ এখন শান্ত আকাশ। নীলা।

## ॥ পোষ্টৰ ॥

**I will lift up mine eyes unto the hills**
**from whence cometh my help.**

এখন স্মৃতিফলক। এপিটাফ্। সমাধিফলিত খোদিত
কৰা এমুঠি ফুল। বেচেৰা জোৱান লেগী।

জুলাই মাহৰ পদধ্বনি শুনি আঁতৰি যাবলৈ ওলোৱা জুন মাহ। ভৈয়ামত সূৰ্য্য গলি যোৱা শাওণ। ৰাজধানীৰ আকাশত ক'লা মেঘ আৰু পথাৰ প্লাৱিত কৰা ধাৰাষাৰ বৰষুণ। পাহাৰৰ শিখৰে শিখৰে মেঘৰ চুমা। ডাৱৰ আৰু কুঁৱলীৰ লুকাভাকু। পাইনৰ পাতত ন-কইনাৰ লাজ।

যাওঁ যাওঁকৈ খৰখেদা লগোৱা জুন মাহক পিচ পেলাই থৈ এজন ডেকা আগবাঢ়ি গৈছিল। গাভৰু পত্নীৰ চকুলো আৰু হেজাৰ আকুতিক আওকান কৰি আঁতৰি গৈছিল এজন গৱেষক; যৌৱন বলিয়া সন্থ বিবাহিত স্বামী। লগত এমুঠি সৰ্পশিলাৰ বীজ, এটা টেপ ৰেকৰ্ডাৰ, কেইটামান কেচেট, দূৰবীণ, কেমেৰা, কেঁচা ফিল্ম, অভিযাত্ৰীৰ প্ৰয়োজনীয় সা-সৰঞ্জাম, সাজপাৰ আৰু এটা শকত ধনৰ টোপোলা।

ঃ তুমি জানো সঁচাকৈয়ে আকৌ উভতি আহিবা ৰণ্ট্‌জেন ?

বোৱাৰীৰ মনত ভয় আৰু সন্দেহ। তাইৰ প্ৰশ্নটো শুনি ৰণ্ট্‌জেনে হাঁহিছিল; এটা সেমেকা হাঁহি।

ৰণ্ট্‌জেনৰ ধাৰণা ঃ ৰোজীয়ে তাক বিশ্বাস কৰিব পৰা নাই। ভুল বুজিব খুজিছে। তাইক প্ৰতাৰণা কৰি আঁতৰি যাবলৈ ওলাইছে।

আচলতে ৰেজীয়ে সেই কথা ভবা নাছিল।

ঃ মাথোন তিনিটা মাহ। অক্টোবৰত মই ঘূৰি আহিম ৰোজী। ঘৰ-দুৱাৰ, গৱেষণাগাৰ সকলো থাকিল। আৰ্জেণ্ট, ৰোলেন, চকিদাৰ, মালি আটাইবোৰ থাকিব। এইবোৰ চোৱা-চিতাৰ সকলো দায়িত্ব তোমাৰ।

ৰোজী ফেঁকুৰি উঠিল।

ঃ কেলেই কান্দিছা ৰোজী? এয়া তোমাৰ গৌৰৱ ; আমাৰ বিজয় অভিযান। মই নিশ্চিত—হিমালয়ৰ বুকুত সেই সম্পদ বিচাৰি পামেই।

মিছেছ জন ককলৈ তোমাৰ কথা লিখিছোঁ। ড্ৰাগ চ্যাম্পুল, সৰ্প-শিলাৰ বীজ অকণমান আৰু বানীৱদ্ধ টেপবোৰ এৰি থৈ গলোঁ। মই উভতি আহিব নোৱাৰিলে কাৰোবাৰ কেতিয়াবা প্ৰয়োজন হব পাৰে। মানে মই যদি সঁচাকৈয়ে ঘূৰি আহিব নোৱাৰোঁ—কিবা বিপদৰ……।

ঃ মোৰে শপত ৰণ্ট্‌জেন। তেনেদৰে নকবা সোণ।

সোঁ হাতখনৰে ৰোজীয়ে তাৰ মুখখন বন্ধ কৰি ধৰিলে। ৰণ্ট্‌জেনে তাইৰ হাতখনত চুমা এটা খাই আকৌ কৈ গ'ল ঃ

ঃ মৰ বুলি কলেই মানুহ নমৰে ৰোজী। চিৰজিৱী হ' বুলি আশীৰ্ব্বাদ দিলেও কোনো চিৰজিৱী নহয়। কিন্তু বিপদৰ কাৰণে সদায় প্ৰস্তুত থকা উচিত। উভতি আহোঁ যদিতো ভালেই। কিন্তু সঁচাকৈয়ে যদি আহিব নোৱাৰোঁ—হিমালয়ে চিৰদিনলৈ সাৱটি ৰাখে……।

ঃ আঃ আৰু নকবা ৰণ্ট্‌জেন।

ৰণ্ট্‌জেন কিন্তু নৰ'ল। কৈ গ'ল। কবলগীয়াখিনি কৈ যোৱাতো যে খুউব প্ৰয়োজন।

ঃ মিছেছ জন কক্‌ক খবৰটো জনাবা। টকা-পইচাৰ কাৰণে তোমাৰ কোনো অভাৱ নহয়। টেপৰ ৰিলবোৰত মোৰ প্ৰত্যেক দিনৰ পৰিশ্ৰমৰ বিৱৰণী বাণীবদ্ধ কৰা আছে। মই নোৱাৰিলেও নিয়তিক জয় কৰিবলৈ কোনোবা নিশ্চয় আগবাঢ়ি আহিব।

ৰোজীয়ে ধৈৰ্য্য ধৰিব নোৱাৰিলে। হুক্‌-হুক্‌কৈ উচুপি উঠিল।

তাৰ পিচত ?

ৰণ্ট্‌জেন আঁতৰি গৈছিল।

বুকুৰ মাজত প্ৰিয় বিৰহৰ অন্তৰ্দাহী পোৰণি লৈ ৰোজী অধৈৰ্য্য হৈ পৰিল। শাওণৰ আকাশখনলৈ চাই চাই ফেঁকুৰি উঠিল। শেৱালি সৰা শৰতৰ শেষত আহিব খোজা আহিনৰ অপেক্ষাত দিন গণি গণি ভাগৰি পৰিল। দিন নাযায়। ৰাতি নুপুৱায়। অমঙ্গলীয়া চিন্তাত চট্‌ফটাই উঠিল এজনী গাভৰু পত্নী—ৰোজী।

মটৰপথৰ শেষ আড্ডা যোশীমঠ। তাৰ পিচৰ পৰা যান-বাহনৰ সুবিধা নাই। আৰম্ভ হয় পদপথ। পাহাৰ-পৰ্ব্বতৰ মাজে মাজে সঙ্কীৰ্ণ বাট। ওখ-চাপৰ; একা-বেঁকা। ওখৰ-মোখৰ। শিখৰ স্তূপ; বৰফৰ দ'ম। দুয়োকাষে ঘন লতা-বন। মাজে মাজে পাহাৰী জুৰি আৰু বৰফ গলি বৈ যোৱা জলস্ৰোত। চাৰিওফালে পাহাৰ আৰু পাথৰ। পাহাৰৰ নীলা সাগৰ। পাহাৰ আৰু পাথৰ কাটি উলিওৱা অপ্ৰশস্ত ঠেক পথ; বিপদশঙ্কুল—দুৰ্গম। পাথৰবোৰ নিৰ্ভৰযোগ্য নহয়। খোজ দিলেই কঁপি উঠে। বাগৰি পৰিব বুলি ভয় হয়। তাৰ মাজে মাজে মৃত্যুক হাতত লৈ ঢাপে ঢাপে ওপৰলৈ আগবাঢ়ে দুৰ্গমপ থৰ পথযাত্ৰী। অভিযাত্ৰী আৰু তীৰ্থযাত্ৰীৰ দল।

যোশীমঠ .পাৰ হৈ বিষ্ণুপ্ৰয়াগ। তাৰ পিচত ঘাটচটি, গোবিন্দঘাট, ভুঁইন্দাৰ আৰু ঘাংৰিয়া। যোশীমঠৰ পৰা ঘাংৰিয়ালৈ কেইমাইলমান মাথোন বাট। কিন্তু দুৰ্গম পথৰ দূৰত্ব মাইলৰ

জোখেৰে জুখিব খোজাটো এটা প্ৰসহন। পদে পদে মৃত্যুৰ হাত বাউলি। সেই দূৰত্ব পথশ্ৰম আৰু সময়ৰ জোখেৰেহে জোখা উচিত। অসতৰ্ক হৈ পেলোৱা এটা পদক্ষেপ মানেই মৃত্যু।

ঘাংৰিয়াৰ উচ্চতা দহ হেজাৰ ছিয়াশী ফুট। থকা-মেলাৰ কাৰণে বন বিভাগৰ ডাকবঙলা আৰু শিখ গুৰুদ্বাৰ আছে। তাৰ পিচৰ পৰাই আৰম্ভ হয় কেম্প লাইফ। তম্বুৰ তলত ৰাত্ৰিবাস; শিবিৰ জীৱন।

ডাকবঙলাৰ পৰা কেইফালংমান সমতল বাট। তাৰ পিচতেই এখন সাকোঁ। তলত হেমগঙ্গাৰ সোঁত। হেমগঙ্গা ক্ষীণকায়া; কিন্তু খৰস্ৰোতা। সাকোঁৰ সিপাৰে দুভাগত বিভক্ত হৈছে দুটা পথ। সোঁহাতৰ পথেৰে লোকপাল আৰু বাওঁহাতৰ পথেৰে আগবাঢ়ি যায় নন্দনকাননৰ যাত্ৰী। দুইফালে যোৱা দুটা বিপৰীতমুখী পথ।

পাহাৰ-পৰ্ব্বত, জান-জুৰিৰ মাজে মাজে একা-বেঁকা ওখ-চাপৰ বাটেৰে তুষাৰ আৰু শিলাস্তূপ পাৰ হৈ আগবাঢ়ে দুঃসাহসী যাত্ৰীৰ দল। অনুসন্ধিৎসুক উদ্ভিদ বিজ্ঞানী, প্ৰাণীতত্ত্ববিদ, ভূ-বিশেষজ্ঞ, সৈনিক আৰু সৌন্দৰ্য্য প্ৰয়াসীৰ জাক। সম্মুখত এখনৰ পিচত আন এখন বৰফৰ সাকোঁ। ওপৰত বৰফ; তলত বৰফ নিগৰা জলধাৰা।

নন্দনকাননৰ দ্বাৰৰক্ষক—দ্বাৰী নদী। পাহাৰ-প্ৰাচীৰে ঘেৰা নন্দনকানন; ফ্ৰাঙ্ক স্মাইথৰ 'ভেলি অৱ ফ্লাৱাৰচ্'। ডি ভেলি অৱ ফ্লাৱাৰচ্, এ ভেলি অৱ পিচ এণ্ড পাৰফেক্ট বিউটি। নিখুঁত সৌন্দৰ্য্য আৰু শান্তিৰ উপত্যকা এই নন্দনকানন।

প্ৰায় সাত বৰ্গমাইল জোৰা এটা উপত্যকা—ভুঁইন্দাৰ ভেলি। উত্তৰে—দেওমাংৰী আৰু উইলডুঙ্গা। দক্ষিণে—সপ্তশৃঙ্গ। পূবত—ঢোলা বাৰনানী, চাদনীচক, বামনিধৰ আৰু ৰূপি নধৰ। পশ্চিম-ফালে থিয় হৈ আছে ৰতবন, টিপৰা আৰু সিংহ পৰ্ব্বত। ভুঁইন্দাৰ উপত্যকাৰ মাজেৰে বৈ গৈছে নন্দাৱতীৰ ৰূপালী ধাৰা; মনোমহা অপূৰ্ব্ব ৰূপ। ভুঁইন্দাৰ উপত্যকাৰ মাজত প্ৰায় তিনি মাইল দীঘল

'আৰু এমাইল বহল প্ৰকৃতিৰ এখন পুষ্পোদ্যান; নন্দনকানন। মৰ্ত্ত্যৰ ইন্দ্ৰপুৰী। ধৰাৰ বুকুত সৰগৰ অমৰাৱতী। শৈলপুৰীত কোমল কুসুম-পাপৰিৰ হিল্লোল; লয়লাস নৃত্য। ফুল আৰু ফুল। হেজাৰ-বিজাৰ; অলেখ-অগণন। পাষাণ শিলাৰ বেজাৰ গুচাই ফুলা হেজাৰ হেজাৰ ফুল। ফুলৰ মহাসাগৰ। বিভিন্ন ৰং—বিভিন্ন গোন্ধ। সৰহভাগ ফুলৰ ৰঙেই কিন্তু হালধীয়া।

নন্দনকাননৰ অপৰূপ সৌন্দৰ্য্য উপভোগ কৰিব পাৰি। সেই মনোলোভা সৌন্দৰ্য্য চাই চাই উশাহ লৰলৈ পাহৰি যাব পাৰি। উন্মাদ হব পাৰি। কিন্তু বৰ্ণনা দিব নোৱাৰি। বৰ্ণনা দিব খোজাটো এটা প্ৰকাণ্ড মূৰ্খামি; বলিয়ালি।

নন্দনকাননৰ নন্দাৱতীৰ তীৰত থিয় হৈ আছে এখন স্মৃতি ফলক। এপিটাফ্—জোৱান মাৰ্গাৰেট লেগীৰ। লণ্ডনৰ ৰয়েল ব'টানিকেল গাৰ্ডেনৰ উদ্ভিদ-বিজ্ঞানী—জোৱান লেগী।

In loving memory

of

Joan Margaret Legge

Feb. 21st 1885.

July 4th 1939.

I will lift up mine eyes unto the hills
From whence cometh my help.

অফুৰন্ত শান্তিৰ কুসুম শয্যাত চিৰনিদ্ৰিত জোৱান লেগী আজিও শুই আছে। শুই থাকিব। শুই থ'ক।

কিন্তু ৰণ্ট্জেন?

সৌন্দৰ্য্য বিচাৰিতো ৰণ্ট্জেন নন্দনকাননলৈ অহা নাছিল। বিচাৰি আহিছিল দুষ্প্ৰাপ্য উদ্ভিদ; বিশ্বৰ মুমূৰ্ষু মানৱৰ মুখত নন্দন-কাননৰ হাঁহি বোলোৱাৰ আকাঙ্খাত। বিচাৰি আহিছিল অফুৰন্ত সৌন্দৰ্য্য আৰু চিৰপ্ৰৱহমান শান্তি ভূমিৰ পৰা জীৱন বটুলি লৈ হাঁহি

হেৰাই যোৱা জীৱনক ঘূৰাই অনাৰ আশীৰ্ব্বাদ ; হিমালয়ৰ নিৰ্ম্মালি ! হেজাৰ আশা ; অলেখ আকাঙ্খা। মৃত্যুমুখীৰ মাজত নন্দাৱতীৰ মন্দাকিনী সোঁত প্ৰৱাহিত কৰাৰ হেঁপাহত উন্মাদৰ দৰে সি ঘূৰি ফুৰিছিল প্ৰান্তৰৰ পৰা প্ৰান্তৰলৈ। অগণন ফুলৰ মাজে মাজে বিচাৰি ফুৰিছিল মাথোন এবিধ উদ্ভিদ। এপাহ মাথোন ফুল। এপাহেই সন্ধান দিব হেজাৰ পাহৰ।

এদিন, দুদিন, সপ্তাহ, পষেক ; তাৰ পিচত মাহ।

কিন্তু নাই। সি যি বিচাৰি আহিছিল সেয়া নন্দনকাননত নাই। ৰণ্ট্‌জেনে বিচাৰি নাপালে। প্ৰস্ফুটিত লাখ লাখ ফুল ; অজস্ৰ পাপৰি। নাই মাথোন লিজেণ্ডে নামাকৰণ কৰা সৰ্পশিলাৰ পাহি।

নন্দনকাননৰ সীমা চেৰাই ৰণ্ট্‌জেনে চাৰিওফালে বিচাৰিলে। সমগ্ৰ ভুঁইন্দাৰ উপত্যকা পাত পাত কৰিলে। কিন্তু ক'তো বিচাৰি নাপালে সেই অমূল্য সম্পদ ; বাঞ্ছিত উদ্ভিদ।

ৰণ্ট্‌জেন হতাশ হৈ পৰিল।

তাৰ মনত তেতিয়া এটাই মাথোন চিন্তা : ক'ত আছে সেই ফুল ? ক'ত পোৱা যায় ? আৰু ওপৰত ? কিন্তু ওপৰত ক'ত ? তালৈ কেনি যায় ? কোনে দিব পাৰে সেই সম্ভেদ ?

খণ্ডু নদী।

সাঁকোবিহীন খণ্ডু নদীৰ সিপাৰে ৰণ্ট্‌জেন থমকি ৰ'ল। নন্দন-কাননৰ সুন্দৰতম্ অংশ। মূৰৰ ওপৰত আগষ্ট মাহৰ সূৰ্য্য। মেঘ-মুক্ত আকাশ। ৰণ্ট্‌জেনে চাৰিওফালে দৃষ্টি বুলাই নিলে। চাদনী-চকৰ শিৰত ৰূপালী মুকুট। নন্দনকাননৰ হেজাৰ-বিজাৰ পাপৰিয়ে বতাহত হালি-জালি যেন সেই মুকুটক জনাইছে শত-সহস্ৰ ভক্তি প্ৰণাম।

ৰণ্ট্‌জেন তন্ময় হৈ ৰ'ল।

ইমান ৰং ! ইমান ৰূপ ! ইমান প্ৰশান্তি !

অথচ তাৰ মনত অকণো শান্তি নাই। সকলোবোৰ যেন কুৰূপ কদাকাৰ। সি চট্ফটাই উঠিল।

সিংহ পৰ্ব্বতৰ যেন সহ্য নহ'ল। ৰূপালী কিৰীটিধাৰী চাদনী-চকৰ প্ৰতিহিংসাত গৰজি উঠিল। অন্তৰত জাগি উঠিল জিঘাংসা। চাদনীচকক আক্ৰমণ কৰিবলৈ পঠিয়াই দিছিল সশস্ত্ৰ সৈনিকৰ দল। উৰি আহিল ডাঠ কুঁৱলী, ক'লা মেঘ আৰু প্ৰচণ্ড শীতপ্ৰৱাহ। আকাশ অন্ধকাৰ হৈ পৰিল। লৰালৰিকৈ ৰণ্ট্জেন শিবিৰলৈ উভতিল। কিন্তু শিবিৰ পোৱাৰ আগতেই আৰম্ভ হ'ল ধাৰাষাৰ বৰষুণ।

গুহা!

এৰা গুহাই। তাৰ ভুল হোৱা নাই। সন্মুখত সৌৱা পোৰা কাঠ আৰু এঙাৰ। ইয়াত জানো গুহা এটা আছিল? এইপিনেৰে সি কিমানবাৰ অহা-যোৱা কৰিছে। কিন্তু ইমান দিনতো চকুত পৰা নাছিল। এয়া কাৰোবাৰ যাদুকৰী মায়া নে হিমালয়ৰ অপূৰ্ব্ব কৰুণা? বতাহ-বৰষুণৰ পৰা তাক ৰক্ষা কৰিবলৈ হঠাতে সৃষ্টি হ'ল এই গুহা?

ঃ অন্দৰ আও বেটা।

ৰণ্ট্জেন থমকি ৰ'ল। তাৰ পিচত ধীৰে ধীৰে ভিতৰলৈ সোমাই গ'ল।

শ্ৰীমৎ মানৱানন্দ স্বামীৰ লগত তেনেকৈয়ে ৰণ্ট্জেনৰ চিনাকি হৈছিল। শান্ত, সৌম্য কান্তি। থুলন্তৰ দেহ। গৌৰবৰ্ণ। উন্নত ললাট; প্ৰশস্ত নাসিকা। বয়স অনুমান কৰা কঠিন। ৰণ্ট্জেনৰ অনুমানঃ ষাঠি; অথবা বৰ বৈছি সত্তৰ।

কিন্তু স্বামীয়ে কৈছিল এশ সাতত্ৰিশ।

পৰিচয়ৰ প্ৰথম দিনাখনেই বিস্ময়ত ৰণ্ট্জেন অভিভূত হৈ পৰিছিল। শ্ৰদ্ধা আৰু ভক্তিত নত হৈ পৰিছিল শিৰ। সাধু-

সন্ন্যাসীবোৰ সঁচাকৈয়ে সৰ্ব্বজ্ঞানী—ত্ৰিকালজ্ঞ মহাপুৰুষ নেকি? তেওঁলোকৰ অজনা একো নাই?

ঃ তোক কি লাগে মই জানো বেটা। তই কৰ্কট ৰোগৰ দৰৱ বিচাৰি আহিছ।

আচৰিত।

স্বামীজীয়ে কেনেকৈ জানিলে—সি যে কৰ্কট ৰোগৰ দৰৱ বিচাৰি আহিছে? সেই বিষয়ে তেওঁক সিচোন একোকে কোৱা নাছিল।

ৰণ্ট্‌জেনে সুধিব খুজিছিল ঃ তাৰ অভিলাষ পূৰণ হব নে নহয়? উদ্দেশ্য সফল হব নে নাই? সি বিচাৰি অহা উদ্ভিদৰ সন্ধান দিব পাৰিব নেকি?

অদম্য কৌতূহল কোনোমতে চেপি ৰাখি সি মনে মনে ৰ'ল। প্ৰথম দিনাখনেই ইমানখিনিলৈ আগবঢ়া উচিত নহয়। অন্ততঃ আৰু এমাহ স্বামীজীক সি লগ পাই থাকিব।

ৰণ্ট্‌জেন যেন মন্ত্ৰমুগ্ধ। সময় পালেই সি স্বামীজীৰ ওচৰলৈ যায়। কিয় যায় সি নিজেই নাজানে। সেয়া আকৰ্ষণ নে বশীকৰণ— সেই বিষয়েও তাৰ কোনো স্পষ্ট ধাৰণা নাই। কিন্তু স্বামীজীৰ ওচৰত থকা সময়খিনিত সি অনুভৱ কৰে এক প্ৰশস্তি।

সাধুবাবা কেতিয়াবা থাকে। কেতিয়াবা নাথাকে। ক'লৈ যায়; কিয় যায় সি নাজানে। এদিন বা দুদিন পিচত আকৌ উভতি আহে। ৰণ্ট্‌জেনক দেখিলেই আগ্ৰহেৰে ভিতৰলৈ মাতে। বহিবলৈ দিয়ে। কেতিয়াবা কেতিয়াবা খাবলৈ দিয়ে এটা বা দুটা সুমিষ্ট ফল। বৰ বেছি ক্লান্ত যেন দেখিলে এবিধ গছৰ শিপা তালৈ আগবঢ়াই দি খাবলৈ কয়। সুস্বাদু শিপাডোখৰ চোবাই খোৱাৰ পিচত সঁচাকৈয়ে তাৰ ক্লান্তি দূৰ হৈ যায়। অৱসাদ নাইকীয়া হৈ পৰে। দেহ-মন সজীৱ হৈ উঠে।

দিন আগবাঢ়ে।

সাধুৰ কথাবোৰে তাৰ মনত দোলা দি যায়। চিকিৎসা-বিজ্ঞানী

বৰ্ণ্ট্ জেনৰ মনৰ তৰপে তৰপে সোমাই পৰে এক আধ্যাত্মিক ভাব। অন্তৰত জাগি উঠে কিবা এটা অনামী স্পৃহা; ভূমাৰ আকৰ্ষণ। সি আচৰিত হৈ যায়। জনবিৰল অৰণ্যৰ মাজত গুহাবাসী সাধু-সন্ন্যাসীবোৰে বিজ্ঞানৰ উৎকৰ্ষতাৰ ইমান আধুনিক খবৰবোৰ ক'ত পায়? কেনেকৈ পায়? সাধু-সন্ন্যাসীসকলৰ প্ৰতি থকা তাৰ ভুল ধাৰণাটো সলনি হৈ যায়। তত্ত্ব আৰু দৰ্শনত ব্যুৎপত্তি থকা বুলি ভবা সাধু-সন্ন্যাসীসকলে বিভিন্ন বিজ্ঞানৰ ইমান জ্ঞান ক'ৰ পৰা আহৰণ কৰে? প্ৰায়বোৰ সাধু-সন্ন্যাসীয়ে উদ্ভিদ আৰু চিকিৎসা-বিজ্ঞানৰ বিষয়ে বহু কথা জানে। বতৰ আৰু নভোমণ্ডলৰ জ্ঞান অপৰিসীম।

এয়া সাধনালব্ধ জ্ঞান নেকি?

ৰাতি। ভাত-পানী খাই এয়াৰ মেট্ৰেছৰ ভিতৰত শুই শুই সাধু-বাবাৰ লগত হোৱা আলোচনাবোৰ সি ৰোমন্থন কৰি যায়। বাহিৰত ফেৰফেৰীয়া চেঁচা বতাহ।

তপস্বীবোৰ হিমালয়লৈ অহাৰ কাৰণ কি? তপস্যাৰ কাৰণে জানো হিমালয়ৰ বাহিৰে আৰু কোনো উপযুক্ত ঠাই নাই? তপস্যা কি?

সাধনাই তপস্যা। জ্ঞান বৃদ্ধিৰ প্ৰচেষ্টাই সাধনা। প্ৰজ্ঞাই বিজ্ঞান। বিজ্ঞানীসকলেই তপস্বী-সাধক। আজিৰ যুগত তেনেই নগণ্য সংখ্যক সাধকহে হিমালয়ৰ বুকুলৈ আহে। সৰহ সংখ্যক তপস্বী-সাধক যায় গৱেষণাগাৰলৈ।

সাধনা নহলে আত্মশুদ্ধি নহয়, আত্মশুদ্ধি নহলে চিত্ত বিকাশ নহয়। সাধনা নতুবা তপস্যাৰ দ্বাৰা চিত্ত বিকাশ হয়; প্ৰজ্ঞা বৃদ্ধি হয়। বুদ্ধিৰ প্ৰখৰতা বাঢ়ে। যিজন প্ৰজ্ঞান; সেইজনেই সিদ্ধপুৰুষ। ভগৱান প্ৰাপ্তিৰ কাৰণে হিমালয়ৰ বুকুলৈ অহাৰ প্ৰয়োজন নাই। আত্মাই ভগৱান। মানৱসেৱা আৰু জীৱধৰ্মই ভগৱান প্ৰাপ্তিৰ উন্মুক্ত পথ। সাধু-সন্ন্যাসী নোহোৱাকৈও ভগৱানক পাব পাৰি। তথাপি তপস্বীসকলৰ আকৰ্ষণ হিমালয়।

কাৰণ : মানৱ জীৱন তেনেই চমু, চুটি। মোহমুক্ত আৰু আত্মসংযমী হব নোৱাৰিলে প্ৰজ্ঞাপ্ৰাপ্তি নহয়। প্ৰাণায়াম্ অথবা তপস্যাৰ দ্বাৰা দীৰ্ঘজীৱি হব নোৱাৰি। তপস্যাই কষ্টসহিষ্ণু হবলৈ শিকায়। মোহমুক্ত কৰে। সাধকসকলৰ কাৰণে হিমালয়ৰ আকৰ্ষণ দুটা। প্ৰথম আকৰ্ষণ : দীৰ্ঘ জীৱন। মানৱ সেৱাৰ কাৰণে দীৰ্ঘ জীৱন লাভ। হিমালয়ৰ জলবায়ুৰ আৰু বনৌষধিয়ে সাধু-সন্ন্যাসী-সকলক দীৰ্ঘজীৱি কৰি জীয়াই ৰাখে। দুষ্প্ৰাপ্য উদ্ভিদৰ জন্মস্থান হিমালয়। কুবেৰৰ কোষাগাৰ। কিছুমান উদ্ভিদৰ বাকলি, পাত, শিপা, ফল আৰু ৰসে সৰ্ব্বব্যাধি নিৰাময় কৰে। আয়ুস বঢ়ায়।

দ্বিতীয় আকৰ্ষণ : দুৰ্গত মানৱৰ সেৱা। হিমাহয়ৰ আকৰ্ষণে প্ৰত্যেক বছৰে সহস্ৰ যাত্ৰীক হাতবাউল দি মাতে। সেই হাত বাউলিত আগবাঢ়ি আহে ধৰ্ম্মভীৰুৰ জাক ; অভিযাত্ৰীৰ দল ; উদ্ভিদ-বিজ্ঞানী, ভূ-তত্ত্ব আৰু প্ৰাণীতত্ত্ববিদ ; মানচিত্ৰ প্ৰস্তুতকাৰী চাৰ্ভেয়াৰ আৰু মাতৃভূমি ৰক্ষাকাৰী সীমান্ত প্ৰহৰীৰ জাক ; সশস্ত্ৰ সৈনিকৰ দল। ধৰ্ম্মভীৰুসকল আহে পুণ্য অৰ্জ্জনৰ আশাত। আন দল আহে জ্ঞান-তৃষ্ণা পূৰণৰ অন্বেষণত ; কৰ্ত্তব্যৰ দায়িত্বত। জনবিৰল হিমালয়ৰ বুকুত মহান উদ্দেশ্য লৈ অহা যাত্ৰীসকলৰ বিপন্নজনক সহায় কৰিবলৈ বৈ থাকে তপস্বী-সাধকৰ দল। ভোগ-বাসনাত লিপ্তসকলৰ কাৰণে হিমালয় বহুত দূৰ। এই দায়িত্ব লবলৈ সেইসকলৰ কোনো আগবাঢ়ি অহা নাই। নাহে। অৱশ্যে কোনোবা কোনোবাই দান-বৰঙনি আগবঢ়ায়। যাত্ৰীৰ আশ্ৰয়ৰ কাৰণে ধৰ্ম্মশালা পাতে। দলং সাজে। ঘাট বান্ধে। কিন্তু প্ৰয়োজনৰ তুলনাত সেই সাহায্য নগণ্য।

বণ্টজেনে স্বামীজীক এদিন সুধিছিল : সাধু-সন্ন্যাসীসকল অন্তৰ্য্যামী নেকি বাবা ?

স্বামীজীয়ে হাঁহিছিল। সৰল হাঁহি। অৰ্থপূৰ্ণ হাঁহি।

: অন্তৰ্দৃষ্টি নাথাকিলে অন্তৰ্য্যামী হব নোৱাৰি বেটা। সূক্ষ্মদৃষ্টি, অৱচেতন মনৰ উদ্ৰেক আৰু জ্ঞানৰ প্ৰখৰতাই অন্তৰ্দৃষ্টিৰ জন্ম দিয়ে।

ঃ কৰ্কট ৰোগৰ দৰৱৰ অন্বেষণত......।

বাবাই এইবাৰ হোঁ-হোঁকৈ সশব্দে হাঁহি উঠিল। সেই হাঁহিৰ ধ্বনিত ৰণ্ট্‌জেন আধা কোৱাকৈ বৈ গ'ল।

ঃ তোৰ প্ৰশ্ন মই বুজিছোঁ বেটা। পৰিচয়ৰ পিচত বুজিছিলোঁ ঃ তই চিকিৎসা-বিজ্ঞানী। আজিৰ বিশ্বৰ দুৰাৰোগ্য ৰোগ কি? পুণ্য অৰ্জ্জনৰ কাৰণে চিকিৎসাবিদ যুৱক এজনক হিমালয়ে আকৰ্ষণ নকৰে।

স্বামীজীৰ কথা শুনি ৰণ্ট্‌জেনে তলমূৰ কৰি ৰ'ল। মূঢ়তাৰ লাজত তাৰ মৰি যাওঁ মৰি যাওঁ যেন লাগিল।

এৰা, সূক্ষ্ম দৃষ্টিয়ে অন্তৰ্দৃষ্টিৰ জন্ম দিয়ে। বুদ্ধিৰ প্ৰখৰতাই মানুহক সৰ্ব্বজ্ঞানী কৰি তোলে।

ৰণ্ট্‌জেনে সুধিব খুজিছিল—সি সফল হব নে নহয়? বিচাৰি অহা উদ্ভিদ পাব নে নাপায়?

কিন্তু সোধাৰ সাহস নহ'ল। জানোচা আকৌ লাজ পাব লাগে? মূঢ়তা প্ৰকাশ পায়?

ঃ ধৈৰ্য্যই শান্তি আনে। অস্থিৰতাই বিপদ মাতে। সকলো কামৰ ফল পাবলৈ লাগে ধৈৰ্য্য। তই যি বিচাৰি আহিছ—পাবি। নাপাবি কিয়?

ৰণ্ট্‌জেন সঁচাকৈয়ে বিস্মিত হৈ পৰিল। তাৰ মনৰ ভিতৰখনো সাধু বাবাই দেখা পাইছে নেকি? তেন্তে সোধাৰ আৰু কি প্ৰয়োজন? সাধুৱেচোন তাৰ মনৰ সকলো কথাই জানে। উমান পাইছে। সময়ত স্বামীয়ে নিজেই কব। সি নুসুধিলেও যথা সময়ত পাব তাৰ প্ৰশ্নৰ উত্তৰ। সেই কাৰণেই হবলা তাক সোঁৱৰাই দিছে ঃ ধৈৰ্য্যই শান্তি আনে। অস্থিৰতাই বিপদ মাতে।

অদম্য কৌতূহল চেপি ৰাখি সি মনে মনে ৰ'ল।

কিন্তু ধৈৰ্য্যৰো এটা সীমা আছে।

সি জুন মাহত আহিছিল। তাৰ পিচত জুলাই মাহ গ'ল। আগষ্ট গ'ল। চেপ্তেম্বৰ মাহো যাওঁ যাওঁ। ইতিমধ্যে বৰফ পৰিবলৈ আৰম্ভ

কৰিছেই। আৰু কেইদিনমান পিচত সমগ্ৰ হিমালয় বৰফত পোত খাই যাব। মিছাতে ইয়াত বৈ থকাৰ কি প্ৰয়োজন? ভুঁইন্দাৰ উপত্যকাৰ প্ৰতিটো চুক-কোণ সি চলথ কৰিছে। কিন্তু তাৰ প্ৰয়োজনীয় ফুলৰ সন্ধান বিচাৰি উলিয়াব নোৱাৰিলে।

তেন্তে আৰু ওপৰত আছে নেকি? আন ক'ৰবাত?

তেনেহলে ইয়াত পলম কৰিব নোৱাৰি। সময় নাই।

অৱশেষত তাৰ ধৈৰ্য্যৰ বান্ধ স্খলকি পৰিল। সাধুক এদিন সুধিছিল সি বিচাৰি অহা ফুলৰ সন্ধান। জেপৰ পৰা উলিয়াই দেখুৱাইছিল সৰ্পশিলাৰ কেইটামান বীজ। কাৰণ সৰ্পশিলা নামটো লিজেণ্ডে দিয়া নাম। সৰ্ব্বজনবিদিত নতুবা বৈজ্ঞানিক নাম নহয়।

গুটি কেইটা হাতত লৈ সাধুৱে নিৰিখি চাইছিল। তাৰ পিচত বাহিৰৰ পৰা মাটি এটোপোলা আনি তালৈ আগবঢ়াই দিছিল। তম্বুৰ বাহিৰত সেই মাটিখিনিৰে ঢিপ এটা বনাই বীজ কেইটামান সিঁচিবলৈ কৈ সাধু কিছু সময় নিস্তব্ধ হৈ ৰ'ল। তাৰ কেইমিনিটমান পিচত নিস্তব্ধতা ভাঙি কৈছিল: সাত ৰোজকো বাদ মুঝে মুলাকাত কৰো বেটা।

এদিন। দুদিন। তিনি দিন।

চতুৰ্থ দিনা সি চিঞৰি উঠিল। তাৰ চিঞৰ শুনি আংটেম্বা দৌৰি আহিল।

: ক্যা হুৱা চাব?

লাজত বণ্টজেন ৰঙা পৰি গ'ল। আংটেম্বাক সি এতিয়া কি কব? আচল কথাটো লুকাই লৰালৰিকৈ কৈ উঠিল: চায়ে লাও। জলদী কৰো।

আংটেম্বা আঁতৰি গ'ল।

লিজেণ্ডৰ কথা তেন্তে মিছা? খেতি কৰি সৰ্পশিলাৰ বীজৰ পৰা গজালি মেলাব নোৱাৰি। অঙ্কুৰিত নহয়। কিন্তু এয়াচোন

গজিছে। অঙ্কুৰিত হৈছে সৰ্পশিলাৰ বীজ। আনন্দত ৰণ্ট্জেন অধীৰ হৈ পৰিল।

তেনেহলে এয়া কেনেকৈ সম্ভৱ হ'ল ?

সাধু-সন্ন্যাসীৰ অলৌকিক শক্তি নে জলবায়ুৰ প্ৰভাৱ ?

কিন্তু ক'তা ? শ্ৰীমৎ মানৱানন্দ স্বামীজী ক'ত ? ক'লৈ গ'ল ?

সি ব্যস্ত হৈ স্বামীজীৰ ওচৰলৈ আহিছিল। কিন্তু সন্ন্যাসী নাই। গুহা উদং। কিছু সময় সি একেদৰেই থিয় হৈ থাকিল। ওচৰত কোনো নাই। গুহাটোৰ ভিতৰত সিঁচৰিত হৈ পৰি আছে এবোজা শুকান ঘাঁহ। ওচৰত আধা পোৰা কেইডালমান কাঠ আৰু কিছুমান ছাই।

সাত ৰোজকো বাদ মুঝে মুলাকাত কৰো বেটা।

কোনোবাই যেন গুহাটোৰ ভিতৰৰ পৰা তাক কৈ উঠিল।

সাত ৰোজ বাদ। আজি চতুৰ্থ দিন। আৰু তিনি দিন বাকী।

নিৰ্দ্দিষ্ট দিনত সি গৈ আকৌ গুহাৰ সন্মুখত থিয় হ'ল। সন্ন্যাসী নাই। ৰণ্ট্জেন হতাশ হৈ পৰিল। তাৰ ভুল হৈছে নেকি? সাত দিন পূৰ হোৱা নাই ?

তাৰ ভুল হোৱা নাই। সাত দিন যোৱা কালিয়েই পাৰ হৈ গ'ল। ৰণ্ট্জেনৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। তাৰ মূৰ্খামিৰ কাৰণেই সি পায়ো হেৰুৱালে। সকলো খেলিমেলি হৈ গ'ল। ইতিমধ্যে বহুত পলম হ'ল। বহুদিন আগতেই সি তাৰ মনৰ অভিপ্ৰায় সন্ন্যাসীক জনাব লাগিছিল। স্বামীজীক সুধিব লাগিছিল ফুলৰ সন্ধান। ফুলৰ প্ৰয়োজন তাৰ। স্বামীজীৰ নহয়। সিয়েই যদি নোসোধে—তেন্তে সাধুৱে তাক উপযাচি কব কিয় ?

তন্ময় হৈ কথাবোৰ ভাবি থাকোঁতে কিমান সময় পাৰ হৈ গৈছিল সি নাজানে। হাতৰ ঘড়ীটোলৈ চাই ৰণ্ট্জেন আচৰিত হ'ল। দুঘণ্টা সময় কেনেদৰে পাৰ হৈ গ'ল সি গমেই নাপালে। এখোজ

ছুখোজকৈ সি উভতি আহিল। হুতাশাত ভাঙি পৰা মন। দুৰ্ব্বল। অনুশোচনাত ভাৰাক্রান্ত।

ঃ আপস্ আ যাওঁ বেটা।

ৰণ্ট্জেন উচপ্ খাই উঠিল। এয়াচোন সন্ন্যাসীৰ মাত। শ্ৰীমৎ মানৱানন্দ স্বামীৰ কণ্ঠস্বৰ।

সি থমকি ৰ'ল। পিচলৈ উভতি চালে সি ভুল শুনা নাই। গুহাৰ ওচৰলৈ আগবাঢ়ি আহিছে স্বামীজী। কান্ধত এখন কম্বল। হাতত কুমণ্ডলু।

এখোজ-ছুখোজকৈ ৰণ্ট্জেন গুহাটোৰ পিনে উভতি আহিল।

বিচিত্র! সাধু-সন্ন্যাসীৰ মুখুত আল্ট্ৰা ভায়ওলেট ৰশ্মিৰ নির্ভুল ব্যাখ্যা। সূৰ্য্য-ৰশ্মিৰ পৰা সৃষ্টি হোৱা আল্ট্ৰা ভায়ওলেট ৰশ্মি পৰিব নোৱাৰাকৈ কিছুমান ঠাই বৰফে ঢাকি ৰাখে। বছৰৰ কেইমাহমানৰ কাৰণেহে মাথোন সেইবোৰ ঠাই বৰফমুক্ত হৈ পৰে। সেই ঠাইৰ মাটিৰ গুণাগুণ সম্পর্কে স্বামীয়ে তাক বুজাই কৈছিল। কেনে ধৰণৰ উদ্ভিদৰ কাৰণে সেই ঠাই উপযুক্ত সেই বিষয়েও বহলাই কবলৈ নাপাহৰিলে। সাধু-সন্ন্যাসী নহয়; যেনিবা ভূমি গুণাগুণ পৰীক্ষাকাৰী এজন ভূ-বিশেষজ্ঞ। স্বামীজীৰ মুখত মাটিৰ গুণাগুণৰ বিশ্লেষণ শুনি ৰণ্ট্জেন স্তম্ভিত হৈ যায়।

ঃ সিংহ পৰ্ব্বত বৰ হিংস্র বেটা। নৰবলি দিব নোৱাৰিলে সিংহ পৰ্ব্বত শান্ত নহয়। সেই ফুল আনিব নোৱাৰি।

জোৱান লেগীৰ এপিটাফ্খনৰ পৰা সিংহ পৰ্ব্বতৰ পাদ-প্রদেশৰ দূৰত্ব পাঁচ মাইল তিনি ফাৰ্লং।

নন্দনকাননত ফুল আছে। পখিলা আছে। ফুলৰ পাহিয়ে পাহিয়ে উৰি ফুৰে শত-সহস্র পখিলা। চিত্র-বিচিত্র। অপূৰ্ব্ব ৰং; অপূৰ্ব্ব সৌন্দৰ্য্য।

আৰু জানো একো নাই?

আছে। ফুলৰ তলত লুকাই আছে সৰু-বৰ অসংখ্য গাঁত।

কিছুমান গাঁত বৰ বেছি বহল নহয়; ঠেক। কিন্তু অত্যন্ত গভীৰ। ফুলৰ গছ আৰু ফুলে গাঁতবোৰ অদৃশ্য কৰি ৰাখে। তাৰ বাহিৰেও ফুলৰ তলত আত্মগোপন কৰি লুকাই আছে বিভিন্ন আকৃতিৰ শিলাখণ্ড। ফুটন্ত ফুলৰ ওপৰেৰে চাই পঠিয়ালে এনে ভাব হয় যেন এখন সমতল খেলপথাৰ। তাৰ ওপৰত পাৰি থোৱা আছে বিচিত্র ৰঙৰ ফুলবছা এখন ধুনীয়া কোমল কাৰ্পেট।

স্মৃতি-ফলকখনৰ পোনে পোনে পশ্চিম মুৱা হৈ ৰণ্ট্‌জেন আগবাঢ়ি গ'ল। এমাইল, দুমাইল, তিনি মাইল। তাৰ পিচত এফাৰ্লং দুফাৰ্লংকৈ চাৰি ফাৰ্লং। ৰণ্ট্‌জেন বৈ গ'ল। আৰু আগবাঢ়ি যাব নোৱাৰি। সন্মুখত প্ৰায় দুমাইল দীঘল এখন অনুচ্চ টকলা পাহাৰ। একা-বেঁকা প্ৰকাণ্ড শিলৰেখা। দেখিলে ভাব হয়—সেই শিলাখণ্ডৰ পৰাই আৰম্ভ হৈছে সিংহ পৰ্ব্বতৰ গিৰিশিৰা। সিংহ পৰ্ব্বত আৰু শিলৰেখাটোৰ মাজত উপত্যকা এটা লুকাই থকা বুলি অনুমান কৰিব নোৱাৰি। অতি কষ্টেৰে শিলাখণ্ডটো বগাই ৰণ্ট্‌জেন ওপৰলৈ উঠিল।

তাৰ পিচত?

ৰণ্ট্‌জেনৰ মূৰটো আচন্দ্ৰাই কৰি দিলে। উশাহ-নিশাহ বন্ধ হৈ গ'ল। সি যেন জ্ঞান হেৰুৱাই পেলাব। হঠাতে চোন তাৰ তেজৰ গতিবেগ বাঢ়ি গ'ল।

উত্তেজনাত অধীৰ হৈ পৰিল ৰণ্ট্‌জেন।

ফুল আৰু ফুল। ৰাশি ৰাশি গছ। ৰাশি ৰাশি ফুল। ৰণ্ট্‌জেনৰ বহু আকাঙ্খিত দুষ্প্ৰাপ্য উদ্ভিদ। ইমান ফুল। ইমান গছ।

কোনে কয় এই ফুল দুষ্প্ৰাপ্য?

: তোমাৰ অনুমান সঁচা বোজী। স্বামীজী, তোমাক শত-সহস্ৰ প্ৰণাম। তুমি সন্ধান নিদিয়া হলে হয়তো চিৰদিনলৈ অনাবিষ্কৃত হৈ ৰ'লহেঁতেন মৃতসঞ্জিৱনী সুধাৰ অক্ষয় ভাণ্ডাৰ।

স্বামীজীৰ কথাবোৰলৈ ৰণ্ট্‌জেনৰ মনত পৰিল।

জয় তেন্তে কিয় ইমান সহজ নহয়? কিয় কৈছিল স্বামীজীয়ে? দহ বছৰৰ অপেক্ষা, ধৈৰ্য্য আৰু গৱেষণাৰ পিচতহে হেনো অৱিষ্কাৰ হব কেন্সাৰ ৰোগৰ ঔষধ। সিংহ পৰ্ব্বতৰ পাদ-প্ৰদেশৰ পৰা স্বামীজীয়ে কিয় বাৰু তাক বীজ সংগ্ৰহ কৰিবলৈ মানা কৰিছে? লক্ষ্মী পূৰ্ণিমাৰ ৰাতি বৃক্ষ মূল উত্তোলন কৰি স্বামীজীয়ে ৰণ্ট্‌জেনক দিব কৰ্কট ৰোগৰ ঔষধ। কিন্তু কিমান দিব? এডাল শিপা। হয়তোবা এপোৱা। আধা কেজি! খুউব বেছি পাঁচ কেজি। সেইখিনিৰে কিমানজন ৰোগীক সি সুস্থ কৰি তুলিব পাৰিব? বিশ্বৰ আটাইবোৰ কৰ্কট ৰোগীক সুস্থ কৰিবলৈ প্ৰয়োজনীয় দৰৱৰ কাৰণে সেইখিনি ইন্‌গ্ৰেডিয়েণ্ট মুঠেই যথেষ্ট নহয়। সৰহ পৰিমাণে দৰৱ প্ৰস্তুত কৰিবলৈ সময় লাগিব কাৰণেই স্বামীজীয়ে আৰু দহ বছৰ অপেক্ষা কৰাৰ কথা কৈছে নেকি? নে তাৰ গৱেষণা ভুল? আৱিষ্কাৰ মিছা?

নাই, নাই। মিছা নহয়। মিছা হব নোৱাৰে। সঁচা। তাৰ আৱিষ্কাৰ নিৰ্ভুল। সিংহ পৰ্ব্বতৰ পাদ-দেশৰ পৰা সৰ্পশিলাৰ বীজ সি সংগ্ৰহ কৰিবই। গুটিবোৰ প্ৰায়ে পূৰঠ হৈ আহিছে। চেপিলে তেল ওলায়। আৰু কেইদিনমানৰ ভিতৰতে সম্পূৰ্ণৰূপে পূৰঠ হৈ উঠিব। অক্টোবৰৰ প্ৰথমছোৱাৰ ভিতৰতে সমাপ্ত কৰিব লাগিব সংগ্ৰহ অভিযান।

সিংহ পৰ্ব্বত হিংস্ৰ।

হওঁক হিংস্ৰ। সিংহ পৰ্ব্বতক ৰণ্ট্‌জেনে জনাব শত-সহস্ৰ প্ৰণাম। জনকল্যাণৰ কাৰণে সিংহ পৰ্ব্বতে নিশ্চয় শান্ত ৰূপ লব। হৈ পৰিব নম্ৰ। উদাৰ আৰু কৰ্ণৰ দৰে দানশীল।

আংটেম্বাৰ লগত সি আলোচনা কৰে। সিহঁতক আৰু দহ পোন্ধৰজনমান মালবাহকৰ প্ৰয়োজন। গুটিবোৰ কঢ়িয়াবলৈ লাগে কিছুমান থৈলা।

টেম্বাই উপায় দিছিল। সিহঁতৰ মাজৰ পৰা কোনোবা এজন যোশীমঠলৈ গৈ কুলী আৰু থৈলা লৈ উভতি আহিব। বস্তাবোৰ

চিলাবলৈ আনিব বেজী আৰু চুট্‌লি। বিশ-পঁচিশজন মানুহৰ আৱশ্যকীয় ৰচদ, খাদ্যবস্তু।

আংটেম্বা নহয়। বার্কে যাব। বার্কে যোশীমঠলৈ গৈ কুলী আৰু আৱশ্যকীয় সা-সামগ্ৰী লৈ উভতি আহিব। যাওঁতে বার্কে লগত লৈ যাব টকা, চিঠি আৰু এখন টেলিগ্ৰাম। ৰোজীৰ চিঠি। ৰোজীৰ টেলিগ্ৰাম।

মৰম কোমল ভাষাৰ এখন চিঠি। যাত্ৰাৰ বৰ্ণনা। স্বামীজীৰ আশীৰ্ব্বাদ। অমূল্য উদ্ভিদ প্ৰাপ্তিৰ সংবাদ। উভতি গৈ হিলক ভিলা পোৱাৰ দিন-তাৰিখ; হিয়া উবুৰিয়াই দিয়া মৰম আৰু সহস্ৰ চুমা।

১৯৭৩ চন। তিনি অক্টোবৰ। বুধবাৰ। সপ্তমী।

আগদিনা সন্ধিয়া। কৈলাসৰ পৰা পৃথিৱীৰ বুকুলৈ নামি গৈছিল সৰ্ব্ববিঘ্ন বিনাশিনী দুৰ্গা; মঙ্গলদায়িনী সৰ্ব্বজায়া।

আৰু সিদিনাখনেই যোশীমঠৰ পৰা উভতি আহিছিল বার্কে। লগত সোতৰজন মালবাহক। থৈলা, বেজী, চুট্‌লি আৰু প্ৰয়োজনীয় ৰচদ। ৰণ্ট্‌জেনহঁতে কিন্তু আশা কৰা নাছিল। মৰ্ত্ত্যৰ দুৰ্গতি বিনাশ কৰিবলৈ কৈলাসৰ পৰা দেৱী পৃথিৱীলৈ নামি যোৱাৰ লগে লগে হিমগিৰিত আৰম্ভ হৈছিল দুৰ্গতি। বতাহ, বৰষুণ আৰু তুষাৰপাত। পাহাৰ খহি, শিল বাগৰি পাহাৰী পথ বন্ধ। তেনেকুৱা দুৰ্য্যোগপূৰ্ণ বতৰত বার্কে উভতি আহিব বুলি ৰণ্ট্‌জেনহঁতে আশায়েবা কৰে কেনেকৈ?

কিন্তু বিশ্বাসী বার্কে। তাৰ কাৰণে সেই দুৰ্য্যোগ তুচ্ছ। জবানতকৈ জীৱন ডাঙৰ নহয়। একমাত্ৰ আছুকাল ৰচদখিনি লৈ। বৰষুণত তিতি যদি নষ্ট হৈ যায়?

পিচদিনা মহাষ্টমী।

বতৰ ভাল হলে পিচদিনাখনৰ পৰাই সিহঁতে আৰম্ভ কৰিব সংগ্ৰহ। পিচে বতৰ অনুকূল হোৱাৰ আশা নাই। তীব্ৰ বতাহে

শিবিৰ যেন উকৰাই নিব। প্ৰতি মুহূৰ্ত্তে ভাব হয় তম্বুখন বোধহয় উৰি গ'ল। বাহৰ ভাঙি পৰিল। তম্বুৰ ভিতৰত হাড় কঁপোৱা জাৰ। বাহিৰত ভীষণ তুষাৰপাত।

ৰণ্ট্‌জেনৰ ভীষণ ভুল হৈ গ'ল। মানুহৰ তুলনাত চাউনিহে কম হব। আৰু এটামান তম্বু তৰিব পৰা হলে সুবিধা হ'লহেঁতেন। তথাপি যেনেতেনে থাকিব লাগিব। তাৰ তম্বুখনৰ তলত টেন্সাইঁতৰ কেইজনমানক শুৱলৈ দিব লাগিব। নতুনকৈ মানুহ আহিলে আৰু এখন বা দুখন তম্বুৰ যে প্ৰয়োজন হব সেই কথা তেতিয়া সি পাহৰিয়েই গৈছিল।

ৰাতি কিমান বাজিছিল ৰণ্ট্‌জেনে নাজানে।

ভীষণ শব্দ এটাত সিহঁত আটাইবোৰৰে টোপনি ভাঙি গ'ল। কঁপি উঠিল সমগ্ৰ হিমালয়। ওঁ নহয়; সমগ্ৰ ভূ-মণ্ডল। বোধহয় হিমালয়ৰ আটাইবোৰ চূড়া একেলগে খহি পৰিল।

সঁচা জানো? যদি নহয়—তেন্তে কিহৰ শব্দ? কি হ'ল?

অধীৰ উৎকণ্ঠা। সহস্ৰ কৌতূহল।

কিন্তু কোনে উত্তৰ দিব?

বাহিৰত নিশাৰ এন্ধাৰ।

বতাহৰ সোঁ-সোঁৱনি? বৰষুণৰ শব্দ?

ক'লৈ গ'ল? বতাহৰ সোঁ-সোঁৱনি নাই। আগনিশাৰ অস্থিৰ চঞ্চল শিবিৰ—তেতিয়া অস্থিৰ নহয়। অচঞ্চল; স্থিৰ। বৰষুণো চাগে কেতিয়াবাই বন্ধ হ'ল। বৰষুণৰ শব্দচোন সিহঁতে শুনা নাই।

চাৰি অক্টোবৰ। মহাষ্টমী। বৃহস্পতিবাৰ।

বাৰ্কৰ মাতত ৰণ্ট্‌জেনৰ টোপনি ভাঙি গ'ল। তাৰ হাতত ধোঁৱা ভৰি থকা এমগ গৰম চাহ। এয়াৰ মেট্ৰেছৰ জিপ খুলি ৰণ্ট্‌জেনে ঘড়ীটোলৈ চালে। নটা বাজি গৈছে। শোৱাৰ পৰা ৰণ্ট্‌জেন জঁাপ মাৰি উঠি বহিল।

এয়া সি কি দেখিছে?

অবিশ্বাস্য! অদ্ভুত।

আগদিনাৰ গোমা আকাশ, বতাহ-বৰষুণ, তুষাৰপাত ক'লৈ গ'ল? কাৰ অদৃশ্য হাতে আকাশখন সাৰি নিলে? ইমান পৰিষ্কাৰ! সোঁৱা ধবল চাদনীচকৰ শুভ্ৰ গিৰিশিখৰত সমুজ্জ্বল স্বৰ্ণমুকুট। জিলমিল। খালি চকুৰে চাব নোৱাৰি। চালে মাৰি ধৰে। দৃষ্টি বিভ্ৰম হয়। অৱশ্যে চাদনীচকৰ চূড়াত এতিয়াও সম্পূৰ্ণৰূপে সূৰ্য্য-শিখা পৰা নাই। সূৰ্য্য হেলনীয়া হোৱাৰ লগে লগে উকা চকুৰে শিখৰলৈ চাই তুষাৰান্ধ হব পাৰি। কিন্তু চাদনীচকৰ অপৰূপ সৌন্দৰ্য্য উপভোগ কৰিব নোৱাৰি।

আৰু পশ্চিমত সিংহ আৰু ঘোড়ী পৰ্ব্বতৰ শিখৰত সোঁৱা···

আচৰিত! এয়া সঁচা নে দৃষ্টিভ্ৰম? সি সঁচাকৈয়ে তুষাৰান্ধ হৈ পৰিল নেকি? চকু দুটা উখহিছে? ৰঙা পৰিছে?

লৰালৰিকৈ আইচ গগলচ্‌যোৰ পিন্ধি ৰণ্ট্‌জেনে চাই পঠিয়ালে। ওঁহো, মিছা। তাৰ দৃষ্টি বিভ্ৰম ঘটিছে। সি বোধহয় তুষাৰান্ধ হৈ পৰিল।

ঃ আংটেম্বা। বাৰ্কে।

সি চিঞৰি মাতিলে।

আংটেম্বা দৌৰি আহিল। দৌৰি আহিল বাৰ্কে; আৰু তাৰ পিচে পিচে কেইজনমান মালবাহক।

তেনেহলে সি তুষাৰান্ধ হোৱা নাই? সি যি দেখিছে—সেয়া সঁচা? টেম্বা-বাৰ্কেহঁতেও দেখিছে। যোৱা নিশা সিহঁতে শুনা বজ্ৰনিনাদ আন কাৰো নহয়; সিংহ পৰ্ব্বতৰ গৰ্জন। কাৰোবাৰ আক্ৰোশত নিজৰ মূৰটো নিজে ছিঙি পেলাইছে। উতুঙ্গ চূড়াৰ মুকুটটো দলিয়াই পেলাই শিৰত তুলি লৈছে এজনী নাক ফেঁচী শাভক।

কিন্তু মুকুটটো ক'ত দলিয়াই পেলালে?

সৰ্ব্বনাশ!

সিংহ পৰ্ব্বতৰ মুকুটৰ আঘাতত পখিলা পাহিৰ দৰে কোমল···।

ৰণ্ট্জেনে আৰু ভাবিব নোৱাৰিলে।

আইচ এক্স বিচৰাৰ আৰু সময় নাই। বলিয়াৰ দৰে দৌৰি গ'ল ৰণ্ট্জেন। জেপত আইচ গগলচ্ আৰু দূৰবীণ। কান্ধত কেমেৰা। হাতত টেপৰেকৰ্ডাৰ।

কোনে জানে বিপদ কেতিয়া আহে? কোন মুহূৰ্ত্তত কি প্ৰয়োজন হয়?

আংটেম্বাই প্ৰমাদ গণিলে।

ৰণ্ট্জেনৰ পিচে পিচে আগবাঢ়ি গ'ল আংটেম্বা। অস্থিৰ পদক্ষেপ পেলাই ৰণ্ট্জেন উধাতু খাই আগুৱাই গৈছে। যেন ধুমুহাৰ বেগেৰেহে দৌৰি যাব। কিন্তু পথ ক'ত? খলা-বমা—ওখ-চাপৰ শিলা-ভূমি। শিলৰ ওপৰত যোৱা নিশাৰ তুষাৰপাতৰ পাতল চামনি। মাজে মাজে গভীৰ গাঁত। ঠায়ে ঠায়ে প্ৰকাণ্ড শিলাস্তূপ। ৰণ্ট্জেনক সাৱধান কৰি পাচফালৰ পৰা বাৰে বাৰে চিঞৰি উঠিল আংটেম্বা।

টকলা পাহৰখন বগাই সিহঁত ওপৰলৈ উঠিল। সিংহ পৰ্ব্বতৰ পাদ-দেশলৈ চাই পঠিয়ালে। কিন্তু এয়া কি হ'ল? ৰাতিৰ ভিতৰতে পীত উপত্যকাটো ক'লৈ গ'ল? সিহঁতৰ সন্মুখত এটা দীঘলীয়া শ্বেত উপত্যকা। সমগ্ৰ সমতলভূমি বৰফে ঢাকি পেলাইছে। চাৰিওফালে কেৱল বৰফ, বৰফ আৰু বৰফ। তুষাৰ-স্খলন তেতিয়াও সম্পূৰ্ণৰূপে বন্ধ হোৱা নাই। সিংহ পৰ্ব্বতৰ চূড়াৰপৰা বাগৰি পৰিছে সৰু-বৰ বৰফৰ স্তূপ। হিমানী-প্ৰপাত। সিহঁতৰ সন্মুখত সোৱা পাপৰিৰ হিল্লোল নহয়; হিমানী-হিল্লোল।

দূৰবীণেৰে চোৱাৰ প্ৰয়োজন নাই। উকা চকুৰেই সি দেখিছে—দুখন পাহাৰৰ মাজত বৰফৰ এখন ব্ৰহ্মপুত্ৰ।

খৰখেদাকৈ ৰণ্ট্জেন তললৈ নামি গ'ল। নামি গ'ল আংটেম্বা। আংটেম্বাই বাৰে বাৰে তাক মানা কৰিছিল। কৈছিল: তুষাৰ-বন্যা বৰ বিশ্বাসঘাটক চাব। বিশ্বাস কৰা অনুচিত। বৰফৰ তলত

ঠায়ে ঠায়ে পোত খাই আছে বিশ-ত্রিশ ফুট দ গাঁত। হিমানী প্ৰপাতে পূৰাই থোৱা অসংখ্য গভীৰ গহ্বৰ।

কিন্তু ৰণ্ট্জেনে নুশুনিলে। আংটেম্বাৰ হকাবধা নামানিলে। সি মাথোন বৰফৰ আবৰণটো পৰীক্ষা কৰি চাব। বৰফৰ আবৰণ যদি ডেৰ-দুই ফুটতকৈ বেছি নহয়—তেন্তে বৰফ গলি গলি দুই এদিনতে আকৌ মুক্ত হৈ পৰিব পীতপুষ্প উপত্যকা। তুষাৰাঘাতত পাহিবোৰ নিশ্চয় সৰি পৰিছে। গছবোৰ ভাঙি-ছিঙি থান্বান হৈ গৈছে। য'ক। সংগ্ৰহ অভিযানত সিহঁতৰ কোনো অসুবিধা নহয়। ব্যাঘাত নজন্মে।

আংটেম্বাই কৈছিল—ৰণ্ট্জেনৰ অনুমান মিছা। কমেও দহ পোন্ধৰ ফুট বৰফৰ তলত পোত খাই গৈছে সৰ্পশিলাৰ প্ৰাকৃতিক পীত-পুষ্প উদ্যান। এই বৰফ গলাৰ সময় আৰু নাই। শীত পৰি আহিছে। প্ৰত্যেক দহ বছৰৰ অন্তৰে অন্তৰে সিংহ পৰ্ব্বতৰ তুষাৰ চূড়া এনেদৰে খহি পৰে।

ৰণ্ট্জেনৰ বিশ্বাস নহ'ল। বৰফৰ নদীৰ বুকুলৈ সি আগবাঢ়ি গ'ল। আগবাঢ়ি গ'ল আংটেম্বা। হাতৰ আইচ এক্সখন ৰণ্ট্জেনলৈ আগবঢ়াই দিলে। ৰণ্ট্জেনৰ তেতিয়াহে উপলব্ধি হ'ল—পাহাৰৰ বুকুত টেপৰেকৰ্ডাৰ এটাতকৈ আইচ এক্স এখনৰ প্ৰয়োজন খুউব বেছি। ৰেকৰ্ডাৰটো ননা হলেও হ'লহেঁতেন। মৃত্যু ইমান সহজ নহয়। আৰু সহজ হলেই যেনিবা—মৃত্যুৰ আগ মুহূৰ্ত্তৰ শেষ কথাখিনি সি জানো বাণীবদ্ধ কৰিব পাৰিব? তাৰ যদি সঁচাকৈয়ে মৃত্যু হয়—তেন্তে ৰেকৰ্ডাৰটোওচোন তাৰ লগতে হেৰাই যাব।

আইচ এক্সখন হাতত লৈ টেপৰেকৰ্ডাৰটো সি আংটেম্বালৈ আগবঢ়াই দিলে। কান্ধত ওলোমাই লোৱাৰ সুবিধা নাই। তাৰ পিচত খুপি খুপি আগবাঢ়ি গ'ল। পিচল বৰফ। খোপনি নৰয়। বাৰে বাৰে ভৰি পিচলি যায়। আইচ এক্সখন নোহোৱা হলে বৰফৰ ওপৰেৰে খোজ কাঢ়ি যোৱা তাৰ কাৰণে অসম্ভৱেই হ'লহেঁতেন।

ৰণ্ট্জেন আৰু আংটেম্বা।

বৰফ কাটি কাটি সিহঁত আগুৱাই গৈছিল। আগবাঢ়ি যাব খুজিছিল আংটেম্বা। ৰণ্ট্জেন মান্তি নহ'ল। কাৰণ আংটেম্বাৰ হাতত আইচ এক্স নাই। সি অভ্যস্ত। কুঠাৰ নোহোৱাকৈও বৰফৰ ওপৰত খোজকাঢ়ি যাব পাৰিব। ৰণ্ট্জেন অনভ্যস্ত। কুঠাৰ-খনেৰে খোপনি নোপোতাকৈ এখোজো আগবাঢ়িব নোৱাৰে।

হঠাতে আংটেম্বাৰ ভৰিৰ খোপনি এবাৰ পিচলি গ'ল। লুটি খাই পৰিল আংটেম্বা। তাৰ পিচত লৰালৰিকৈ থিয় হৈ বৰফৰ টুকুৰাবোৰ গাৰ পৰা জোকাৰি পেলালে। সেই অৱসৰতে কেইগজমান দূৰলৈ আগবাঢ়ি গ'ল ৰণ্ট্জেন।

প্ৰকৃতি নিস্তব্ধ নহয়। চৌদিশৰ নিস্তব্ধতা ভাঙি সিংহ পৰ্ব্বতৰ গাৰে শিখৰৰ পৰা হঠাতে একো একোবাৰ সশব্দে নামি আহিছে হিমানী-প্ৰপাত। একো একোটা প্ৰকাণ্ড তুষাৰ খণ্ড।

হাতৰ পৰা চিটিকি পৰা টেপৰেকৰ্ডাৰটো বুটলি লৈ আগবাঢ়ি যাব খোজা টেম্বা হঠাতে শিয়ৰি উঠিল।

সৰ্ব্বনাশ!

কিন্তু উপায়? এটা নিশ্চিত মৃত্যু।

সন্মুখত তুখণ্ড বৰফৰ মাজত কেইফুটমান বহল এটা দ গাঁত। সেই গাঁতটো জঁপিয়াই পাৰ হবলৈ ৰণ্ট্জেন উদ্যত হৈ পৰিছে। কিন্তু যদি পাৰ হব নোৱাৰে? পিচলি যায়?

আতঙ্কবিহ্বল কণ্ঠেৰে আংটেম্বাই চিঞৰি উঠিল: চাব। চাব।

ৰণ্ট্জেনে হয়তো শুনিছিল। হয়তোবা শুনা নাছিল। নতুবা হয়তো আংটেম্বাৰ চিঞৰটো শুনিও জঁপিয়াই পাৰ হৈ যাব খোজাৰ বাহিৰে আন কোনো উপায় নাছিল। নাছিল থমকি ৰোৱাৰ সময়, নতুবা নিজকে চম্ভালি বৈ যাব পৰাৰ ক্ষমতা।

আতঙ্কত টেম্বাই চকু দুটা মুদি দিলে। এটা মাথোন পলক। এটা মুহূৰ্ত্ত হেৰুওৱা মানেই এটা জীৱনৰ সমাপ্তি। তুষাৰ-সমাধি।

নিজৰ বিপদৰ কথা সি পাহৰি গ'ল। ৰণ্ট্জেনৰ ওচৰলৈ দৌৰি গ'ল আংটেম্বা।

কিন্তু ?

ইমান অবিশ্বাস্য ! ইমান দ্রুত ! ইমান প্রখৰ।

সি হতভম্ব হৈ পৰিল। মুহূর্ত্তৰ ভিতৰতে বৰফৰ ফাঁকটো ক'লৈ গ'ল ? আৰু ৰণ্ট্জেন ? তাৰ বৰ মৰমৰ চাব ৰ-ণ্ট্-জেন।

টেম্বাই থাপ মাৰি ধৰাৰ আগতেই ৰণ্ট্জেন আঁতৰি গ'ল। তুষাৰ গৰ্ভত হেৰাই গ'ল এটা জীৱন। এজন বিশ্ব-কল্যাণকামী যুৱক। গৱেষক।

বেচেৰা ৰণ্ট্জেন !

তুফালৰ পৰা আগবাঢ়ি অহা বৰফে গভীৰ গাঁতটো তেতিয়া নিচিহ্ন কৰি পেলাইছে।

চিঞৰি মাতিলেও সঁহাৰি দিবলৈ ৰণ্ট্জেন আৰু উভতি নাহে। চিঞৰা নিৰৰ্থক। কিন্তু মনে বুজনি নামানে। আকুল হৈ সি চিঞৰি উঠিল : চা—ব। চা—ব। ক্যাহা গিয়া চা—ব ?

এটা করুণ আৰ্ত্তনাদ। মৰ্ম্মন্তুদ।

তাৰ পিচত এটা প্রতিধ্বনি।

অৱশেষত সেই প্রতিধ্বনিটোও কঁপি কঁপি দূৰত মিলি গ'ল।

অসহায় হৈ সন্মুখলৈ চাই ৰ'ল আংটেম্বা। বৰফৰ তলত পোত খাই যোৱা গহ্বৰটোৰ পৰা যেন ভাঁহি আহিল এটা মাত ; ৰণ্ট্জেনৰ কণ্ঠস্বৰ : তই ঠিকেই কৈছিলি টেম্বা—তুষাৰ-বন্যা বৰ বিশ্বাসঘাটক। স্বামীজীয়ে কৈছিল—নৰবলি দিব নোৱাৰিলে সিংহ পৰ্ব্বত শান্ত নহয়। সেই ফুল আনিব নোৱাৰি। কিন্তু সিংহ পৰ্ব্বত আজিৰ পৰা আৰু কোনো দিনেই ক্ষুব্ধ নহয়। বলিৰ ৰক্তেৰে সিংহ পাহাৰ আজি সন্তুষ্ট। শান্ত, উদাৰ। দানশীল। জনকল্যাণৰ কাৰণে উদাৰচিত্তে বিতৰণ কৰিব গুপ্ত সম্পদ। সৰ্পশিলাৰ বীজ। কেন্সাৰৰ মহৌষধ।

আংটেম্বাই হয়তো শুনা নাছিল সেই কণ্ঠস্বৰ। কিন্তু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। হিয়া ভঙা কণ্ঠেৰে সি আকৌ চিঞৰি উঠিল : চা—ব।

এটা মৰ্ম্মন্তুদ অসহায় আৰ্ত্তনাদ। বুকুৰ পাঁজৰ ভঙা করুণ চিঞৰ।

সেই আৰ্ত্তনাদৰ ধ্বনি শুনি সিংহ পৰ্ব্বতে আট্টহাস্য কৰি উঠিল : কৰ্-কৰ্-কৰাৎ।

এক ফাৰ্লংমান দূৰত খহি পৰিল এটা বৰফৰ স্তূপ। প্ৰকাণ্ড তুষাৰ খণ্ড। কঁপি উঠিল সমগ্ৰ ভুঁইন্দাৰ উপত্যকা।

*সপ্তশৃঙ্গ নিস্তব্ধ। নিস্তব্ধ দেংমাৰী আৰু ঢৌলা বাৰনানী। নিমাত বামনিধৰ আৰু ৰূপি নধৰ। শোকত ম্ৰিয়মান চাদনীচক। অসহায় করুণ দৃষ্টিৰে চাদনীচকে আংটেম্বালৈ চাই ৰ'ল। দুঃসহ বেদনাত সেমেকা দৃষ্টি। আৰু আংটেম্বা? আংটেম্বাৰ চকুত অশ্ৰু-বন্যা। সন্মুখত ৰণ্ট্জেন হেৰাই যোৱা ৰাক্ষসী তুষাৰ ভূমি। বৰফৰ তলত মুখ লুকাই থকা পিশাচ গহ্বৰ।

চাদনীচকৰ আৰু সহ্য নহ'ল। শিৰৰ স্বৰ্ণ মুকুট আৰু দেহৰ সোণালী আভৰণ দলিয়াই পেলাই উচুপি উঠিল। আন্ধাৰ ক'লা সাজ এযোৰেৰে মুখ ঢাকি আবেগজড়িত কণ্ঠেৰে আংটেম্বাক যেন আশ্বাস দিছিল : উভতি যোৱাগৈ আংটেম্বা। স্মৃতি ফলকৰ কোনো প্ৰয়োজন নাই। মানৱ কল্যাণকামী দুঃসাহসী বীৰৰ মহান মৃত্যুৰ সাক্ষী হৈ চিৰদিন মই ইয়াতে ৰৈ থাকিম। সকলোকে সোঁৱৰাই দিম : বিজয়ী বীৰৰ মৃত্যু নাই। মৃত্যু নহয়।

ৰণ্ট্জেন নাই। কিন্তু চাদনীচক আছে। থাকিব। ৰণ্ট্জেনৰ মৃত্যুৰ চিৰ সাক্ষী হৈ ৰ'ব চাদনীচক।